# ডেকাগিৰী

একাদশ সংখ্যা

৫৬৪ শঙ্কৰাব্দ ঃ নবেম্বৰ, ২০১২

ISSN 2279-0608 Dekagiri

সম্পাদক

গোবিন্দ চন্দ্ৰ ডেকা

**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

মূল কাৰ্যালয় ঃ নগাঁও (অসম)

২০১২ খ্ৰীষ্টাব্দ

**DEKAGIRI :** *A Youth Magazine of Srimanta Sankaradeva Sangha, Edited by Gobinda Chandra Deke and published by Sahitya Sakha Samittee of Srimanta Sankaradeva Sangha, November : 2012* *Price ₹ 25.00 (Twenty five only)*

© **শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

কাতি ঃ ৫৬৪ শঙ্কৰাব্দ ঃ নৱেম্বৰ, ২০১২

ISSN 2279-0608 Dekagiri

**প্ৰকাশক ঃ**

সাহিত্য শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**সাহিত্য শাখা সমিতি ঃ**

সভাপতি ঃ শ্ৰীজীৱকান্ত নাথ
সম্পাদক ঃ ড° জগত চন্দ্ৰ কলিতা

**সম্পাদনা সমিতি ঃ** শ্ৰীগোবিন্দ চন্দ্ৰ ডেকা, সম্পাদক **'ডেকাগিৰী'**
সদস্যদ্বয় ঃ শ্ৰীপ্ৰদীপ কুমাৰ শইকীয়া
ঃ শ্ৰীমিলন নেওগ

**মূল্য ঃ** ২৫.০০ টকা

**ছপা সংখ্যা ঃ** ১৫০০ (পোন্ধৰ শ)

**প্ৰাপ্তিস্থান ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ৰূপনগৰ, গুৱাহাটী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ যোৰহাট
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ লখিমপুৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ গৌৰীপুৰ, ধুবুৰী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ডিব্ৰুগড়
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সকলো জিলা শাখাৰ কাৰ্যালয়

**অক্ষৰ বিন্যাস ঃ**

সত্যসন্ধা প্ৰেছ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

**মুদ্ৰণ ঃ**

মাতৃ অফ্‌ছেট প্ৰেছ
হেদায়েৎপুৰ, গুৱাহাটী ঃ ৭৮১০০৩

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

## শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰৰ শুভেচ্ছাবাণী



**জয় গুৰু শঙ্কৰ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কেন্দ্ৰীয় ঊনবিংশতিতম শিশু, আই-মাতৃ আৰু যুৱ সমাৰোহৰ পৱিত্ৰ অৱসৰত প্ৰকাশ কৰিবলৈ লোৱা **'ডেকাগিৰী'** নামৰ যুৱ আলোচনীভাগলৈ আমাৰ স্বাগত সম্ভাষণ জনোৱাৰ লগতে শুভেচ্ছা প্ৰেৰণ কৰিছোঁ।

**'ডেকাগিৰী'** এটা নাম। যাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অভিলাসী আঁচনিৰ এটি গুৰুত্বপূৰ্ণ দিশ। আজি যুৱকৰ কান্ধত পৰিব কালিলৈৰ দেশ আৰু সমাজৰ সমস্ত দায়িত্ব। দায়িত্বৰ লগত অঙ্গাংগী ৰূপত জড়িত হৈ থাকে দায়বদ্ধতা আৰু বহন ক্ষমতা। সেইয়ে যুৱসকল এই দায়বদ্ধতাৰে সততে পুষ্ট হ'বই লাগিব। **'ডেকাগিৰী'** গুৰু শঙ্কৰৰ জীৱন বীক্ষাই আমাক এনে শিক্ষা দিয়ে যাৰ যোগেদি নিজে প্ৰতিষ্ঠা হোৱাৰ লগতে সমাজখনকো সুন্দৰ ৰূপত জগতৰ সভাত প্ৰতিষ্ঠা কৰিব পৰা যায়। যৌৱন জগতক সুন্দৰ দেখা সময়। নিজৰ ভিতৰত সৌন্দৰ্যবোধ নাথাকিলে জগত সৌন্দৰ্য অনুভৱ কৰিব নোৱাৰি।

সাহিত্য, সংস্কৃতি, অৰ্থনীতি, বিজ্ঞান, দৰ্শন, সমাজনীতিৰ দৰে জগতৰ সমস্ত ক্ষেত্ৰই এই ডেকাসকলক আহ্বান জনাই আছে। এই আৱাহনী মন্ত্ৰত আছে জাতীয় জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাৰ স্বপ্ন। এই স্বপ্ন বাস্তৱায়িত হ'বৰ বাবেই ডেকাসকলক সুস্থ আৰু পুষ্ট হ'ব লাগিব। এই পুষ্টতা কেৱল শাৰীৰিক হ'লেই নহ'ব— মানসিক আৰু আধ্যাত্মিক ৰূপেও পৰিশুদ্ধ আৰু পৰিপুষ্ট হ'বই লাগিব।

আত্মপ্ৰকাশ জীৱনৰ এটা মহত্তৰ গুণ। ডেকাসকলে তাৰ বাবেও সক্ষম হ'ব লাগিব। বৌদ্ধিক দৈনতাৰ অৱসান ঘটাই বুদ্ধিদীপ্ততাৰ আত্মপ্ৰকাশ কৰিব নোৱাৰিলে তাক জীৱনৰ ব্যৰ্থতা বুলি ক'ব লাগিব। ডেকাসকলে এনে গ্লানিৰ কালিমাৰে যাতে লুতুৰি-পুতুৰি নহয় তাৰ বাবে এবাৰ গভীৰভাৱে চিন্তা কৰা উচিত।

**'ডেকাগিৰী'**ৰ পাতত ডেকাসকলে নিজক প্ৰকাশ কৰিবৰ বাবে আগবাঢ়ি আহক। এবাৰ ভাবক, চিন্তা কৰক, তেওঁলোকৰ লক্ষ্য আৰু উদ্দেশ্য কি? মননশীলতাৰে এই প্ৰশ্নৰ উত্তৰ বিচাৰক। 'ডেকাগিৰী'য়ে জনোৱা আহ্বানৰ সঁহাৰিক এই প্ৰশ্নৰ সমুচিত সদুত্তৰ লুকাই আছে। ডেকাসকল সঁচা অৰ্থত ডেকা হওক। আজিৰ পটভূমিত কালিলৈৰ ৰম্যভূমি ৰচনাৰ সমলেৰে সমৃদ্ধ হওক।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পৰিয়ালৰ হৈ **'ডেকাগিৰী'**ৰ সকলো পক্ষলৈকে শুভেচ্ছা জনালো। এই গতিয়ে মহাভাগৱতৰ অলৌকিক ৰূপ পৰিগ্ৰহ কৰক।

সেৱাৰে--

**ৰজনীকান্ত দত্ত**

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ প্ৰধান সম্পাদকৰ একাষাৰ**



**জয় গুৰু শঙ্কৰ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই যুৱ-শক্তিক সেৱাবাহিনী নামকৰণেৰে সংগঠিত কৰিছে। ১৯৯৪ চনত পোনপ্ৰথমে যোৰহাট জিলা নামঘৰত সঙ্ঘই যুৱক-যুৱতীসকলক একগোট কৰি ডেকা শক্তিক গুৰুজনাৰ ভাবাদৰ্শৰে কামত অগ্ৰসৰ হ'বলৈ মুকলিভাৱে আহ্বান জনাইছিল। সেইদিন ধৰি প্ৰতিবছৰেই যুৱ-সমাৰোহ উদ্‌যাপন কৰি অহা হৈছে।

১৯৯৭ চনত এই যুৱক-যুৱতীসকলক লৈ এটি যুৱ মঞ্চ গঠন কৰা হৈছে। নাম ৰখা হ'ল-- 'সৈৱাবাহিনী' শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ। দৰং জিলাৰ ছিপাঝাৰৰ চিৰাখোৰা নামঘৰত ৮ অক্টোবৰ তাৰিখে গুৰুজনাৰ অনুগামী হাজাৰ হাজাৰ যুৱক-যুৱতীৰ সমাৱেশত এক ঐতিহাসিক সিদ্ধান্তৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ আন্তঃগাঠনিৰ চাৰিটা স্তৰত সেৱাবাহিনীৰ কেন্দ্ৰীয় গোট, জিলা গোট, আঞ্চলিক গোট আৰু প্ৰাথমিক গোট গঠন কৰাৰ সিদ্ধান্ত কৰা হয়। প্ৰাথমিক গোটৰ নেতৃত্ব বহন কৰাজনক নায়ক, আঞ্চলিক গোটৰ নেতৃত্ব বহন কৰাজনক অধিনায়ক, জিলাগোটৰজনক জিলাধিনায়ক আৰু কেন্দ্ৰীয় পৰ্যায়ত সৰ্বাধিনায়ক (পিছলৈ মুখ্য অধিনায়ক) হিচাপে দায়িত্ব দি যুৱ শক্তিক সংগঠিত কৰা হয়। প্ৰতিখন জিলাৰ পৰা একোজনকৈ উপযুক্ত যুৱকক লৈ কেন্দ্ৰীয় সেৱাবাহিনীৰ সঞ্চালন সমিতি গঠন কৰা হয়। উক্ত সমিতিয়েই সেৱাবাহিনীৰ কৰ্ম নিৰ্দ্ধাৰণ পদ্ধতি গ্ৰহণ কৰে। প্ৰতিখন জিলাৰ অধিনায়কসকলক একত্ৰিত কৰি জিলা পৰ্যায়ত যুৱক-যুৱতীসকলৰ দ্বাৰা জিলা শাখাৰ বিভিন্ন কামত অংশগ্ৰহণ কৰাৰ আঁচনি গ্ৰহণ কৰা হয়। ঠিক সেইদৰে আঞ্চলিক আৰু প্ৰাথমিক পৰ্যায়তো সঙ্ঘৰ উমৈহতীয়া কাম-কাজবোৰ যুৱক-যুৱতীসকলে পৰিকল্পিতভাৱে সম্পাদন কৰে।

শঙ্কৰী সাহিত্য আৰু শঙ্কৰী সংস্কৃতিৰ ক্ষেত্ৰখনতো সেৱাবাহিনীৰ যুৱক-যুৱতীসকল জড়িত হৈ সাফল্য অৰ্জন কৰিছে। বিভিন্ন কৰ্মশালাত যুৱক-যুৱতীসকলে যোগদান কৰিছে। ইয়াৰ ভিতৰত লেখন কৰ্মশালা, বক্তৃতা প্ৰশিক্ষণ, শঙ্কৰী সঙ্গীতৰ প্ৰশিক্ষণ আদি উল্লেখযোগ্য।

'ডেকাগিৰী' যুৱক-যুৱতীসকলৰ মুখপত্ৰ। নৱপ্ৰজন্মৰ চিন্তা-চৰ্চা, আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ কথা, নৈতিক আৰু আধ্যাত্মিক জীৱন গঢ়াৰ অনুশীলন কৰা আদি বিভিন্ন দিশত 'ডেকাগিৰী' প্ৰকাশ কৰা হৈছে। ডেকাগিৰীত যুৱক-যুৱতীসকলৰ লেখা প্ৰবন্ধ-কবিতাই স্থান পাইছে। প্ৰতিবছৰৰ কেন্দ্ৰীয় যুৱ সমাৰোহৰ তাৰিখত



জয় গুৰু শংকৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ

স
ম্পা
দ
ক
ৰ

কলম

জয় গুৰু শংকৰ

# সমাজ জীৱনৰ শোষণ-দুৰ্নীতি

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ আৱিৰ্ভাৱৰ পাঁচশ বছৰ পিছতো তেওঁৰ জীৱন-দৰ্শন সমগ্ৰ জাতীয় জীৱনত প্ৰতিফলিত নোহোৱাটো অতি পৰিতাপৰ কথা। অৱশ্যে ইয়াৰ বাবে মূলতঃ আমাৰ বৌদ্ধিক সমাজখনেই জগৰীয়া হ'ব। কাৰণ আজি আমি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ বিৰল প্ৰতিভাৰ কলাত্মক দিশসমূহৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছোঁ। কিন্তু তেওঁৰ সপোনৰ অসম তথা ভাৰতবৰ্ষখন কোনেও গঢ়িব বিচৰা নাই। যিটো অসমীয়া জাতিৰ বাবে দুৰ্ভাগ্যজনক।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই অসম তথা ভাৰতবৰ্ষত শোষণমুক্ত নিকা সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল আৰু তাৰ বাবে তেওঁ আধ্যাত্মিক সংস্কাৰৰ লগতে সামাজিক সংস্কাৰতো সমানে গুৰুত্ব আৰোপ কৰিছিল। মানুহে মানুহক শোষণ কৰাৰ নীতি অতি প্ৰাচীন। আনৰ উপাৰ্জিত ফল অন্যলোকে ভোগ কৰা ব্যৱস্থাটোৱে হৈছে শোষণ। এই শোষণ সমাজৰ সৰ্বত্ৰে ব্যাপ্ত আছিল। ইয়াৰ ভিতৰত ধৰ্মীয় শোষণ সকলোতকৈ ভয়ানক আছিল। কাৰণ ধৰ্মৰ লগত মানুহৰ এক আত্মিক সম্পৰ্ক গঢ় লৈ উঠে আৰু সেই আত্মিক সম্পৰ্কৰ বাবে শোষণৰ সুযোগ প্ৰশস্ত হয়। অৱশ্যে এইক্ষেত্ৰত মিছৰৰ এটি উদাহৰণ দাঙি ধৰিব পাৰি—“পুৰোহিতসকল অতি চহকী দাস মালিক। দেৱ-দেৱীসকলৰ আশীৰ্বাদ অনুগ্ৰহ লাভৰ আশাৰে মিছৰবাসীয়ে সেইসকলৰ উদ্দেশ্যে বহুত কিবা-কিবি উছৰ্গা কৰিছিল। কৃষকসকল নিজেই ভোকাতুৰ; অথচ তেওঁলোকে মন্দিৰলৈ আনিছিল থৈলাই থৈলাই শস্য, পাচিয়ে পাচিয়ে শাক-পাচলি। দাস-মালিকবোৰে উছৰ্গা কৰিছিল সোণ, দাস-দাসী আৰু পশু; ফেৰুসকলে দিছিল সাৰুৱা মাটিৰ পথাৰ। এনেকৈয়ে মন্দিৰবোৰ বিপুল সম্পদৰ মালিক হৈছিল। থিপছ নগৰীত থকা প্ৰধান মন্দিৰটোৰ অধীনত আছিল ৮০ হাজাৰৰো বেছি দাস-দাসী।

সকলো মন্দিৰতেই আছিল দেৱ-দেৱীৰ উপাসক পুৰোহিতসকল। ধাৰণা কৰা হৈছিল যে পুৰোহিতসকলে দেৱ-দেৱীক সেৱা কৰে; খাবলৈ দিয়ে; তেওঁলোকে দেৱ-দেৱীৰ মূৰ্তিৰ আগত খোৱা বস্তু ৰাখি থয়। মিছৰবাসীয়ে বিশ্বাস কৰিছিল যে পুৰোহিতসকলে স্বয়ং দেৱ-দেৱীৰ সাক্ষাৎ লাভ কৰে; তেওঁলোকে অকল যে উছৰ্গিত বস্তুকেই দেৱতাসকলৰ ওচৰত আগবঢ়াই দিয়ে এনে নহয়, লগতে মানুহৰ প্ৰাৰ্থনাও নিৱেদন কৰে আৰু দেৱতাসকলেও পুৰোহিতসকলৰ যোগে জনসাধাৰণক তেওঁলোকৰ নিৰ্দেশ প্ৰদান কৰিব পাৰে। পুৰোহিতসকলৰ কথা দেৱতাসকলৰ বাণী বুলিয়েই গণ্য কৰা হৈছিল।

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# সম্পাদকৰ কলম

মন্দিৰৰ ধন-সম্পত্তিৰ তত্ত্বাৱধানৰ দায়িত্ব পোৱাত পুৰোহিতসকল দাস-দাসী, মাটি-বাৰী আৰু সোণ আদিৰ মালিক হৈ সবাতোকৈ চহকীলোক হৈ পৰিল আৰু তেওঁলোকে দাস আৰু ধৰুৱাবোৰক নিৰ্মমভাৱে শোষণ কৰিবলৈ ধৰিলে। (দ্ৰষ্টব্য ঃ প্ৰাচীন জগতৰ ইতিহাস, প্ৰগতি প্ৰকাশন, মস্কো) কিন্তু আজিও ইয়াৰ অৱসান হোৱা নাই। অৱশ্যে পৰিস্থিতিৰ পৰিৱৰ্তন হৈছে আৰু অন্যান্য ৰাজ্যতকৈ অসমত ইয়াৰ ভয়াবহতা বহু গুণে হ্ৰাস পাইছে। সম্ভৱতঃ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱৰ বাবে অসমত শোষণৰ নাম মাত্ৰ অৱশিষ্টহে আছে। যদি আজি প্ৰতিজন অসমীয়া জাতীয় চেতনাৰে উদ্বুদ্ধ হয়, তেনেহ'লে এদিন ইয়াৰ অৱসান হ'ব। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ সপোন সাৰ্থক হ'ব। অৱশ্যে এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে সম্প্ৰতি ধৰ্মীয় শোষণৰ দৰে দুৰ্নীতিয়ে সমাজ জীৱনক দুৰ্বিসহ কৰি পেলাইছে।

অতীতলৈ চালে দেখা যায় যে ভাৰতত উপঢৌকনৰ ইতিহাস অতি প্ৰাচীন। প্ৰাক্-স্বাধীনতা কালৰ পৰা বৰ্তমানলৈ উপঢৌকন দিয়া আৰু লোৱা প্ৰক্ৰিয়াতো এনেভাৱে চলি আছে যে সম্প্ৰতি ইয়াক সমাজ জীৱনৰ পৰা নিৰ্মূল কৰাটো দুৰূহ হৈ পৰিছে। বৰঞ্চ দুৰ্নীতিক নীতি কৰি কুলত তুলি লোৱাটোৱে যেন শ্ৰেয় হ'ব এনে এটা ধাৰণা মনৰ মাজত উক দিছে। কিন্তু বাস্তৱত সেইটো কেতিয়াও সম্ভৱ নহয়। কোনো সুস্থ মগজুৰ ব্যক্তিয়ে উপঢৌকনক ৰঙা দলিচা পাৰি বৰঘৰলৈ আদৰি আনিব নোৱাৰে নাইবা দুৰ্নীতিক নীতি কৰি স্বজাতিৰ বগা চোলাও পিন্ধাব নোৱাৰে। অথচ এনে এটা মহাব্যাধিয়ে একাংশ বিষয়া-কৰ্মচাৰীৰ মন-মগজুত বাহ বান্ধিছে। যিটো সকলোৰে বাবে দুৰ্ভাগ্যজনক।

সদৌ শেষত যুৰ আলোচনী 'ডেকাগিৰী' প্ৰকাশৰ ক্ষেত্ৰত সৰ্বতো প্ৰকাৰে দিহা-পৰামৰ্শ দিয়াৰ বাবে ভক্তিভাজন পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্ত বাপ আৰু প্ৰধান সম্পাদক শ্ৰীযুত হৰিপ্ৰসাদ হাজৰিকা বাপলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সেইদৰে সাহিত্য শাখা সমিতিৰ সভাপতি শ্ৰীযুত জীৱকান্ত নাথ আৰু সম্পাদক ড° জগত চন্দ্ৰ কলিতা বাপলৈও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ডেকাগিৰী আলোচনীৰ সদস্যদ্বয় শ্ৰীযুত প্ৰদীপ কুমাৰ শইকীয়া আৰু শ্ৰীযুত মিলন নেওগ বাপলৈ শ্ৰদ্ধা নিৱেদন কৰিলোঁ। সদৌশেষত অক্ষৰ বিন্যাস-ৰূপসজ্জা কৰি দিয়াৰ বাবে শ্ৰীৰমেন মেধি আৰু ছপা-বন্ধাৰ কামখিনি সুকলমে কৰি দিয়াৰ বাবে মাতৃ আফ্‌ছেটৰ স্বত্বাধিকাৰী শ্ৰীযুত কমলাকান্ত বৰা বাপলৈ আন্তৰিক শুভেচ্ছা থাকিল।

সেৱাৰে---

**গোবিন্দ চন্দ্ৰ ডেকা**

সম্পাদক, **'ডেকাগিৰী'**

২২ নবেম্বৰ, ২০১২ চন

দূৰভাষ ঃ ৯৮৫৪৬-৪০২৬৯

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# ডেকাগিৰী ৰ পাতে পাতে..



*দৰ্শন জ্যোতি.....*


- ধৰ্ম তত্ত্ব আৰু আধ্যাত্মিক চেতনা ঃ বোধেশ্বৰ কাকতি /১
- মহাপুৰুষীয়া ধৰ্মত হোমৰহিত বিবাহ ঃ দীননাথ ডেকা /৫
- ভকতিৰ সুগম পথ শ্ৰৱণ-কীৰ্তন ঃ ত্ৰৈলোক্যদেৱ শইকীয়া /১১
- কামধেনুগুণাৰিদ্যা ঃ খগেন্দ্ৰনাথ দাস /১৫


*সাহিত্য কানন.....*


- ৰাভাৰ দৃষ্টিত মহাপুৰুষ শঙ্কৰদেৱ ঃ জীৱকান্ত নাথ /১৮
- মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত বৈপ্লৱিক চিন্তা ঃ গোবিন্দ মেধি /২১
- ড° ভূপেন হাজৰিকাৰ দৃষ্টিত শ্ৰীমন্ত শঙ্কৰদেৱ ঃ প্ৰদীপ কুমাৰ শইকীয়া /২৪
- কাৰিকৰী শিক্ষাৰ প্ৰশস্ত প্ৰৱেশ পথ (চিকিৎসা আৰু আভিযান্ত্ৰিক) ৰাজস্থানৰ কোটা চহৰ ঃ ড° জগত চন্দ্ৰ কলিতা /২৯
- পৰিক্ৰমা ঃ গো-বলিৰ পৰা ম'হ বলিলৈ ঃ গোবিন্দ চন্দ্ৰ ডেকা /৩৪
- যুৱ-উশৃঙ্খলতাৰ উৎস ঃ হেমপ্ৰসাদ বৰা /৩৬
- কোচ ৰাজ দৰবাৰত মহাপুৰুষজনাৰ সাহিত্য-সংস্কৃতিৰ অৱদান আৰু বৃন্দাবনী বস্ত্ৰ ঃ অজয় বৰুৱা /৩৮


*অন্তৰ দৰ্পণ.....*


- ৱাল্ট হুইটমেনৰ কবিতাত আধ্যাত্মবাদ ঃ স্বৰ্ণলতা সাউদ /৪২
- সৰ্বগুণাকৰ মহাপুৰুষ শঙ্কৰদেৱ ঃ বৰদা শইকীয়া /৪৫
- বিশাখাপট্টনমত সাত দিন ঃ পুলুমা ভঁৰালী /৪৭
- ভক্তিপন্থৰ কণ্টক ঃ কিৰণ শইকীয়া বৰা /৫১
- শ্ৰীমন্ত শঙ্কৰদেৱ সঁঙ্ঘ আৰু যুৱ সমাজৰ ভূমিকা ঃ ক্ষীৰদাপ্ৰভা দাস /৫৪
- নাৰী ঃ অতীত আৰু বৰ্তমান ঃ অম্বিকা বৈশ্য ডেকা /৫৬


*কবিতাৰ বুলনি.... .Â*


- যুৱ-প্ৰজন্মলৈ উঠা-জাগা ঃ কৰুণাকান্ত কলিতা /৫৮
- বেবেৰিবাং ঃ ভবেন দুৱৰী /৫৯
- অমৃত সন্তান ঃ ৰবীন্দ্ৰনাৰায়ণ দিহিঙ্গীয়া /৫৯
- হৃদয়ৰ অনুভৱ তেজৰ এক সুঁতি ঃ ৰেণুমাই সন্দিকৈ হাজৰিকা /৬০
- নাম-ঘোষা ঃ প্ৰদীপ্তি ডেকা /৬০
- খনিকৰঃ চম্পা বৰা /৬১
- তুমি মাথো তুমি ঈশ্বৰ ঃ ধনঞ্জয় দাস /৬১


*গল্পৰ বুলনি.... .Â*


- বান্ধৱীৰ প্ৰাণ ৰক্ষা ঃ ৰাধিকা দাস /৬২
- সম্প্ৰীতিৰ চাকনৈয়া ঃ প্ৰতিভা দেৱী /৬৪


*আইন.... .Â*


- আইন আৰু শিশু শ্ৰমিক ঃ পাৰুল দেৱী /৬৮


*স্বাস্থ্য... .Â*


- কঁকালৰ বিষ কিয় হয় ঃ ডাঃ জীৱন চন্দ্ৰ ডেকা /৭০

দৰ্শন জ্যোতি

# ধৰ্ম তত্ত্ব আৰু আধ্যাত্মিক চেতনা

**বোধেশ্বৰ কাকতি, দেৰগাঁও**

ভাৰতীয় ভাষাসমূহত প্ৰচলিত 'ধৰ্ম' শব্দটোৱে যিটো ধাৰণা দিয়ে, সেই ধাৰণাটোৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে, পৃথিৱীৰ মানৱ সভ্যতা যিমান প্ৰাচীন, ধৰ্মৰ ইতিহাসো সিমান প্ৰাচীন। বৈদিক যুগৰ পৰা ধৰ্ম ব্যুৎপত্তিগত অৰ্থৰ আঁত বিচাৰি ধৰ্ম শব্দই কালক্ৰমত কিদৰে ব্যাপক অৰ্থ প্ৰকাশ কৰিবলৈ ধৰিলে তাৰ এটি চমু আভাস দিয়াৰ প্ৰয়াস কৰা হ'ল। ভাৰতীয় সাহিত্য-সংস্কৃতিৰ পটভূমিত ধৰ্ম শব্দৰ উৎপত্তিৰ উৎস বিচাৰিলে পোৱা যায় যে, পোন প্ৰথমে ঋক্‌বেদত ধৰ্ম শব্দৰ প্ৰয়োগ হৈছিল। ঋক্‌বেদত ধৰ্ম শব্দটো প্ৰয়োগ হৈছিল 'ধৰ্মন্' বুলিহে। ঋক্‌বেদত ধৰ্মন শব্দ 'ধৰ্ম ইতি যজ্ঞস্য' বাক্যৰে পোৱা যায়। দৰাচলতে 'ধৃ' ধাতুত কৰ্মবাচ্য 'মন' প্ৰত্যয় যোগ হৈ 'ধৰ্মন' শব্দ নিষ্পন্ন হৈছে। ঋক্‌বেদত দেৱতাসকলে যজ্ঞ কৰা পৱিত্ৰ কৰ্মক ধৰ্মন শব্দই বুৎপত্তিগত অৰ্থ প্ৰকাশ কৰিছিল। তদুপৰি বৈদিক যুগত ধৰ্মন শব্দই সামাজিক আচাৰ-বিচাৰ অনুষ্ঠানৰ উপৰি ব্যক্তিৰ স্বভাৱ বা সৎগুণকো বুজাইছিল। পৰৱৰ্তী কালৰ উপনিষদ, ব্ৰাহ্মণ, আৰণ্যক আদি নিগম শাস্ত্ৰসমূহত 'ধৰ্ম' শব্দ অধিক ব্যাপক ৰূপত প্ৰয়োগ হ'বলৈ ধৰিলে।

এইখিনিতে মন কৰিবলগীয়া কথা হ'ল— ঋক্‌বেদত ধৰ্মন শব্দই দেৱতাসকলে কৰা পূজা-অৰ্চনাক বুজাইছিল যদিও পৰৱৰ্তী কালত ইয়াৰ অৰ্থ ব্যাপক হৈ যজ্ঞৰ উপৰি আধ্যাত্মিক চেতনাৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্যে সত্য, অহিংসা, ব্ৰহ্মচৰ্য আৰু অস্তেয় আদি মানৱীয় গুণৰ বিষয়ে ধাৰণা দিবলৈ ধৰিলে। ইয়াৰ পিছত মানৱ সমাজৰ কল্যাণৰ হকে যিবোৰ কাম কৰা হয় সেইবোৰ কৰ্মকো ধৰ্ম শব্দই সামৰি ল'লে। আনকি মনুসংহিতাৰ দৰে ধৰ্ম শাস্ত্ৰইও মানৱ সমাজৰ কল্যাণকামী ধৰ্মসমূহকো ধৰ্ম বুলি ক'লে। জৈমিনীৰ পূৰ্ব মীমাংসাত কোৱা হ'ল—

"য এব শ্ৰেয়স্কৰঃ স এব ধৰ্মশব্দেনোচ্যতে।
অৰ্থশ্চ ধৰ্মঃ ন অনৰ্থ ইতি।"

অৰ্থাৎ জনকল্যাণকামী কৰ্মসমূহক ধৰ্ম আৰু ইয়াৰ বিপৰীতে কৰা কৰ্মসমূহক অধৰ্ম বোলে। পৰৱৰ্তী যুগত মহাভাৰতত কোৱা হ'ল— "ধ্যাৰণাৎ ধৰ্মম্ ইত্যাহুঃ, ধৰ্মোধাৰয়তে প্ৰজা।" অধিক স্পষ্ট কৰি কোৱা হ'ল— "ধৰ্মোৰক্ষতি ৰক্ষিতঃ।" ধৰ্মই সমাজ ৰক্ষা কৰে; ধৰ্মই ব্যক্তিৰ মানৱীয় গুণৰ বিকাশ ঘটাই সৎ জীৱন-যাপন কৰিবলৈ মানুহক প্ৰেৰণা দিয়ে। মহাভাৰতৰ যুগত ধৰ্ম শব্দই সৎগুণ আহৰণ, মানুহৰ নৈতিক চৰিত্ৰ গঠন, আধ্যাত্মিক চেতনা জাগৃত কৰাৰ বহল অৰ্থ প্ৰকাশ কৰিলে।

অন্যহাতে তৈত্তিৰীয় উপনিষদত ধৰ্মৰ স্বৰূপ ব্যাখ্যা কৰিলে— "ধৰ্মো বিশ্বস্য জগতঃ প্ৰতিষ্ঠাঃ।'চ অৰ্থাৎ ধৰ্মই বিশ্বজগতৰ আধাৰ। "ধৰ্মে সৰ্বম্ প্ৰতিষ্ঠিতম্।" বেদান্তত ধৰ্মৰ বহল ব্যাখ্যা দি সকলো সৎ কৰ্মকে ধৰ্ম আখ্যা দিলে।

সত্যই ভগৱান আৰু ধৰ্মই সত্য বুলি বেদান্তত কোৱা হ'ল। মহাভাৰতে সম, দম, মাৎসৰ্য, ক্ষমা, হ্ৰী, তিতিক্ষা, অনসুয়া, ত্যাগ, ধ্যান, আৰ্যত্ব, ধৃত্তি, দয়া, অহিংসা— এই তেৰটা গুণক ধৰ্মৰ মাজত সামৰি ল'লে।

ধৰ্মই মানুহক যুগে যুগে সৎচৰিত্ৰ গঠন কৰি আধ্যাত্মিক জীৱন-যাপন কৰিবলৈ শিক্ষা দি আহিছে। এনে মহৎ জীৱনৰ অধিকাৰী হ'বলৈ হ'লে মানুহে কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য ভাব ত্যাগ কৰি শাস্ত্ৰসন্মত সত্য, শৌচ, দয়া, ক্ষমা আদি গুণবোৰ আহৰণ কৰিব লাগিব। গীতাত এনে সৎগুণ

আহৰণৰ উপদেশ আছে—

"অহিংসা সত্যমস্তেয়মকামাক্রোধালোভতা।
ভূতপ্রিয় হিতহা চ ধৰ্মোহয়ং সাৰ্বৰ্নিকঃ।।"
— ১৬/২

অৰ্থাৎ, 'অহিংসা, সত্য, অচৌৰ্য, কামহীনতা, ক্ৰোধহীনতা, নিৰ্লোভতা, সকলো জীৱৰ প্ৰতি দয়া ভাব— এই সপ্ত গুণ বা কৰ্মই ধৰ্মৰ প্ৰধান লক্ষ্য।

যি নহওক বেদ, উপনিষদ, পুৰাণ, ৰামায়ণ, মহাভাৰত আদি সকলোবোৰ ধৰ্মগ্ৰন্থত সৎ, চিৎ আৰু আনন্দ— এই শব্দকেইটাৰ লগত ধৰ্ম শব্দটো যুক্ত হৈ আছে। সকলো শাস্ত্ৰই কৈছে ধৰ্ম সাধনৰ দ্বাৰাই মানুহে ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ— এই চতুৰ্বৰ্গ সাধন কৰে।

মানুহৰ মনত সততে উদ্ভৱ হোৱা অসূয়া-অপ্ৰীতি ভাববোৰ দমন কৰিব পৰা গুণ বা ক্ষমতাই হ'ল ধৰ্ম আৰু এই ধৰ্মই মানুহক প্ৰকৃত মানুহ কৰি তোলে। মানুহক যথাৰ্থ মানুহ কৰি মনুষ্যত্বৰ আধ্যাত্মিক শিক্ষা দিবলৈ যত্ন কৰাত ধৰ্মই ইমানেই গুৰুত্ব দিবলৈ ধৰিলে যে, সাম্প্ৰতিক কালত ধৰ্ম শিক্ষাই মানুহক অন্তৰ্দৃষ্টি, আত্মজ্ঞান আৰু জগতৰ ৰহস্যৰ সন্ধানত ব্ৰতী হ'বলৈ বাধ্য কৰালে। ধৰ্মই মানুহক আত্মানুসন্ধান কৰিবলৈ শিকালে; মানুহক উচ্চতৰ জীৱনৰ শিক্ষা দিয়াৰ লগতে ধৰ্মই জগতৰ এক অদৃশ্য পৰম সত্ত্বাৰ অনুসন্ধানত ব্ৰতী হ'ল। ধৰ্ম চৰ্চা কৰাৰ লগে লগে মানুহে ভাবিবলৈ ধৰিলে যে, জীৱন মানে কেৱল ভৌতিক স্থিতি নহয়; জীৱন এক আধ্যাত্মিক সত্ত্বাও। এনে আধ্যাত্মিক জিজ্ঞাসাৰ বাবে আত্মা আৰু পৰমাত্মাৰ প্ৰতি মানুহৰ মনত গভীৰ বিশ্বাস এটা গঢ় লৈ উঠিল। কালক্ৰমত ধৰ্মৰ গভীৰ তত্ত্বকথাবোৰৰ বিপৰীতে কিছুমান ধৰ্মীয় নীতি-আচাৰ, অনুষ্ঠান পদ্ধতি সমাজত প্ৰচলন হ'বলৈ ধৰিলে। এই কথা আমাৰ জ্ঞাত যে ধৰ্মৰ নামত যেতিয়াই ধৰ্মানুষ্ঠান বা ধৰ্ম-চৰ্চাৰ কেন্দ্ৰৰ সংখ্যা বৃদ্ধি হয়, তেতিয়া ধৰ্ম মতসমূহৰ মাজত প্ৰতিযোগিতা চলে আৰু এনে প্ৰতিযোগিতাৰ ফলত ধৰ্মৰ নামত নীতি-কাণ্ঠা, আচাৰ অনুষ্ঠান কিছুমান ধৰ্মত সংযোজিত হয়। কিন্তু আমি মনত ৰখা দৰকাৰ যে ধৰ্ম মানে নীতি-কাণ্ঠা, আচাৰ-বিচাৰ অনুষ্ঠান নহয়, ধৰ্ম মানুহৰ অন্তৰৰ সংস্কৃতিহে। বেদ উপনিষদ আদি ধৰ্মশাস্ত্ৰই ধৰ্মৰ যি ধৰণৰ ব্যাখ্যা আগবঢ়াইছে, সেইবোৰ অধ্যয়ন কৰিলে আমি দেখা পাওঁ যে সেইবোৰ নীতি-কাণ্ঠা মানুহৰ কল্যাণৰ বাবে, মনুষ্যত্ব আহৰণৰ বাবে আৰু মানৱাত্মাক উচ্চতৰ চিন্তা আৰু চেতনাৰ ফালে উত্তৰণ ঘটাবৰ বাবে। কিন্তু আধুনিক যুগত বস্তুবাদী বিজ্ঞানৰ প্ৰভাৱত ধৰ্মৰ আচল নীতি-কাণ্ঠা বিকৃত হোৱাৰ উপক্ৰম হৈছে যেন আমাৰ ধাৰণা হয়। ইয়াৰ ফলত ধৰ্মই ক্ৰমশঃ যথাৰ্থ গুণ-বৈশিষ্ট্য হেৰুৱালে আৰু ধৰ্মৰ নামত ভিন ভিন পন্থা আৰু মতৰ জন্ম হ'বলৈ ধৰিলে। উদাহৰণ স্বৰূপে হিন্দু সমাজত একেশ্বৰবাদী বৈদিক ধৰ্মৰ বিভিন্ন পন্থা হোৱা পৰিলক্ষিত হ'ল।

মানৱ জীৱনৰ একমাত্ৰ লক্ষ্য হ'ল ঈশ্বৰপ্ৰাপ্তিৰ বাবে পুৰুষাৰ্থ সাধন। তাৰ কাৰণে আধ্যাত্মিক জ্ঞানৰ উৎকৰ্ষ সাধন কৰা। মানৱ আত্মাতে ভগৱৎ জ্ঞান লাভ কৰিব নোৱাৰিলে মৃত্যুৰ পিছত জন্ম-মৃত্যুৰ চক্ৰত ঘূৰিব লাগিব বুলি গীতা শাস্ত্ৰই কৈছে। আত্মজ্ঞান লাভ কৰিবৰ বাবে গীতা-ভাগৱতৰ অমৃতবাণীৰ অমৃত পান কৰিব লাগিব। গীতাত ভগৱান শ্ৰীকৃষ্ণই আত্মজ্ঞানৰ উপদেশ দি অৰ্জুনক কৈছে— "হে অৰ্জুন! মই আধ্যাত্মজ্ঞান তোমাক বিজ্ঞানসন্মতভাৱে প্ৰদান কৰিম, যাৰ দ্বাৰা তোমাৰ মনত কোনো শংকা, সন্দেহ, অন্ধবিশ্বাস নাথাকিব।" মানুহে সাধনাৰ দ্বাৰা আধ্যাত্মিক জ্ঞান লাভ কৰিব পাৰে আৰু মহৎ গুণবোৰৰ অধিকাৰী হ'ব।

ধৰ্মৰ সাৰলীল গুণবিলাক দৰ্শাবৰ কাৰণে শাস্ত্ৰৰ জ্ঞান, মহাপুৰুষসকলৰ উপদেশ আৰু দাৰ্শনিকৰ আৱশ্যক হয়। দৰ্শনৰ অৰ্থ হ'ল— সাক্ষাতে দেখা পোৱা। যিসকলে আধ্যাত্মিকতাৰ দৃষ্টিৰে যিকোনো বিষয় প্ৰত্যক্ষভাৱে দৰ্শন কৰিব পাৰে সেইজনেই দাৰ্শনিক। ধৰ্ম বা আধ্যাত্মিক শক্তিক

শাস্ত্ৰসন্মতভাৱে দৰ্শন কৰাই দিব পৰা জনক মহাপুৰুষ, পৰমগুৰু, ধৰ্মাচাৰ্য বোলা হয়। সেইদৃষ্টিত অসমৰ বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তক শ্ৰীমন্ত শঙ্কৰদেৱক মহাপুৰুষ, ভক্তৰ দৃষ্টিত পৰমগুৰু, ভাৰতবৰ্ষৰ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক আদিগুৰু শঙ্কৰাচাৰ্য, ৰামানুজাচাৰ্য, মাধ্বাচাৰ্য আদি ধৰ্মাচাৰ্যসকল একোগৰাকী মহাপুৰুষ তথা দাৰ্শনিক।

শাস্ত্ৰসন্মত জ্ঞান দুবিধ। এবিধ ভৌতিক জ্ঞান আন বিধ আধ্যাত্মিক জ্ঞান। ভৌতিক জ্ঞান হ'ল জগত প্ৰপঞ্চ জ্ঞান। ভৌতিক জ্ঞানে কেৱল মানুহৰ সুখ-ভোগ, ধন-সম্পত্তি, মান-যশ, অহংকাৰ-অভিমানকেই সৃষ্টি কৰে। ই মানৱৰ মনৰ দুখ-কষ্ট বুজি নাপায়। মানুহ এটা শৰীৰ লৈ সংসাৰলৈ আহিছে আৰু সময়ত গুচি যাব। জন্ম-মৃত্যুৰ চক্ৰৰ পৰা উদ্ধাৰ হোৱাৰ কথা কোনেও চিন্তা নকৰে। ইয়ালৈ আকৌ ধৰ্ম-কৰ্ম কৰে, কিন্তু উদ্ধাৰৰ কোনো পথ নেদেখে। ইয়াৰ মূলতে হ'ল— প্ৰকৃত আধ্যাত্ম জ্ঞানৰ অভাৱ। মানৱৰ আত্মাই মুক্তি বিচাৰে, শান্তি বিচাৰে, কিন্তু বাৰে বাৰে সংঘাতৰ সন্মুখীন হ'ব লগা হয় বিবেকৰ কাৰণে। প্ৰত্যেক আত্মাই পূৰ্ণত্ব প্ৰাপ্তিৰ বাবে সংসাৰলৈ আহিছে। তাৰ কাৰণে 'কৰ্ম' কৰা হৈছে, জ্ঞান আহৰণ কৰা হৈছে। কিন্তু আচল কথা হ'ল— কৰ্ম আৰু জ্ঞানতকৈ ভক্তি শ্ৰেষ্ঠ। অনন্যভাৱে ভগৱৎ ভক্তি কৰিলেহে আত্মাই মুক্তি পাব।

সকলো সাধন প্ৰণালীৰ ভিতৰত ভক্তি শ্ৰেষ্ঠ। ভক্তিৰ মাজতে আত্মজ্ঞান ওপজে। আত্মা কল্যাণৰ বাবে আত্মজ্ঞানৰ প্ৰয়োজন, কিন্তু আমি জীৱ-জগত সম্পৰ্কীয় ভৌতিক জ্ঞানৰ দ্বাৰাই কল্যাণৰ কথা চিন্তা কৰো। মহাপুৰুষ মাধৱদেৱে 'নাম-ঘোষা'ত অবিদ্যাজনকি মায়াৰ দ্বাৰাই মনুষ্যই আত্মজ্ঞান হেৰুৱাই বুলি কৈছে।

"আত্মা ঈশ্বৰক লাগ  প্ৰত্যেক্ষে সততে পায়
নাপায় জানা তাঙ্ক অবিদ্যাত।
অবিদ্যা নাশিলে লাগ  কৃষ্ণত পাৱয় যেন
কণ্ঠ লগ্ন বস্তুক সাক্ষাত।।"৪১

দেহত চৈতন্য শক্তিৰূপে আত্মা বিৰাজমান। অবিদ্যা বা মায়া দূৰ হ'লে শৰীৰত থকা আত্মাক জীৱই চকুৰ আগতে দেখা পায়। কিন্তু যেতিয়ালৈকে জীৱই মায়াৰ হাত সাৰিব নোৱাৰে। জ্ঞানৰ প্ৰভাৱত মায়াৰ জাল ছিন্ন হ'লে ডিঙিত থকা বস্তু বিচাৰি কণ্ঠ পাব নলগাৰ দৰে সদায় ভগৱানক দেখি থাকিব। অৰ্থাৎ এনে আত্মজ্ঞানেৰে জীৱই পৰমাত্মা আৰু জীৱাত্মাক এক ভাবত জ্ঞান কৰিব।

ব্ৰহ্মাণ্ডৰ যিমানবোৰ চেতন-অচেতন বস্তু আছে সকলোবোৰৰ সত্ত্বা স্বয়ং ভগৱান। ভগৱান শক্তিৰ আত্ম স্বৰূপ। তেৱেঁই বিবিধ প্ৰকাৰে এই সৃষ্টি কৰি প্ৰাণীৰ কুটস্থ চৈতন্য ৰূপে আছে। এই জীৱ চৈতন্যই জীৱাত্মা।

আত্মাৰ আশ্ৰয় স্থান দেহ। শুদ্ধ আত্মা নিৰ্লিপ্ত যদিও তেওঁত মায়া আছে— সত্ব, ৰজ, তম গুণে তেওঁক চুব নোৱাৰে; কাৰণ এই কেইটা শৰীৰৰহে গুণ। কাঁচত নানা ৰঙৰ কাপোৰ দিলে নানা ৰং দেখা যায়; কচ্চৰ কিন্তু সেইবোৰ নিজা ৰং নহয়; সেইদৰে মায়া বা প্ৰকৃতিৰ বা জড় বস্তুৰ তিনিগুণে আত্মাক বিকাৰ ঘটাব নোৱাৰে। আত্মা নিৰ্গুণ। এয়ে আত্মাৰ স্বৰূপ। দেহত আত্ম বুদ্ধি কৰাই অজ্ঞান বা অবিদ্যা। আত্মাৰ স্বৰূপত মন বুদ্ধি ৰখাকে জ্ঞান বোলে। ধৰ্ম বস্তুক দৰ্শাবৰ কাৰণে সময়ে তত্ত্বদৰ্শী মহাপুৰুষৰ আৱিৰ্ভাৱ হৈছিল। অসমত পঞ্চদশ যোড়শ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ হৈছিল। সংস্কৃতিৰে ভৰা পূৰ্বদেশ অসমৰ উৰ্বৰা ভূমিত পূৰ্ণ বিকশিত কৰি তুলিলে সৰ্বগুণাকৰ শ্ৰীমন্ত শঙ্কৰদেৱে মাৰ্গ সঙ্গীত-নৃত্য, ভটিমা, ভাওনা, সাহিত্য-দৰ্শন, চিত্ৰকলাৰ সৃষ্টি কৰিলে। গুৰুজনাৰ প্ৰৱৰ্তিত একশৰণ নাম-ধৰ্মই মানৱক অমৃতৰ সন্ধান দিলে। জীৱন কেৱল সুখৰ ব্যাকুল সন্ধানত ব্ৰতী। ছান্দোগ্য উপনিষদত কৈছে—

"যদাবৈ সুখং লভতেতথা কৰোতি
না সুখম্ লব্ধা কৰোতি।
সুখমেৱ লব্ধা কৰোতি।।" ৭/১২

পাৰ্থিৱ সুখ প্ৰেয়। ঐশ্বৰ্য-সম্পদ, পুত্ৰ-ভাৰ্যা, মান-সন্ভম, প্ৰেয়, শ্ৰেয় নহয়। এইবোৰৰ পৰা পোৱা সুখ চিৰস্থায়ী সুখ নহয়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত ভক্তিধৰ্মত ভক্তিৰ অমিয়া ৰসেৰে সকলো মানৱকে আপোন কৰি লোৱা এই ধৰ্ম এক বিশ্বজনীন মানৱ ধৰ্মৰূপে স্বীকৃত। একশৰণ হৰিনাম ধৰ্মই মানৱৰ সৰ্বতোমুখী বিকাশৰ অৰিহণা যোগাই— শাৰীৰিক, মানসিক, নৈতিক, আধ্যাত্মিক, বৌদ্ধিক দিশৰ উত্তৰণৰ বাবে মানৱ সমাজক প্ৰেৰণা যোগায়। শৰণ-ভজন, ভক্তি, পৰমাৰ্থ, শৌচ আচাৰ— এই গুণবোৰে মানুহৰ মনত আধ্যাত্মিক চেতনা জাগ্ৰত কৰি তোলে।

আধ্যাত্মিক জ্ঞানৰ ভিতৰতে ভগৱৎ জ্ঞানৰ ৰহস্য সোমাই আছে। বেদ-বেদান্তৰ মহান সত্যবোৰৰ কিছুমান ৰহস্য বিজ্ঞানৰ যোগেদি পোহৰলৈ আহিছে। বেদত নিহিত থকা পৰম সত্য পথেই বিজ্ঞান। বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানে আজি বিশ্বক বিভিন্ন সামগ্ৰী দিছে, ৰোগ ব্যাধি কিছু কমাইছে। কিন্তু পুৰুষাৰ্থ সাধনৰ ক্ষেত্ৰত মুক্তিৰ পথৰ সন্ধান দিব পৰা নাই। বিজ্ঞানে মানৱ সমাজত ইন্দ্ৰিয়গ্ৰাহ্য আনন্দও প্ৰদান কৰিছে; কিন্তু মানৱৰ মনলৈ দয়া, ক্ষমা, আত্ম সংযম, মানৱতাবোধ, সহিষ্ণুতা, বৈৰাগ্য আদি মানৱীয় গুণ আনিব পৰা নাই। বিজ্ঞানে দিয়া আধুনিক অস্ত্ৰ-শস্ত্ৰ ধাৰণ কৰি প্ৰাণী, মানৱৰ ওপৰত ধ্বংস যজ্ঞ আৰম্ভ হৈছে। মানৱ সমাজত অসূয়া-অপ্ৰীতি বাহিছে। বিজ্ঞানৰ এই মহৎ অৱদানক লৈ মানৱ সমাজৰ কল্যাণ সাধিবৰ বাবে মানুহক লাগিব আধ্যাত্মিক জ্ঞান। এই জ্ঞানে মনক, আত্মাক, বুদ্ধিক আৰু ইন্দ্ৰিয়সমূহক সংযত কৰি ৰাখে।

আত্মা আৰু পৰমাত্মা সম্পৰ্কীয় জ্ঞানেই আধ্যাত্মিক জ্ঞান। উপনিষদসমূহ পৰমাত্মা সম্পৰ্কীয় তত্ত্বজ্ঞানৰ ভাণ্ডাৰ। উপনিষদৰ এটি আত্মজ্ঞান সম্পৰ্কীয় কাহিনী আছে। ভৰদ্বাজৰ পুত্ৰ সুকেশা। সূৰ্যৰ নাতি গাৰ্গ, কত্যৰ পুত্ৰ কবন্ধী, শিৱিৰ পুত্ৰ সত্যকাম, অশ্বলৰ পুত্ৰ কৌশল্যা, বিদৰ্ভৰ ভাৰ্গৱ— এই ছয় ঋষি কুমাৰে 'পৰমব্ৰহ্ম'ৰ জ্ঞান লাভৰ কাৰণে পিপ্পলাদৰ সমীপলৈ গ'ল। নানা নিয়ম-সংযম, ব্ৰাহ্মচৰ্যাদি পালন কৰি এওঁলোকে যথাসময়ত 'পৰমাত্মা' সম্পৰ্কীয় জ্ঞান লাভ কৰি পুৰুষাৰ্থ সাধন কৰিলে। জ্ঞান-বিজ্ঞানৰ পিপাসা থাকিলেহে এনেদৰে জ্ঞান বিচাৰি ল'ব পাৰে। সত্য-শিৱ-সুন্দৰ আৰু বিশ্বজগতৰ মূলাধাৰ পৰমব্ৰহ্মৰ স্বৰূপ উপলব্ধি বাবে আধ্যাত্মিক শিক্ষা অপৰিহাৰ্য। বিশ্ববিশ্ৰুত দাৰ্শনিক ড° ৰাধাকৃষ্ণণে কৈছে যে নৈতিক আৰু আধ্যাত্মিক গুণৰ অবিহনে মানৱ জাতিৰ বিকাশ অসম্ভৱ। যি নহওক, দেহ আৰু মনত শান্ত আৰু ত্যাগৰ মনোভাব গঢ়ি তুলিবলৈ আধ্যাত্মিক জ্ঞানৰ প্ৰয়োজন। একশৰণ হৰিনাম ধৰ্মৰ অনুগত ভকত বৈষ্ণৱ তথা যুৱ সমাজে বৰ্তমান সমস্যা জৰ্জৰিত সমাজত শান্তি স্থাপনৰ কাৰণে বাক্‌সংযম তথা সৎ আচাৰ-নীতি যোগেদি আধ্যাত্মিক চেতনা গঢ়ি তোলক; তেতিয়াই গুৰুজনাৰ মানৱতাবাদী আদৰ্শ প্ৰচাৰ-প্ৰসাৰ কৰা হ'ব। পৰিৱেশত ক'ব পাৰি যে ঈশ্বৰৰ নামৰ এনে ক্ষমতা যে ইয়াক শুদ্ধভাৱে শ্ৰৱণ-কীৰ্তন-স্মৰণ কৰিলে সকলো পাপ নষ্ট হয়। ই জীৱনৰ পৰিৱৰ্তন ঘটায়, জীৱনৰ আগছোৱাত কৰা কুকৰ্মৰ পৰা জীৱক উদ্ধাৰ কৰে।

একমাত্ৰ শ্ৰৱণ-কীৰ্তন ভক্তিয়েহে এই কাম কৰিব পাৰে। ভক্তিৰ দ্বাৰাই প্ৰথমে মনৰ বাসনাক সমাধি ঘটায় আৰু পিছত পাপ নাশ কৰে। ঈশ্বৰ লৈ প্ৰতিমূহৰ্ততে ভয় আৰু ভক্তি থকা লোকে অপকৰ্ম কৰিব নোৱাৰে। ভগৱানৰ নাম আৰু ভক্তি আধ্যাত্মিক শিক্ষাৰ মূলাধাৰ। আধ্যাত্মিকতা বুলিলে দেহস্থ আত্মা সম্বন্ধীয় কথাখিনিক বুজা যায়। পৰমাত্মাৰ অংশই আত্মা বা ব্ৰহ্ম। আমাৰ দেহত দহবিধ ইন্দ্ৰিয় আছে। মনক লৈ মূল একাদশ ইন্দ্ৰিয় আছে। অন্তৰাত্মাক মন বোলে, সপ্তধাতু— পদাৰ্থ বিজ্ঞানৰ অন্তৰ্গত আৰু আত্মা অধ্যাত্ম বিজ্ঞানৰ অন্তৰ্গত। বেদ বেদান্তৰ অন্তৰালত নিহিত হৈ থকা এনে সত্য দৰ্শনসমূহেই আধ্যাত্মিক জ্ঞান।■■

# মহাপুৰুষীয়া ধৰ্মত হোমৰহিত বিবাহ

**দীননাথ ডেকা, মঙ্গলদৈ**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ মুখ্যতঃ ধৰ্মগুৰু আৰু তাৰাৰ প্ৰৱৰ্তিত ধৰ্মৰ নাম একশৰণ হৰি নাম ধৰ্ম তথা মহাপুৰুষীয়া ধৰ্ম। তাৰাৰ ধৰ্মোপদেশবোৰ তাৰাৰ লিখনিৰ মাজতে আছে। তাৰাৰ ধৰ্মৰ মূলনীতি হৈছে—

"ওৰা নৰলোক হৰি ভজিওক
ধৰা ইটো উপদেশ।।
অন্য দেৱী দেৱ নকৰিবা সেৱ
নখাইবা প্ৰসাদ তাৰ।
মূৰ্ত্তিকো নচাইবা গৃহো নপশিবা
ভক্তি হৈব ব্যভিচাৰ।।"

— *শ্ৰীশঙ্কৰ বাক্যামৃত*

এই কথাটোকে বিভিন্ন ঠাইত গুৰুজনাই তাৰাৰ সেৱকসকলক দঢ়াই দঢ়াই কৈ গৈছে। যথা—

"সেহি এক শৰণ ভজন অনুপম।
নুশুনয় আন একো দেৱতাৰ নাম।।
..............................................
আন দেৱ ধৰ্ম্ম মানে মায়াময় দেখা।"

— ভক্তি-প্ৰদীপৰ কৃষ্ণবাক্য

"শুনা মুনি কহো সৰ্ব্ব শাস্ত্ৰৰ সন্মত।।
কৃষ্ণেসে পৰম দেৱ সংসাৰত সাৰ।
পাতকীয়ো তৰে মাত্ৰ নাম লৈলে যাৰ।।
...................................................
তাতো কৰি অপৱিত্ৰ জানা যিটো অতি।।"

--*ভক্তি-প্ৰদীপত নাৰদৰ প্ৰতি চণ্ডালিনীৰ বাক্য*

"সুহৃদ বুলিয়া দুনাই দুনাই দেওঁহাক।
মোত বিনে নভজিবা অন্য দেৱতাক।।

— *ভাগৱত, ১১শ স্কন্ধত কৃষ্ণবাক্য*

"হৰিসি পৰম গতি ভকত জনৰ।
শুনিয়ো বৃত্তান্ত অভকত মনুষ্যৰ।।
ৰান্ধে গৰু মাংস চাণ্ডালিনী সুৰা দিয়া।
মনুষ্যৰ মুণ্ডে আছে তাহাক ঢাকিয়া।।"

— ভাগৱত, ১০ম স্কন্ধ

এই সন্দৰ্ভত বিভিন্ন শাস্ত্ৰত থকা তলত দিয়া সংস্কৃত শ্লোকবোৰো প্ৰণিধানযোগ্য।

"অৰ্নচ্যা ব্ৰহ্ম ৰুদ্ৰাদ্যা ৰজস্তমোবিমিশ্ৰিতাঃ।
ত্বং শুদ্ধ সত্ত্বগুণবান পূজনীয়োগ্ৰেজন্মণাম্।।"

— প. পু. উ. খ. ২৮২/৫৮

নান্যং দেবংতু বীক্ষেত ব্ৰাহ্মনোন চপূজয়েৎ।
নান্যং প্ৰসাদং ভুঞ্জীত নান্যস্যায়তনং বিশেৎ।।"

— ঐ, ২৮২/৬৩

অৰ্থাৎ ৰজঃ তমঃ গুণ বিশিষ্ট ব্ৰহ্মা ৰুদ্ৰ আদি দেৱতাসকল আৰাধনীয় নহয়। শুদ্ধ সত্ত্ব গুণবান তুমিহে (অৰ্থাৎ ভগৱান শ্ৰীকৃষ্ণ) ব্ৰাহ্মণসকলৰ পূজনীয়।"৫৮

"ব্ৰাহ্মণে বিষ্ণুভিন্ন অন্য দেৱতাৰ দৰ্শন নকৰিব, পূজা নকৰিব প্ৰসাদ নাখাব আৰু গৃহত প্ৰৱেশ নকৰিব।" ঐ, ৬৩

নান্যং চ পূজয়েদ্দেবং ন নমেত্তং স্মৰেন্নচ।
ন চ পশ্যেন্নগায়েচ্চ ন চ নিন্দেৎ কদাচন।।

— প. পু. পাতাল খণ্ড, ৮২/৩৪

অৰ্থাৎ— বিষ্ণু ভিন্ন অন্য দেৱতাৰ পূজা নকৰিব, নমস্কাৰ বা স্মৰণ নকৰিব, মূৰ্তিত নাচাব, কীৰ্তনো নকৰিব, আনপক্ষে নিন্দাও নকৰিব। (ইয়াত ব্ৰাহ্মণ বা বৈষ্ণৱ বুলি কথা নাই)

"বৈষ্ণৱ পুৰুষো যস্ত্ত শিৱ ব্ৰহ্মাদি দৈবত্তান।
প্ৰণমেতাৰ্চয়েদ বাপি বিষ্ঠায়াং জায়তে ক্ৰিমিঃ।।"

— হাৰীত স্মৃতি, ৮/২৬০

অর্থাৎ— বৈষ্ণৱে শিৱ ব্ৰহ্মা আদি দেৱতাক প্ৰণাম বা অৰ্চনা কৰি বিষ্ঠাৰ ক্ৰিমি হৈ জন্মে।

"ৰজস্তম অভিভূতানাং দেৱতানাং নিৰীক্ষণাৎ।
পূজনাদ্ ৰন্দনাদ্ বাপি বৈষ্ণৱো যাত্যধোগতিম্।।"
— হাৰীত স্মৃতি, ২/২৬১-৬২

অর্থাৎ— ব্ৰহ্মা, শিৱ, দুৰ্গা, কালী, গণেশ আদি ৰজোগুণ, তমোগুণ বিশিষ্ট দেৱ-দেৱীবোৰৰ পূজা, নমস্কাৰ বা দৰ্শন আদি কৰিলে বৈষ্ণৱৰ অধোগতি হয়।

হাৰীতে এই কথাকেই পুনৰ দোহাৰিছে—

"নান্যং দেবং নমস্কুৰ্য্যানান্যং দেবং অপূজয়েৎ।
নান্যং প্ৰসাদং ভূঞ্জিত নান্যদায়তনং বিশেৎ।।"
হাৰীত, ৫/৮০২-৮/৮১২

অর্থাৎ— কৃষ্ণ ভিন্ন আন দেৱ-দেৱীৰ পূজা নকৰিব, সেইসকলৰ পূজা নকৰিব, প্ৰসাদ নাখাইব আৰু গৃহত প্ৰৱেশ নকৰিব। (ইয়াতো ব্ৰাহ্মণ বা বৈষ্ণৱ বুলি কোনো কথা নাই।)

তলত লিখা শ্লোকবোৰে এই বিষয়ত বৰ কঢ়া নিৰ্দেশ দিছে—

"শৈৱ-বৌদ্ধ স্কান্দ-শক্তি স্থানাদি ন বিশেৎ কচিৎ।
বৰ্জয়েত্তৎসমীপস্থং জল পুষ্প ফলাদি চ।।"

অর্থাৎ— শৈৱ, বৌদ্ধ, শাক্ত, স্কান্দ (কাৰ্তিক)ৰ উপাসনাৰ স্থান (মন্দিৰ)বোৰত প্ৰৱেশ নকৰিব। তাৰ সমীপত থকা জল, পুষ্প ফল আদিও পৰিত্যাগ কৰিব।

"ন নিৰীক্ষেত দেবানামুৎ সবাদি কদাচন।
স্তুতিং বাপ্যন্য দেবানাং ন কুৰ্য্যাচ্ছনুয়ান্ন চ।।"
হাৰীত ৮/১৪৩

"কাম প্ৰসঙ্গ সংলাপান পৰিহাসাদি বিবৰ্জয়েৎ।।"

অর্থাৎ— অন্য দেৱীৰ উৎসৱ আদি কেতিয়াও নাচাব। অন্য দেৱ-দেৱীৰ স্তুতি প্ৰাৰ্থনা নকৰিব আৰু নুশুনিব। কথা প্ৰসঙ্গতো অন্য দেৱ-দেৱী সম্বন্ধীয় আলাপ পৰিহাস আদি বৰ্জন কৰিব।

কোনো মন্দিৰ বা স্থানত অন্য দেৱ-দেৱীৰ লগত শ্ৰীহৰিক দেখিলেও পূজা প্ৰণাম আদি নিষেধ কৰিছে—

"অন্যালয়ে হৰিং দৃষ্টা দেৱতান্তৰ সংসদি।
নাৰ্চয়েন্ন প্ৰণমেচ্চ তীৰ্থ সেবাং বিবৰ্জয়েৎ।।
অবৈষ্ণৱস্য হস্তাও দিব্য দেশাদুপাগতম।
হৰেঃ প্ৰসাদ তীৰ্থাদ্যং যত্নেন পৰিবৰ্জয়েৎ।।"
— ঐ, ৮/১৬৪

অর্থাৎ, অন্য গৃহত অন্য দেৱ-দেৱীৰ লগত শ্ৰীহৰিক দেখিলেও তেওঁৰ পূজা নকৰিব আৰু প্ৰণাম নকৰিব। অন্য তীৰ্থৰ সেৱা নকৰিব। মনোৰম পৱিত্ৰ স্থানৰ পৰা সমাগত হ'লেও অবৈষ্ণৱৰ হস্তদত্ত শ্ৰীহৰিৰ প্ৰসাদ বা জল আদি যত্ন পূৰ্বক পৰিত্যাগ কৰিব।

"লোকায়তিক বিপ্ৰানাং দেবতান্তৰ সেবিনাম।
অবৈষ্ণৱা নামপি সংসৰ্গং দূৰতস্ত্যজেৎ।।"
— হাৰীত, ৮/১৩৪

অর্থাৎ— বৌদ্ধ ব্ৰাহ্মণ অন্য দেৱতা সেৱী আৰু অবৈষ্ণৱসকলৰ সংসৰ্গ দূৰতে পৰিত্যাগ কৰিব।

কথা গীতাৰ ১৪শ অধ্যায়ৰ উপসংহাৰত শ্ৰীমৎ দামোদৰদেৱৰ প্ৰধান শিষ্য শ্ৰীমৎ ভট্টদেৱেও লিখিছে—

"তক্ত্বান্য দেৱতা সেবাং তদুপাসকসঙ্গতিম্।
ভক্তিৎ কৃষ্ণ পদে কৃত্বা গুণান জিত্বা ভবং তৰেৎ।।"

অর্থাৎ— কৃষ্ণ ভিন্ন অন্য দেৱতাৰ সেৱা আৰু অন্য দেৱতা উপাসকৰ সঙ্গ ত্যাগ কৰি কৃষ্ণৰ চৰণত ভক্তি কৰি গুণ জিনি সংসাৰ তৰিব।

বৈষ্ণৱ পণ্ডিত অনন্ত কন্দলি (শ্ৰীচন্দ্ৰ ভাৰতী)য়ে লিখিছে—

"হেন জানি এক চিত্তে ভজিও কৃষ্ণক।
কাণতো নানিবা আন দেৱৰ মন্ত্ৰক।।"ভা.,১০ম স্কন্ধ

কোনো কোনোয়ে কয় যে, তেওঁলোকে অন্য দেৱ-দেৱীৰ প্ৰতিমাবোৰত বিষ্ণু বুদ্ধি কৰি সেৱা কৰিব পাৰে; কিন্তু তাকে কৰিবলৈ যোৱাসকলে প্ৰথমতে কুকুৰ, চণ্ডাল, গৰ্দভ, গছ-লতা, কেচু-কুমতি আদি সকলো প্ৰাণীকে বিষ্ণু বুদ্ধি কৰি দণ্ডবদ হৈ সেৱা কৰিব পাৰিব লাগিব। কিন্তু তেনে কৰা দেখা নাযায়।

গতিকে সেইটো চলনা মাত্ৰ।

অন্য দেৱতা বাদদি কেৱল বিষ্ণুৰ উদ্দেশ্যে হোম কৰিলেও নহয়। কাৰণ ই কলিযুগৰ ধৰ্ম নহয়।

ওপৰৰ আলোচনাবোৰৰ পৰা স্পষ্ট হৈছে যে, স্বতন্ত্ৰভাৱেই হওক কিম্বা কৃষ্ণৰ লগত মিশ্ৰিতভাৱেই হওক কৃষ্ণ ভিন্ন অন্য দেৱ-দেৱীৰ সেৱা পূজা নমস্কাৰ আদি কৰা কাৰ্য মহাপুৰুষীয়া ধৰ্মত নিষেধ। আৰু ই এই ধৰ্মৰ মূলনীতি। এতিয়া বিবাহত কৰ্মকাণ্ডীয় বিধি মতে যি হোম কৰা হয় তাত অন্য দেৱ-দেৱীৰ পূজা সেৱা থাকে নে নাথাকে সেইটো আলোচনা কৰা হওক।

কৰ্মকাণ্ডৰ বিধিমতে কৰ্ম তিনি প্ৰকাৰ— নিত্য কৰ্ম, নৈমিত্তিক কৰ্ম আৰু কাম্য কৰ্ম। সেইদৰে হোম কৰ্ম তিনি প্ৰকাৰ। নিত্য হোম, নৈমিত্তিক হোম আৰু কাম্য হোম। পুত্ৰ জন্ম, অন্নপ্ৰাশন, উপনয়ন, বিবাহ ইত্যাদি সংস্কাৰমূলক কাৰ্যও কৰ্মকাণ্ডীয় বিধিমতে কৰ্মকাণ্ডীয়সকলে যি হোম কৰে সি নৈমিত্তিক হোম। কৰ্মকাণ্ডীয় বিধিমতে কৰিবলগা সকলো কৰ্মতে সেই কৰ্ম কাৰ্যই হওক নিত্যই হওক কিম্বা নৈমিত্তিকেই হওক ছয়জন (মতান্তৰে পাঁচজন) দেৱতাৰ পূজা বাধ্যতামূলক। যথা—

"নাৰাধ্য দেবষট্ কণ্ড যদি কৰ্ম সমাচৰেৎ।
নিত্যং নৈমিত্তিকঞ্চাপি তৎ সৰ্ব্বং নিষ্ফলং ভৱেৎ।।"
— ব্ৰ.বৈ.কৃ.জ.খ., ২৬/৪১

অৰ্থাৎ— "ছয়জন (মতান্তৰে পাঁচজন) দেৱতা গণেশ, দীনেশ, বিষ্ণু দুৰ্গা, শিৱ, অগ্নি (পাঁচ দেৱতাৰ ক্ষেত্ৰত অগ্নিবাদে বাকী কেইজন) দেৱতাৰ পূজা নকৰাকৈ কৰ্ম কৰিলে সকলো কৰ্ম নিষ্ফল হয়।

বিবাহৰ হোমত ওপৰউক্ত ছয়জন দেৱতাৰ বাহিৰেও অন্য দেৱ-দেৱীৰো পূজা আছে। সেইবোৰৰ উল্লেখ কৰা নহ'ল।

ভকতি পন্থাতো নিত্য নৈমিত্তিক অনুষ্ঠান কৰা হয়, কিন্তু সেই বোৰৰ মাধ্যম নাম-কীৰ্তন, পাঠ প্ৰসঙ্গ, ভকতসেৱা ইত্যাদি। কৰ্মকাণ্ডীয় মাধ্যম হোম আদি ভকতি পন্থাৰ বাবে প্ৰযোজ্য নহয়।

এতিয়া দেখা গ'ল যে, মহাপুৰুষীয়া ধৰ্মত চলালোকে বিবাহতেই হওক বা অন্য যি কোনো কাৰণতেই হওক কৰ্মকাণ্ডীয় বিধিমতে হোম কৰিলে অন্য দেৱীৰ পূজা-সেৱা কৰিবলগীয়া হয় আৰু মূল নীতিৰ পৰা ভ্ৰষ্ট হোৱা বাবে গুৰুতৰ ধৰ্মীয় অপৰাধত লিপ্ত হ'বলগীয়া হয়। গতিকে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ হোম ৰহিত বিবাহ পদ্ধতি প্ৰচলন কৰিছে। এই পদ্ধতি মতে সঙ্ঘভুক্ত লোকসকলে ৩০ বছৰৰো অধিক কাল ধৰি ল'ৰাৰেই হওক বা ছোৱালীৰেই হওক বিবাহ কাৰ্য চলাই আহিছে। সঙ্ঘভুক্ত লোকে এই পদ্ধতি মানি চলিব লাগে।ইয়াৰ অন্যথা কৰি হোমযুক্ত বিবাহত জড়িত হ'লে ধৰ্ম আৰু সঙ্ঘৰ মূলনীতি ভঙ্গ কৰাৰ অপৰাধত অপৰাধী আৰু তাৰ বাবে বিহিত শাস্তি ভুগীব লাগে। যিসকলে নিয়ম মানিব নোখোজে, সঙ্ঘভুক্ত হৈ থকা বা নথকাটো সেইসকলৰ ইচ্ছাৰ কথা, ইয়াত জোৰ-জবৰদস্তিৰ কোনো কথা নাই।

ওপৰিউক্ত ব্যৱস্থাৰ দ্বাৰা বিভিন্ন জাতি-গোষ্ঠী, সম্প্ৰদায়ৰ লোকসকলে সঙ্ঘভুক্ত হৈ এক নীতি আৰু আদৰ্শৰ অধীনত থাকি এটি বিশিষ্ট ধৰ্মীয় সম্প্ৰদায় হিচাপে গঢ় লৈ উঠিছে য'ত জাতি ভেদ, বৰ্ণ ভেদ, উচ্চ-নীচ ভেদাভেদ আদিৰ কোনো স্থান নাই। এই পদ্ধতিত যি অনুশাসন আছে তাৰ শিথিলতাই এই সাম্যবাদী সমাজখনক পুনৰ পূৰ্বৰ জাতি ভেদবাদী সমাজ ব্যৱস্থালৈ লৈ যাব আৰু মহাপুৰুষৰ ধৰ্মৰ আদৰ্শৰ মূলতে কুঠাৰাঘাত কৰিব। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ আৰু পণ্ডিত জৱাহৰলাল নেহৰু আদি মনীষীসকলেও এই আদৰ্শৰ কথাকে কৈ গৈছে। যথা—

"We wish to baild a Society free from caste and class, from Exploitation of every kind Social and economic racial and religious."– Dr. S. Radhakrishnan

অৰ্থাৎ— আমি এনে এখন সমাজ গঠন

কৰিবলৈ বিচাৰোঁ য'ত জাতি (caste) আৰু শ্ৰেণী (class) নাথাকিব। যিখন সমাজ সামাজিক, অৰ্থনৈতিক, গোষ্ঠীগত আৰু ধৰ্মীয় সকলো প্ৰকাৰৰ শোষণৰ পৰা মুক্ত হ'ব। —ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ

"All old social customs which divied our people into high and the low on the basis of caste must be wiped out."—Pondit Jawaharlal Nehru.

অৰ্থাৎ— আমাৰ জনগণক জাতিৰ ভিত্তিত উচ্চ আৰু নীচ হিচাপে ভাগ ভাগ কৰি ৰখা সকলো পুৰণি সামাজিক প্ৰথা সমূলে বিলোপ সাধন কৰিব লাগিব। — পণ্ডিত জৱাহৰলাল নেহৰু

কৰ্মকাণ্ডীয় হোমযুক্ত বিবাহত জাতিভেদ থাকিবই। কাৰণ ব্ৰাহ্মণভিন্ন আনে যাজনিক কৰ্ম অৰ্থাৎ আনৰ ঘৰত হোম যজ্ঞাদি কৰ্ম কৰাৰ অধীকাৰ নাই। বৰ্ণভেদ ভিত্তিক সমাজত ক্ষত্ৰিয় আৰু বৈশ্যসকলেও সংস্কাৰযুক্ত হৈ দ্বিজ বুলি খ্যাত হ'লেও আনৰ ঘৰত যাজনিক কৰ্ম কৰাৰ অধিকাৰী নহয়। জাতি ব্ৰাহ্মণ লাগিবই। যদি কোনোবাই কৰি আছে, সেইবোৰ অশাস্ত্ৰীয়ভাৱে কৰি আছে। অৱশ্যে কলিযুগত সকলোকেই ভাবদুষ্ট হোৱা বাবে কোনো কৰ্মকাণ্ডীয় ধৰ্মতে কাৰো অধিকাৰ নাই। কলিত সকলো লোকৰ বাবে হৰিনামেহে একমাত্ৰ স্বধৰ্ম হিচাবে বিহিত। আন ধৰ্ম নাই। হোম-যজ্ঞও নাই। কৰিলেও নিষ্ফল। এই কথা মহাপুৰুষ গুৰুজনাই বাৰে বাৰে অনেক ঠাইত লিখি থৈ গৈছে।

বৰ্তমান হিন্দু সমাজ ১৯৫৫ চনৰ হিন্দু বিবাহ আইনমতে চলিছে। এই আইনমতে দৰা আৰু কইনাৰ যিকোনো একপক্ষৰ প্ৰচলিত ধৰ্মীয় আচাৰ আৰু ক্ৰিয়া পদ্ধতিৰে (In accordance with the customary riteo and ceremonies) বিয়া অনুষ্ঠিত হ'ব পাৰে। প্ৰথা (Custom)ৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে। হোমৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাই। হোমযুক্ত বিবাহো এটি চলি অহা প্ৰথা হিচাপেহে স্বীকৃত। ধৰ্মৰ যেতিয়া সংস্কাৰ হয় তেতিয়া সেই ধৰ্মৰ আচাৰ নীতি আদিৰো তদনুযায়ী সংস্কাৰ সাধন হয়। শিখ ধৰ্মৰ প্ৰতি লক্ষ্য কৰিলেই এই কথাটি পৰিষ্কাৰ হয়।

হিন্দু বিবাহ আইনে শিখ আৰু বৌদ্ধ সকলকো সামৰে। প্ৰথম অৱস্থাত শিখ ধৰ্মত হোম আদি ব্ৰাহ্মণ্য কৰ্মকাণ্ডৰ প্ৰচলন আছিল আৰু সম্প্ৰদায়তো এটি সুসংগঠিত ধৰ্মীয় সম্প্ৰদায় হিচাৱে গঢ় লৈ উঠা নাছিল। পাছৰ কালত গুৰুসকলে ধৰ্মটোৰ পৰা পৰম্পৰাগতভাৱে চলি অহা ব্ৰাহ্মণ্য ক্ৰিয়াকাণ্ডবোৰ একেবাৰে গুচাই পেলাই সংস্কাৰ সাধন কৰিলে। এই প্ৰসঙ্গত ড° মহেশ্বৰ নেওগে গুৰু অমৰ দাসৰ নামো বিশেষভাৱে উল্লেখ কৰিছে। তেতিয়াৰ পৰা সেই সমাজত হোম ৰহিত বিবাহৰ প্ৰচলন হ'ল।

সংস্কাৰ একোটি সাধন কৰোতে প্ৰথমতে কিছুদিন সমাজত কিছু অসুবিধা আৰু খেলি-মেলিৰ সৃষ্টি হোৱাতো স্বাভাৱিক। কিন্তু পাচলৈ সেইবোৰ নোহোৱা হৈ যায়। পুৰণি প্ৰথা আৰু পৰম্পৰাই কালক্ৰমত নতুনক ঠাই এৰি দিয়ে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ক্ষেত্ৰতো সঙ্ঘভুক্ত কোনো কোনো লোকে (অৱশ্যে সকলোৱে নহয়) তেনে অসুবিধাৰ সন্মুখীন হোৱা কথাটো নই কৰিব নোৱাৰি। কিন্তু এই বুলি যে ল'ৰা-ছোৱালীয়ে আত্মহত্যাৰ দৰে চৰম ব্যৱস্থা ল'বলগীয়া হৈছে সেইটো একেবাৰে মিছা কথা। ই এক গোকাট অপপ্ৰচাৰ মাথোন। হোম মানি চলাসকলৰ মাজতো বেলেগ বেলেগ ধৰ্ম আৰু সম্প্ৰদায়ভুক্ত ল'ৰা-ছোৱালীৰ যিকোনো একপক্ষৰ প্ৰথা মতে যেতিয়া বিবাহ স্বীকৃত হয় তেনে ক্ষেত্ৰত সঙ্ঘই কেৱল নিজৰ প্ৰথাটোতে কিয় ধৰি থাকে? ইয়াৰ কাৰণ হৈছে, ল'ৰা-ছোৱালীৰ মাজত ভেদ কৰি সঙ্ঘৰ প্ৰথাটোত যদি শিথিলতা অনা হয় তেতিয়া হিন্দু বিবাহ আইন মতে কৰ্তৃত্বসম্পন্ন ন্যায়ালয়ৰ দ্বাৰা প্ৰথাটোৱে আইনগত স্বীকৃতি পোৱাৰ সন্দৰ্ভত

কেতিয়াবা বেমেজালিৰ সৃষ্টি হ'ব পাৰে। গতিকে অন্তত আৰু কিছুকাল ধৰি সঙ্ঘই ল'ৰা-ছোৱালীৰ মাজত ভেদ কৰি প্ৰথাটোত শিথিলতা আনিব নোৱাৰে। জুই একুৰা প্ৰথম জ্বলি উঠোতে পানী ঢালি দিলে নুমাই যোৱাৰ আশংকা আছে। যেতিয়া দপ্‌দপকৈ ডাঙৰকৈ জুইকুৰা জ্বলি উঠিব তেতিয়া পানী ঢালিলেও নুনুমায়। তাৰ একো ক্ষতি নহয়। আইনজ্ঞসকলে এইবোৰ কথা বুজিব।

বিবাহত হোমৰ বিষয়ে মনুসংহিতাৰ তলত লিখা শ্লোকটো প্ৰণিধানযোগ্য। ইয়াৰ দ্বাৰা বুজা যায় যে, বিবাহত হোম কাৰ্য অপৰিহাৰ্য নহয়। যথা—

"মঙ্গলাৰ্থং স্বস্ত্যয়নং যজ্ঞশ্চাসাং প্ৰজাপতেঃ।
প্ৰযুজ্যতে বিবাহেসু প্ৰদানং স্বাম্য কাৰণম্।।"

— মনু সংহিতা, ৫/১৫২

অৰ্থাৎ— বিবাহত (অৱশ্যে কৰ্মকাণ্ডীয় বিবাহত) প্ৰজাপতি আদি দেৱতাসকলৰ উদ্দেশ্যে যি হোম কৰা হয় আৰু আৰ্শীষ বচন আদি কোৱা হয় সেইবোৰ দৰা-কইনাৰ ভৰিষ্যত মঙ্গল কামনা কৰিহে কৰা হয়। প্ৰকৃততে যিবোৰ বাক্যৰ দ্বাৰা কন্যা দান কৰা হয়, পত্নীৰূপে গ্ৰহণ আৰু পতিৰূপে বৰণ কৰা হয়। তাৰ দ্বাৰাহে ল'ৰা-ছোৱালীহালৰ মাজত স্বামী-স্ত্ৰীৰ সম্পৰ্ক স্থাপিত হয়।

ভাৰতবৰ্ষৰ বহু অঞ্চলত হিন্দু সমাজত হোম ৰহিত বিবাহৰ প্ৰচলন আইন সিদ্ধ হৈ চলি আছে। হিন্দু আইনৰ তলৰ কথাখিনি প্ৰণিধানযোগ্য।

It is well recognised that in the reddy community in telergana area a marriage performed without human and saptapadi ceremonies is volid. (Reddy Raghabari ASR 1968 AP 117 (120) similarly among the Rajpats Sindurdan (gift of vermillion) is a long prevalont custom and marriage hald according to this custom is hald valid. Among the Bairagis a seet of vaishmava) kanthibadal (ercharge of sacred fariand made of tulsistem) is a special from of valid marriage. In cartain parts of himachal Pradesh (kula crea) marriage ceremony among the high caste Hindus is performed with Ganesh puja and seldam the vedic rites are parformed. In other communities marriage are parformed only by giving meals to the marriage party. AIR 1972 mat LR 115.

অৰ্থাৎ— এইটো ভালদৰে স্বীকৃত যে টেলেঙ্গনা অঞ্চলৰ ৰেডি (এটি ব্ৰাহ্মণ সম্প্ৰদায়) সম্প্ৰদায়ৰ মাজত হোম আৰু সপ্তপদী গমন নোহোৱাকৈয়ে বিবাহ হয় আৰু এই বিবাহ আইনমতে সিদ্ধ। (দ্ৰষ্টব্য এ আই আৰ ১৯৬৮ অন্ধ্ৰপ্ৰদেশ, পৃষ্ঠা ১১৭ ৰেড্ডি ৰাঘবন)। সেইদৰে ৰাজপুতসকলৰ মাজত সিন্দূৰ পিন্ধাই বিবাহ কৰাটো এটা দীৰ্ঘকালীন প্ৰথা আৰু তেনেকৈ হোৱা বিবাহ আইনমতে সিদ্ধ। বৈৰাগীসকলৰ (এটি বৈষ্ণৱ সম্প্ৰদায়) মাজত পৱিত্ৰ তুলসী কাঠৰ মালা (কণ্ঠি বাদল) পিন্ধাই বিবাহ কৰোৱাটো এটা আইন সিদ্ধ বিশেষ প্ৰথা। হিমাচল ৰাজ্যৰ কোনো কোনো অঞ্চলত (কুলু এলেকাত) উচ্চ জাতিৰ হিন্দুসকলৰ মাজত গণেশ পূজাৰ দ্বাৰা বিবাহ সম্পন্ন কৰা হয় আৰু বৈদিক ক্ৰিয়া পদ্ধতি পালন কৰা নহয় বুলি ক'লেও হয়। আন সম্প্ৰদায়বোৰৰ ক্ষেত্ৰত দৰাপক্ষক কেৱল ভোজ খুৱাই বিবাহ সম্পন্ন কৰা হয়। আৰু আন কোনো ধৰ্মীয় অনুষ্ঠান কৰা নহয়। (দ্ৰষ্টব্য AIR 1972 mat LR 115)

তামিলনাডুৰ হিন্দু সমাজত হোম ৰহিত বিবাহ আইনমতে সিদ্ধ আৰু তাৰ বাবে হিন্দু বিবাহ আইনৰ ৭নং ধাৰাত সংশোধনীও সন্নিবিষ্ট কৰা হৈছে। (দ্ৰষ্টব্য হিন্দু বিবাহ আইন, ১৯৫৫ ৭(A) ধাৰা (তামিলনাডু)।

এই প্ৰসঙ্গত অসমৰ দুগৰাকী বিখ্যাত ব্যক্তিৰ বিবাহৰ কথা উল্লেখ কৰাৰ ইচ্ছা সামৰিব নোৱাৰিলো। ইয়াৰে এগৰাকী সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, তেখেতে ব্ৰাহ্মণ সমাজৰ বিখ্যাত ঠাকুৰ

পৰিয়ালৰ ছোৱালী হোম নকৰাকৈ বিয়া কৰাইছিল। আন এগৰাকী স্বনাম ধন্য ব্যক্তি প্ৰয়াত অমিয় কুমাৰ দাসৰ বিয়া হোম নোহোৱাকৈ হৈছিল। এই কথা তেখেতৰ পত্নী শ্ৰীযুতা পুষ্পলতা দাস আইদেৱে আকাশবাণীৰ কথিকাত প্ৰকাশ কৰিছে।

হিন্দু আইনত আৰু এটা কথা আছে।

It has been repeatedly slated that a custom may be derogation to the smriti law and where proved to be existing may supersed the how. The essential attributes of custom ate in uninterruped continuity, uniformity in operation and certainly in its application. – Hindu Law

অৰ্থাৎ— "এইটো বাৰে বাৰে কোৱা হৈছে যে, এটা প্ৰথা কোনো কোনো ক্ষেত্ৰত স্মৃতি বিধানৰ পৰিপন্থিত হ'ব পাৰে আৰু প্ৰথা হিচাপে যেতিয়া স্বীকৃত হয় তেতিয়া ই আইনৰ বিধানকো চেৰাই যাব পাৰে। স্বীকৃত প্ৰথা হ'বৰ বাবে ই অবিৰতভাৱে চলি থকা হ'ব লাগিব। সমাজত সমভাৱে চলা হ'ব লাগিব আৰু নিশ্চিতভাৱে প্ৰযুক্ত হ'ব লাগিব।" হিন্দু আইনে আৰু কৈছে যে—

"Parsons who may have deviated from orthodox standerd of Hinduism in matter of diat and ceremonies are also Hindus. He remains a Hindu untill he abdicated his religion by a clean out of renunciation and adopts the other religion by under going formal conversion."

অৰ্থাৎ— "কোনো এজন হিন্দুৱে খাদ্য আৰু ক্ৰিয়াকাণ্ডৰ বিয়াত হিন্দুধৰ্মৰ দ্বাৰা বিহিত পৰম্পৰাগত আচাৰ নীতিবোৰৰ পৰা ফালৰি কাটি গ'লেও সেইজন হিন্দু হৈয়ে থাকিব। যেতিয়ালৈকে সেইজনে বিধিমতে ধৰ্মটো পৰিত্যাগ নকৰে আৰু আন এটা ধৰ্ম সেই ধৰ্মৰ নীতি অনুসৰি বিধিমতে গ্ৰহণ নকৰে।"

হিন্দু বিবাহ আইনত সপ্তপদী গমনৰ সন্দৰ্ভত যি sacred fireৰ উল্লেখ আছে তাৰ অৰ্থ হোমাগ্নি বুলি আইনখনৰ ক'তো কোৱা নাই। হোমাগ্নিক ইংৰাজীত sacrificial fireহে বোলে। sacredৰ অৰ্থ ঈশ্বৰত অৰ্পণ কৰা পৱিত্ৰ। দ্ৰষ্টব্য Set apart or didicated especially to God. Holy, religion entitled to veneration, not to be violated. দ্ৰষ্টব্য chambers twenti Dictionary) এই অৰ্থত ভগৱন্তৰ বাগ্ময় মূৰ্তি ভাগৱতৰ উদ্দেশ্যে অৰ্পণ কৰা বন্তিগছিত Sacred fire বৰ ওপৰত গুৰুত্ব দি থাকে সেইসকলৰ বাবে এই কথাখিনি প্ৰণিধানযোগ্য। বিঃদ্ৰঃ- এই প্ৰবন্ধত উল্লেখ কৰাৰ বাহিৰেও কৃষ্ণ ভিন্ন অন্য দেৱ-দেৱীৰ পূজা-সেৱা নিষেধ কৰা অনেক শ্লোকপদ বিভিন্ন পুথি শাস্ত্ৰত পোৱা যায়। প্ৰবন্ধৰ কলেৱৰ বৃদ্ধি পোৱাৰ আশংকাত এইবোৰৰ উদ্ধৃতি দিয়া নহ'ল।■■

**সহায়ক গ্ৰন্থ ঃ**


১. শ্ৰীশঙ্কৰৰ বাক্যামৃত ঃ হৰি নাৰায়ণ দত্ত বৰুৱা (সম্পা.)
২. পদ্মপুৰাণ, উত্তৰখণ্ড (গুৰু মণ্ডল গ্ৰন্থমালা প্ৰকাশিত)
৩. পদ্মপুৰাণ পাতাল খণ্ড (গুৰু মণ্ডল গ্ৰন্থমালা প্ৰকাশিত)
৪. আৰ্য্য শাস্ত্ৰ প্ৰকাশিত বৃদ্ধ হাৰীত স্মৃতি
৫. আৰ্য্য শাস্ত্ৰ প্ৰকাশিত মনু সংহিতা
৬. পদ ভাগৱত ঃ হৰি নাৰায়ণ দত্ত বৰুৱা (সম্পা.)
৭. আৰ্য্য শাস্ত্ৰ প্ৰকাশিত ব্ৰহ্ম বৈৱৰ্ত পুৰাণ
৮. Hindu Law by gyan Prakash
৯. Puranik's Law of marriage & Divorce.
১০. কথা গীতা ঃ ভট্টদেৱ
১১. বিবাহ পদ্ধতি ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
১২. Chambers twentith century Dictionary
১৩. Practical Sankrit English Dictionary by V.S. Apte.


*বিঃদ্ৰঃ- শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন পদাধিকাৰ প্ৰয়াত দীননাথ ডেকা বাপৰ পৱিত্ৰ সোঁৱৰণত পুনৰ মুদ্ৰণ।*

*— সম্পাদক*

# ভকতিৰ সুগম পথ শ্ৰৱণ-কীৰ্তন

ত্ৰৈলোক্যদেৱ শইকীয়া, তিতাবৰ

জীৱৰ ক্ৰমবিৱৰ্তন সকলোৱে স্বীকাৰ কৰে। জীৱসমূহৰ ভিতৰত মানৱ শ্ৰেষ্ঠ বিবেচিত হৈছে। পঞ্চভৌতিক দেহৰ (মাটি, পানী, আকাশ, বায়ু আৰু জুই) অধিকাৰী মানৱে একাদশ ইন্দ্ৰিয় (পাঁচ জ্ঞানেন্দ্ৰীয়— চকু, কাণ, নাক, জিভা, ছাল; পাঁচ কৰ্মেন্দ্ৰীয়— হাত, ভৰি, মুখ, গুহ্য, লিঙ্গ, অন্তঃইন্দ্ৰিয়-মন)ৰ জৰিয়তে ধৰাধামৰ সকলো বিষয়ৰ উৎপন্ন হোৱা সমস্যাসমূহ সমাধান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। এনেদৰে মানৱৰ লগত বিভিন্ন দিশসমূহ সংপৃক্ত হৈ পৰে। বিজ্ঞানৰ দৃষ্টিৰে সকলো বিষয় বিশ্লেষণ কৰাৰ যত্ন কৰে। সভ্যতা কেন্দ্ৰীক সমাজ ব্যৱস্থাত সাহিত্য, সুকুমাৰ কলা (গীত-নৃত্য-বাদ্য), অৰ্থনীতি, ধৰ্ম আদি বিভিন্ন বিষয় আহি পৰে। সমাজ ব্যৱস্থা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ৰীতি-নীতি, আচাৰ-আচৰণ, খাদ্যাভ্যাস আদিৰ কথা পৰিকল্পনা আৰু পৰিসীমাৰ মাজলৈ আনিবলৈ যত্ন কৰিলে। এনে বিবৰ্তনৰ ফলশ্ৰুতিত সাহিত্যৰ সৃষ্টি হ'ল (শ্ৰুতিৰ পৰা লিপি)। এনেদৰে মানৱ তথা জীৱজগতে সন্মুখীন হোৱা সমস্যাৰাজি সমাধানৰ ক্ষেত্ৰত নানা প্ৰশ্নৰ উদয় হ'ল যাৰ বাবে নজনাক জানিবলৈ প্ৰয়াস কৰিলে। এনেদৰে কালক্ৰমত বেদ, উপনিষদ, বেদান্ত, পুৰাণ, মহাভাৰত, ৰামায়ণ আদি গ্ৰন্থৰ সৃষ্টি হ'ল। এই গ্ৰন্থসমূহত মানৱৰ তথা পৃথিৱীত বসবাস কৰা সকলো জীৱৰ বিশদ বিৱৰণে স্থান লাভ কৰিলে। তাৰে আলমত মানৱৰ মাজত ধৰ্ম নামৰ এক বিষয়ৰ উৎপত্তি হ'ল। এনে গ্ৰন্থসমূহক ধৰ্মশাস্ত্ৰ আখ্যা দিয়া গ'ল। ধৰ্মৰ নামকৰণত কালক্ৰমত বিভিন্ন হোৱা দেখা যায়। ভাৰততে প্ৰধান ধৰ্ম দহটাৰ বিপৰীতে বহু শাখা-প্ৰশাখা পোৱা যায়। হিন্দুধৰ্মতে শাখা আটাইতকৈ বেছি। কেতিয়া, কিয়, কেনেকৈ হ'ল আদি প্ৰশ্ন আহিলেও এই বিষয়ৰ আলোচনা আমাৰ কাম্য নহয়। বুৰঞ্জীবিদসকলে উল্লেখ কৰিছে যে বেদ হৈছে পৃথিৱীৰ পুৰণি গ্ৰন্থ। বেদ চাৰিখন (ঋক, যৰ্জু, সাম আৰু অথৰ্ব)। এই চাৰিও গ্ৰন্থক সংহিতা বোলা যায়। অন্যহাতে চাৰিবেদৰ উপৰিও ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ বা বেদান্তৰ সংখ্যা কোনো নিৰ্দিষ্টকৈ উল্লেখ নাই। বিভিন্ন সময়ত পণ্ডিতসকলে ৰচনা কৰা এই গ্ৰন্থসমূহৰ টীকাভাষ্যও অনেক পোৱা যায়। ওপৰত উল্লিখিত চাৰিবেদৰ ৰচনা কাল উইণ্টাৰ নিৎসে খ্ৰীষ্টপূৰ্ব ২০০ৰ পৰা ২৫০০ বছৰৰ পূৰ্বে হয় বুলি সিদ্ধান্ত দিছে। চাৰিবেদৰ লগে লগে চৈধ্যশাস্ত্ৰ (শিক্ষা, কল্প, জ্যোতিষ, মীমাংসা, ন্যায়, নীতি, দণ্ড, ব্যাকৰণ, আয়ুৰ্বেদ, ছন্দ, স্মৃতি, নিৰুত্ত, গান্ধৰ্ব আৰু ধনুৰ্বেদ) ওঠৰ পুৰাণ (ব্ৰহ্ম, পদ্ম, বিষ্ণু, শিৱ, নাৰদ, মাকৰ্ণ্ডেয়, অগ্নি, ভৱিষ্য, ব্ৰহ্মবৈবৰ্ত, লিঙ্গ, বৰাহ, স্কন্ধ, বামন, কুৰ্ম, মৎস্য, বৰুণ, ব্ৰহ্মাণ্ড আৰু ভাগৱত)ৰ উল্লেখ পাওঁ। ওঠৰ পুৰাণৰ ভিতৰত ভাগৱত গ্ৰন্থ উল্লেখনীয়। শাস্ত্ৰসমূহ দুটা ভাগত বিভক্ত— আগম আৰু নিগম। আগম শব্দৰ অৰ্থ হেমকোষৰ মতে তন্ত্ৰশাস্ত্ৰ, বেদৰ পাছত বহু দেৱ-দেৱীৰ পূজাৰ বিধান কৰি নকৈ কৰা এক পুথি। অন্যহাতে নিগম শব্দৰ অৰ্থ হেমকোষৰ মতে বেদ, যাৰ গতিৰ লৰচৰ নাই যাৰ দ্বাৰা মনুষ্যে পৰকালত ঈশ্বৰক পাব পাৰে। নিগম কল্পতৰু গলিতং ফলং। আগমৰ বিপৰীত নিবৃত্তি শাস্ত্ৰ।

"নিগম কল্পতৰোগলিতং ফলং
শুক মুখাদমৃতদ্ৰৱ সংযুতম্
পিবত ভাগৱতং ৰখমালয়ং
মুহুৰহো ৰসিকা ভুৰি ভাবুকাঃ।।
— ভাগৱত, ১/৬/৮০

সহজভাৱে বুজিব পৰাকৈ শ্ৰীশ্ৰীমাধৱদেৱে তাৰাৰ গ্ৰন্থ বাক্যামৃতৰ অন্তৰ্গত নাম-ঘোষাত (৬০০) ভাঙনি কৰিছে—

"সকল নিগম কল্পতৰো তাৰ ফল মহাভাগৱত
শুকমুখে আহি ভূমিত ভৈল বিদিত।
ৰসত চতুৰ যিটোজন কৃষ্ণৰ চৰণে দিয়ামন
পৰম সন্তোষে পিয়োক ৰস অমৃত।।"

ভাগৱত ৰস পান কৰিবলৈ কিয় উপদেশ দিছে? এই প্ৰশ্নৰ সমাধান বিচাৰিলে আমি পাওঁ—

"স্বকীয়ং যদ্ভবেত্তেজস্তচ্চ ভাগৱত হৃদধাৎ
তিৰোধায় প্ৰবিষ্টোথয়ং শ্ৰীমদ্ভাগৱতাৰ্ণবম।।
তেনেযুং বাঙ্ময়ী মুৰ্ত্তিঃ প্ৰতক্ষাবৰ্ত্ততে হৰেঃ।
সেৱানাচ্ছ্ৰৱণাৎ পাঠাদ্দৰ্শনাৎ পাপনাশিনী।।
— ভাগৱত, ১/৩/৬১-৬২

জিজ্ঞাসু ভক্ত উদ্ধৱৰ প্ৰাৰ্থনা অনুসৰি ভগৱান কৃষ্ণই তাৰাৰ তিৰোভাৱৰ পাছত ভক্তসকলৰ আশ্ৰয়ৰ কাৰণে তাৰাৰ সমস্ত শক্তি, তেজ ভাগৱতত অৰ্পণ কৰি ভাগৱতক ভগৱন্তৰ বাঙ্ময়ী মূৰ্তি ৰূপে ঘোষণা কৰি প্ৰত্যক্ষ হৰিৰূপে সেৱা, শ্ৰৱণ-কীৰ্তন কৰি পাপ নাশৰ ব্যৱস্থা দিয়ে। সেয়ে কালক্ৰমত মানৱে ঈশ্বৰৰ অনুগামীসকলে ভাগৱত গ্ৰন্থক প্ৰাধান্য দিবলৈ ধৰে। ভাগৱত গ্ৰন্থৰ ৰচনাৰ প্ৰয়োজন সম্পৰ্কে উল্লেখ আছে। বদৰিকাশ্ৰমত ব্যাস চাৰিও বেদৰ শাখা-প্ৰশাখা কৰি উগুল-থুগুল মনেৰে বহি আছে। মনত শান্তি নাই। তেনে সময়ত নাৰদ তেওঁৰ সন্মুখ হৈ দুয়োৰে মাজত সেই অসন্তুষ্টিৰ কাৰণ আলোচনা কৰিছে। আলোচনাৰ অংশ তলত উল্লেখ কৰা হ'ল—

"নাৰদ বদতি শুনা মহামুনি ব্যাস।
তুমিহে কৰিলা সবে জগতকে নাশ।।
নিৰন্তৰে পশুৰ লৱাইলা তুমি প্ৰাণ।
নাহি মন্দ কৰ্ম্ম আৰু ইহাৰ সমান।।৩২
...............................................
মোৰ উপদেশ কৰা ভাগৱত শাস্ত্ৰ।
প্ৰচাৰোক গোবিন্দৰ গুণ নাম মাত্ৰ।।
শ্ৰৱণ কীৰ্ত্তন তেবে তৰোক নিশেষ।
দূৰ হৌক তোমাৰ মনৰ মহাক্লেশ।।"৩৭

ব্যাসৰ দ্বাৰা ৰচনা হোৱা বেদ, বেদৰ শাখাসমূহৰ উল্লিখিত মানৱৰ জৰিয়তে হ'ব লাগে বুলি কোৱা আগম শাস্ত্ৰসমূহৰ জৰিয়তে মানৱ তথা জীৱৰ কল্যাণ সাধন হয়। সেয়ে মানৱৰ কল্যাণ সাধন হোৱাকৈ নিগম শাস্ত্ৰত সিদ্ধান্ত দিছে, যাক ভাগৱত আখ্যা দিয়া হয়। অকল সেয়ে নহয়, লগে লগে এক সিদ্ধান্তও প্ৰদান কৰিছে—

"যদ্যপি ভকতি নৱবিধ মাধৱৰ।
শ্ৰৱণ কীৰ্ত্তন তাতো অতি শ্ৰেষ্ঠতৰ।।"

সেয়ে শ্ৰৱণ-কীৰ্তন ভক্তিৰ প্ৰাধান্য পোৱা ভগৱন্তৰ ভজনাৰ উত্তম শাস্ত্ৰ অৰ্থাৎ সূৰ্য শাস্ত্ৰ নিগম কল্পতৰু ভাগৱত ৰচনা কৰি নৰ সমাজৰ পৰিত্ৰাণৰ বাবে দি থৈ গৈছে। গতিকে বেদ তথা বেদবোধক শাস্ত্ৰ ভাগৱত কীৰ্তন আৰু শ্ৰৱণ কৰাত গুৰুত্ব মানৱে অতীত কালৰপৰাই কৰি আহিছে। মৃত্যুবৰণৰ বাবে ঋষি শাপত জৰ্জৰিত পৰীক্ষিত ৰজাৰ সাত দিন ভাগৱত শ্ৰৱণ কৰাতো উল্লেখযোগ্য। এনেদৰে সাত দিন ভাগৱত কীৰ্তন কৰি শ্ৰৱণৰ ফল কেনে হয় তাৰ উল্লেখ থকা— 'গোকৰ্ণ ধুন্ধুকাৰী উপাখ্যান' নামৰ এক আখ্যান উল্লেখযোগ্য। পূৰ্বকালৰ তুঙ্গ ভদ্ৰা নদীৰ পাৰৰ সৎ ব্ৰাহ্মণ তথা বেদ বিশেষজ্ঞ আত্মদেৱৰ ঔৰষে ধুন্ধুলী নামৰ মৰমীয়াল পত্নী গৰাকীৰ গৰ্ভত সন্তান সম্ভাৱনা নোহোৱাত বনলৈ গমন কৰিলে। বনত এক সন্ন্যাসীক লগ পাই সকলো বিৱৰি ক'লে। তেওঁৰ অত্যন্ত আগ্ৰহৰ বাবে এটি ফল সন্ন্যাসীয়ে দি ক'লে নীতিৰত এসাজ খাদ্য গ্ৰহণ কৰি ফল পত্নীক ভক্ষণ কৰিবলৈ দিলে পুত্ৰ

লাভ হ'ব। কিন্তু দুৰ্ভাগ্যবশতঃ পত্নী সেই কামৰ বাবে ইচ্ছা নথকাত ব্ৰাহ্মণৰ পালিত বাঁজী গাইজনীক প্ৰমাণৰ বাবে সেই ফল খুৱাই দিলে। উক্ত কথা ব্ৰাহ্মণে নাজানে। ধুন্ধুলীৰ ভনীয়েকৰ সৈতে আলোচনা কৰি ভনীয়েকৰ সন্তান প্ৰসৱলৈকে ভিতৰত থাকি ভনীয়েকৰ সন্তান নিজৰ বুলি ব্ৰাহ্মণক ক'লে আৰু অসুবিধাবশত ভনীয়েকক পালনৰ দায়িত্বও গতাই দিয়াৰ কথা ক'লে। অন্যহাতে গাইজনীক প্ৰমাণৰ বাবে খুৱাই দিয়া ফলটোৰ (সন্ন্যাসীয়ে দিয়া) বাবে এটি পোৱালী মানুহৰ আকৃতিৰে জন্ম হ'ল। কাণ দুখন গৰুৰ দৰে হোৱা ল'ৰাটিৰ নাম গোকৰ্ণ হ'ল। অন্যহাতে (ভনীয়েকৰ গৰ্ভজাত সন্তান) ধুন্ধুলীৰ সন্তানৰ নাম ধুন্ধুকাৰী ৰাখিলে। ধুন্ধুকাৰী সময়ত অতিপাত দুষ্ট প্ৰকৃতিৰ হ'ল। সংসাৰৰ যত অপকৰ্ম সকলোতে তেওঁ কৃতবিদ্য। অন্যহাতে গোকৰ্ণ এক বিদ্বান লোক হিচাপে পৰিগণিত হ'ল। তেওঁৰ উপদেশত পিতৃ বনে গমন কৰে। তাৰ পিছতে ধুন্ধুকাৰীৰ আতিশৰ্যত মাকৰ মৃত্যু হয়। তাৰ লগে লগে ধুন্ধুকাৰী পাঁচগৰাকী বেশ্যা সংগত দিন অতিবাহিত হয়। দুৰ্ভাগ্যবশতঃ বেশ্যাৰ আসক্তি ধন-সম্পত্তিৰ প্ৰতি বাঢ়ি যায়, যাৰ ফলত ধুন্ধুকাৰীক তেওঁলোকে মিলি হত্যা কৰে। ধুন্ধুকাৰীৰ অপকৰ্মৰ ফলত প্ৰেতৰূপে বিচৰণ কৰে যদিও ক'তো আশ্ৰয় নাপালে। যথাবিহিত গোকৰ্ণও বিভিন্ন তীৰ্থত আনকি গয়া তীৰ্থতো ধুন্ধুকাৰীৰ পিণ্ড দান দিছিল, তথাপিও ধুন্ধুকাৰী প্ৰেতৰ পৰা পৰিত্ৰাণ নাপালে। শেষত সূৰ্যৰ উপদেশ মতে সপ্তাহজোৰা ভাগৱত পাঠৰ ব্যৱস্থা কৰিলে। অন্যহাতে বায়ুৰূপত থকা ধুন্ধুকাৰী বাহিৰত ভাগৱত শ্ৰৱণৰ বাবে ৰ'ব নোৱাৰি এডাল আঠটা গাঁঠি থকা বাঁহত সোমাই ল'লে। আচৰিত কথা যে এক বৈষ্ণৱ ব্ৰাহ্মণক মুখ্য শ্ৰোতাৰূপে লৈ গোকৰ্ণই ভাগৱত পাঠ কৰাৰ ব্যৱস্থা কৰে। সন্ধ্যা পাঠৰ বিৰতিৰ সময়ত প্ৰতিদিনে একোপাব বাঁহ (ধুন্ধুকাৰী সোমাই থকা) ফুটিবলৈ ধৰিলে আৰু সপ্তম দিনত বাৰস্কন্ধৰ সামৰণি পৰিল আৰু সাত পাব বাঁহ ফুটি ধুন্ধুকাৰী প্ৰেত অৱস্থাৰ পৰা পৰিত্ৰাণ পালে। প্ৰেত যোনি মুক্ত ধুন্ধুকাৰীয়ে দিব্যৰূপ ধাৰণ কৰি সকলোৰে সন্মুখত গোকৰ্ণক ধন্যবাদ দিয়াৰ লগতে প্ৰেত পীড়া নাশকাৰী ভাগৱত কথা ধন্য বুলি ঘোষণা কৰিলে।

> শাস্ত্ৰসমূহ দুটা ভাগত বিভক্ত— আগম আৰু নিগম। আগম শব্দৰ অৰ্থ হেমকোষৰ মতে তন্ত্ৰশাস্ত্ৰ, বেদৰ পাছত বহু দেৱ-দেৱীৰ পূজাৰ বিধান কৰি নকৈ কৰা এক পুথি। অন্যহাতে নিগম শব্দৰ অৰ্থ হেমকোষৰ মতে বেদ, বেদবোধক শাস্ত্ৰ, যাৰ গতিৰ লৰচৰ নাই যাৰ দ্বাৰা মনুষ্যে পৰকালত ঈশ্বৰক পাব পাৰে। নিগম কল্পতৰু গলিতং ফলং। আগমৰ বিপৰীত নিবৃত্তি শাস্ত্ৰ।

এইক্ষেত্ৰত অন্য এটি দিশও উল্লেখনীয় যে শ্ৰৱণভেদে ইয়াৰ ফল বেলেগ-বেলেগ হয়। নিগম কল্পতৰো ভাগৱত কীৰ্তন তথা শ্ৰণৰ জৰিয়তে ভগৱন্ত প্ৰাপ্তি হয়। অৰ্থাৎ যি স্থানত ভাগৱত কীৰ্তন আৰু শ্ৰৱণ হয়, সেই স্থানত ভগৱন্ত বিৰাজমান। ভাগৱতত ভগৱানৰ প্ৰকাশ কৰা সেয়ে ভগৱদ্ভক্তিৰ উৎপন্ন হয়।

অন্যহাতে শ্ৰৱণ ভেদে ফল পাৰ্থক্য ঘটে। সেয়ে শ্ৰৱণ শ্ৰদ্ধাযুক্ত হ'ব লাগে। মানৱৰ উন্নতিত অৰিহণা যোগোৱা কৰ্মৰাজি কৰিবলৈ যাওঁতেও মানৱৰ সাধাৰণতে অপৰাধ ঘটে। গৃহবাসী সমস্ত লোকৰ সাধাৰণ অৱস্থাতে পঞ্চসনা পাপ আহৰণ

হয়। সেয়ে সৎসঙ্গ লৈ ভগৱন্তৰ উপাসনা অপৰিহাৰ্য হৈ পৰে। এই ঢেকী, বাঢ়নী, পটা, জলকুম্ভ, চোলীয়া (চৌকা) পঞ্চসূনা, গৃহস্থী লোকৰ এনে কৰ্মসমূহ সততে সদা কৰণীয়। গতিকে এনে কৰ্মৰাজিত পাপ আহৰণ হোৱাটো স্বাভাৱিক। অন্য কৰ্মসমূহৰ কথা উল্লেখ নকৰিলেও সকলোৰে বোধগম্য। মানৱ জীৱনৰ প্ৰয়োজনীয় কৰ্মৰাজিৰ পৰা আহৰণ হোৱা অপৰাধ নিৰ্মূল কৰিবলৈ তথা মানৱ নামৰ জীৱবিধৰ লগতে এই বিনন্দীয়া বিশ্বৰ জীৱজগতৰ কল্যাণ সাধনৰ বাবে ভাগৱত চৰ্চা অতীব প্ৰয়োজনীয়। যিহেতু হৰি ভকতিৰ অধিকাৰী মানৱ।

"বাক্য কৰ্ণ মন সুখ আছে মানে যাৰ
হৰি ভকতিত সমস্তৰে অধিকাৰ।।"

— ভাগৱত, ১১শ স্কন্ধ,
নিমি-নৱ সিদ্ধ সংবাদ

হৰি ভক্তিৰ অধিকাৰ থাকিলেও ভাগৱতেই সমস্ত সিদ্ধান্ত দিছে। আমি আচলতে কি কৰিব লাগিব, কি কৰিব নালাগিব, খোৱা-বোৱা, আচাৰ-আচৰণ কেনে হ'ব লাগে ইত্যাদি সকলো প্ৰশ্নৰ মীমাংসা ভাগৱততে নিবন্ধ হৈ আছে। গতিকে মানৱ সমাজ সুচাৰুৰূপে পৰিচালনাৰ ক্ষেত্ৰত ভাগৱত চৰ্চাৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য। ভাগৱতে নিবন্ধ কৰা কৰণীয়সমূহ মানৱীয় প্ৰমূল্য বোধৰ অন্তৰ্গত মানৱীয় প্ৰমূল্যবোধৰ জৰিয়তে আমি ভকতি ৰক্ষা কৰিব পাৰো। ভকতি অৰ্থাৎ ভক্তি, শ্ৰদ্ধা, ভক্তি, দয়া, মৰম, মৈত্ৰী আদি বিষয়সমূহ থকা স্থানেই ভগৱন্তৰ স্থান। অন্যহাতে হত্যা হিংসা, দ্বেষ, ঘৃণা, অসূয়া আদি বিষয়সমূহৰ অৱস্থিতিয়েই অধৰ্ম। মুঠতে শ্ৰীমদ্ভাগৱত গ্ৰন্থ হ'ল ধৰ্মৰ মুখ্য সংবিধান। 'য'ত দেখা শুনা মানে সবে অশাশ্বত' বুলি উল্লেক কৰিছে। অৰ্থাৎ সকলো মায়াৰ দ্বাৰা পৰিৱেষ্টিত। গতিকে এনে মায়া তৰণৰ বাবে সুগম উপায় নিৰ্ণয় কৰিছে।

"মায়া তৰিবাৰ কহো সুগম উপায়।
যাক ধৰি অজসৰে সুখে তৰি যায়।।
কৃষ্ণৰ চৰণে লৈয়া একান্ত শৰণ।
সাধুসঙ্গে কৰে যিটো শ্ৰৱণ-কীৰ্ত্তন।।
তাৰ কিছু কিছু কৰি মায়া হুৰে ক্ষয়।
সংসাৰ তৰয় তাক জানিবা নিশ্চয়।।
কৃষ্ণ সেৱা বিনে মায়া নিস্তাৰণ নাই।
কেৱল ভক্তি সি আতি মায়া কৰে ঠাই।।"১৬১

— ভাগৱত, ৩য় স্কন্ধ

মহা সমুদ্ৰ সদৃশ ভাগৱতত কি বিষয় নাই যাক আমাৰ প্ৰয়োজন নহয়। পাঠকসকললৈ ভাগৱত শ্ৰৱণ তথা কীৰ্তনৰ আহ্বান জনাই আমি ভক্তি ৰত্নাৱলীয়ে 'ভাগৱত ধৰ্ম' বুলি উল্লেখ কৰা বিষয়টি উপস্থাপন কৰিলো।

"বুলিবাহা কোন ভাগৱত ধৰ্ম্ম চয়।
শুনিয়োক কহো তাক তোমাত নিশ্চয়।।
তপ জপ যজ্ঞ দান ব্ৰত সদাচাৰ।
ধন জন গৃহ পুত্ৰ ভাৰ্য্যা আপোনাৰ।।১৮৪
সমস্তকে শুদ্ধভাৱে অৰ্পিব কৃষ্ণত।
ইহাক বোলয় মহাধৰ্ম্ম ভাগৱত।।"

— ভক্তি বিৰচন, ভক্তি ৰত্নাৱলী

অন্যহাতে এই ভাগৱত ধৰ্ম পালনেই সুগম ভকতি বুলি উল্লেখ কৰিছে—

"পূৰ্ব্বত ব্ৰহ্মায়ে একচিত্তে তিনিবাৰ।
বেদত বিচাৰি এহিমানে পাইলা সাৰ।।
শ্ৰৱণ কীৰ্ত্তন মাত্ৰ সুগম ভকতি।
অল্পতে উপজে গোবিন্দত প্ৰেমৰতি।।"

— শ্ৰীমন্ত শঙ্কৰদেৱ, ২য় স্কন্ধ, ভাগৱত ■■

# কামধেনুগুণাৰিদ্যা

**খগেন্দ্ৰনাথ দাস**

নীতিশাস্ত্ৰত বিচক্ষণ পণ্ডিত মহামতি চাণক্যই বিদ্যা সম্বন্ধে এটি গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে। তেওঁৰ মতে—

"কামধেনুগুণাৰিদ্যা হ্যকালে ফলদায়িনী।

প্ৰৱাসে মাতৃসদৃশী ৰিদ্যাগুপ্তং ধনং স্মৃতম্।।

— ৰিদ্যা কামধেনু সদৃশ, ই অসময়তো ফলদান কৰে। প্ৰৱাসলৈ যোৱাজনৰ বাবে বিদ্যা মাতৃতুল্য আৰু বিদ্যা মানুহৰ গুপ্তধন।

শ্লোকটিত বিদ্যাক কামধেনুৰ সৈতে তুলনা কৰা হৈছে। কামধেনু হ'ল শাস্ত্ৰত উল্লিখিত এজনী গাই। এই গাইজনীৰ বৈশিষ্ট্য হ'ল এয়ে যে ই যাচকৰ কামনা অনুসৰি ফলদান কৰে। যিয়ে যি বিচাৰে তাকে পাবলৈ সক্ষম হয়। এবাৰ বশিষ্ঠ মুনিৰ আশ্ৰমত হঠাতে ক্ষত্ৰিয় ৰজা বিশ্বামিত্ৰ আহি সসৈন্যে উপস্থিত হ'লহি। অভ্যাগতজনক যথাযোগ্য সৎকাৰ কৰাটো গাৰ্হস্থ্য ধৰ্ম। কিন্তু ইমানবোৰ মানুহক একেলগে আতিথ্য সৎকাৰ কৰাটো 'দিন ভিক্ষা প্ৰাণ ৰক্ষা' কৰি চলা ঋষি এজনৰ বাবেতো সম্ভৱ নহয়; তাতে স্বয়ং ৰজাই অতিথি। ৰাজকীয় আতিথ্য সৎকাৰ কৰে কেনেকৈ এজন ফলাহাৰী ঋষিয়ে? সমস্যাত পৰিল মুনিশ্ৰেষ্ঠ বশিষ্ঠ। পাছে এই সমস্যা সৰহ সময়লৈকে সমস্যা হৈ নাথাকিল। ঋষিগৰাকীৰ আছিল এজনী কামধেনু। তেওঁ নিজৰ সংকটাৱস্থাৰ কথা ব্যক্ত কৰি কামধেনুক অতিথি সৎকাৰৰ বাবে প্ৰয়োজনীয় সমস্ত দ্ৰব্য যোগান ধৰিবলৈ ক'লে। ঋষিৰ কথামতে কামধেনুজনীয়ে সকলোকে পৰিতৃপ্ত কৰিব পৰাকৈ নানা দ্ৰব্য সৃষ্টি কৰিলে।

এৱমুক্তা ৰসিষ্ঠেন শবলা শত্ৰুসূদন।

ৰিদধে কামধুক্ কামান্ যস্য সস্যেপ্সিতং যথা।।

— ৰামায়ণ, বালকাণ্ড

— মহৰ্ষি বশিষ্ঠই এইদৰে কোৱাৰ লগে লগে কামধেনুজনীয়ে যাৰ যি ইচ্ছা সেই অনুসৰি দ্ৰব্য উৎপন্ন কৰিলে।"

ওপৰৰ শ্লোকটিত বিদ্যাক তুলনা কৰা হ'ল কামধেনুৰ সৈতে— অৰ্থাৎ কামধেনুৰ দৰে বিদ্যায়ো যাচকৰ বাঞ্ছা অনুসৰি ফল প্ৰদান কৰে। বিদ্যা বুলিলে জ্ঞানকে বুজা যায়। সংস্কৃত 'ৰিদ্' ধাতুৰ পৰা ইয়াৰ উৎপত্তি। 'ৰিদ' ধাতুৰ অৰ্থ হ'ল 'জনা'। ইয়াৰে সৈতে 'ক্যপ' প্ৰত্যয় যুক্ত হৈ সাধিত হৈছে 'ৰিদ্যা' শব্দ। এই 'ৰিদ' ধাতুৰ পৰা 'বেদ' শব্দৰো উৎপত্তি। ইয়াৰ অৰ্থও জ্ঞান। আপাততঃ সকলো প্ৰাণীৰে জ্ঞান থকা বুলি ক'ব পৰা যায় যদিও মানুহৰ ক্ষেত্ৰত ই কিছু ভিন্ন অৰ্থ বহন কৰে। মূলতঃ অইন প্ৰাণীবোৰৰ দৰে মানুহো আহাৰ, নিদ্ৰা, মৈথুনাদি সহজাত প্ৰবৃত্তিৰ বশৱৰ্তী। তথাপি জগতত মানুহ আৰু অইন প্ৰাণীবোৰৰ মাজত এক প্ৰভেদৰ প্ৰাচীৰ বিদ্যমান। মানুহক উচ্চ খাপৰ আৰু অইন প্ৰাণীবোৰক নিম্নখাপৰ বুলি কোৱা হয়। মহাভাৰততো কোৱা হৈছে— "মনুষ্যা জগতি শ্ৰেষ্ঠাঃ'। অৰ্থাৎ জীৱৰ ভিতৰত মানুহেই শ্ৰেষ্ঠ। যি গুণৰ বাবে মানুহৰ ওপৰত শ্ৰেষ্ঠত্ব আৰোপ কৰা হ'ল সেইটো হ'ল বুদ্ধিৰ কচৰৎ। মানুহে মগজুৰ খেল খেলিব পাৰে যিটো অইন প্ৰাণীৰ ক্ষেত্ৰত অসম্ভৱ। আনবোৰ প্ৰাণী প্ৰকৃতিয়ে বান্ধি দিয়া কিছুমান নিৰ্দ্ধাৰিত নিয়মৰ বৃত্ততে ঘূৰি থাকে। মানুহে কিন্তু নিজৰ মস্তিষ্কৰ কৰ্ষণ কৰি ভৱিষ্যৎ জীৱনৰ পথ ৰচনা কৰে।

সৃষ্টিৰ পাতনিৰে পৰা আজি পৰ্যন্ত মানুহৰ বাবে গোটেই প্ৰকৃতিখনে হৈ থাকিল ৰহস্যময়ী। তৰু-

তৃণ, নদ-নদী, পৰ্বত-পাহাৰ, ধুমুহা-বৃষ্টি, জোন-বেলি-তৰাৰ হাঁহি আদি সকলো যেন মানুহৰ বাবে সাঁথৰ। যুগে যুগে মানুহে এই ৰহস্য ভেদ কৰিবলৈ অহৰহ প্ৰচেষ্টা চলাই আহিছে। প্ৰকৃতিৰ প্ৰতিকূল পৰিৱেশক নিজৰ বশলৈ আনি জীৱনযাত্ৰা সুগম কৰাৰ দুৰ্বাৰ অভিযান চলাই আহিছে। তাৰ ফলত জীৱন-জগৎ সম্বন্ধে মানুহৰ অভিজ্ঞতা বাঢ়িছে, বাঢ়িছে মস্তিষ্কৰ কৰ্ষণ যাৰ ফলত আমাৰ সন্মুখত উন্মেষণ হৈছে চিন্তাৰ নৱ নৱ দিশ। ইয়াকে কোৱা হয় জ্ঞানৰ সাধনা। অতীতৰ মনীষীসকলৰ কঠোৰ সাধনালব্ধ জ্ঞানৰ মন্দাকিনী প্ৰবাহ যুগে যুগে প্ৰৱাহিত হৈ আহিছে সেইসকলৰ দ্বাৰা লিপিবদ্ধ মহৎ গ্ৰন্থৰাজিৰ বিশাল বুকুৰ মাজেৰে যাৰ পৰশে উত্তৰ পুৰুষৰ হৃদয়-উপত্যকাত তৰপে তৰপে পেলাই আহিছে চিন্তাৰ নতুন পলস। জ্ঞানৰ আলোক-বন্তি অবিহনে জীৱনৰ যাত্ৰা পথত মানুহ অসহায় পথিক মাথোন। অমানিশাৰ তমসাচ্ছন্ন নিশা আলোকবিহীন পথিকজনৰ যি দুৰ্দশা সেই একেই দুৰ্দশা জ্ঞানৰ আলোক বিহীন জীৱন-যাত্ৰাৰ পথিকজনৰ। বিদ্যাই মানুহৰ অজ্ঞান-অন্ধকাৰ দূৰ কৰি হৃদয় মন্দিৰত পাতে জ্ঞানৰ দীপালী। বিদ্যা হ'ল মানুহৰ হৃদয় শোধনকাৰী পাৰক স্বৰূপ। বৈদিক যুগত এই বিদ্যা শব্দৰ অৰ্থ অৱশ্যে আজিতকৈ কিছু ভিন্ন আছিল। ভাৰতীয় চিন্তা বুলিলে বেদ-উপনিষদৰ ওপৰত আধৃত আৰ্য চিন্তাধাৰাক বুজা যায়। বেদৰ কালছোৱাত বিভিন্ন দেৱ-দেৱতাৰ উপাসনা কৰা হৈছিল যদিও তাৰ পৰৱৰ্তী উপনিষদৰ যুগত কেৱল এক পৰম শক্তিকহে উপাসনা কৰাৰ ধাৰণা এটি দৃঢ় হৈ পৰিল। এই পৰম শক্তিয়ে হ'ল পৰম ব্ৰহ্ম আৰু ধ্যানৰ যোগেদি ব্ৰহ্মক লাভ কৰা— অৰ্থাৎ ব্ৰহ্মত্ব প্ৰাপ্তিয়ে হ'ল এই যুগৰ মুখ্য উদ্দেশ্য। এই কালছোৱাত বিদ্যাক দুভাগত ভাগ কৰা হৈছিল— পৰা আৰু অপৰা। সেইটোকে বোলা হয় পৰা বিদ্যা যাৰ যোগেদি মানুহে ব্ৰহ্মত্ব লাভ কৰিব পাৰে— "অথ পৰা যয়া তদক্ষৰমধি গম্যতে (মুণ্ডকোপ নিষৎ)।" তাৰ বাহিৰে আন বৈদিক কৰ্মবোৰ হ'ল অপৰাবিদ্যা। পৰৱৰ্তী কালত অৱশ্যে এই বিদ্যা শব্দই সকলো প্ৰকাৰ জ্ঞানকে সামৰি ল'বলৈ ধৰিলে। পুৰাণ, মহাভাৰতৰ যুগত ই যুদ্ধবিদ্যা, অস্ত্ৰবিদ্যা, ধনুৰ্বিদ্যা আদিলৈ বিয়পি পৰিল। যি নহওক সাধাৰণতে বিদ্যা বুলিলে মানুহৰ মূঢ়তা বা অজ্ঞানতাৰ এন্ধাৰ বিনাশি হৃদয়-আকাশত প্ৰতিভাত হোৱা জ্ঞান-ৰবিৰ নিৰ্মল আভাকে বুজা যায়। ই হ'ল মানুহৰ উৎকৃষ্ট ভূষণ। মহামতি চাণক্যৰ মতে—

"শৰ্বৰীভূষণং চন্দ্ৰো নাৰীণাংভূষণং পতিঃ।

পৃথিৱীভূষণং ৰাজা ৱিদ্যাসৰ্বস্য ভূষণম্।।"

— নিশাৰ ভূষণ হ'ল চন্দ্ৰ, নাৰীৰ ভূষণ হ'ল পতি, পৃথিৱীৰ ভূষণ হ'ল ৰজা আৰু বিদ্যা হ'ল সকলোৰে ভূষণ।" ভৰ্তৃহৰিৰ মতে বিদ্যাহীনজন পশুতুল্য। আহাৰ, নিদ্ৰা, মৈথুনতে তেওঁলোকৰ জীৱন সীমিত। আনহাতে বিদ্যা হ'ল মানুহৰ বাবে ভোগকৰী, যশকৰী, সুখকৰী আৰু গুৰুৰো গুৰু।

"ৱিদ্যানাম নৰস্য ৰূপমধিকং প্ৰসন্ন গুপ্তং ধনম্।

ৱিদ্যা ভোগকৰী যশসুখকৰী ৱিদ্যাগুৰূণাং গুৰুঃ।।

ৱিদ্যা বন্ধুজনো ৱিদেশগমনে ৱিদ্যাপৰং দৈৱতম্।

ৱিদ্যা ৰাদসু পূজিতান তু ধনং ৱিদ্যাবিহীনঃ পশুঃ।।"

— বিদ্যাই মানুহৰ শ্ৰেষ্ঠ ৰূপ, গুপ্তধন, ভোগকৰী, যশকৰী, সুখকৰী, গুৰুৰো গুৰু। বিদেশ যাত্ৰাত বিদ্যাই হ'ল পৰম বন্ধু আৰু বিদ্যাই হ'ল পৰম দেৱতা। ৰাজদৰবাৰত ধন নহয়; বিদ্যাহে পূজনীয়া আৰু বিদ্যাহীনজন পশুতুল্য।

বিদ্যাই মানুহক এটি সংস্কৃত, পৰিমাৰ্জিত গুণ প্ৰদান কৰে। মানুহৰ অজ্ঞানতাবশতঃ উদ্ভৱ হ'ব পৰা কু-প্ৰবৃত্তিবোৰ পুলিয়ে-পোখাই পাৱক ৰূপ বিদ্যাই দহি-পুৰি ভস্ম কৰি চিত্তভূমিক সঞ্চাৰ কৰে জ্ঞানৰ আলোক। অগ্নিৰ সংযোগত সোণে মলিনত্ব পৰিহাৰ কৰি উজ্জ্বলৰ পৰা উজ্জ্বলতৰ হৈ উঠাৰ দৰে বিদ্যাৰ

সংসৰ্গতো এখনি হৃদয়ে, কলুষ-কালিমা পৰিহাৰ কৰি নিৰ্মল হৈ উঠে। এন্ধাৰ পোহৰৰ প্ৰভাৱলৈ আনিব পৰা নাযায়, তেতিয়া হ'লে আমি এন্ধাৰতে খেপিয়াই কটাব লাগিব জীৱনৰ অমূল্য ক্ষণবোৰ। এসময়ত এন্ধাৰৰ সৈতে মানুহৰ সংঘাত নোহোৱাহেঁতেন অগ্নিৰ উদ্ভৱ নহ'লহেঁতেন আৰু অগ্নিৰ আৱিষ্কাৰ অবিহনে মানৱ সভ্যতা ধৰিত্ৰীৰ বুকুত ভূমিষ্ঠ হোৱাটো সম্ভৱ নহ'লহেঁতেন। বহিঃজগতত অগ্নি যিদৰে পোহৰৰ উৎস মানুহৰ অন্তৰ্জগতত জ্ঞান হ'ল সেইদৰে পোহৰৰ উৎস। ভাল-বেয়াৰ সমাহাৰ মানৱ-হৃদয়খনত বেয়া ৰূপ অন্ধকাৰখিনি নাশ কৰি ভালৰ পোহৰ সিঁচি দিবলৈ হ'লে অতীৱ প্ৰয়োজন হৈ পৰে জ্ঞানৰ। বিদ্যাই এই ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰে। মানুহৰ চৰিত্ৰ গঠনত বিদ্যাক এখনি কুলাৰ সৈতে তুলনা কৰিব পাৰি। এখনি কুলাই ধান আৰু পতানৰ মাজৰ পৰা পতানবোৰ আঁতৰাই ধানবোৰহে ধাৰণ কৰে। তদ্ৰূপ বিদ্যাই মানুহৰ অন্তৰৰ মলিনতা, কপটতা, সঙ্কীৰ্ণতা আদি কু-প্ৰবৃত্তিক পতানবোৰ আঁতৰাই কল্যাণকৰ শুভগুণবোৰ মানুহক প্ৰদান কৰে। মানুহক বিনীত কৰে। এটা নীতি শ্লোকত পোৱা যায়—

'নমন্তিফলিনো বৃক্ষাঃনমন্তি গুণিনো জনাঃ।
শুষ্ককাষ্ঠশ্চ মূৰ্খশ্চভিদ্যন্তে ন নমন্তি চ।।'

— ফলৱান বৃক্ষবোৰ ফলৰ ভৰত দোঁখাই পৰে, ঠিক তেনেদৰে নিজৰ গুণবশতঃ গুণীজনো অৱনত (বিনীত) হৈ পৰে। শুকান কাঠ ভাগি যায় কিন্তু দোঁ নাখায়, তদ্ৰূপ মূৰ্খজনো।

ইমানবোৰ গুণৰ বাবে বিদ্যা আমাৰ অপৰিহাৰ্য সম্পদ। মানুহে মানুহ ৰূপত নিজক প্ৰতিষ্ঠিত কৰিবলৈ হ'লে বিদ্যাই হ'ল একমাত্ৰ সাৰথি। বিদ্যাৰ জোৰবন্তি অবিহনে অজ্ঞানৰ তমসা ভেদি জীৱন-পথত খোজ দিয়াটো দুষ্কৰ কাৰ্য।

ওপৰত উল্লেখ কৰা হৈছে যে মানুহৰ ভাল আৰু বেয়া গুণ দুটাৰ ভিতৰত যিটো প্ৰভাৱী হয় সিটোৱে আনটোক অৱদমিত কৰি ৰাখে। জ্বলি থকা জুই একুৰাত কেঁচা খৰি এবোজা জাপি দিলে জুইকুৰা নুমাই যাব। কিন্তু সেইখিনি জুইতে উক্ত কেঁচাখৰি দগ্ধ হৈ যাব যদিহে অগ্নিৰ শক্তিবৰ্দ্ধনকাৰী শুকানখৰি অধিক পৰিমাণৰ হয়। বৈষ্ণৱ কবি গোৱিন্দ মিশ্ৰই গীতাত এযাৰি কথা কৈছে—

"অগনিত কেঁচা কাষ্ঠ দহি হোৱে ছাই।
পাপীজনো তৰি যায় সাধুৰ সঙ্গ পাই।।

সাধুসঙ্গত পাপীলোক তৰি যায় সঁচা, কিন্তু পাপীৰ সঙ্গত সাধুৰো ভৰি পিচল খাব পাৰে যদিহে তেওঁ সৰ্বগুণসম্পন্ন জিতেন্দ্ৰিয় পুৰুষ হৈ উঠিব নোৱাৰে। সেয়েহে জ্ঞানৰ সাধনাৰ বেলিকা অতীৱ প্ৰয়োজন হৈ পৰে সংযমৰ। সংযম অবিহনে বিদ্যাৰ সাধনাত সিদ্ধি লাভ পৰ্বতত কাছৰ কণী তুল্য। মনটোৱে হ'ল সকলো সাধনাৰ পথত প্ৰধান অন্তৰায়। ইয়াক সংযত কৰি ৰাখিব নোৱাৰিলে সাধনাত সিদ্ধি লাভ অসম্ভৱ। দৃঢ়চেতাজনে এই মন তুৰঙ্গৰ পিঠিত আৰোহণ কৰি সংযমৰ লেকাম টানি তাক পৰিচালিত কৰে। আনহাতে তৰলচিতীয়াজনে সেই লেকাম এৰি দি মন তৰঙ্গৰ দ্বাৰা পৰিচালিত হয়, ফলত জীৱন যাত্ৰাত হৈ পৰে দিগ্‌ভ্ৰান্ত। মাখিয়ে ঘাঁ বিচাৰি ভাল পোৱাৰ দৰে দুৰ্জয়জনে কু-কৰ্মত প্ৰবৃত্ত হৈ ভাল পায়। আনহাতে মধুকৰে পুষ্পে পুষ্পে ভ্ৰমি মধুৰস পান কৰিহে তৃপ্তি পায়। সাধুপুৰুষ মধুকৰ তুল্য, বেয়াটো পৰিহাৰ কৰি ভালটোহে গ্ৰহণ কৰে।

"যিটো মহাজন হোৱে ভ্ৰমৰৰ গুণ লৱে
সবাৰো গ্ৰহণ কৰে সাৰ।
যেনমধুকৰচয় পুষ্পত উৰিয়া ফুৰি
মধুপান কৰে বাৰম্বাৰ।

— ভাগৱত, ৪ৰ্থ স্কন্ধ

পৰিসমাপ্তিত ক'ব পাৰি যে চৰিত্ৰই হ'ল মানুহৰ উৎকৃষ্ট অলঙ্কাৰ— "শীলং পৰং ভূষণম্" আৰু বিদ্যা হ'ল চৰিত্ৰ গঠনৰ মূল আহিলা। এই কথা হৃদয়ঙ্গম কৰি বিদ্যা সাগৰত সাঁতোৰ মেলা সকলেহে জ্ঞানৰ মণি-মুকুতা বুটলিবলৈ সক্ষম হৈ পৰে, অন্যথা জীৱন হৈ পৰে বৃথা।■■

# ৰাভাৰ দৃষ্টিত মহাপুৰুষ শঙ্কৰদেৱ

জীৱকান্ত নাথ, মৰিগাঁও

*"হাতীয়ে নিজৰ বল শক্তি উমান নোপোৱাৰ দৰে, হনুমানে নিজৰ বংশ-গৌৰৱৰ কথা নজনাৰ দৰেই আজি অসমীয়া জাতিয়ে নিজৰ অতীত গৌৰৱৰ কথা পাহৰি গৈছে। শঙ্কৰদেৱ-মাধৱদেৱৰ, লাচিত-মূলাগাভৰু, কৃষ্ণকান্ত-বাণীকান্তৰ আদৰ্শ গ্ৰহণ নকৰি আজি আমি বিপথে পৰিচালিত হৈছোঁহঁক। শঙ্কৰদেৱৰ কথা কৈছো, বিষ্ণু-জ্যোতি আদৰ্শৰ কথা কৈছো— কিন্তু তেনে কথাৰ লগত সঙ্গতি ৰাখি কাম কৰিব পৰা নাই। ঐক্য-সংহতিৰ কথা বক্তৃতাৰ ফুলজাৰিতেই আৱদ্ধ হৈ আছে।"*

এগৰাকী শিল্পীৰ জীৱনৰ প্ৰধান লক্ষ্য হ'ল আনন্দ লাভ। সেই আনন্দ পাৰ্থিৱ জীৱনৰ প্ৰেমৰ সীমা চেৰাই গৈ এক অনাবিল অসীম অপাৰ্থিৱ প্ৰেমৰ জগতত বিচৰণ কৰে। অপাৰ্থিৱ জগতখনো প্ৰকৃত শিল্পীগৰাকীৰ বাবে কেৱল কল্পলোকৰ জগতেই নহয়, বাস্তৱ জগতখনক ভিত্তি কৰিহে তেওঁলোকে কল্পনাৰ ৰাজ্যত আনন্দৰ অনুসন্ধান কৰে। বাস্তৱতা তেওঁলোকৰ বাবে মূল গা-গছ আৰু ইয়াৰ বিপৰীতে কল্পনা হ'ল ডাল পাত, ফল-ফুল আদি। বাস্তৱ জগতৰ সৈতে কল্পনা জগতখনৰ সুসমন্বয় সাধন কৰি অন্তৰাত্মাত মহানন্দ লাভ কৰাৰ বাবেই কবি কিট্‌ছে ক'ব পাৰিছিল— 'Every beautiful face reminds me the beauty of God.' মহাপুৰুষ শঙ্কৰদেৱে ক'ব পাৰিছিল— 'কুকুৰ শৃগালৰো আত্মা ৰাম', কবি ইউলিয়াম ব্লেকে কৈছিল— 'To see a World/ in a grain of sand/ and a Heaven/ in a wild flower.' বিষ্ণু ৰাভাই কৈছিল— 'বিশ্বৰ ছন্দে ছন্দে মহানন্দে আনন্দে.....' ইত্যাদি। সেয়েহে এনে অৰ্থতেই ৰাসক্ৰীড়াত জীৱাত্মাৰ প্ৰতীক গোপীসকলে পৰমাত্মাৰ প্ৰতীক কৃষ্ণৰ লগত পাৰ্থিৱ প্ৰেমৰ কেলি কৰি অপাৰ্থিৱ প্ৰেমৰ সন্ধান পাইছিল। ৰহস্যবাদী কবি নলিনীবালাইও 'মানুহৰ দুচকুৰ/ অসীম সৌন্দৰ্য তৃষ্ণা/ সুখ আশা হেঁপাহ বুকুৰ/ নহয় ই মৰতৰ/ ক্ষন্তেকীয়া জীৱনৰ/ সুখ-আশা পৰম পদৰ/ ৰূপ তৃষ্ণ চিৰ সুন্দৰৰ।।" বুলি কৈ মন ৰাজ্যত আত্মা-পৰমাত্মাৰ মিলন ঘটাই এক মহানন্দ লাভ কৰিছিল। এনেদৰে দেখা যায় যে শিল্পীসকলে পাৰ্থিৱ প্ৰেমৰ মাজেদি অপাৰ্থিৱ জগতৰ এক মায়াজাল তৰি পৰম সুখ লাভ কৰে আৰু জগতবাসীকো তাৰ ভাগ দি ভাল পায়।

বিষ্ণু ৰাভা আছিল এপাহ বোকাৰ পদুম। মাটিৰ মানুহ হৈ বোকাতেই আছিল, কিন্তু বোকা গাত লাগিবলৈ দিয়া নাছিল। ত্যাগ আছিল তেওঁৰ জীৱনৰ প্ৰধান আদৰ্শ। ত্যাগৰ পিছে পিছে ভোগো আপোনা-আপুনি আহিছিল তেওঁৰ জীৱনলৈ। ত্যাগ আৰু ভোগ— এই দুয়োটাৰ সুসমন্বয়ৰ মাজতেই ৰাভাৰ জীৱনৰ মহত্ত্ব প্ৰকাশ পাইছে। জ্ঞানৰ আধাৰ স্বৰূপ

উপনিষদসমূহত ত্যাগ আৰু ভোগৰ সমন্বয়ৰ কথাকেই সোঁৱৰাই দিছে। ঈশোপনিষদৰ প্ৰথম মন্ত্ৰটিয়েই হৈছে— ‘তেন ত্যক্তেন ভুঞ্জীথাঃ মা গৃধঃ কস্যচিদ্ধনম’ অৰ্থাৎ ভোগ কৰিবা কিন্তু ত্যাগ কৰিহে ভোগ কৰিবা। ভোগ নকৰাকৈ দাড়ি-চুলি ৰাখি বৈৰাগ্য হৈ জীৱন অতিবাহিত কৰাজন সমাজৰ বাবে আদৰ্শ হ’ব নোৱাৰে। কৰ্মই ধৰ্ম— এই কথা সাৰোগত কৰিহে আদৰ্শৱানজনে জীৱন পাত কৰে। সেয়েহে ভগৱান কৃষ্ণই মহাভাৰতৰ যুদ্ধত সখা অৰ্জুনক যুদ্ধ কৰাটোৱেই জীৱনৰ প্ৰধান ধৰ্ম বুলি গ্ৰহণ কৰিবলৈ উপদেশ দিছে। বিষ্ণু ৰাভাইও এনে কৰ্মযোগকেই শিল্পী জীৱনৰ পথৰ পাথেয় কৰি লৈছিল।

মহাপুৰুষ শঙ্কৰদেৱো বিষ্ণু ৰাভাৰ দৰেই এজন কৰ্মযোগী। ত্যাগ আৰু ভোগৰ সমন্বয়ত জীৱন পথ অতিক্ৰম কৰিছিল মহাপুৰুষজনাই। গুণীৰ মোল গুণীয়ে বুজাৰ বাবেই ৰাভাৰ অন্তৰাত্মাই চিনি পাইছিল মহাপুৰুষ শঙ্কৰদেৱক। মহাপুৰুষ শঙ্কৰদেৱক ৰাভাই কি দৃষ্টিৰে চাইছিলি সেই কথা ৰাভাৰ নিজৰ কথাৰেই এনে ধৰণৰ— “শঙ্কৰদেৱৰ যুগতে হ’ল অসমীয়া শিল্পৰ চৰম বিকাশ। এই পৃথিৱীত যিসকল মহাপুৰুষে জন্ম গ্ৰহণ কৰিছিল তাৰ ভিতৰত তিনিজন মহাপুৰুষ আছিল কৃষ্টিৰ আকৰ। এজন হৈছে স্বয়ং শ্ৰীকৃষ্ণ। ‘কৃষ্ণ’ ধাতু লগ্ন কৃষ্টিৰ আকৰ কাৰণে তেওঁক কৃষ্ণ বুলিছিল। তেওঁ কি নাজানিছিল— গীত, বাদ্য, নৃত্য, ৰাজনীতি, ধনুৰ্বিদ্যা ইত্যাদি। তেওঁ আছিল সৰ্বগুণনিধি। আৰু এজন আছিল ইটালীৰ লিওনাৰ্ডো দ্যা ভিন্সি, তেওঁ একেলগে বৈজ্ঞানিক, চিত্ৰকৰ আৰু ৰাজনীতিজ্ঞ পুৰুষ আছিল। আৰু এজন আছিল আমাৰ এই অসমৰে মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ, যাক আজিও অসমে গুৰু বুলি পূজা কৰি থাকে। সঁচাকৈয়ে আজি শঙ্কৰদেৱৰ যিকোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়াৰ মৃত্যু হ’ব। শঙ্কৰদেৱ নাথাকিলে অসমীয়াৰ একোৱেই নাথাকে। এনে যি শঙ্কৰদেৱ তাৰাই কিনো নাজানিছিল, কিনো নিদিছিল আৰু কিনো নিলিখিছিল। অসমীয়াক তাৰাই সকলো দি গৈছিল। অসমীয়াৰ গীত, বাদ্য, নৃত্য, সুৰ-সপ্তাৰ, সাহিত্য, ভাওনা, নাম-কীৰ্তন, ঘোষা, বৰগীত, অঙ্ক, নাট, নামঘৰ, খোল, মৃদঙ্গ, তাল, ভাঁজঘৰ, দ’লযাত্ৰা, হাটী, ধন-পুঁজি (Bank) সমাজ, ধৰ্ম, বিচাৰ, নীতি, আইন, নৈতিক আন্দোলন অহিংসা, ত্যাগ-ভোগ, বৈৰাগ্য সমাধি সকলো শঙ্কৰদেৱেহে অসমীয়াক দি গৈছিল। কেৱল অসমীয়াইহে সেইবিলাক ভালকৈ আয়ত্ত কৰি ল’ব পৰা নাই।” (অসমীয়া কৃষ্টিৰ চমু আভাস)। বিষ্ণু ৰাভাৰ উপৰিউক্ত কথাখিনিত শঙ্কৰদেৱ সম্পৰ্কীয় দুটা প্ৰধান কথা ক’বলৈ গৈছে। এফালেদি ভগৱান শ্ৰীকৃষ্ণৰ লগত আমাৰ মহাপুৰুষজনাক একেশাৰীতে বহুৱাইছে, আনফালেদি অসমীয়া সংস্কৃতিৰ প্ৰধান মুৰব্বীৰূপে শঙ্কৰদেৱক স্থান দিছে। শঙ্কৰদেৱ-

“শঙ্কৰদেৱৰ যুগতে হ’ল অসমীয়া শিল্পৰ চৰম বিকাশ। এই পৃথিৱীত যিসকল মহাপুৰুষে জন্ম গ্ৰহণ কৰিছিল তাৰ ভিতৰত তিনিজন মহাপুৰুষ আছিল কৃষ্টিৰ আকৰ। এজন হৈছে স্বয়ং শ্ৰীকৃষ্ণ। ‘কৃষ্ণ’ ধাতু লগ্ন কৃষ্টিৰ আকৰ কাৰণে তেওঁক কৃষ্ণ বুলিছিল। তেওঁ কি নাজানিছিল— গীত, বাদ্য, নৃত্য, ৰাজনীতি, ধনুৰ্বিদ্যা ইত্যাদি। তেওঁ আছিল সৰ্বগুণনিধি।”

সংস্কৃতিৰ অবিহনে যে অসমীয়া জাতীয় জীৱনৰ কোনো চিন-মোকাম নাথাকিব, সেইকথা ৰাভাদেৱে হাড়ে-হিমজুৱে গভীৰভাৱে উপলব্ধি কৰিছিল। অসমীয়া সমাজে শঙ্কৰদেৱক নজনাৰ বাবে বা জানিও তাৰাৰ আদৰ্শ গ্ৰহণ নকৰি ‘কপট নিদ্ৰা’ মাৰি থকাৰ বাবে ৰাভাই আক্ষেপ কৰি গৈছে। অৱশ্যে এইখিনিতে শঙ্কৰদেৱ সম্পৰ্কীয় অন্য এটি প্ৰসঙ্গ টানি অনাটোও অপ্ৰাসঙ্গিক নহ’ব। স্মৰণীয় যে ৰাভাদেৱৰ পূৰ্বেই শঙ্কৰদেৱৰ ঈশ্বৰত্ব আৰু মহাপ্ৰতিভাৰ পৰিচয় পাইছিল বৰাৰ পো মাধৱদেৱে। মাধৱদেৱে শঙ্কৰদেৱক ‘জয় গুৰু শঙ্কৰ সৰ্বগুণাকৰ, যাকেৰি নাহিকে উপাম।’ বুলি ‘সৰ্বগুণাকৰ’জনক—

“ত্ৰিভুৱন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংস।
জগজন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ।।”

— বুলি জগতক জাননী দি গৈছে।

বিষ্ণু ৰাভায়ে ‘চিখল ৰাজ্য’ নামৰ এটি তত্ত্বগধুৰ প্ৰবন্ধত এষাৰ বৰ সাৰুৱা কথা কৈ গৈছে। কথাষাৰি হ’ল— “যি জাতিয়ে নিজৰ বিভূতি, নিজৰ অতুল ঐশ্বৰ্য পাহৰি যায়, সেই জাতিয়ে সেই বিভূতিৰ ধ্বংসাৱেশষ আৰু সেই অতুল ঐশ্বৰ্যৰ ভগ্নাৱশেষ দেখি হাঁহিবই। সেই হাঁহিত এটা জাতিৰ কোনো গৌৰৱ প্ৰকাশিত নহয়, বৰং সেই হাঁহিত এটা জাতিৰ অধঃপতনৰ চিনাকিহে পোৱা যায়।” শঙ্কৰদেৱৰ সম্পৰ্কত কৰি যোৱা আক্ষেপৰ প্ৰতিধ্বনি এই কথাষাৰিতো অনুৰণিত হৈছে। হাতীয়ে নিজৰ বল শক্তি উমান নোপোৱাৰ দৰে, হনুমানে নিজৰ বংশ-গৌৰৱৰ কথা নজনাৰ দৰেই আজি অসমীয়া জাতিয়ে নিজৰ অতীত গৌৰৱৰ কথা পাহৰি গৈছে। শঙ্কৰদেৱ-মাধৱদেৱৰ, লাচিত-মূলাগাভৰু, কৃষ্ণকান্ত-বাণীকান্তৰ আদৰ্শ গ্ৰহণ নকৰি আজি আমি বিপথে পৰিচালিত হৈছোঁহঁক। শঙ্কৰদেৱৰ কথা কৈছো, বিষ্ণু-জ্যোতি আদৰ্শৰ কথা কৈছো— কিন্তু তেনে কথাৰ লগত সঙ্গতি ৰাখি কাম কৰিব পৰা নাই। ঐক্য-সংহতিৰ কথা বক্তৃতাৰ ফুলজাৰিতেই আৱদ্ধ হৈ আছে।

অসমীয়া যুৱক-যুৱতীক শঙ্কৰদেৱৰ আদৰ্শেৰে আগুৱাই যাবলৈ ৰাভাই তেওঁৰ গীতত আহ্বান জনাইছে। অসমীয়া ‘ডেকাদল’ৰ মলিন বদন দেখি ৰাভাৰ অন্তৰাত্মাই কষ্ট পাইছে ‘এই অসম হওক অসীম বীৰ্য’ বুলি ডেকাদলক অনুপ্ৰাণিত কৰিছে—

“অ’ অসমীয়া ডেকাদল
আজি তো তেজাল বদন
মলিন কিয় হ’ল?
দুৰ্গম নদ-পাহাৰে গিৰি
লঙিঘছিলে ডেকাগিৰি
সুন্দৰ শঙ্কৰে লৰি
কৰিছিলে তল,
দেখুৱাইছিল জগত জুৰি
অসীম বাহুৰ বল।
কীৰ্ত্তন-দশম, নাম-ঘোষা হওক আমাৰ শৌৰ্য
নাট-নাম-ঘোষা বৰগীত হওক ৰণৰ তুৰ্য্য
আজি তেওঁৰ এই অসমৰ হওক অসীম বীৰ্য,
অসমীয়া অসমীয়া।
আগবাঢ়ি যাওঁ বল।”

ৰাভাই ৰচনা কৰি যোৱা ‘শঙ্কৰদেৱ’ নামেৰে দুখনি নাট্য; ‘ভ্ৰাম্যমান জীৱন, বৰগীত আৰু শ্ৰীশঙ্কৰদেৱৰ বৰগীত’ আৰু ‘ডেকাগিৰিৰ দান’ নামৰ দুটি তত্ত্বগধুৰ প্ৰবন্ধ, ‘প্ৰসঙ্গ শঙ্কৰদেৱ’ আৰু ‘শঙ্কৰদেৱ’ নামকৰণেৰে দুখনি চমু জীৱন স্মৃতিত শঙ্কৰদেৱক অসমীয়া জাতীয় জীৱনৰ একমাত্ৰ গুৰু আৰু জগতস্বামীৰ আসনত বহুৱাই থৈ গৈছে। ৰাভাৰ সাংস্কৃতিৰ জীৱনৰো গুৰু আছিল শঙ্কৰদেৱ। শঙ্কৰদেৱৰ জীৱনৰ আদৰ্শ আগত ৰাখিয়েই বিষ্ণু ৰাভাইও শিল্পী জীৱনৰ পথ অতিকম কৰিছিল।■■

# মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত বৈপ্লৱিক চিন্তা

**গোবিন্দ মেধি, নলবাৰী**

অসমৰ জাতীয় জীৱনত ২০১১ চনটো হৈছে শোকগাঁথা বৰ্ষ। এই বৰ্ষতে দুগৰাকী মহানব্যক্তিৰ বিয়োগৰ দুখ সহিবলগীয়া হৈছিল জাতিটোৱে। সমগ্র অসমবাসীক কন্দুৱাই চিৰদিনৰ বাবে আঁতৰি গৈছিল· দুটিকৈ অসম আকাশৰ উজ্জ্বল নক্ষত্ৰ আৰু সেয়া হৈছে নৱেম্বৰ মাহৰ প্ৰথমভাগত মানৱদৰদী, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱ আৰু শেষভাগত মানৱতাবাদী, জ্ঞানপীঠ বঁটা বিজয়িনী ড° মামণি ৰয়ছম গোস্বামী। দুয়োগৰাকী ব্যক্তিয়ে নিজৰ নিজৰ ক্ষেত্ৰত অমূল্য অৱদানেৰে অসমীয়া জনজীৱন চহকী কৰি থৈ গ'ল আৰু ভৱিষ্যতৰ বাবে আদৰ্শ হৈ ৰ'ল। মানৱতাবাদ দুয়োগৰাকী ব্যক্তিৰ মূল বিষয় - ড° ভূপেন হাজৰিকাৰ সুৰৰ মূৰ্চ্ছনাত যেনেকৈ ধ্বনিত হৈছে 'মানুহৰ গান' ঠিক তেনেকৈয়ে ড° মামণি ৰয়ছম গোস্বামীৰ শব্দজালতো ধ্বনিত হৈছে একেটি সুৰ যেন ঐক্যতান। সেয়েহে মামণি বাইদেউ আন্তৰ্জাতিক লুইতৰ পৰা গংগাৰে ভটিয়াই বিশ্বত খলকনি তোলা, এগৰাকী বিশ্ব-সাহিত্যিক। মামণি ৰয়ছম গোস্বামী নিজেই এগৰাকী প্ৰতিবাদৰ ভাষা, শৈশৱৰে পৰা আমৃত্যু পৰ্যন্ত সমাজৰ প্ৰচলিত পৰম্পৰা, ৰীতি-নীতিৰ বিৰুদ্ধে থিয় দিয়া বিপ্লৱী সত্তা। আন্তৰ্জাতিক খ্যাতিসম্পনা লেখিকা গৰাকীৰ লিখনিত কল্পনাৰ ৰহণ কম আৰু বাস্তৱতাৰ গোন্ধ বেছি। প্ৰতিটো কাহিনীয়ে একোটা মূৰ্ত ব্যঞ্জনা। আৰ-বেৰ নথকা সামাজিক প্ৰতিচ্ছবি। আমৰণ্ডাৰ পৰা বৃন্দাবন হৈ চেনাবলৈ যিবোৰ ঠাই সেই ঠাইসমূহৰ মানুহৰ আশা-আকাঙ্খা, আবেগ-অনুভূতি তথা প্ৰচলিত বিধি-ব্যৱস্থাৰ বিৰুদ্ধে থকা ক্ষোভ আৰু লেখিকাৰ লিখনিৰ কলা-কৌশল আটায়ে মিলি সৃষ্টি হৈছে এক সাৰ্থক সাহিত্যৰ; পাঠকৰ অন্তৰাত্মাত ধুমুহাৰ সৃষ্টি কৰিব পৰা এক অমৰ সাহিত্য।

মামণি ৰয়ছম গোস্বামীৰ জন্ম হৈছিল গুৱাহাটীত ১৯৪২ চনত। চিলং আৰু গুৱাহাটীত প্ৰাৰম্ভিক শিক্ষালোৱা লেখিকা গৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৭২ চনত তেখেতে একেখন বিশ্ব বিদ্যালয়ৰ পৰাই পি, এইচ. ডি. ডিগ্ৰী লাভ কৰে। বিভিন্ন সন্মানেৰে জীৱন উপচি পৰা লেখিকাগৰাকীয়ে ভাৰতীয় সাহিত্যৰ শ্ৰেষ্ঠতম বঁটা জ্ঞানপীঠ বঁটাও লাভ কৰে, কিন্তু সন্মানীয় পদ্মশ্ৰী বঁটা প্ৰত্যাখান কৰে। বিভিন্ন সন্মানেৰে বিভূষিতা নাৰী গৰাকীৰ জীৱন কিন্তু বিভিন্ন ঘাট-প্ৰতিঘাটেৰে পৰিপূৰ্ণ। আটাইতকৈ উল্লেখযোগ্য বেদনাদায়ক ঘটনাটো হ'ল তেওঁৰ স্বামী মাধৱেন ৰয়ছম আয়েঙ্গাৰৰ ১৯৬৭ চনত হোৱা অকাল বিয়োগ। নৈৰাশ্যত ভোগা লেখিকা গৰাকীৰ সাহিত্য চৰ্চাই হ'লগৈ একমাত্ৰ জীয়াই থকাৰ শক্তি। "I have to fight my own case, নিজৰ কাৰণে মই সদায় অকলেই যুঁজিব লগা হৈছে।" (সাক্ষাৎকাৰ, গৰিয়সীৰ পৰা) বুলি আক্ষেপ কৰা ব্যক্তিগৰাকীয়ে সদায় সমাজ-সচেতনতাৰ বাবে যুঁজি গ'ল; পয়ালগা পৰম্পৰা, কু-সংস্কাৰৰ বিৰুদ্ধে জেহাদ গোষণা কৰি থৈ গ'ল। উনসত্তৰ বছৰ জীয়াই থাকি ভাষা-সাহিত্যৰ যোগেদি অসমক, অসমীয়া ভাষাক বিশ্বসভালৈ লৈ গ'ল।

বাস্তৱতাৰ ভেটিত উপন্যাসৰ কাহিনীবোৰ বৰ্ণনা কৰা হেতুকে কাহিনীৰ প্ৰতিটো চৰিত্ৰই আছিল বাস্তৱ। গতিকে কাহিনী বা চৰিত্ৰই সমাজৰ ভাল-বেয়া প্ৰতিটো দিশতে আলোকপাত কৰিছে। বিশেষকৈ নাৰী চৰিত্ৰসমূহত তেওঁলোকে সমাজৰ দ্বাৰা কেনেদৰে লাঞ্চিত হৈছিল, গঞ্জনা-ব্যঞ্জনা সহ্য কৰিব লগীয়া হৈছিল, তাৰ সুন্দৰ বৰ্ণনা আছে। লগতে সামাজিক প্ৰাচীৰ ভগাৰ আকুলতাইও এইবোৰ চৰিত্ৰক মহীয়ান কৰি তুলিছে। শৈলেন ভৰালীৰ ভাষাত — "অন্ধ পৰম্পৰাক সাৱটি থাকি মানসিক যন্ত্ৰণাৰে এচাম লোকক তিলতিলকৈ মৃত্যু মুখলৈ ঠেলি দিয়া সমাজখনক লেখিকাই বিচাৰৰ কাঠগৰাত থিয় কৰাইছে। (গৰিয়সী, পঞ্চম সংখ্যা, উনবিংশ বছৰ)

এই ক্ষেত্ৰত উত্তম দৃষ্টান্ত হ'ল দঁতাল হাতীৰ

উঁয়ে খোৱা হাওদা নামৰ উপন্যাস খন। মুখ্যতঃ ইয়াত তিনিগৰাকী বিধৱাৰ বৈধব্য যন্ত্ৰণাৰ বৰ্ণনা আছে। সৰুগোসানী, দুৰ্গা আৰু গিৰিবালা তিনিটা ভিন্ ভিন্ চৰিত্ৰ। দুৰ্গা নামৰ চৰিত্ৰটোই লেটা পলুৰ দৰে বাহ সাজি পৰম্পৰাৰ দাসী হৈয়ে জীৱনটো কটায়। আকৌ পৰিৱৰ্ত্তনৰ সপোন দেখা সৰুগোসানীৰ হালধীয়া ফুলৰ সপোন কাঁইটেৰে সমাপ্ত হয়। ডোপালপিটা বৰযুণত ঘৰৰ বাহিৰ হৈও নিজৰ জীৱনৰ আশা-আকাঙ্খাক বাস্তৱত ৰূপায়ণ কৰিব নোৱাৰিলে; মুঁক-বধিৰ, প্ৰতিবাদৰ ভাষা নাই। কিন্তু সৰু গোসানীয়ে আৰম্ভ কৰা পৰিৱৰ্ত্তনৰ ঢৌৰে আহি গিৰিবালক খুন্দিয়ায় আৰু ই প্ৰতিবাদৰ ৰূপ লয়। সামন্তযুগীয়া সত্ৰৰ কঠোৰ নীতি-নিয়মৰ মাজত থাকি অতিষ্ঠ হৈ পৰা গিৰিবালাই কথাবোৰ নকৈ চিন্তা কৰিবলৈ লয়। সেয়ে 'হবিষীয়া ভাত'ৰ সোৱাদে আমুৱা গিৰিবালাই সত্ৰৰ নীতি-বহিৰ্ভূত এক লংকা কাণ্ড কৰি পেলালে। লেখিকাই বৰ্ণনা কৰে এইদৰে — "বিধৱা হোৱাৰ পিচত সুদীৰ্ঘ কাল তাই 'হবিষীয়া' ভাত খাইছিল। সাদ-সোৱাদ নোহোৱা সিদ্ধ শাক-পাচলিবোৰ খাই খাই তাই একপ্ৰকাৰ ওকলিয়াব আৰম্ভ কৰিছিল।

কেনে সুন্দৰ সোৱাদ !

আৰু এগৰাহ।

..................

গিৰিবালাই এক অভূত চিন্তাৰ জগতত ঘূৰিবলৈ ধৰিলে। কিন্তু লগে লগে এগৰাহ-দুগৰাহকৈ মাটি মাহৰ দালি আৰু মাংস মুখলৈ নিবলৈ ধৰিলে। দেশ-কাল-পাত্ৰ সকলো পাহৰিলে গিৰিবালাই। প্ৰথমবাৰৰ বাবে অধিকাৰ মহাপ্ৰভূৰ জীয়েকে এনে এক ভয়ঙ্কৰ ব্যভিচাৰ কৰি দেখুৱালে।"

আৰু নিয়মমাফিক প্ৰায়চিত্ত। যৌৱনৰ প্ৰাৰম্ভণিতেই বৈধব্যক সাৰটি লোৱা এইগৰাকী নাৰীৰ সাৰথি আছিল। চৰিত্ৰহীন স্বামীৰ স্মৃতি। কোনেও তাইক মানৱীয়তাৰ দৃষ্টিৰে চোৱা নাছিল। সেয়েহে তাই শৃঙ্খল ভঙাৰ সপোন দেখে। তাত উদ্‌গনি জগাই মাৰ্ক নামৰ ইংৰাজ চাহাব জনৰ উপস্থিতিয়ে। মাৰ্কৰ স'তে তাই জীৱনটোক নকৈ চাব বিচাৰিছিল। মাৰ্কৰ আপত্তি স্বত্বেও তাই পিছ হুহুকা নাছিল। ডোপালপিটা বৰযুণক নেওঁচিও তাই মাৰ্কৰ সান্নিধ্য বিচাৰি, পৰিৱৰ্ত্তনক হাত বাউল দি মাতিছিল। কিন্তু ৰক্ষণশীল সমাজৰ অচেতনতাৰ বাবে তাই পুনৰবাৰ মুখামুখি হ'ল তথাকথিত প্ৰায়চিত্ত নামৰ সমাজ ধুই নিকা কৰা আহিলাটোৰ। তাই কিন্তু দৃঢ় প্ৰতিজ্ঞ হ'ল — স্বামীৰ ভেটি মানে 'জীয়াই জীয়াই গাঁৰাত সুমব নৰু' বুলি কোৱা জগলীয়া নদীৰ পাৰৰ 'সৰগৰ অপ্‌সৰা হান' গিৰিবালাই মন স্থিৰ কৰি পেলালে। তাই জুঁইত আত্মজাহ গৈ প্ৰচলিত সমাজ-ব্যৱস্থাক ভেঙুচালি কৰি প্ৰতিবাদ সাব্যস্ত কৰিলে।

ঠিক সেইদৰে অইন এখন উপন্যাস 'নীলকণ্ঠী ব্ৰজ'তো বৰ্ণিত হৈছে নায়িকা সৌদামিনীৰ অকাল বৈধব্যৰ যন্ত্ৰণা। কৌটি-কলীয়া ৰীতি-নীতিয়ে তাইকো মেৰপেচ দি ধৰে। তাইয়ো বিদ্ৰোহী হৈ উঠে আৰু খ্ৰীষ্টান যুৱক এজনৰ লগত জীৱন কটাব বিচাৰে। 'জৈৱিক স্পৃহা'ৰ তৰংগৰাশিকো মাৰ নিয়াবলৈ প্ৰেমিকৰ ওচৰত ধৰা দিবলৈও সংকোচ নকৰে। মন অশান্ত হৈ পৰে, সমাজৰ প্ৰচলিত নিয়মৰ উৰ্দ্ধত যাব নোৱাৰে, শান্তি বিচাৰি ব্ৰজধামলৈ গুচি আহে। কিন্তু পৱিত্ৰ তীৰ্থস্থানত সংঘটিত ভণ্ডামি, বিধৱাৰ ওপৰত চলা শোষণ -উৎপীড়ন, বিশেষকৈ তেওঁলোকৰ দুৰ্দশাই তাইক বেছিকৈহে অশান্ত কৰি তোলে। সেয়েহে তাইও স্থিতাৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদকল্পে আত্মহত্যাৰ পথেই বাচি লয়। লেখিকাই ইয়াতো ব্ৰজধামত চলি থকা কু-সংস্কাৰবোৰ ভালধৰণে অংকিত কৰিছে।

ইয়াৰ উপৰিও তেওঁৰ প্ৰথম উপন্যাস 'চেনাবৰ সোঁত' পিছত লিখা 'অহিৰণ' আৰু 'মামৰে ধৰা তৰোৱাল', এইকেইখন হ'ল বনুৱাৰ জীৱন ভিত্তিক। উপন্যাসৰ চৰিত্ৰৰ দ্বাৰা ইয়াৰ মূল্যায়ণ কিদৰে কৰা যায় নাজানো কিন্তু সমাজ বিজ্ঞানৰ ফালৰ পৰা মূল্য যথেষ্ট আছে বুলি ধাৰণা হয়। চেনাব, অহিৰণ বা ৰায়বেৰেলীৰ সাই নদীৰ নিৰ্মাণ স্থলীত স্বামীৰ সৈতে একেলগে থাকোতে তেওঁৰ প্ৰত্যক্ষ হৈছিল বনুৱাৰ জীৱনৰ সৈতে। বনুৱাবোৰে কেনেদৰে নিৰ্যাতিত হৈছিল, অনাহাৰে অনিদ্ৰাই থাকিও তেওঁলোকৰ জীয়াই থকাৰ হাবিয়াস আদি ওচৰৰ পৰা লক্ষ্য কৰি লেখিকাই

সুন্দৰকৈ বৰ্ণনা কৰিছিল। 'মামৰে ধৰা তৰোৱাল'ৰ পৰা উদাহৰণ এটি দাঙি ধৰা হ'ল—

"কিছুদূৰ গৈ যশোৱন্তই আৰু এটি মাৰাত্মক দৃশ্য দেখা পালে। মুন্সীগঞ্জৰ কছাইৰ দোকানৰ পৰা ছাগলীৰ ভুঁৰু, ছাল কিছুমান আনি ছুইপাৰৰ ল'ৰা-ছোৱালী এজাকে সাইৰ বুকুত দবৰা-দবৰি লগাই দিছে। যোৱা কিছুদিন ধৰি সাইৰ বুকুত বাহ লোৱা শগুণজাক আৰু সিহঁতৰ মাজত এই মুহূৰ্ত্তত আৰু যেন কোনো পাৰ্থক্য নাই।

পেটৰ ক্ষুধাৰ এক মাৰাত্মক ৰূপ এতিয়া সাইৰ বালিৰ অ'ত-ত'ত একেবাৰেই উলংগ হৈ পৰিছে।" স্বামীৰ স'তে একুৱেডাক্ট নিৰ্মাণ স্থলীত থাকি লেখিকাই অভিজ্ঞতা সঞ্চয় কৰিছিল কিদৰে মালিক গোষ্ঠীয়ে বনুৱা শ্ৰেণীক শোষণ কৰে, স্থানীয় নেতাই নিজ স্বাৰ্থত কিদৰে সিহঁতক প্ৰতাৰণা কৰে নাইবা সিহঁতক পৰস্পৰে বিভাজন কেনেকৈ কৰে। বাস্তৱ অভিজ্ঞতাৰে মানৱীয় দৃষ্টিভংগী এই উপন্যাসবোৰত প্ৰকাশ হৈছে আৰু লেখিকাৰ সহৃদয়তাও প্ৰকাশ পাইছে। সেয়েহে যশোৱন্তৰ হাতত প্ৰতিবাদকল্পে মামৰে নধৰা তৰোৱাল দেখা গৈছে আৰু সি বহুতো প্ৰশ্নৰ সমাধান বিচাৰিছে।

অকল মানুহে নহয়, মানৰ প্ৰেমে নহয় তেওঁৰ অন্তৰ পশুধনৰ বাবেও কান্দি উঠা পৰিলক্ষিত হয়। 'পশুবলি দিয়া' প্ৰথাৰ তেওঁ সম্পূৰ্ণ বিপৰীত মেৰুত অৱস্থান কৰিছিল। আৰু তুমুল বিতৰ্কৰ সৃষ্টি কৰা 'ছিন্নমস্তাৰ মানুহটো' নামৰ উপন্যাসখনত তেওঁ ইয়াকে ডাঙি ধৰিছে। উপন্যাসখনত উল্লেখ আছে এনেদৰে - "ছিন্নমস্তাৰ সন্যাসীৰ বাবে বাট চাই থকা ভক্তসকলে একেলগে ক'লে ঃ 'তেজ পৰিত্যাগ কৰা, ফুলেৰে দেৱীক পূজা কৰা। ফুলৰ মাহাত্ম্য বেছি। তেজ পৰিত্যাগ কৰা.......। ফুলৰ পাহিত মনুষ্য হৃদয় লুকাই থাকে। মানুহৰ অদৃশ্য আত্মাক ফুলেই সুবাসিত কৰি ৰাখে.... তেজ পৰিত্যাগ কৰা। ফুলেৰে দেৱীৰ পূজা কৰা....।"

ইয়াতে যুদ্ধ হৈছে দুটা মতাদৰ্শৰ ৰক্ষণশীলৰ বিৰুদ্ধে প্ৰগতিবাদী; সংস্কাৰযুক্তৰ বিৰুদ্ধে সংস্কাৰমুক্তৰ। "পশুবলি নিষেধকৰণৰ দৰে এটা স্পৰ্শকাতৰ ধৰ্মীয় বিষয়ৰ উত্থাপন কৰোতে লেখিকা গৰাকীয়ে নিৰ্ভৰ কৰিছে যুক্তি, সুচিন্তা আৰু শাস্ত্ৰসন্মতিৰ ওপৰত। তেওঁৰ দৃষ্টিভংগীত ক'তো উগ্ৰতা প্ৰকাশ পোৱা নাই, কাৰো অনুভূতিত আঘাট হনা নাই।" (ড° প্ৰফুল্ল কটকী, প্ৰসংগ কথা, ছিন্নমস্তাৰ মানুহটো)

মামণি ৰয়ছম গোস্বামীৰ উপন্যাস মানেই মানুহৰ প্ৰেম-ভালপোৱা, দুখ-বেদনা, পোৱা নোপোৱাৰ কলাত্মক ৰূপ। লেখিকাৰ ব্যক্তিগত জীৱনৰ দ্বন্দবোৰ বিভিন্ন চৰিত্ৰৰ মাজেৰে যেন মূৰ্ত্তমান হৈ উঠিছে উপন্যাসবোৰত। নিজেই যেনেকৈ সাহসী আৰু স্পষ্টবাদী বা প্ৰতিবাদী আছিল তেনেকৈ উপন্যাসৰ চৰিত্ৰবোৰো। তেখেতৰ কাহিনীত মানৱতাৰ জয়গান গোৱা হৈছে আৰু নিজেই কৈ গৈছে যে লেখক মানৱতাবাদী হোৱা উচিত। মানৱীয় ধ্যান-ধাৰণাৰে পৰিপুষ্ট কাৰণে তেখেতৰ কাহিনীৰ লগত প্ৰতিজন পাঠকে একাত্ম বোধ কৰে লাগিলে তেওঁ গাঁৱৰে হওঁক বা নগৰৰে হওঁক। দেশৰ হ'কে, জাতিৰ হ'কে নতুন চিন্তা কৰিবলৈ আজিৰ ডেকা চামক লেখিকাই পথৰ সন্ধান দিছে। মানৱতাবোধ, দেশপ্ৰেম ইত্যাদি তেওঁৰ প্ৰতিটো লিখনিতে সুস্পষ্ট। সাতামপুৰুষীয়া ৰীতি-নীতিৰ বিৰুদ্ধে, কু-সংস্কাৰৰ বিৰুদ্ধে এক আন্দোলন গঢ়িবলৈ হ'লে মামণি ৰয়ছম গোস্বামীৰ লেখনি সমূহ অন্য এক বৃহৎ সমল। সদ্য প্ৰয়াত লেখিকা গৰাকীৰ সাহিত্য সৃষ্টি ৰাজিক যদি সামাজিক দৃষ্টিকোণৰ পৰা মূল্যায়ণ কৰা হয় আজিৰ সমাজ যথেষ্ট লাভবান হ'ব। লেখিকাৰ শ্ৰমো সাৰ্থক হ'ব; বিদেহী আত্মাই শান্তি লভিব এই বুলি যে — "মই যি পৰীক্ষা-নীৰিক্ষা কচ্ছিলো...... সেই পৰীক্ষা সফল হছি।" (দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা)■■

**প্ৰসঙ্গ পুথি ঃ**

১। মামণি ৰয়ছম গোস্বামীৰ ৰচনা সমগ্ৰ ঃ হেমন্ত কুমাৰ ভৰালী (সম্পা.), বনলতা, গুৱাহাটী - ১

২। গৰিয়সী ঃ ঊনবিংশ বছৰ, পঞ্চম সংখ্যা, সাহিত্য প্ৰকাশ, গুৱাহাটী - ৩

# ড° ভূপেন হাজৰিকাৰ দৃষ্টিত শ্ৰীমন্ত শঙ্কৰদেৱ

**প্ৰদীপ কুমাৰ শইকীয়া**, মৰিগাঁও

বিশ্বৰ ভিতৰত ভাৰতবৰ্ষৰ নাম অতি সমুজ্জ্বল। ভাৰতবৰ্ষ আধ্যাত্মিক দেশৰূপে সৰ্বজন স্বীকৃত। ভাৰত ভূমিত মহামহা পুণ্যৱান ঋষি, মুনি, তপস্বী অনেক সাধকৰ জন্ম হৈছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তাৰাৰ প্ৰিয়শিষ্য মহাপুৰুষ মাধৱদেৱে ভাৰতবৰ্ষৰ প্ৰশংসা অনেক শাস্ত্ৰত অনেকবাৰ উল্লেখ কৰিছে। কীৰ্ত্তন-ঘোষাত এনেদৰে কৈছে—

"কোটি কোটি জন্ম
অন্তৰে যাহাৰ
আছো মহাপুণ্য ৰাশি।
সি সি কদাচিৎ মনুষ্য হোৱয়
ভাৰত ভূমিত আসি।।

— অজামিল উপাখ্যান, ২১৪

মহাপুৰুষ মাধৱদেৱে বৰগীতত উদাত্ত কণ্ঠে এনেকৈ কৈছে—

"ধন্য ধন্য কলিকাল ধন্য নৰতনুভাল
ধন্য ধন্য ভাৰত বৰিষে।
তপ জপ যজ্ঞ তেজি তোমাৰ চৰণে ভজি
তুৱা নাম ঘোষিও হৰিষে।।"

এইখন ভাৰতভূমিতেই অৱতাৰী ভগৱানে অৱতাৰ গ্ৰহণ কৰি 'পৰিত্ৰানায় সাধুনাং বিনাশায়চ দুষ্কৃতাম' নীতিৰে ধৰ্মসংস্থাপন কৰি মানৱ জীৱনক ধন্য কৰিছে। ত্ৰেতাযুগত অৱতাৰ হোৱা ভগৱান ৰামেও জন্মভূমি ভাৰতৰ মহিমা প্ৰকাশ কৰিছে— 'জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী' পৱিত্ৰ ভাৰতবৰ্ষত কলিকালত জন্মগ্ৰহণ কৰি মনুষ্য জীৱন সাৰ্থক কৰিবলৈ দেৱতাসকলেও বাঞ্ছা কৰি থকা কথা মাধৱ মহাপুৰুষে নাম-ঘোষাত প্ৰকাশিছে—

"ভাৰত-বৰিষ ধন্য কলিযুগ
হৰি হৰি হৰি হৰি এ
হৰি হৰি হৰি ব্ৰহ্মাৰ প্ৰাৰ্থনী
নৰতনু অনুপাম।

ভাৰতবৰ্ষৰ পূৱপ্ৰান্তত অৱস্থিত অসমভূমিও যথেষ্ট প্ৰশংসনীয় আৰু সৌভাগ্যশালী। তাহানি কালৰে পৰা চিৰবিনন্দীয়া চিৰসেউজ গুণৰ সমষ্টিৰে পৰিপূৰ্ণ সূৰ্য উঠা অসমমাতৃয়ে অনেকজন স্বনামধন্য চিৰপূজ্য, চিৰবন্দিত মহানপুৰুষৰ জন্ম দি অসমক ভাৰতবৰ্ষৰ বুকুত প্ৰজ্জ্বোলিত কৰি ৰাখিছে।

অসমৰ জাতীয় সংগীতত বেজবৰুৱাই কোৱাৰ দৰে 'পৃথিৱীৰ ক'তো বিচাৰি জনমটো নোপোৱা কৰিলেও পাত' ভূপেন হাজৰিকাই কোৱাৰ দৰে 'অসম আমাৰ ৰূপহী গুণৰো নাই শেষ'। অসমৰ ৰসাল মাটিৰ, গুণৰ লেখদি শেষ কৰিব নোৱাৰা ভূমিত সৰ্বকালৰ সৰ্বযুগৰ সৰ্বশ্ৰেষ্ঠ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, তাৰাৰ পূৰ্বৰ মাদৱ কন্দলি, তাৰাৰ প্ৰিয়তম গুৰুভক্ত মাধৱদেৱ, লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, ফণী শৰ্মা, বিষ্ণুপ্ৰসাদ ৰাভা আদিকে প্ৰমুখ্যে কৰি সৌ সিদিনা ৫ নৱেম্বৰ, ২০১১ তাৰিখে সমগ্ৰ দেশকে শোক সাগৰত অৱগাহন কৰাই এক অজান্তি মুলুকলৈ মহাপ্ৰস্থান কৰা সৰ্বাৰো চিৰপৰিচিত হৃদয়ৰ আত্মাস্বৰূপ, নয়নমণি সদৃশ, সংগীতেৰে জগত জিনিবলৈ সক্ষণ হোৱা ড° ভূপেন হাজৰিকাই জন্ম গ্ৰহণ কৰি অসমৰ মান-মৰ্যদা বিশ্বৰ বুকুত স্মৰণীয় কৰি সমন্বয়ৰ সেতু বান্ধিলে।

ঈশ্বৰ প্ৰদত্ত এক অনন্য উদাত্ত কণ্ঠেৰে ভূবন ভুলোৱা, মিচিকিয়া হাঁহি আৰু মিঠা মিঠা লগা মৌবৰষা কোমল মাতেৰে হাজাৰ হাজাৰ শ্ৰোতাৰ মন জয় কৰা ভূপেনদাৰ গাত বিশেষভাৱে কেইবাটাও মহান গুণে মহীয়ান কৰি ৰাখিছিল।

এইক্ষেত্ৰত চাৰ্চিলে দি যোৱা ডাঙৰ মানুহৰ সংজ্ঞা ভূপেনদাৰ ক্ষেত্ৰত প্ৰযোজ্য। চাৰ্চিলে কৈছে যে ডাঙৰ মানুহৰ লক্ষণ দুটা— "হয় প্ৰথম দৰ্শনতেই তেওঁ মানুহক গভীৰভাৱে Impress কৰিব পাৰিব লাগিব, অৰ্থাৎ মানুহৰ মনত গভীৰ ৰেখাপাত কৰিব পাৰিব লাগিব অথবা তেওঁ কৰি যোৱা কামবোৰে এখন সমাজৰ ইতিহাসত বহুত দিনলৈকে সুদূৰ প্ৰসাৰী প্ৰতিক্ৰিয়া সৃষ্টি কৰিব পাৰিব লাগিব।" ভূপেনদাৰ গাত এই দুয়োটা লক্ষণেই পূৰ্ণাঙ্গ ৰূপে দেখা যায়। সেয়েহে বহু গুণসম্পন্না অসমীয়া জাতিৰ হিয়াৰ আমঠুজনৰ মহাপ্ৰয়াণত লাখ লাখ জনতাৰ শোকৰ বন্যা বৈ গৈছিল। ইহলীলা সম্বৰণত এনে নানন্দিক, নয়নাভিৰাম দৃশ্য জীৱনকালত দেখা এয়ে প্ৰথম। এনে মৃত্যু অপৰাজেয়, অতুলনীয় আৰু অদ্বিতীয়।

এতিয়া আমাৰ আলোচ্য বিষয়লৈ আহিব বিচাৰিছোঁ। অসমীয়া গীতৰ ইতিহাস যথেষ্ট দীঘলীয়া। মহাপুৰুষ শঙ্কৰদেৱে অসমৰ 'শিল্প'ৰ পথাৰখন চিকুনাই সেউজ বুলীয়া কৰিবলৈ প্ৰথমে সংকল্প ল'লে। সুকুমাৰ কলাৰ দ্বাৰা ভাষা সাহিত্য প্ৰাণ প্ৰতিষ্ঠা কৰিলে। শঙ্কৰদেৱৰ নায়কত্বত অসম জিলিকি উঠিল। এনে কাৰ্যত সোণত সুৱগা চৰাবলৈ সহায় কৰিলে বৰাপো মাধৱে। মাধৱদেৱৰ কণ্ঠত গীতে আৰু এঢাপ আগুৱাই যাবলৈ সক্ষণ হ'ল। অসমত চামে চামে নতুন নতুন শিল্পী সেনানীৰ জন্ম হ'ল। নতুনৰ ভিতৰত গীতৰ সাম্ৰাজ্যত জয় ধ্বজা লৈ আগুৱাই আহিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। তেওঁ সাধনা মন্দিৰত কায়-বাক্য-মনে প্ৰণিপাত জনালে মহাশিল্পী শ্ৰীমন্ত শঙ্কৰদেৱক। জ্যোতিৰ সপোনক বাস্তৱ ৰূপ দিবলৈ আকুল চিত্তে আগবাঢ়ি আহিল বিষ্ণুপ্ৰসাদ ৰাভা। তেওঁ দ্বিধাহীভাৱে শ্ৰীমন্ত শঙ্কৰদেৱক গুৰু মানি বন্দনা কৰিলে। লোক সম্ৰাট, ৰাজাধিৰাজ বিশ্ববৰেণ্য সংগীত শিল্পী ভূপেনদাই এঘাৰ বছৰ বয়সতে সৰ্বগুণাকৰ শঙ্কৰদেৱক কাপেৰে তুলি ধৰিলে। ভূপেন হাজৰিকাই মাত্ৰ এঘাৰ বছৰ বয়সত বিশ্ব-বিশ্ৰুত শিল্পী, সুধাকণ্ঠ হোৱাৰ ইংগিত দিছিল শঙ্কৰদেৱক গুৰু বুলি সম্বোধন কৰি প্ৰশস্তিমূলক গীতেৰে—

"কুসুম্বৰ পুত্ৰ শ্ৰীশঙ্কৰ গুৰুৱে ধৰিছিল নামৰে তান,  
নামৰে সুৰতে আনন্দত নাচিছিল পৱিত্ৰ বৰদোৱা থান  
মোৰ গুৰু ঐ, পৱিত্ৰ বৰদোৱা থান।  
..............................................  
অসমৰ আকাশত দুখৰ ৰোল উঠিছে  
আজি শ্ৰীশঙ্কৰ নাই  
মোৰ গুৰু ঐ আজি শ্ৰীশঙ্কৰ নাই

— *ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ*

এয়া ভূপেনদাৰ কাপৰ পৰা নিগৰি ওলোৱা তেখেতৰ জীৱনৰ প্ৰথম গীত আৰু এয়া ভূপেনদাৰ দৰ্শন। শ্ৰীমন্ত শঙ্কৰ গুৰু অবিহনে অসমীয়া জাতি জীয়াই থাকিব নোৱাৰে সেই কথা শিশু অৱস্থাতেই অনুভৱ কৰিব পাৰিছিল। গুৰুজনাৰ আশা আৰু আদৰ্শক জীৱন্ত কৰি তুলিবলৈ লাগিব বহু প্ৰতিভাশালী শিল্পী সাহিত্যিক। সেই প্ৰতিভাধৰ শিল্পী খনিকৰসকলৰ মাজত ভূপেন হাজৰিকাও অন্যতম। এই গীতটোৰ বিষয়ে ড° ভূপেন হাজৰিকাও অন্যতম। এই গীতটোৰ বিষয়ে ড° ভূপেন হাজৰিকাই পিছত মন্তব্য দিছে এনেদৰে— "তাত লিখিছোঁ শঙ্কৰদেৱৰ উদাৰতা, তেওঁৰ ঐক্য সাধিনী শক্তিৰ কথা। ই 'ক্লাছ ছিক্স'তেই ভাৱিছো যে অসমখনক তেৱেঁই এক কৰিছিল। এওঁৰ আদৰ্শ মানিব লাগিব। তেওঁৰ মহানতা দেখি মই নিশ্চয় স্তম্ভিত। যিকোনো সৃষ্টিৰ অন্তৰালত যিদৰে প্ৰেৰণাময়ী নাৰী থাকে ঠিক সেইদৰে প্ৰতিটো মহান সৃষ্টিৰ অন্তৰালত কোনোবাজনৰ মহৎ দৃষ্টিভঙ্গী নিহিত হৈ থাকে। মই শঙ্কৰদেৱ আৰু মাধৱদেৱক ভাল পাইছিলো। কাৰণ তেওঁ নিজে গীত গাব পাৰিছিল আৰু বেছি ভালকৈ হেনো। (ৰঞ্জিত কুমাৰ ভট্টাচাৰ্য, অসমীয়া খবৰ, ৭ ছেপ্তেম্বৰ, ২০১১)

ড° ভূপেন হাজৰিকা প্ৰকৃতাৰ্থত মানৱতাবাদী কবি গীতিকাৰ। সাম্যবাদ বিশ্বাসী ভূপেনদাই সমাজৰ

শোষণকাৰীহঁতক বিনাশ কৰিবলৈ বন্দুক বা পাৰমানৱিক অস্ত্ৰৰ প্ৰয়োজনবোধ কৰা নাই। নৰকংকালৰ অস্ত্ৰৰহে বিচাৰিছে। বৈপ্লৱিক অৰ্থত নৰকংকালৰ অস্ত্ৰ, শোষণকাৰীহঁতলৈ এক চৰম ঘৃণা আৰু অপমান। মহাপুৰষজনাৰ বাণী আৰু আদৰ্শত ভূপেন হাজৰিকা বিশেষভাৱে আকৰ্ষিত। মহাপুৰুষজনাই প্ৰচাৰ কৰা 'একশৰণ হৰিনাম ধৰ্ম'ত জাতি-অজাতি, উচ্চ-নীচ, ভেদা-ভেদ নাই। ঈশ্বৰৰ ওচৰত সকলো সমান। তাৰ শ্ৰেষ্ঠ নিদৰ্শন ভাগৱতৰ দ্বিতীয় স্কন্ধত এনেদৰে পোৱা যায়—

"কিৰাট কছাৰী খাছী গাৰো মিৰি
যৱন কংক গোৱাল।
অসম মলুক ধোৱা যে তুৰুক
কুবাছ ম্লেচ্ছ চণ্ডাল।।
আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।"

ঐক্য, সম্প্ৰীতি গঢ়াৰ বাবে শঙ্কৰদেৱৰ এনে মহানবাণী আজিও প্ৰাসঙ্গিক। শঙ্কৰদেৱৰ মহান বাণীৰ প্ৰতি শ্ৰদ্ধা জনাই এখন সুন্দৰ অসম আৰু ভাৰত গঢ়াৰ মানসেৰে জীৱনৰ বিয়লি বেলালৈ সংগীত চৰ্চা কৰা ভূপেনদাই লিখিছিল আৰু গাইছিল এইদৰে—

"অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম।
সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম
নতুন ভাৰত গঢ়িম।।
..................................
হৰিজন পাহাৰী হিন্দু মুছলিমৰ
বড়ো কোঁচ চুতীয়া কছাৰী আহোমৰ
অন্তৰ ভেদি মৌ বোৱাম
ভেদাভেদৰ প্ৰাচীৰ ভাঙি
সাম্যৰ সৰগ ৰচিম
নতুন ভাৰত গঢ়িম।।

মহাপুৰষ শঙ্কৰদেৱে অত্যাচাৰী, শোষণকাৰী, নিধনকাৰীহঁতক সাৱধান কৰি দিবলৈ বৰগীতত 'ৰাম' নামৰ অস্ত্ৰ প্ৰয়োগ কৰাতো মন কৰিবলগীয়া। গুৰুজনাৰ কালজয়ী অফুৰন্ত শক্তিৰ বাহকস্বৰূপ বৰগীত হ'ল—

"শুন শুন ৰে সুৰ বৈৰী প্ৰমাণা
নিশাচৰ নাশনিদানা।
ৰাম নাম যম সমৰক সাজি
সমদলে কয়লি পয়ানা।।"

যাযাবৰী ভূপেন হাজৰিকাই উক্ত বৰগীতটোৰ প্ৰতি আকৃষ্ট হৈ গীতত কণ্ঠদান কৰাৰ উপৰি উক্ত গীতটিৰ আলমত তথা অনুপ্ৰেৰণাত তেখেতে লিখিছিল—

"আহ্ আহ্ ওলাই আহ্ সজাগ জনতা
আহ্ আহ্ ওলাই আহ্ পোহৰ আনোতা
ৰামৰে দেশতে থাকা ৰাৱণ বধোতে
যায় যদি যায় জীৱনটো যাক।।"

বিশ্ব শিল্পী শঙ্কৰদেৱৰ দেশৰ শিল্পী ড° ভূপেন হাজৰিকাই প্ৰাণোদীপ্ত ভাষাৰে গাইছে যে ৰাক্ষসৰ মাজত, কালসৰ্পৰ মাজত আমাৰো শ্ৰীশঙ্কৰ আছে। ভাগৱতৰ দশম স্কন্ধত ভকতিৰ শক্তি আৰু নামৰ মহিমা যি অপূৰ্ব প্ৰকাশ গুৰুজনে কৰিছে, তাৰেই এক প্ৰতিধ্বনি আধুনিকৰ গীতেৰে ভূপেনদাই ক'ব পাৰিছে এই বুলি— 'ভকতিৰো শকতি আছে।' এনে প্ৰয়াস ভক্তিমাৰ্গৰ প্ৰতিও সশ্ৰদ্ধ প্ৰণাম। অসমীয়া জাতি বুলিলে নানা জাতি-উপজাতি মিলিত হোৱা কথা আমি সকলোৱে জানো। এনে সংমিশ্ৰণত গঢ়ি উঠা অসমীয়া মহাজাতিৰ সৰ্বতোকালৰ সমন্বয়ৰ মহত্তম পুৰুষ হ'ল শঙ্কৰদেৱ। তাৰাই নগা, গাৰো, যৱন, ব্ৰাহ্মণ, কৈৱৰ্ত আদিৰ লোকক শিষ্যত্ব দি গণতান্ত্ৰিক পৰম্পৰা আৰু মানৱীয় মূল্যবোধৰ সৌধ নিৰ্মাণ কৰি যোৱা দিশটোৰ প্ৰতিও হাজৰিকাদেৱে সন্মান প্ৰদৰ্শন কৰিছে। মাধৱ মহাপুৰুষে গুৰু ভটিমাত 'শঙ্কৰ তাকেৰি অংশ অৰ্থাৎ কৃষ্ণ বা বিষ্ণু অংশ বুলি বৰ্ণনা কৰি মহা আনন্দ লাভ কৰাৰ দৰে

ভূপেন মামাইও "তোমাৰ ৰূপে গুণে সম নাহি ত্ৰৈলোকৰ ভিতৰে" বুলি শঙ্কৰদেৱক ভূয়সী প্ৰশংসা কৰিছে।

"পাৰ ভাঙি দিলে শ্ৰীমন্ত শঙ্কৰে
বহে ব্ৰহ্মাণ্ডক ভেদি
তৃষ্ণাতুৰ মানৱে ফুৰিছে বিচাৰি
শান্তি অমৃতৰে নদী।
..........................
স্পৃশ্য অস্পৃশ্যৰ ভেদাভেদ
নেমানি
সুন্দৰ সেনানী গঢ়ি
দুষ্কৃতি নাশিলে শ্ৰীমন্ত শঙ্কৰে
...................................
মোৰ গুৰু ঐ
ব্ৰাহ্মণৰ কন্দলি ৰাম সৰস্বতী
মুছলমানৰ চান্দসাঁই
ভোটৰে দামোদৰ বণিয়াৰ হৰিদাস
কছাৰীৰ আছিল ৰমাই
মোৰ গুৰু ঐ
কছাৰী আছিল ৰমাই।

গোষ্ঠী, সম্প্ৰদায়ে আৰু ভাতৃঘাতী সংঘৰ্ষত জৰ্জৰিত অসমৰ বুকুত শঙ্কৰদেৱৰ বাণী আৰু আদৰ্শই শান্তিৰ নিজৰা বোৱাব বুলি আশাবাদী হাজৰিকাই উপৰিউক্ত গীত লিখি, গাই সমাজৰ সমন্বয় কামনা কৰিছিল।

বিখ্যাত দাৰ্শনিক বেনথামমিল, ক্যেট, চণ্ডীদাস আদিলোকসকল মানৱতাবাদৰ গুৰি ধৰোতা। অসমত মানৱতাবাদৰ গুৰি ধৰিছিল বা বাটকটীয়া আছিল শ্ৰীমন্ত শঙ্কৰদেৱ। শঙ্কৰদেৱৰ দৰ্শন হ'ল—

"ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি সমতুল।।
...........................................
কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।"
— ভাগৱত

মানৱতাবাদী চণ্ডীদাসৰ মতে 'সবাৰ উপৰে মানুষ সত্য তাহা উপৰে নাই।" আধুনিক কালৰ সাহিত্যিক চন্দ্ৰ কুমাৰ আগৰৱালাই মানুহক দেৱতা জ্ঞান কৰিবলৈ এইদৰে কৈছে—

"মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ,
কৰা কৰা পূজা পাদ্য অৰ্ঘ্যলৈ
জয় জয় মানৱ দেৱ।" — মানৱ বন্দনা

মানৱ জীৱন লাভ কৰাটো মহাপুণ্যৰ ফল বুলি শঙ্কৰ-মাধৱে কৰা ধাৰণাটো আৰু চন্দ্ৰ কুমাৰে মানুহকে দেৱতা হিচাপে পূজিবলৈ কৰা আহ্বানটো শিৰত তুলি যশস্বী গায়ক গীতিকাৰ ড° ভূপেন হাজৰিকায়ো মানুহ, মানুহক ভালপোৱাৰ ৰূপৰ কুমাৰ বুলি সুৰ ধ্বনি সৃষ্টি কৰিছে। মানুহৰ ৰূপলৈ দানৱৰ সেৱা কৰা মানুহক দানৱীয় পথ পৰিহাৰ কৰিবলৈ গীতৰ মাজেৰে আহ্বান জনাইছে এনেদৰে—

"মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাৱে
অকণি সহানুভূতিৰে ভাৱিব কোননো কোৱা?
সমনীয়া....

শঙ্কৰদেৱৰ জোঁৱায়েকক কটাৰ পিছত কোনো শাৰীৰিক সংঘাতলৈ নগৈ তেওঁ তেজস্বী বৈপ্লৱিক গীতেৰে নিধনকাৰীহঁতক সাৱধান কৰি দিছিল। 'শুন শুনৰে সুৰ বৈৰী প্ৰমাণা' যোগেদি জ্যোতিপ্ৰসাদে স্বাধীনতা যুঁজত তেওঁৰ এটা দেশপ্ৰেমমূলক গানত শঙ্কৰদেৱৰ উক্ত গীতৰ সুৰটো ব্যৱহাৰ কৰিছিল। প্ৰতিশ্ৰুতিসম্পন্ন সংগীত শিল্পী ভূপেন হাজৰিকাই গুৰুজনাৰ বৈপ্লৱিক গীত সুৰ তেওঁৰ গানত প্ৰয়োগ কৰা দেখা যায়। 'নৱ কংকাল অস্ত্ৰ সাজি শোষণকাৰীক বধিম।' 'বিক্ষুব্ধ বিশ্ব কণ্ঠই অহোৰাত্ৰি চিঞৰে'। মুক্তিকামী লক্ষজনৰ মৌন প্ৰকাশ শুনিছানে নাই? ইত্যাদি গানত বিদ্ৰোহৰ ছিটিকনিৰ উমান পোৱা যায়।

সংকটৰ সময়ত ভূপেনদাই গুৰুজনাৰ আদৰ্শৰে আপ্লুত হৈ গীত ৰচনা কৰিছিল এনেদৰে—

"শঙ্কৰে যুঁজিলে সুৰৰে বৈৰী
নিশাচৰ যতমানে পলাল লৰৰি।
আজি জীৱনৰ নাটক দৃশ্য দেখুওৱা
আজি ৰণৰ অগনিক সুৰেৰে নুমুৱা।
নহ'লে সিহঁতৰ তীক্ষ্ণ নখেৰে
শিশুৰ কলিজা খাব ফালি।"

সংকট মোচন কৰি সমন্বয়ৰ ভেটি গঢ়িবলৈ তেওঁ শঙ্কৰদেৱ, আজান ফকীৰ আৰু একেবাৰে আধুনিক কালৰ দুগৰাকী চিৰনমস্য শিল্পী জ্যোতি আৰু বিষ্ণুৰ মাজেৰে সুৰসিক্ত হোৱাটো কামনা কৰি গীতত প্ৰকাশিছে।

"শঙ্কৰ
আজান
জ্যোতি বিষ্ণুৰ সপোন দিঠক কৰা।"

গুৰুজনাৰ অমূল্য সৃষ্টিৰাজিৰ চৰ্চাৰ অভাৱ দেখি আধুনিক সময়ৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া স্বভাৱ সুলভ ভগৱৎ প্ৰদত্ত শিল্পীজনাই লিখিছে—

"শঙ্কৰ মাধৱৰে ভাওনাৰ
শুদা আখৰা থলী
ডবা নাই নামঘৰৰো
চাকি নুঠে জ্বলি।"

তীক্ষ্ণ মেধাসম্পন্ন জনদৰদী শিল্পী ড° ভূপেন হাজৰিকাই লক্ষ্মীনাথ বেজবৰুৱা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ দুটি গীতত সুৰ দি যুগজয়ী কৰিছিল গুৰুজনাক। বেজবৰুৱাৰ গীতটি আছিল—

"প্ৰেম প্ৰেম বুলি জগতে ঘূৰিলো
ঘৰতে আছিলে প্ৰেম
ধন ধন কৰি ঢাপলি মেলিলো
হিয়াতেই পৰম ধন
..........................
(মোক) গুৰু লাগে মই শিক্ষিত শিষ্য
জগতত জাননী দিলোঁ
জগতৰ গুৰু শঙ্কৰ ঘৰতেই
অন্ধলাই নেদেখিলো।"

আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতটি আছিল—

"গুৰু মোৰ শঙ্কৰ
তৰিবৰে কিনো উপায়
বালিতে বান্ধিলা পঁজা হে ৰাম ৰাম
বালিতে বান্ধিলা পঁজা...।"

চিৰনমস্য অসমীয়া সাহিত্যিক ভূপেনদাই গুৰুজনাৰ মানৱতাবাদী দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল আৰু মহাপুৰুষৰ জীৱনৰ উদাৰ ভাৱধাৰাৰ প্ৰতি আকৃষ্ট হোৱাৰ বাবেই হয়তো তেখেতৰ গীতত একেই মহানুভৱতা আৰু সাগৰ সদৃশ উদাৰতাৰ কথা বিদ্যমান। লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভাই যিদৰে শঙ্কৰদেৱ-মাধৱদেৱৰ সাহিত্যৰাজি অধ্যয়ন কৰি বিস্ময় মানিছিল তেনেদৰে সন্মোহিনী শক্তিৰে মহীয়ান জাতিৰ মহানায়ক ড° ভূপেন হাজৰিকাকো মহাপুৰুষ দুজনাৰ সৃষ্টিৰাজিয়ে বিমুগ্ধ কৰিছিল, সেয়ে তেখেতে লিখিছিল—

"শঙ্কৰ মাধৱৰ মহা মহা সৃষ্টিৰে
উজ্জ্বল লুইতৰে পাৰ।
কতজন শলাগিলে অসমীয়া লিখনি
পদ্মগোহাঁঞি বৰুৱাৰ।"

মহাপুৰুষ আৰু জ্যেষ্ঠজনক বন্দনা কৰি, শ্ৰদ্ধাজনাই অসমৰ 'মাষ্টাৰ মদন' ড° ভূপেন হাজৰিকা নিজেও বিশ্ববন্দিত হ'ল।■■

সহায়ক গ্ৰন্থ ঃ
১. দত্ত দিলীপ ঃ ভূপেন হাজৰিকাৰ গীত আৰু জীৱনৰথ
২. কুমাৰ থানেশ্বৰ ঃ ড° ভূপেন হাজৰিকাৰ গীত আৰু কিছু প্ৰাসঙ্গিক কথা।
৩. বৰা লক্ষ্মীনন্দন (সম্পা.) ঃ গৰীয়সী (ডিচেম্বৰ সংখ্যা, ২০১১)
৪. অনেক বিজ্ঞলোকৰ প্ৰবন্ধ।

# কাৰিকৰী শিক্ষাৰ প্ৰশস্ত প্ৰৱেশ পথ (চিকিৎসা আৰু আভিযান্ত্ৰিক)

# ৰাজস্থানৰ কোটা চহৰ

**ড° জগত চন্দ্ৰ কলিতা, বঙাইগাঁও**

কুৰি শতিকাৰ মাজভাগৰ পৰা বৰ্তমানলৈ মানৱ সভ্যতাৰ যিবোৰ বিশেষত্ব লক্ষ্য কৰিব পাৰি তাৰ ভিতৰত এটা প্ৰধান বিশেষত্ব হ'ল সাধাৰণ শিক্ষাৰ বিপৰীতে কাৰিকৰী শিক্ষাৰ প্ৰতি সচেনত লোকসকলৰ তীব্ৰ আকৰ্ষণ। এইটো যুগ যিহেতু গোলকীভূত যুগ, গতিকে এই বিশেষত্ব কোনো নিৰ্দিষ্ট দেশ বা মহাদেশৰ মাজত সীমাৰদ্ধ নহয়, ই এক বিশ্বজোৰা বিশেষত্ব। সপ্তদশ শতিকাত আৰম্ভ হোৱা বিজ্ঞানৰ বৈপ্লৱিক জয়যাত্ৰাই মানৱ জাতিক আজি পৰিপূৰ্ণভাৱে বিজ্ঞান নিৰ্ভৰশীল কৰি তুলিছে। শিক্ষাৰ পৰা চিকিৎসালৈ, কৃষিৰ পৰা বাণিজ্যলৈ আনকি খোৱা, শোৱা,গা-ধোৱাৰ পৰা কথা-বতৰা পতা, মৰম-চেনেহ আদান-প্ৰদান কৰালৈকে দৈনন্দিন জীৱনৰ প্ৰতিটো কামত, প্ৰতিটো মুহূৰ্তত আজিৰ মানুহ বিজ্ঞানে আগবঢ়োৱা অৱদানৰ ওপৰত নিৰ্ভৰশীল। যান-বাহনৰ প্ৰাচুৰ্য, দৃশ্য-শ্ৰব্য মনোৰঞ্জনৰ যন্ত্ৰসমূহৰ প্ৰাচুৰ্য, খাদ্য প্ৰস্তুতকাৰী যন্ত্ৰ-পাতিৰ প্ৰাচুৰ্য, চিকিৎসাত ব্যৱহৃত অত্যাধুনিক যন্ত্ৰ-পাতি আদিলৈ মন কৰিলেই বতৰ্মান প্ৰজন্মটোৰ টেক্‌ন'ল'জী নিৰ্ভৰশীলতা (technocracy)ৰ কথা সহজে উপলব্ধি কৰিব পাৰি। নেক্‌ন'ল'জী নিৰ্ভৰশীল এই মানৱ সমাজখনক গতিশীল কৰি ৰাখিবলৈ অৱশ্যম্ভাৱীৰূপে বৃহৎ সংখ্যক কাৰিকৰী শিক্ষাৰে শিক্ষিত মেধাৱী লোকৰ প্ৰয়োজন। অতি জটিল আৰু অতি সূক্ষ্ম বৈজ্ঞানিক যন্ত্ৰ-পাতিবোৰ চলাব পৰা বা সেইবোৰক অধিক উন্নত কৰিব পৰা প্ৰয়োজনীয় এনে বৃহৎসংখ্যক কাৰিকৰী লোক সৃষ্টি কৰিবৰ বাবে আধুনিক বিশ্বৰ প্ৰতিখন দেশতে অজস্ৰ কাৰিকৰী শিক্ষাৰ অনুষ্ঠান গঢ়ি উঠিছে যদিও চাহিদা অনুপাতে তেনে শিক্ষানুষ্ঠানৰ সংখ্যা এতিয়াও কম। এনে শিক্ষানুষ্ঠানৰ সংখ্যা কম হোৱাৰ মূল কাৰণটো হ'ল এনে শিক্ষানুষ্ঠানসমূহৰ বাবে যথেষ্ট পৰিমাণৰ খৰছী যন্ত্ৰ-পাতিৰ প্ৰয়োজন হয় বাবে গঢ়ি তোলাটো সহজ নহয়। আনহাতে এনে শিক্ষানুষ্ঠানৰ শিক্ষা বৃত্তিমুখী হোৱা বাবে আৰু এনে শিক্ষাৰে শিক্ষিতসকলৰ চাহিদা বিজ্ঞান নিৰ্ভৰশীল এই সমাজখনত অতি বেছি হোৱা বাবে পৰম্পৰাগত জ্ঞানমুখী শিক্ষানুষ্ঠানসমূহতকৈ কাৰিকৰী শিক্ষানুষ্ঠানসমূহ বহুত বেছি জনপ্ৰিয় হৈ পৰিছে। আজিৰ প্ৰজন্মৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ ৯৯ শতাংশৰে প্ৰথম পছন্দ কাৰিকৰী শিক্ষা। এনে প্ৰৱল চাহিদা আৰু জনপ্ৰিয়তা অৰ্জন কৰা কাৰিকৰী শিক্ষানুষ্ঠানসমূহত পঢ়িবৰ বাবে স্থান পোৱাটোও সেইবাবে অত্যন্ত কঠিন অত্যন্ত প্ৰতিযোগিতাপূৰ্ণ। এই শিক্ষানুষ্ঠানসমূহত যিমান ছাত্ৰ-ছাত্ৰীক এটা বছৰত নামভৰ্তি কৰাব পাৰি তাতকৈ বহুত বেছি গুণ প্ৰাৰ্থীয়ে আৱেদন কৰে। ফলত তেওঁলোকৰ মাজৰ পৰা নিৰ্দিষ্ট সংখ্যক প্ৰাৰ্থী বাছনি কৰিবলৈ বিশেষকৈ চৰকাৰী খণ্ডৰ কাৰিকৰী শিক্ষানুষ্ঠানসমূহৰ বাবে চৰকাৰে প্ৰৱেশিকা পৰীক্ষা (Entrance test) পাতিবলগীয়া হয়। ভাৰতবৰ্ষৰ কেন্দ্ৰীয় আৰু ৰাজিক চৰকাৰসমূহেও নিজৰ নিজৰ অধীনৰ কাৰিকৰী শিক্ষানুষ্ঠানসমূহত (বিশেষকৈ চিকিৎসা আৰু আভিযান্ত্ৰিক) নামভৰ্তি কৰিব বিচৰা প্ৰাৰ্থীসকলৰ বাবে প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰি আহিছে। এই প্ৰৱেশ পৰীক্ষাসমূহ দিনে দিনে ইমানেই

প্ৰতিদ্বন্দ্বিতাপূৰ্ণ হৈ আহিছে যে জ্ঞানমুখী সাধাৰণ শিক্ষানুষ্ঠানসমূহৰ পৰা ১০ + ২ পৰীক্ষাত স্থান লাভ কৰি উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীও তাত গৈ অকৃতকাৰ্য হয়। ফলস্বৰূপে ১০ + ২ পৰীক্ষাৰ বাবে অধ্যয়ন কৰাৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলে কাৰিকৰী শিক্ষানুষ্ঠানৰ প্ৰৱেশ পৰীক্ষাত অৱত্তীৰ্ণ হ'বৰ বাবে বেলেগকৈ সহায়ক পাঠ্যক্ৰমৰ শিক্ষা ল'বলগীয়া হৈছে। এই ছাত্ৰ-ছাত্ৰীসকলৰ চাহিদা পূৰণৰ বাবে সেয়ে ভাৰতবৰ্ষৰ দৰে দেশত গঢ়ি উঠিছে ভালেমান কোচিং চেণ্টাৰ বা Career Institute। বৰ্তমান ভাৰতৰ সৰু-বৰ সকলো চহৰতে এনে কোচিং চেণ্টাৰ গঢ়ি উঠিছে যদিও এইক্ষেত্ৰত বাটকটীয়া হ'ল ৰাজস্থানৰ কোটা চহৰ। ভাৰতৰ ব্যৱসায়-বাণিজ্যৰ কমপক্ষেও ৫০ শতাংশমান দখল কৰি থকা বংশ পৰম্পৰাক্ৰমে বাণিজ্যকে ব্যৱসায়ৰূপে লৈ অহা ৰাজস্থানৰ মাৰোৱাৰী সম্প্ৰদায়ে আধুনিক ভাৰতত অৱশ্যম্ভাৱীৰূপে আহি পৰা এই শিক্ষাৰ চাহিদাৰ উমান নিজৰ ব্যৱসায়িক দূৰদৃষ্টিৰে সৰ্বপ্ৰথমে পালে আৰু কিছু পৰিমাণে আওঁহতীয়া কোটা চহৰখনত গঢ়ি তুলিলে তেনেকুৱা কেইখনমান কেৰিয়াৰ ইন্টিটিউট। সেইকেইখনৰ ভিতৰত প্ৰথম আৰু এতিয়াও সৰ্বোৎকৃষ্ট বুলি স্বীকৃত হৈ থকাখন হ'ল ALLEN CAREER INSTITUTE। আজিৰ পৰা ২৫ বছৰ আগতে কেইগৰাকীমান শিক্ষিত ৰাজস্থানীলোকে গঢ়ি তুলিছিল আজি ভাৰতবৰ্ষৰ ভিতৰতে গুৰুত্বপূৰ্ণ হৈ পৰা এই অনুষ্ঠান। ইয়াৰ সাফল্য দেখি পৰৱৰ্তী সময়ত গঢ়ি উঠিল আৰু পাঁচখন তেনে অনুষ্ঠান— ১। বানচাল (Bansal), ২। কেৰিয়াৰ পইণ্ট (Career Point), ৩। ভাইব্ৰেণ্ট (Vibrant), ৪। মোচন (Motion) আৰু ৫। ৰেজনেনচ (Resonance)। এলেন, কেৰিয়াৰ পইণ্ট আৰু ৰেজনেনচ-ত চিকিৎসা আৰু আভিযান্ত্ৰিক দুয়োটা আৰু বাকীকেইখনত কেৱল আভিযান্ত্ৰিক প্ৰৱেশ পৰীক্ষাৰ প্ৰশিক্ষণ দিয়া হয়।

এই অনুষ্ঠানকেইখনত ৮ম শ্ৰেণীত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীৰ পৰা বিজ্ঞান শাখাত দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীলৈকে প্ৰশিক্ষণ দিয়া হয়। ৮মৰ পৰা দশম শ্ৰেণীত পঢ়ি থকা যিসকল শিক্ষাৰ্থীয়ে এই অনুষ্ঠানকেইখনত প্ৰশিক্ষম লয় তেওঁলোক সেই চহৰৰে বাসিন্দা। তেওঁলোকে নিজৰ শিক্ষানুষ্ঠানত শিক্ষাগ্ৰহণ কৰাৰ ওপৰঞ্চি এই অনুষ্ঠানকেইখনত কোচিং লয়। এই চামটোৰ সংখ্যাও বেছি নহয়। দশম শ্ৰেণী উত্তীৰ্ণ হৈ এই অনুষ্ঠানকেইখনত আটাইতকৈ বেছি ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰে আৰু এই চামটোৰ ৯৫ শতাংশমান ছাত্ৰ-ছাত্ৰীয়ে কোটা চহৰৰ বাহিৰৰ আৰু সেইখিনিৰো ৮০ শতাংশমান ৰাজস্থানৰ বাহিৰৰ। ভাৰতবৰ্ষৰ প্ৰায় সকলো প্ৰদেশৰ পৰা এই চামৰ ছাত্ৰ-ছাত্ৰী ইয়ালৈ আহে যদিও বিহাৰ, চত্তিশগড়, উত্তৰপ্ৰদেশ, উত্তৰাখণ্ড আদি প্ৰদেশৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আটাইতকৈ বেছি। নেপাল আদি দেশৰ দুই চাৰিজন বিদেশী ছাত্ৰ-ছাত্ৰীও ইয়ালৈ আহে। উল্লেখযোগ্য যে দশম শ্ৰেণী উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰা দুবছৰীয়া পাঠ্যক্ৰমক Nurture Course, একাদশ শ্ৰেণী উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰা এবছৰীয়া পাঠ্যক্ৰমক Enthusiast Course আৰু দ্বাদশ শ্ৰেণী উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰা এবছৰীয়া পাঠ্যক্ৰমক Leader Course) বুলি কোৱা হয়।

এই অনুষ্ঠানকেইখন গঢ়ি উঠিছে কোটা চহৰৰ ৰাজীৱগান্ধী নগৰ, মহাবীৰ নগৰ ১ম খণ্ড, ২য় খণ্ড, ৩য় খণ্ড, ইন্দ্ৰবিহাৰ, জৱাহৰ নগৰ, বিজ্ঞান নগৰ, শক্তি নগৰ, তালৱন্দি আদি অঞ্চলসমূহত। এই ছয়খন অনুষ্ঠানত বৰ্তমান শিক্ষাগ্ৰহণ কৰি আছে দুই লাখতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে। এই ছাত্ৰ-ছাত্ৰীসকল ১২ বছৰৰ পৰা ১৭ বছৰৰ ভিতৰৰ কিশোৰ-কিশোৰী এওঁলোকৰ আহ-বাহ, কথা-বতৰাৰে গুমগুমাই থকা কোটা চহৰখনক কিশোৰ নগৰী বুলি ক'ব পাৰি। এওঁলোকৰ মাজৰ বাহিৰৰ পৰা অহা বৃহৎ অংশটোৰ

থকা-খোৱাৰ ব্যৱস্থাকলৈয়ো গঢ়ি উঠিছে এক বৃহৎ ব্যৱসায়। এই ব্যৱস্থা দুই ধৰণৰ— থকা আৰু খোৱা দুয়োটাৰ ব্যৱস্থা থকা ব্যক্তিগত হোষ্টেল আৰু থকা আৰু খোৱাৰ বেলেগ বেলেগ ব্যৱস্থা থকা পেয়িং গেষ্ট (PG) ব্যৱস্থা। ৰাজীৱ গান্ধী নগৰ, মহাবীৰ নগৰ ১ম খণ্ড, ২য় খণ্ড, ৩য় খণ্ড, ইন্দ্ৰবিহাৰ, আলৱন্দি, শক্তিনগৰ— এই অঞ্চলকেইটাত বাহিৰৰ ছাত্ৰ-ছাত্ৰীসকলক ৰাখিবৰ বাবে গঢ়ি উঠিছে তিনি-চাৰি মহলীয়া এহেজাৰতকৈ অধিক ব্যক্তিগত ছাত্ৰাৱাস, ছাত্ৰীনিবাস। এইকেইটা অঞ্চলৰ বাহিৰেও ওচৰ-পাজৰৰ অন্য অঞ্চলবোৰত থকা ব্যক্তিগত ঘৰবোৰৰ এটা দুটাৰ পৰা পোন্ধৰ-বিশটালৈকে কোঠা ভাৰা দিয়ে প্ৰায় প্ৰতিঘৰ মানুহে। দুই এক গৃহস্থই থকাৰ লগতে খোৱাৰ ব্যৱস্থাও কৰে যদিও বেছিভাগৰে খোৱাৰ ব্যৱস্থা নাথাকে। ব্যক্তিগত ঘৰত থকা এই ছাত্ৰ-ছাত্ৰীসকলৰ খোৱাৰ ব্যৱস্থাৰ বাবে গঢ়ি উঠিছে হাজাৰোধিক টিফিন চেণ্টাৰ। অলিয়ে-গলিয়ে গঢ়ি উঠা এই টিফিন চেণ্টাৰবোৰত ছাত্ৰ-ছাত্ৰীয়ে নিজে আহিও আহাৰ গ্ৰহণ কৰিব পাৰে যদিও কোঠাতে খাব খুজিলে টিফিন চেণ্টাৰে টিফিন বক্সত ভৰাই কোঠাই কোঠাই যোগান ধৰে। এইবোৰৰ লগতে গঢ়ি উঠিছে কিতাপ, বহী, কলম, পেঞ্চিল আদি শিক্ষাৰ সামগ্ৰীৰ বজাৰ, কাপোৰ-কানি, জোতা-ছেণ্ডেল আদিৰ বজাৰ, ৰিক্সা-অট'ৰ ব্যৱসায়, ম'বাইল ফোনৰ ব্যৱসায়, কাপোৰ-ধোৱা ধুবীৰ ব্যৱসায় আদি অনেক প্ৰকাৰৰ ব্যৱসায় গঢ়ি উঠিছে এই শিক্ষানুষ্ঠানকেইখনক কেন্দ্ৰ কৰি।

প্ৰৱেশ পৰীক্ষাৰ প্ৰশিক্ষণ প্ৰদান কৰা এই শিক্ষানুষ্ঠানকেইখনত উচ্চতৰ মাধ্যমিকৰ পাঠ্যক্ৰমসমূহ শিকোৱা হয় যদিও এইবোৰত উচ্চতৰ মাধ্যমিক শ্ৰেণী নাই। অৰ্থাৎ এইকেইখন উচ্চতৰ মাধ্যমিক শিক্ষানুষ্ঠান হিচাপে স্বীকৃতিপ্ৰাপ্ত অনুষ্ঠান নহয় যাৰ বাবে এই কেইখনত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাসমূহ অনুষ্ঠিত নহয়। ছাত্ৰ-ছাত্ৰীসকলে সেইবাবে একে সময়তে অন্য উচ্চতৰ মাধ্যমিক বিদ্যালয়তো নামভৰ্তি কৰিব লাগে। অৱশ্যে নামভৰ্তি কৰাৰ পৰা পৰীক্ষা দিয়ালৈকে সকলো ব্যৱস্থা প্ৰশিক্ষণ প্ৰদান কৰা এই অনুষ্ঠানকেইখনে কৰি দিয়ে আৰু ইচ্ছা কৰিলে ছাত্ৰ-ছাত্ৰী বা অভিভাৱকসকলে নিজাকৈও সেই ব্যৱস্থা কৰিব পাৰে। গতিকে প্ৰশিক্ষণ প্ৰদান কৰা এই অনুষ্ঠানকেইখনৰ সমান্তৰালভাৱে গঢ়ি উঠিছে আন একশ্ৰেণীৰ ব্যক্তিগত খণ্ডৰ উচ্চতৰ মাধ্যমিক শিক্ষানুষ্ঠান। এই উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰ গঢ় লৈ উঠিছে ওপৰত উল্লেখ কৰা অঞ্চলকেইটাৰ বাহিৰত কোটা চহৰৰে অন্য কিছুমান অঞ্চলত। এই বিদ্যালয়বোৰলৈ প্ৰশিক্ষণ প্ৰদান কৰা এলেন আদি শিক্ষানুষ্ঠানকেইখনৰ ছাত্ৰ-ছাত্ৰীসকলে কেৱল পৰীক্ষা দিবলৈহে যাব লাগে। প্ৰশিক্ষণ প্ৰদান কৰা এই অনুষ্ঠানকেইখনৰ সহযোগত গঢ়ি উঠা ব্যক্তিগত খণ্ডৰ এই বিদ্যালয়বোৰৰো এক ডাঙৰ ব্যৱসায়।

মুঠতে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইলৈ গৈ ব্যৱসায় কৰি ফুৰা ৰাজস্থানীসকলে গ্ৰাহকসকলক নিজৰ ৰাজ্যলৈ আনি এনেদৰে বাণিজ্য কৰিছে নিৰাপদে, লাভজনকভাৱে। গেলামাল, কাপোৰ আদিৰ ব্যৱসায় কৰি ফুৰা মৰোৱাৰীয়ে শিক্ষাতো যে লাভজনক ব্যৱসায় কৰিব পাৰি তাক দেখুৱাইছে এই কোটাতে। লক্ষ্য কৰিবলগীয়া কথা— এই শিক্ষানুষ্ঠানকেইখনে ৰাজস্থানৰ ধনী-দুখীয়া দুয়োশ্ৰেণীৰ মানুহকে ব্যৱসায়ৰ সুবিধা দিছে। ধনীসকলে শিক্ষানুষ্ঠান, হোষ্টেল অথবা ভাৰাঘৰৰ ব্যৱসায় কৰিছে আৰু দুখীয়াসকলে কৰিছে সৰু-সুৰা ব্যৱসায়বোৰ।

সম্পূৰ্ণ অপৰম্পৰাগত এই শ্ৰেণীৰ শিক্ষানুষ্ঠানৰ জনপ্ৰিয়তা দিনে দিনে বাঢ়ি আহিছে আৰু ভাৰতবৰ্ষৰ মুখ্য চহৰসমূহত এনে ধৰণৰ অনুষ্ঠান ভালেমান গঢ়ি উঠিছে। তথাপি ৰাজস্থানৰ কোটা চহৰৰ এই অনুষ্ঠানকেইখনৰ জনপ্ৰিয়তা এতিয়াও শীৰ্ষত থকাৰ মূল কাৰণ হ'ল সেইকেইটাই দেখুওৱা

উন্নত ফলাফল। এতিয়াও সমগ্র ভাৰতবৰ্ষৰ কাৰিকৰী শিক্ষানুষ্ঠানসমূহত নামভৰ্তিৰ বাবে হোৱা প্ৰৱেশ পৰীক্ষাসমূহত সৰ্বাধিক উত্তীৰ্ণ হয় কোটা চহৰৰ এলেন আদি এই শিক্ষানুষ্ঠানকেইখনৰ পৰা।

এই শিক্ষানুষ্ঠানকেইখনৰ ধাৰাবাহিক সাফল্যৰ মূলমন্ত্ৰটো হ'ল সংগঠকসকলৰ আন্তৰিকতা, ব্যৱসায়িক পটুতা আৰু প্ৰতিযোগিতাৰ মনোভাব। ছাত্ৰ-ছাত্ৰীসকলক উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ পাঠ্যক্ৰম সম্পূৰ্ণভাৱে আয়ত্ব কৰাই ১০ + ২ পৰীক্ষাত ভাল ফল দেখুৱাব পৰাৰ উপযুক্ত কৰাৰ লগতে কাৰিকৰী শিক্ষাৰ প্ৰৱেশ পৰীক্ষাত উন্নত স্থান লাভ কৰি কাৰিকৰী শিক্ষানুষ্ঠানত নামভৰ্তিৰ সুযোগ পাব পৰা কৰি তুলিবৰ বাবে অনুষ্ঠানকেইটাই অতি মেধাবী আৰু শিকোৱাৰ উপযুক্ত কৌশল জনা শিক্ষক নিযুক্ত কৰে। তাৰ বাবে শিক্ষকসকলক উচ্চ হাৰৰ বেতন প্ৰদান কৰা হয়। সংগঠকসকলে উপযুক্ত শিক্ষকৰ সন্ধান পালেই তেওঁক উচ্চ হাৰৰ বেতন প্ৰদানৰ আশ্বাস দি নিজৰ অনুষ্ঠানত মকৰল কৰে। এইকেইটা অনুষ্ঠানৰ উপৰি আন শিক্ষানুষ্ঠানৰ যিসকল শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মন জয় কৰি ভাল শিক্ষক বুলি খ্যাতি লাভ কৰে সেইসকলক উচ্চ দৰমহা দি মকৰল কৰিবলৈ অনুষ্ঠানকেইটাৰ মাজত প্ৰতিযোগিতা চলে, হিন্দী চিনেমাৰ প্ৰযোজকসকলৰ মাজত ভাল অভিনেতা-অভিনেত্ৰীকলৈ প্ৰতিযোগিতা চলাৰ দৰে। ফলত নামকৰা শিক্ষকসকলৰ বেতন ভাৰতৰ বিশ্ববিদ্যালয়সমূহৰ শিক্ষকৰ বেতনতকৈও বেছি হয়। এটা সূত্ৰৰ পৰা গম পোৱা মতে ইয়াৰ একোগৰাকী শিক্ষকে মাহিলী তিনি লাখ টকালৈকে বেতন লাভ কৰে। এই উচ্চ হাৰৰ বেতন লাভৰ বাবে শিক্ষকসকলৰ মাজতো গঢ়ি উঠিছে এক সুস্থ প্ৰতিযোগিতা আৰু এক professionalism। শিক্ষকসকলে চৰকাৰী পাঠ্যপুথিৰ পৰা প্ৰত্যক্ষভাৱে নপঢ়াই বিগত বছৰবোৰত হৈ যোৱা বিভিন্ন ব'ৰ্ডৰ পৰীক্ষা আৰু প্ৰৱেশ পৰীক্ষাসমূহৰ প্ৰশ্নৰ আধাৰত নিজাকৈ Module প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীক যোগান ধৰে আৰু তাৰ আধাৰত শিক্ষা প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীসকলক প্ৰথমৰ পৰাই মনোযোগী কৰিবৰ বাবে তিনি সপ্তাহৰ মূৰে মূৰে পৰীক্ষা অনুষ্ঠিত কৰা হয় আৰু পৰীক্ষাৰ পিছত দুসপ্তাহৰ ভিতৰত ফলাফল ঘোষণা কৰি সেই ফলাফল অভিভাৱকসকলকো অৱগত কৰোৱাৰ ব্যৱস্থা কৰা হয়। চৰকাৰী বা বেচৰকাৰী সাধাৰণ শিক্ষানুষ্ঠানৰ দৰে একোটা বিষয় এটা বছৰ একেগৰাকী শিক্ষককে পঢ়াবলৈ দিয়া নহয়। এগৰাকী শিক্ষকে এটা বিষয়ৰ এটা বা দুটা অধ্যায়হে পঢ়াই আৰু তেওঁ সেই এটা বা দুটা অধ্যায় কেইবাটাও শাখাত পঢ়াই বাবে নিজৰো দক্ষতা বৃদ্ধি পায়। এই অনুষ্ঠানকেইটাৰ আটাইতকৈ যোগাত্মক দিশ হ'ল বন্ধহীনতা। দেওবাৰকেইটাৰ বাহিৰে কেৱল দেৱালী উপলক্ষে ১০ দিন বন্ধ থাকে। দেওবাৰ কেইটাতো আকৌ পৰীক্ষাবোৰ হোৱাৰ উপৰি বিশেষ পাঠদানো হয়। আনহাতে অসমৰ নিচিনা ৰাজ্যবোৰৰ দৰে ৰাজস্থানত বিভিন্ন সংগঠনে বন্ধ ঘোষণা কৰাৰ পৰম্পৰাও নাই। এনে এক সুস্থ পৰিৱেশ আৰু শিক্ষক-শিক্ষাৰ্থীৰ লগতে সংগঠকসকলৰ এনে নিৰৱচ্ছিন্ন আন্তৰিক প্ৰচেষ্টাৰ ফলতে এই অনুষ্ঠানকেইটাৰ পৰা সৰ্বাধিক সংখ্যকে ভাৰতবৰ্ষৰ স্বপ্নৰ শিক্ষানুষ্ঠান আই.আই.টি., মেডিকেল কলেজ আদিত পঢ়াৰ সুবিধা পায়।

এই অনুষ্ঠানকেইটাৰ জনপ্ৰিয়তাৰ বাবে গোটেই ভাৰতবৰ্ষৰ বিভিন্ন চহৰত এইবোৰৰ Contact course কেন্দ্ৰ গঢ়ি উঠিছে। কোটা চহৰৰ পৰা নিয়ন্ত্ৰিত হয় এই কেন্দ্ৰবোৰ। ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ চহৰৰ পৰাই এই অনুষ্ঠানকেইটাৰ শিক্ষা লাভ কৰিব পাৰে। দূৰসংযোগ ব্যৱস্থাৰে। Allen Career Institute-ৰ বিভিন্ন চহৰত থকা এনে শাখা কেন্দ্ৰৰ সংখ্যা ৪৫টা। আমাৰ গুৱাহাটীত থকা কেন্দ্ৰটোৰ ঠিকনা হ'ল—

- ALLEN Career Institute Guwahati

Location : ENDEAVOUR, Lamb Road, Ambari, Email : info@allen.ac.in

কোটাত থকা মুখ্য কাৰ্যালয়ৰ ঠিকনাটো হ'ল ঃ

- Contact ALLEN Career Institute Head Office
  Name : ALLEN Career Institute, Regd No. 70/KOTA/ST/CTC/2003, Location : SANKALP, CP-6, Indra Vihar, Kota, Rajasthan, India, Contact No : 0744–2436001, Email : info@allen.ac.in, Website : www.allen.ac.in

বাকীকেইখন শিক্ষানুষ্ঠানৰ ঠিকনা, পঞ্জীয়ন নং, ফোন নম্বৰ আদি তলত দিয়া হ'ল—

- Motion IIT, JEE, Year Founded : 2007
  Contact : 0744-2209671, 9314187482
  Email : info@mationIITJEE.com
  Website : www.motionIITJEE.com
  Location : 394, Rajeev Gandhi Nagar, Jhalawar Road, Kota, Rajasthan, India-324005
- M/s Bansal Classes, 2-K-17, Vigyan Nagar, KOTA, Regd. No : 102/KOTA/ST/CTC/2003, www.bansaliitjee.com, Contact Details, Gaurav Tower, A-10 Road No. 1, IPIA, Kota - 324005, (Rajasthan) INDIA, Tel : 0744-24237338/39/2424097/2424097, Fax : 0744-2436779
  Email : Admin@bansaliitjee.com
- M/s RESONANCE, J-2, Jawahar Nagar, KOTA, Redg. No : 107/KOTA/ST/CTC/2003, Phone : 2437144
  (IIT-JEE 2012 Result : Resonance scored 3206 selections (highest ever selections from Kota) out of which 2063 are from Classroom, 1118 from Distance Learning and 25 student from e-Learning Division)
- Career Point. 112-B, Shakti Nagar, KOTA, CP Tower, Road No : 1, IPIA, Kota (Raj.) India-324005, Regd. No : 144/KOTA/ST/CT/2003, 2500492/ www.careerpointgroup.com, Phone : +91-744-3040000, 2430505. Fax : 0744-3040050, Mobile : +91-76657-17000, +91-76657-18000,
  Email : info@careerpointgroup.com
- Vibrant Academy
  Office : Vibrant Academy (I) Pvt. Ltd. Vibrant Tower : A-14 (A), Road No. 1, Indraprastha Industrial Area, Kota-324005 (Rajasthan) India Tel No : 0744-2423406

(কোটা চহৰৰ এই শিক্ষাৰ অনুষ্ঠানকেইটা সাফল্যৰ শীৰ্ষত থাকিলেও তাৰ কিছুমান ঋণাত্মক দিশো আছে। এই চহৰৰ প্ৰথম অসুবিধা হ'ল অতিমাত্ৰ গৰম। এপ্ৰিল মাহৰ পৰা জুলাই মাহলৈকে ৰাজস্থানত তাপমাত্ৰা ভাৰতবৰ্ষৰ ভিতৰতে সৰ্বাধিক। সেইকেইটা দিনত বাহিৰৰ পৰা যোৱা ছাত্ৰ-ছাত্ৰীসকল গৰমত ইমানেই অতিষ্ঠ হয় যে বহু ছাত্ৰ-ছাত্ৰী সেইকেইটা দিনত কোটা চহৰত পঢ়াৰ আশা পৰিত্যাগ কৰি গুচি যায়। চহৰখনৰ দ্বিতীয় অসুবিধা হ'ল ইয়াৰ কঠিন পানী। দেখাত সমভূমি যদিও গোটেই কোটা চহৰখন শিলৰ ওপৰত ঠিয় হৈ আছে। শিলৰ মাজেদি নিজৰি ওলোৱা বাবে হেনো ইয়াৰ পানী কঠিন। এই পানী হেনো সহজতে হজম নহয় আৰু হজম হ'ব লাগিলে খাদ্যৰ লগত উচ্চ হাৰত জলকীয়া খাব লাগে। এই ধাৰণাৰ বশৱৰ্তী হৈ ইয়াৰ মানুহে আঞ্জা, তৰকাৰীত ইমানেই বেছিকৈ জলকীয়া প্ৰয়োগ কৰে যে বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে সেইবোৰ খাই কিছুদিন পেটৰ অসুখত বেয়াকৈ ভুগিবলগীয়া হয়। আনহাতে হোষ্টেল, টিফিন চেণ্টাৰ আদিৰ মালিকসকলে বেছিকৈ লাভ কৰিব খোজা প্ৰৱণতাৰ বাবেও ইয়াৰ খাদ্য বাহিৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৰুচিসন্মত নহয়।■■

# পৰিক্ৰমা ঃ গো-বলিৰ পৰা ম'হ বলিলৈ

**গোবিন্দ চন্দ্ৰ ডেকা, মঙ্গলদৈ**

খ্ৰীষ্টপূৰ্ব দ্বিতীয় সহস্ৰাব্দত অঘৰী আৰ্য জনগোষ্ঠীৰ লোকসকলে গবাদি পশুৰ জাক লৈ উত্তৰ-পশ্চিম দিশেৰে আহি ভাৰতবৰ্ষত প্ৰৱেশ কৰিছিল। এই গবাদি পশুবোৰৰ ভিতৰত গৰু, ঘোঁৰা আৰু শিং থকা পশুৱে প্ৰধান আছিল। আৰ্যসকল ভাৰতবৰ্ষত প্ৰৱেশ কৰাৰ বহু শতিকাৰ পূৰ্বে সিন্ধু নৈৰ উপত্যকাত হৰপ্পা আৰু মহেঞ্জোদাৰো সভ্যতা গঢ় লৈ উঠিছিল। সেয়েহে এই সভ্যতাবোৰ দেখি যাযাবৰী বৰ্বৰ আৰ্যসকলৰ মনত পোনতে ঈৰ্ষা ভাব সৃষ্টি হৈছিল আৰু তেওঁলোকে নগৰসমূহ ধ্বংস কৰি বিজয় উল্লাস কৰিছিল। এই নগৰ ধবংস কৰোঁতাসকলক পুৰন্দৰ বোলা হৈছিল.

আৰ্য জনগোষ্ঠীৰ লোকসকল ভাৰতবৰ্ষত প্ৰৱেশ কৰাৰ অন্তত তেওঁলোকে সামান্যভাৱে কৃষি আৰু কিছু কাৰিকৰী বৃত্তি আয়ত্ত কৰিছিল। অৱশ্যে তেতিয়াও তেওঁলোকৰ জীৱিকা অৰ্জনৰ ঘাই উপায় গো-পালন আছিল। সেয়েহে তেওঁলোকৰ সাহিত্যসমূহত পশু সম্পৰ্কীয় বিষয়সমূহে মুখ্য স্থান পাইছিল। তেওঁলোকে শত্ৰুৰ ধন-সম্পদ আৰু নাৰী বিচৰাৰ লগতে শত্ৰুৰ গো-ধন বিচাৰি প্ৰাৰ্থনাও কৰিছিল। এক কথাত ক'বলৈ গ'লে তেতিয়াৰ আৰ্যসমাজত গো-মাংস তেওঁলোকৰ অতি প্ৰিয় খাদ্য আছিল। সেয়েহে গো-ব্ৰাহ্মণৰ হিত সাধন বিচাৰি বেদসমূহত একাধিকবাৰ প্ৰাৰ্থনা জনোৱা হৈছিল। বেদৰ দিনত আৰ্যসকলৰ শ্ৰেষ্ঠ দেৱতা ইন্দ্ৰ আছিল। ঋক্‌বেদৰ প্ৰথম মণ্ডলৰ পঞ্চম সূক্তত ইন্দ্ৰৰ বিষয়ে কোৱা হৈছিল যে শত্ৰুসকলে যাৰ ৰথযুক্ত অশ্বযুগলৰ সন্মুখীন হ'ব নোৱাৰে তেৱেঁই ইন্দ্ৰ। সেইদৰে ঋক্‌বেদৰ ১০ম মণ্ডলৰ ৮৬ সূক্ততো ইন্দ্ৰক শ্ৰেষ্ঠ দেৱতা বুলি কোৱা হৈছিল। এইজনক আৰ্যসম্ভূত শ্ৰেষ্ঠ দেৱতা বুলি কোৱা হৈছিল। এইজন আৰ্যসম্ভূত শ্ৰেষ্ঠ দেৱতাৰ বাবে গো-মাংস অতি প্ৰিয় খাদ্য আছিল। ঋক্‌বেদৰ এটা ঋক্‌ত আছে— 'হে ইন্দ্ৰ! যেতিয়া অন্নৰ কামনাত তোমাৰ উদ্দেশ্যে হোম কৰা হয়; তেতিয়া তেওঁলোকে বেগাই বেগাই প্ৰস্তৰ ফলক যোগে মাদকতা শক্তিযুক্ত সোমৰস প্ৰস্তুত কৰে; তুমি তাক পান কৰা। তেওঁলোকে বলদবোৰ ৰান্ধে তুমি তাক খোৱা। (দ্ৰষ্টব্য ঃ কথা-গুৰু চৰিত— এটি সমীক্ষা ঃ শশী শৰ্মা) ইন্দ্ৰৰ দৰে অগ্নি আদি দেৱতাসকলৰ বাবেও গো মাংস প্ৰিয় খাদ্য আছিল।

দেখা যায় যে বেদৰ পৰা মহাকাব্য যুগৰ ঋষি-মুনিসকললৈকে প্ৰায় সকলোৱে গো-মাংস ভক্ষণ কৰিছিল। সেই সময়ত ভাৰতবৰ্ষত গো-হত্যা নিৰোধ নাছিল। আনকি মিথিলাৰ অতি সন্মানীয় ঋষি যাজ্ঞবল্কৰ গো-মাংস অতি প্ৰিয় খাদ্য আছিল। তেওঁ এই বুলিও কৈছিল যে যেতিয়ালৈকে গাই গৰু আৰু বলধৰ মাংস কোমল হৈ থাকিব; তেতিয়ালৈকে তেওঁ সিহঁতৰ মাংস খাব।

ঋক্‌বেদৰ পৰা উপনিষদ, ব্ৰাহ্মণ আদি গ্ৰন্থসমূহৰ সকলোতে গো-বলি আৰু গো-মাংস খোৱাৰ কথা পোৱা যায়। "বৈদিক বলি ব্যৱস্থাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংশ অশ্বমেধ যজ্ঞৰ কথা পোনতে ঋক্‌বেদত পোৱা যায়। ব্ৰাহ্মণসমূহতো ইয়াৰ বিষয়ে আলোচনা কৰা হৈছে। এই যজ্ঞত চৰাইকে ধৰি ৬০০ জন্তু হত্যা কৰা হয় আৰু ২১জনী বাজী গাই বলি দি ইয়াক অন্ত কৰা হয়। অৱশ্যে, তৈত্তিৰিয় সংহিতাই গণনা কৰি ঘোঁৰা, বলধ, গাইগৰু, ছাগলী, পহু, নীল গাইকে ধৰি ১৮০ বিধ জন্তু বধ কৰা হয়

বুলি কৈছে। গো-বলি ৰাজসূয় আৰু বাজপেয় যজ্ঞৰ গুৰুত্বপূৰ্ণ অংশ আছিল। শতপথ ব্ৰাহ্মণৰ মতে বাজপেয় যজ্ঞত এজনী ফুট্‌ফুটীয়া বাজী গাই মৰুতসকললৈ উৎসৰ্গ কৰা হয়। ঠিক সেইদৰে অগ্নিস্তুমত এজনী বাজী গাই বলি দিয়া হয়।" (দ্ৰষ্টব্য ঃ গো-হত্যাৰ পৰা গো-পূজালৈ ঃ জয়ন্ত মাধৱ দত্ত)।

গতিকে এইটো নিশ্চিতভাৱে ক'ব পাৰি যে প্ৰাচীন ভাৰতবৰ্ষত কোনো দিনে গৰুক পৱিত্ৰ বুলি ভবা হোৱা নাছিল। আৰ্যসকলে খাদ্যৰ বাবে গৰু পুহিছিল। মৌৰ্য বংশৰ ৰাজত্ব কালত যেতিয়া কৃষি ব্যৱস্থাই ঠন ধৰি উঠিছিল; তেতিয়া হাল বাবৰ বাবে গৰুৰ প্ৰয়োজনীয়তাও বৃদ্ধি পাইছিল। কিন্তু গৰুক খাদ্য হিচাপে ব্যৱহাৰ কৰাত কৃষি কাৰ্যত বিৰাট সমস্যাই দেখা দিছিল। এনেস্থলত ৰজা অশোকে তেওঁৰ ৰাজত্ব কালত গো-হত্যা নিৰোধ কৰিছিল। কিন্তু ৰজা অশোকৰ এনে কাৰ্যই বিশেষ সফলতা অৰ্জন কৰিব পৰা নাছিল।

প্ৰকৃতাৰ্থত কৃষিকাৰ্যই গৰুক দেৱত্বলৈ উত্তৰণ কৰিছিল। যাযাবৰী আৰ্যসকলে স্থায়ীভাৱে থাকি কৃষিকাৰ্য কৰাৰ পিছত গৰুক পৱিত্ৰ জ্ঞান কৰা হৈছিল। পৰৱৰ্তী কালত শাস্ত্ৰ লিখি গো-বলিৰ লগতে মাংস নিৰোধ কৰিছিল। কৃষিকাৰ্যৰ লগত গৰুৰ এক নিবিড় সম্পৰ্ক আছিল আৰু এই সম্পৰ্কৰ বাবে আদিম সমাজত গৰুৱে উচ্চ স্থান লাভ কৰিছিল যদিও গো-হত্যা সম্পূৰ্ণৰূপে বন্ধ হোৱা নাছিল। প্ৰাক্ বৈদিক যুগত আৰম্ভ হোৱা গো-বলি কাৰ্য ১৬শ শতিকাৰ যোগিনীতন্ত্ৰৰ দিনলৈ চলি আছিল। এই বিষয়ে যোগিনীতন্ত্ৰত আছে—

"মাহিষস্য বা গব্যঞ্চ বৰাহস্য মম প্ৰিয়ে।
মাৰ্গস্য বৃহদাজস্য স্থূল স্যাপি হি শস্যতে।।"২৭০

অৰ্থাৎ ম'হ, গৰু, গাহৰি, হৰিণ, ডাঙৰ ছাগলী এইবোৰ স্থূল মাংস পিতৃ শ্ৰাদ্ধৰ বাবে প্ৰশস্ত হয়।

এইবোৰৰ পৰা প্ৰমাণ পোৱা যায় যে বেদৰ দিনৰ পৰা আৰ্যসকলে গো-মাংস খাইছিল। ঋক্‌বেদৰ পৰা ১৬শ শতিকাৰ যোগিনীতন্ত্ৰলৈ ইয়াৰ অলেখ প্ৰমাণ আজিও স্পষ্ট হৈ আছে। এনেস্থলত ভাৰতবৰ্ষত গো-হত্যাক লৈ বিতৰ্ক কৰাৰ কোনো প্ৰয়োজন নাই। ভাৰতীয় হিন্দুসকলৰ মনত যিদৰে গৰু পৱিত্ৰ জন্তু; সেইদৰে ঘোঁৰা, ছাগলী, ম'হ আদিও পৱিত্ৰ জন্তু হোৱা উচিত। সেয়েহে ভাৰতীয় হিন্দুসকলে পৰ-ৰোধিৰে পূজা-সেৱা কৰি নিজৰ কল্যাণ কামনা কৰা মানসিকতা অন্ততঃ এতিয়াৰ পৰা পৰিত্যাগ কৰা উচিত। সকলো কাৰ্যৰে একোটা কাৰণ থাকে। আদিম মানৱে নৰবলি, পশুবলি দিয়াৰ আঁৰতো তেনে একোটা কাৰণ আছিল। গতিকে এইবোৰৰ বিচাৰ-বিশ্লেষণ নকৰাকৈ কেৱল পৰম্পৰাৰ নামত পশু বলি দিয়া কাৰ্য অতি হাস্যকৰ ঘটনা। তদুপৰি যিবোৰ ধ্যান-ধাৰণাৰ বাবে আদিম মানৱে প্ৰকৃতিৰ বিভিন্ন শক্তিক দেৱত্ব আৰোপ কৰি পূজা-সেৱা কৰিছিল; আজিৰ সভ্য মানৱে সেইবোৰৰ ওপৰত গৱেষণা কৰি ৰহস্য উদ্‌ঘাটন কৰিছে। এনেস্থলত আদিম মানৱৰ ধ্যান-ধাৰণাৰে পুষ্ট হৈ পৰ-ৰোধিৰে পূজা-সেৱা কৰাৰ দিন এতিয়া নাই। অতি দুখৰ বিষয় যে আজিৰ মানুহে জ্ঞান-সভ্যতা উচ্চ শিখৰত আৰোহণ কৰি নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিছে যদিও অন্ধবিশ্বাস আৰু বৰ্বৰতাবোৰ এতিয়াও ত্যাগ কৰিব পৰা নাই। সেইদৰে কোনে কি স্বাৰ্থত শাস্ত্ৰ লিখি ধৰ্ম বুলি প্ৰচাৰ কৰিছিল, সেই ৰহস্য উদ্‌ঘাটন কৰিব পৰা নাই। মাথোন পৰম্পৰাৰ নামত পৰৰ ৰোধিৰে পূজা-সেৱা কৰি ধন্য মানিছে। যিটো সকলোৰে বাবে দুৰ্ভাগ্যজনক।

অৱশ্যে এই দুৰ্ভাগ্যৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে মানুহবোৰ প্ৰকৃত শিক্ষাৰে শিক্ষিত হ'ব লাগিব আৰু ধৰ্ম নাইবা পৰম্পৰাৰ আঁৰত লুকাই থকা প্ৰতিটো সত্য নিৰূপণ কৰি সমাজত প্ৰতিষ্ঠা কৰিব পাৰিব লাগিব। বাস্তৱত তেতিয়াহে জীৱন সফল হ'ব।■■

# যুৱ-উশৃঙ্খলতাৰ উৎস

**হেমপ্ৰসাদ বৰা, নগাঁও**

যুৱক-যুৱতীসকলেই সমাজ তথা দেশৰ ভৱিষ্যৎ। আজিৰ যুৱ চামেই কালিলৈ প্ৰাপ্ত বয়সৰ হৈ সমাজখনক আগবঢ়াই লৈ যাব— এয়া সকলোৰে আশা। কিন্তু বৰ্তমান যুৱশক্তিৰ এক স্খলন হ'বলৈ ধৰিছে। সেয়ে তেওঁলোকে সমাজখনক কোন পথে গতি কৰাব— এক চিন্তাৰ বিষয় হৈ পৰিছে। প্ৰতিদিনে হোৱা হত্যা, লুণ্ঠন, ধৰ্ষণ, ড্ৰাগছৰ ব্যৱহাৰ, অসৎ আচৰণ, বেয়া মাত, বেয়া চিন্তা আদিয়ে নিজৰ লগতে সমাজখনক পঙ্গু কৰা যেন অনুভৱ হৈছে। আমাৰ চিন্তাত বৰ্তমান বৃদ্ধি হোৱা এই যুৱ-মানসিকতাৰ বাবে ঘাইকৈ পিতৃ-মাতৃ, পৰিয়াল, বন্ধু-বান্ধৱ আৰু সমাজখন দায়ী। এই সকলৰ অমনযোগিতাৰ বাবেই যুৱ চাম বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে।

**পিতৃ-মাতৃৰ ভূমিকা ঃ**

(১) প্ৰায় পিতৃ-মাতৃয়েই যুৱচামক প্ৰয়োজনতকৈ বেছি ধন দিয়া দেখা যায়। বেছি ধন পালে যুৱকে নালাগে প্ৰাপ্তবয়স্কসকলৰো কি কৰিবলৈ মন যায় সকলোৱে জানে।

(২) ম'বাইল ফোনৰ সৎ ব্যৱহাৰৰ প্ৰতি পিতৃ-মাতৃয়ে বিশেষ চকু নিদিয়াৰ ফলত, সময় অপচয়, ধন ব্যয়, অসামাজিক আলোচনা কৰি মূল্যবান সময় অবাবত ব্যয় কৰা দেখা যায়।

(৩) নিজৰ সন্তানে সৎ বন্ধু নিৰ্বাচন কৰি সৎ চিন্তা কৰিছেনে নাই বহু পিতৃ-মাতৃয়ে লক্ষ্য নকৰে।

(৪) সন্তানৰ কু-কৰ্মবোৰ পিতৃ মাতৃৰপৰা বা মাতৃয়ে পিতৃৰ পৰা লুকুৱাই অন্ধপ্ৰেম দেখুওৱা দেখা যায়। ফলত সন্তানে আশ্ৰয় পাই কু-কৰ্ম কৰিবলৈ উৎসাহ পায়।

(৫) ঘৰখনত গঠনমূলক আলোচনাৰ পৰিৱৰ্তে পিতৃ-মাতৃয়ে আনৰ দোষ আলোচনা কৰি পৰিৱেশ বিনষ্ট কৰে।

(৬) যিখন ঘৰত লাস-বিলাসৰ কথাই ঠাই পাই, সেইখন ঘৰত শিক্ষা-দীক্ষা গ্ৰহণত বাধা পৰে।

(৭) পিতৃ-মাতৃয়ে সন্তানক অধ্যয়নৰ সময়ত মেজত আছেনে নাই লক্ষ্য নকৰা, কি পঢ়িছে লক্ষ্য নকৰা, বিনা কাৰণত ওলায় যোৱা লক্ষ্য নকৰা, ঘৰুৱা কামত নলগোৱা, একেলগে আনন্দ উপভোগ নকৰা আদি দোষৰ বাবেও সন্তান নষ্ট হোৱা দেখা যায়।

(৮) পিতৃ-মাতৃয়ে আনক বাক্য বচনে বা কৰ্মৰে উপকাৰ কৰিবলৈ পৰামৰ্শ নিদিয়া বা নিজেও নকৰা কাৰ্যই যুৱচাম বিপথে যায় বুলি ভাবিব পাৰি।

(৯) পিতৃ-মাতৃয়ে আনৰ দুখত দুখী আৰু আনৰ সুখত সুখী হোৱা এটা আদৰ্শৰ পৰিৱেশ সৃষ্টি কৰিব নোৱাৰিলেও সন্তান সেই মনৰ নোহোৱা দেখা যায়।

(১০) কোনো কোনো পিতৃ-মাতৃয়ে নিজেও সামাজিক কাম কৰিবলৈ মন নকৰে আৰু নিজৰ সন্তানে কৰাটো নিবিচাৰে বা উৎসাহ নিদিয়ে। সামাজিক দায়বদ্ধতাৰ অবিহনে সমাজ কেনেকৈ দোষমুক্ত হৈ উন্নতি হ'ব এই সকলে নাভাবে।

(১১) মানুহৰ দোষ-গুণ থাকিবই। সমাজে সংস্কাৰ কৰে। সমাজৰ গুণী-জ্ঞানী, জ্যেষ্ঠ, বিদ্যান,

আদৰ্শবান লোকক পিতৃ-মাতৃয়ে শ্ৰদ্ধা কৰিবলৈ সন্তানক সময়ে সময়ে পৰামৰ্শ দিব লাগে। কিন্তু ইয়াৰ ব্যতিক্ৰম দেখা যায়।

(১২) স্বাৰ্থপৰ আৰু আপোনপটীয়া ভাববোৰে যাতে সন্তানক প্ৰভাৱ পেলাব নোৱাৰে তাৰ প্ৰতি সজাগ হোৱা বহু পিতৃ-মাতৃক দেখা নাযায়।

(১৩) ৰোগীয়া, দুখীয়া, বুঢ়া আৰু দুৰ্ভগীয়াসকলৰ প্ৰতি সহানুভূতিশীল বহু পিতৃ-মাতৃক দেখা নোপোৱা ফলত সন্তানসকলে অনুসৰণ কৰা দেখা নাযায়।

(১৪) আনৰ ধন-সম্পত্তি দেখি ঈৰ্ষা ভাব বা সমালোচনা কৰা কাৰ্যৰ পৰা পিতৃ-মাতৃ বিৰত নাথাকিলে সন্তানসকলে একেই পথকে অনুসৰণ কৰে।

(১৫) ওচৰ-চুবুৰীয়াৰ লগত মিলা-প্ৰীতিৰে নাথাকিলে সন্তানসকলেও সেই পথকে লৈ সমস্যাৰ সৃষ্টি কৰা দেখা যায়।

(১৬) এখন ঘৰত প্ৰয়োজন হোৱা সকলো কাম সময়মতে ভাগে ভাগে সকলোৱে কৰিলেহে এখন শৃঙ্খলাবদ্ধ ঘৰৰ পৰিৱেশ ৰচনা হয়। এইক্ষেত্ৰত পিতৃ-মাতৃয়ে বিশেষ গুৰুত্ব দিব লাগে।

**পৰিয়াল, বন্ধুবৰ্গ আৰু সমাজৰ অমনোযোগিতা ঃ**

(১) পৰিয়াল, বন্ধু-বান্ধৱী তথা সমাজৰ লোকসকলে যুৱচামৰ বেয়া চিন্তা বা কৰ্মক বেয়া বুলি গঠনমূলক পৰামৰ্শ সময়মতে নিদিয়াৰ ফলত যুৱচাম বেয়াৰ পৰা আৰু বেয়া হোৱা দেখা যায়।

(২) ঘৰখনৰ দৰেই সমাজৰ অনুশাসন প্ৰয়োজন। যিখন সমাজৰ অনুশাসন নাই সেইখন সমাজৰ যুৱচাম বিপথে যোৱাটো স্বাভাৱিক।

(৩) আনৰ ভাল কৰ্ম বা গুণক যিখন সমাজে ব্যক্তিগত আৰু ৰাজহুৱাকৈ প্ৰশংসা কৰে সেইখন সমাজ এখন আদৰ্শ সমাজ হিচাবে পৰিগণিত হয়। অন্যথা সমাজখন ধ্বংসৰ ফালে গতি কৰে।

(৪) সমাজৰ অনুষ্ঠান/ প্ৰতিষ্ঠানসমূহক বিভিন্ন ন ন সময়োপযোগী আঁচনিয়ে সজীৱ কৰি ৰাখিব নোৱাৰিলে, যুৱচাম আঁতৰি থাকিবলৈ বাধ্য হয়।

(৫) পৰিয়াল, বন্ধু-বান্ধৱী আৰু সমাজৰ নেতৃত্ব দিয়া লোকসকল স্বাৰ্থপৰ হোৱা পৰিলক্ষিত হ'লেও সমাজৰ প্ৰতি যুৱচাম অমনোযোগী হয়।

(৬) সকলোৱে ধৰ্মীয় গোড়ামী বাদ দি মিলা-প্ৰীতিৰ এৰাধৰা মনোভাৱেৰে থাকিলেও যুৱচামৰ নৈতিক ধাৰণা শুদ্ধ হয়।

(৭) যুৱচামৰ দোষসমূহ ক্ষমাৰ মনোভাৱে বিবেচনা কৰিলে সমাজখন উন্নতিৰ পথে গতি কৰে।

(৮) ধনী আৰু প্ৰভাৱশালীলোকক প্ৰাধান্য নিদি গুণী-জ্ঞানী, কৃষ্ণ-বনুৱাসকলকো গুৰুত্ব দি সংচোক ভাব নাৰাখিলেও সমাজত কেৰোণ নোসোমায়। ফলত যুৱচামৰ ভুল ধাৰণাই বাঁহ নলয়।

ওপৰত আলোচনা কৰা বিষয়সমূহৰ উপৰি যে এশ এবুৰি সমস্যাই বৰ্তমান যুৱশক্তিক বিপথে পৰিচালিত কৰিছে, আমি সকলোৱে মানিবলৈ বাধ্য। আমাৰ আশা পিতৃ-মাতৃৰ উপৰি সমাজৰ প্ৰতিজন ব্যক্তিয়ে সময়মতে চিন্তা কৰি এই যুৱ উশৃঙ্খলতাৰ কাৰণ আৰু ইয়াৰ উপায় উদ্ভাৱন কৰি উচিত পদক্ষেপ ল'ব। সেয়ে হ'লে এই যুৱশক্তিয়েই আগতকৈও বিশেষ উৎসাহেৰে কাম কৰিবলৈ অনুপ্ৰেৰণা পাব আৰু সমাজ তথা দেশ প্ৰগতিৰ পথত আগবাঢ়িব।■■

# কোচ ৰাজ দৰবাৰত মহাপুৰুষজনাৰ সাহিত্য-সংস্কৃতিৰ অৱদান আৰু বৃন্দাবনী বস্ত্ৰ

**অজয় বৰুৱা, মঙ্গলদৈ**

মহাৰাজ নৰনাৰায়ণ আৰু বীৰ চিলাৰায়ৰ পৃষ্ঠপোষকতাত কোচৰাজ্যৰ কমতা-কামৰূপৰ সোণালী যুগৰ সূচনা হয়। য'ত শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী ৰাম সৰস্বতী আদি মহাপুৰুষসকলে নিজস্ব প্ৰতিভাৰ উজ্জ্বল আলোকেৰে আজিৰ অসম আৰু অসমীয়াক আলোকিত কৰিছে। মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱ, ৰজা নৰনাৰায়ণ আৰু বীৰ চিলাৰায়ৰ মিলন অসমৰ নৱবৈষ্ণৱ আন্দোলনৰ লগতে সমাজ জীৱনৰ বাবে গুৰুত্বপূৰ্ণ। শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱন লীলা কামৰূপ, কমতা আৰু বেহাৰ— এই তিনি ৰাজ্যজুৰি বিস্তৃতি লাভ কৰিছিল। তেওঁ অসমীয়া সমাজখনক সমস্ত অপশক্তিৰ বিৰুদ্ধে সংগ্ৰামত ৰত হৈ এখন সুন্দৰ হিংসামুক্ত মানৱ সমাজ গঠনৰ বাবে অবিৰত যাত্ৰা অব্যাহত ৰাখিছিল। অন্ধবিশ্বাসৰ তাড়নাত কক্‌বকাই থকা তদানীন্তন অসমীয়া সমাজখনৰ জ্ঞানৰ গভীৰ চেতনাৰে সমুজ্জ্বল কি ৰূপে কৰিব পৰা যায় উপায়সমূহ উদ্ভাৱন কৰি সমাজ জীৱনত প্ৰয়োগ কৰি সুফল লাভ কৰিছিল।

নৰনাৰায়ণ আৰু চিলাৰায় বিদ্যোৎসাহী পিতৃ কমতা ৰাজ্যৰ বিশ্বসিংহৰ সুযোগ্য সন্তান। অসাধাৰণ পাণ্ডিত্য, ৰাজ্য শাসনৰ নিপুণ কৌশল আৰু সাহিত্য-সংস্কৃতি ভালপোৱা বীৰ আছিল দুয়ো। সেই সময়ত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰত নানান অসুবিধাৰ সন্মুখীন হৈ আছিল। তাৰোপৰি সাধাৰণ কথাতে জোৱাইয়েক হৰিৰ শিৰচ্ছেদৰ দুখত ম্ৰিয়মান হৈ আছিল। ৰজা নৰনাৰায়ণৰ অসাধাৰণ পাণ্ডিত্য আৰু ধৰ্ম প্ৰয়াণতাৰ কথা শুনি সঙ্গীসকলৰ সৈতে গুৰুজনা কামৰূপত উপস্থিত হয় (১৫৪৬ চনত)। পাটবাউসীত থকা কালতেই ভাতৃ ৰামৰায়ৰ কন্যা কমলাপ্ৰিয়া তথা ভুৱনেশ্বৰীৰ লগত বীৰ চিলাৰায়ৰ বৈবাহিক সম্বন্ধ ঘটে। এই বিবাহখন অসম বুৰঞ্জীত অসবৰ্ণ বিবাহসমূহৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য। নানা ধৰ্ম-বৰ্ণ, ভাষা, জাতি-উপজাতিৰে ভৰপূৰ বৃহত্তৰ অসমীয়া জাতিৰ কঠিয়াতলি স্বৰূপ এই বিবাহখন। কোচ-কায়স্থ মিলনে বৃহৎ জাতি গঠনৰ সেন্দুৰীয়া বাট তেতিয়াই মুকলি হৈছিল। ৰাজনৈতিক আৰু আধ্যাত্মিক এই দুই ভিন ভিন ক্ষেত্ৰৰ শীৰ্ষত থকা দুটা পৰিয়ালৰ মাজত হোৱা এই বিবাহ পৰৱৰ্তী কালৰ সমাজ জীৱনত গভীৰভাৱে প্ৰভাৱ পেলাইছিল। দুয়োটা পৰিয়ালৰ মাজত পাণ্ডিত্যও আছিল এক যোগসূত্ৰ স্বৰূপ। চিলাৰায়ক জোঁৱাই হিচাপে পোৱাৰ পিছত গুৰুজনাক মহাৰাজ নৰনাৰায়ণকো পৰম মিত্ৰৰূপে পোৱাৰ বাট দিছিল তেওঁৰ বিদ্বেষীসকলে। এই বিদ্বেষীসকলৰ অভিযোগ মৰ্মেই নৰনাৰায়ণৰ আদেশত গুৰুজনা ৰাজসভাত উপস্থিত হৈ সকলো অভিযোগ খণ্ডন কৰিছিল। যাৰ ফলত গুৰুজনা নৰনাৰায়ণ ৰজা আৰু বীৰ চিলাৰায়ৰ মিলন পূৰ্ণপ্ৰাপ্ত হৈছিল। এই মিলনৰ ফলত আগলৈ জাতি-বৰ্ণ, উচ্চ-নীচ ভেদভাৱ, ধৰ্মৰ নামত চলা অনাচাৰ-অন্যায়, কুসংস্কাৰ, নৰবলি আদি আঁতৰি ভেদাভেদহীন

উদাৰতা আৰু মানৱতাৰ সমাজ এখন প্ৰতিষ্ঠা হৈছিল। য'ত গুৰুজনাই শাস্ত্ৰ চৰ্চা, পুথি ৰচনা আৰু প্ৰচাৰ-প্ৰসাৰ পূৰ্ণ উদ্যমে চলাবলৈ পাৰিছিল।

গুৰু চৰিত্ৰৰ মতে মহাৰাজন নৰনাৰায়ণৰ ৰাজ সভাৰ সাত খলপালৈ উঠি যাওঁতে গুৰুজনাই প্ৰথম দিনা তলত দিয়া টোটয়টো গাই গাই উঠি গৈছিল—

মধুদানৱদাৰণদেৱৱৰম্

বৰৱাৰিজলোচনচক্ৰ ধৰম্

ধৰণীধৰধাৰণধ্যেয়পৰং

পৰমাৰ্থ ৱিদ্যাশুভনাশকৰম......।

গুৰুজনা প্ৰকাশিত হৈ পৰিল। ৰজাই দেখিয়েই ওচৰ চাপি আহি বহিবলৈ দিলে। গুৰুজনাক বিভিন্ন অভিযোগেৰে এসময়ত থৰকা-সৰকা কৰা বামুনসকলেও তেওঁক বহিব দিবলৈ উথপ-থপ লগালে। গুৰুজনে বহিয়ে— "নাৰায়ণ কাহে ভকতি কৰো তেৰা" গীতটি গালে। ৰজা মন্তমুগ্ধ হ'ল। তেওঁ পুনৰ ভটিমা কৰিছে—

"এ জয় জয় মল্ল নৃপতি সুজান।

যাক সৰি গুণাগন নাহিকে সমান।।"

গালে। ৰজা নৰনাৰায়ণে শুনি পৰম আনন্দিত হ'ল। তেওঁ ভাবিলে, তেওঁৰ এয়া স্তুতি। ৰজাই গুৰুজনাক ক'লে যে তেওঁ আঠোটা শ্লোক কৰিছে আৰু আঠ প্ৰকাৰে ব্যাখ্যা কৰাৰ কথাও ক'লে। গুৰুজনে কথাখিনি সাত প্ৰকাৰে ব্যাখ্যা কৰিলে। ৰজাই গুৰুজনাক গুৱা-পাণ দি সসন্মানে চিলাৰায় দেৱানৰ ঠাইত থাকিবলৈ পঠালে আৰু ভাটিবেলা তেওঁৰ ওচৰলৈ আহিবলৈ ক'লে। সকলো কথা চিলাৰায় দেৱানৰ আগত কোৱাৰ পিছত তেওঁ আনন্দিত হ'ল। ইয়াৰ পিছৰ পৰা পুৱা স্নান কৰি গুৰুসেৱা, ভাগৱত পাঠ, নাম-প্ৰসঙ্গৰ অন্তত ভোজন কৰি গুৰুজনা সদায় ৰাজসভালৈ যায়। গুৰুজনাক দলিচাত বহুৱা দেখি বামুনসকলৰ চকু থিয় হ'ল। গুৰুজনে গৈয়েই ভটিমা কৰি গায়— 'বন্দো গোবিন্দা, গোপীজন মনে নন্দা।" এই শ্লোক শুনি বামুনসকলে আশীৰ্বাদ কৰিলে মহাৰাজ পূৰ্ণিমাৰ চন্দ্ৰ যেন হক শ্ৰীযশ প্ৰকাশ হওক।

শ্ৰীমন্ত শঙ্কৰদেৱ মহাৰাজ নৰনাৰায়ণৰ সান্নিধ্যলৈ নহাহেঁতেন তেওঁৰ চৌষষ্ঠিকলাৰে পৰিপূৰ্ণ ব্যক্তি প্ৰতিভাৰাজি চৌদিশত প্ৰাঞ্জলভাৱে ব্যাপ্ত, কাপমৈলামৰ মাধ্যমেৰে অমৰসোধ ৰচনাৰাজিত আৰু দেশৰ কেউদিশত এশৰণ নাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ কাৰ্যত ৰজনজনাই পৰাত কিছু ব্যতিক্ৰম বৈ গ'লহেঁতেন। সেইদৰে ৰজা নৰনাৰায়ণে এজন সুদক্ষ প্ৰশাসকৰ উপৰি এজন ধৰ্মপ্ৰাণ ৰজা হিচাপে আত্মপ্ৰকাশ কৰিব নোৱাৰিলেহেঁতেন। মহাপুৰুষজনা কোচৰাজ্যত কটোৱা কালছোৱাত 'অপেক্ষাকৃত শান্তি' ভক্তি আন্দোলনৰ সম্পূৰ্ণতা লাভ আৰু পূৰ্ণতম মনোবিকাশৰ কাল হিচাপে অভিহিত কৰিছে। য'ত কীৰ্ত্তন পুথিৰ কেইবাটাও অধ্যায়— বলিছলন, অনাদি-পাতন, ভাগৱতৰ ১ম স্কন্ধ, ২য় স্কন্ধ, ১০ম স্কন্ধ আদি, একাদশ স্কন্ধ, কুৰুক্ষেত্ৰ, নিমি-নৱসিদ্ধ সংবাদ, গুণমালা, উত্তৰাকাণ্ড ৰামায়ণ, ভক্তি-ৰত্নাৱলী, অঙ্কীয়া নাট ঃ কালিয় দমন, কেলি গোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, ৰাম বিজয় আদি ৰচনা কৰাৰ উপৰি বৰগীত, টোটয়, ভটিমা আদি ৰচনা কৰে। উল্লেখ্য যে ১২শ স্কন্ধৰ ভাগৱতৰ সাৰ কাঢ়ি সৃষ্টি কৰা 'গুণমালা' মহাৰাজ নৰনাৰায়ণৰ একে বহাতে দ্বাদশ স্কন্ধ ভাগৱত শ্ৰৱণৰ ফলঃশ্ৰুতি। দুয়ো দুয়োৰে সান্নিধ্যলৈ নহাহ'লে গুৰুজনাৰ এই শ্ৰেষ্ঠগ্ৰন্থ গুণমালা ৰচিত হ'লহেঁতেন নে নাই তাৰ উত্তৰ নেতিবাচক হৈ থাকিহেঁতেন। 'গুণমালা' ৰচনাৰ লগত কিংবদন্তি হৈ আছে বৰ্তমান পশ্চিম বংগৰ মধুপুৰৰ মাহাত্ম্য। গুৰুজনাই কোচ ৰাজসভাৰ কুটিৰত উপস্থিত হৈ গ্ৰন্থ লিখাৰ কাৰণে ৰত্নমালাৰ পৰা সাঁচিপাত সংগ্ৰহ কৰিছিল। নিৰ্জনপূৰ্ণ কুটিৰত বহি গুৰুজনাই একাগ্ৰচিত্তে গোটেই ৰাতি ধৰি গ্ৰন্থ ৰচনাত মগ্ন। গভীৰ ৰাতি ৰত্নমালী কুটিৰত উজ্জ্বল পোহৰ লক্ষ্য কৰি কুটিৰ দ্বাৰত উপস্থিত হৈ তবধ মানিলে।

কুটিৰ ভিতৰত সাধক শঙ্কৰৰ ঠাইত চতুর্ভূজ হৰিক চাৰিওহাতে পুথি লিখাত ব্যস্ত দেখি ভাগ্যৱতী ৰত্নমালী সাষ্টাঙ্গে প্রণিপাত জনায়। গুৰুজনাই ৰত্নামালীৰ উপস্থিতি উমান পাই ৰত্নামালীক অপাৰ্থিৱ দৰ্শনৰ কথা আনক ক'বলৈ মানা কৰি দিছিল। এটা ৰাতিৰ পৰিশ্ৰম কৰি পিছদিনা ৰাজসভাত বিদ্যানুৰাগী ৰজা নৰনাৰায়ণৰ হাতত তুলি দিছিল ভাগৱতৰ সংক্ষিপ্ত সাৰ 'গুণমালা'। যিখন ঠাইত বহি গুৰুজনাই দৈৱশক্তি প্ৰদৰ্শন কৰি ৰত্নমালীক কৃপা কৰিছিল আৰু সেইখন আসনৰ ওপৰত মধুপুৰ সত্ৰৰ আজিৰ দেৱগৃহ। দেৱ আসনৰ ওপৰত আজি শ্ৰদ্ধাৰে ৰক্ষিত শঙ্কৰ গুৰুৰ স্বহস্তে লিখা 'গুণমালা'।

শঙ্কৰদেৱ-মাধৱদেৱ প্ৰমুখ্যে আন আন পণ্ডিতসকলক সংস্কৃতৰ অনুপম সাহিত্যৰাজি অনুবাদ কৰিবলৈ পৃষ্ঠপোষকতা আৰু অনুপ্ৰেৰণাতেই মহাৰাজ নৰনাৰায়ণে নিজৰ দায়িত্ব সামৰা নাছিল। সংস্কৃত বিচক্ষণ পণ্ডিত হৈও তেওঁ মাতৃভাষাৰ ব্যৱহাৰৰ প্ৰতি অধিক আগ্ৰহী আছিল। সেই বাবেই আহোম ৰজা চুখামফালৈ চিঠি লিখোতে তেওঁ মাতৃ ভাষাৰ ব্যৱহাৰ কৰিচিল। ১৪৭৭ শকৰ আহাৰ মাহত লিখা চিঠিখনে ১৬শ শতিকাৰ অসমীয়া গদ্যৰ এক উজ্জ্বল নিদৰ্শন হিচাপে পৰিগণিত হৈছে। বীৰ চিলাৰায়ৰ ক্ষেত্ৰটো একেই কথা। সংস্কৃত ভাষা সাহিত্যত অগাধ ব্যুৎপত্তি থকা সত্বেও তেওঁ পণ্ডিতসকলক 'ভাষাবন্ধে ৰচিয়ো পয়াৰ' বুলি জনসাধাৰণে বুজিব পৰাকৈ ৰচনা কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল। চিলাৰায়ৰ অনুপ্ৰেৰণাতেই গুৰুজনাই ৰচনা কৰিছিল তেওঁৰ অন্তিমখন নাট 'ৰাম বিজয়'।

গুৰুজনাৰ সত্ৰৰ কীৰ্ত্তন ঘৰৰ ওচৰত গুৰুগৃহৰ চাৰিওফালে ভকতসকলৰ বাসগৃহ বা হাটী আছিল। তেওঁৰ ৰচিত কীৰ্ত্তন, বৰগীত, নৃত্য, নাটক সকলো ভাগৱত বিষয়ক। গুৰুজনাৰ যোগেদি ৰজা-প্ৰজা, পণ্ডিতৰ অকল মিলন নহয়, ৰাজ্যৰ সকলো গোষ্ঠীৰ মাজত সমতা স্থাপন কৰে গুৰুজনাই। দীনহীন জনগোষ্ঠীৰ মাজত আত্মশক্তি জগাই তুলি সমাজত সমান অধিকাৰ দান কৰিছে গুৰুজনাই। শিল্প, সাহিত্য, সংগীত, কলাকৃষ্টিত মানুহে নৱজীৱন লাভ কৰে।

**বৃন্দাবনী বস্ত্ৰ ঃ** ৰজা নৰনাৰায়ণ আৰু চিলাৰায় শঙ্কৰদেৱৰ সম্পৰ্ক কেৱল শাস্ত্ৰ ৰচনাতে সীমাবদ্ধ নাছিল। ধৰ্মৰ লগতে শিল্প চৰ্চা আৰু প্ৰশাসন ব্যৱস্থাতো এই সম্পৰ্ক গভীৰভাৱে স্পৰ্শ কৰিছিল। এইক্ষেত্ৰত বৃন্দাৱনী বস্ত্ৰৰ কথা বিশেষভাৱে উল্লেখযোগ্য। ৰজা নৰনাৰায়ণে বহুদিন বহুবাৰ বৃন্দাবন, মথুৰা, দ্বাৰকা, গকুল আদি ঠাইৰ অপূৰ্ব বৰ্ণনা শুনি মনৰ চকুৰে সেই ঠাইবোৰ দেখা পোৱা যেন হৈছিল। ৰজা নৰনাৰায়ণে শ্ৰীকৃষ্ণৰ লীলা-মালা অংকিত কৰি এখনি সু-শোভিত বস্ত্ৰ নিৰ্মাণ কৰিবলৈ গুৰুজনাক অনুৰোধ জনালে।

"ৰাজা বোলে বাপ তুমি ঈশ্বৰ সাক্ষাত।
বৃন্দাবন কৃষ্ণলীলা বস্ত্ৰে আঁকা ঐত।।
শঙ্কৰে বুলিলা বহু আয়োজন লাগে।
বস্ত্ৰ তুলিলে সূতা লাগে ভাগে ভাগে।।
— গুৰু চৰিত

বীৰ চিলাৰায়ে গুৰুজনাক সূতাৰ পৰা তাঁতীলৈকে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰি দিলে। ৰজা নৰনাৰায়ণে সূতাৰ যোগান ধৰাৰ লগতে শঙ্কৰদেৱক তাঁতীকুছি নামৰ সৰু ৰাজ্যখণ্ডৰ দায়িত্ব অৰ্পণ কৰি পাটবাউসীত বৰভূঞা পদত অভিষিক্ত কৰি সেই অঞ্চলৰ চৰ্চা পালন আৰু শাসন কৰিবলৈ ক্ষমতা প্ৰদান কৰে। বাটবাউসীলৈ আহি কেইবাজনো তাঁতী মৰল গোটাই লৈ আলোচনা কৰিলে বস্ত্ৰখন কেনেদৰে ব'ব পৰা যায়। সূতাৰ ৰং, পৰিমাণ, কাপোৰ দীঘ-প্ৰস্থ, কাপোৰত তুলিব লগা ছবি আদি তাঁতীসকলক গুৰুজনাই বুজাই দিলে। এই কামত গুৰুজনাই বুঢ়া গোপাল নামৰ ভকতজনকো লগত ল'লে। ৰঙা, বগা, ক'লা, সেউজীয়া, হালধীয়া বিভিন্ন ৰঙৰ সূতাৰে ছকুৰি হাত দীঘল আৰু তিনিকুৰি হাত

বহল কাপোৰখন সুদীৰ্ঘ ছমাহৰ অন্তত বোৱা শেষ হ'ল। বৈ উঠাৰ পিছত দেখা গ'ল তিনিকুৰি হাত কাপোৰ কমিল। ৰং-বিৰং সূতাৰে বৈ উলিওৱা কৃষ্ণলীলা সম্বলিত কাপোৰখন দেখি মানুহবোৰে তবধ মানিলে। গুৰুজনাৰ কামৰ বিচক্ষণতা, জ্ঞান, কৌশল, আদি দেখি তাৰাৰ প্ৰতি মূৰ আপোনা-আপুনি দোঁ-খাই গ'ল।

বৃন্দাবনী বস্ত্ৰখনলৈ যেতিয়া গুৰুজনা ৰজা নৰনাৰায়ণৰ ৰাজসভাত উপস্থিত হ'ল তেতিয়া তাত সচিত্ৰ শ্ৰীকৃষ্ণ লীলা-মালাৰ অংকন দেখি আশ্চৰ্যত অভিভূত আৰু বৰ্ণনাতীত প্ৰশংসা কৰিলে আৰু পৰম আনন্দিত হৈ ক'লে—

"চলিয়োক ঘৰ আবে দিলো ৰাজ্য খণ্ড।
বৰভূঞা তুমি গুণ-দোষে দিব দণ্ড।।
তোমাৰ অজ্ঞাতে চলিবেক সবে প্ৰজা।
বিদায় দিলন্ত সেইমতে মহাৰজা।।"

পিচত ৰজাই গুৰুজনাক যথাযোগ্য দান-বৰঙণি আগবঢ়ালে। গুৰুজনা ৰাজসভাত শ্ৰেষ্ঠ পাণ্ডিত্যৰ মৰ্যাদা লাভ কৰিলে। এই বস্ত্ৰখন গুৰুজনাৰ লগতে তাঁতীসকলৰ শিল্প প্ৰতিভা আৰু বয়ন কাৰ্যত অনুপম স্বাক্ষৰ। অসমৰ জাতীয় সম্পদ আপুৰুগীয়া বস্ত্ৰখনৰ একো একোটা অংশ বিশ্বৰ সৰ্বমুঠ আঠোটা যাদুঘৰত সংৰক্ষণ হৈ আছে। বৃন্দাবনী বস্ত্ৰখনৰ দুটা অংশ লণ্ডনৰ ভিক্টোৰীয়া এণ্ড এলবাৰ্ট মিউজিয়ামত সংৰক্ষিত হৈ আছে। চাৰ্লছ আলফ্ৰেদ নামৰ এজন ইংৰাজলোকে ভূটানৰ মহাৰজাৰ পৰা এই বস্ত্ৰাংশ সংগ্ৰহ কৰি ব্ৰিটিছ মিউজিয়ামত দান কৰিছিল। ইয়াৰ উপৰি পেৰিছৰ মিউজি গুইমেট সংগ্ৰাহালয়ত দুটা অংশ, লণ্ডনৰ ব্ৰিটিছ মিউজিয়াম অৱ মেনকাইণ্ড সংগ্ৰালয়ত এটা অংশ, ৰেলছৰ চেফাৰ্চটো মিউজিয়ামত এটা অংশ, ভেনিচৰ চেণ্টো ইণ্টাৰনেচনেল সংগ্ৰালয়ত এটা অংশ, আমেৰিকা যুক্তৰষ্ট্ৰৰ ফিলাডেলফিয়া মিউজিয়ামত এটা অংশ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্পাইনিক এণ্ড চনচ্ নামৰ কোম্পানীটোত সংৰক্ষিতহৈ আছে।

এই বৃন্দাবনী পট কাপোৰৰ আলমতে একশৰণ নাম-ধৰ্ম প্ৰচাৰৰ এটি নতুন ভেটি প্ৰতিষ্ঠিত হোৱাৰ লগতে ৰজা নৰনাৰায়ণৰ ধৰ্মৰ প্ৰতি থকা অনুৰাগ ফট্‌ফটীয়া চিনাকি ফুটি উঠাৰ উপৰি দেশৰ প্ৰজাবৰ্গও আকুণ্ঠ চিত্তে একশৰণ নাম-ধৰ্ম গ্ৰহণত বাধাহীন সোঁত বোৱালে। মহাপুৰুষজনাৰ অসাধাৰণ সৃষ্টিশীল প্ৰতিভাৰ স্বাক্ষৰ বহন কৰা এই বস্ত্ৰৰ উপযুক্ত অনুসন্ধান সংৰক্ষণ আৰু বিজ্ঞানসন্মত গৱেষণাৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য নহ'লে অসমৰ ওলাই গৈ ব্ৰিটিছ মিউজিয়ামত থিতাপি লোৱা এই বস্ত্ৰ সময়ৰ সোঁতত পাহৰণিৰ অতল গহ্বৰত জাহ যাবলৈ বাধ্য হ'ব।■■

---

**সহায়ক গ্ৰন্থ ঃ**

১. প্ৰান্তিক
২. সংগ্ৰাম সিংহ মহাবীৰ চিলাৰায় আৰু উত্তৰ পূৰ্বাঞ্চল।
৩. শঙ্কৰজ্যোতি
৪. প্ৰেম মন্দাকিনী
৫. গুৰুচৰিত্ৰ

তুলনা দৰ্পণ

# ৱাল্ট হুইটমেনৰ কবিতাত আধ্যাত্মবাদ

**স্বৰ্ণলতা সাউদ, নলবাৰী**

"বিধাতাৰ অনুশাসনৰ তলত মুক্ত কৰ্মত যাৰ আনন্দ
মই গাওঁ
সেই নতুন যুগৰ মানুহৰ গান।"

(One's self I sing- মই গাঁও সত্তাৰ গান ঃ অনুবাদ-নৰকান্ত বৰুৱা)

বিধাতাৰ অনুশাসন মানি নতুন যুগৰ মানুহৰ গান গোৱা ব্যক্তিগৰাকীয়ে হ'ল আমেৰিকাৰ উনবিংশ শতিকাৰ শ্ৰেষ্ঠ কবি ৱাল্ট হুইটমেন। তেতিয়া আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্বাধীনতাৰ বয়স আধা শতিকাতকৈও কম আৰু ইয়াৰ সাহিত্য আছিল উপনিবেশধৰ্মী। এই সময়তে ১৮১৯ চনৰ মে' মাহৰ ১৩ তাৰিখে লং আইলেণ্ডৰ ৱেষ্ট হিল্‌চ অঞ্চলত এখন সৰু ঠাইত এটি সাধাৰণ পৰিয়ালত পিতৃ-মাতৃৰ অষ্টম সন্তান ৰূপে তেওঁ জন্মগ্ৰহণ কৰে। তেওঁৰ জন্মস্থান, এই সৰু অঞ্চলটো, নিউইয়ৰ্ক (Newyork) চহৰৰ পৰা মাত্ৰ ৩১ মাইলমান আঁতৰত। দেউতাক ৱাল্টাৰৰ নামেৰেই কবিজনাৰ নাম ৱাল্ট ৰখা হৈছিল আৰু তেওঁৰ মাতৃ আছিল লুইছা ৱান ৱেলচ্‌ৰ। পিতৃ এজন বাঢ়ৈ আছিল লগতে পিতৃ-মাতৃৰ বিশেষ শিক্ষাগত অৰ্হতাও নাছিল। আৰ্থিকভাৱে স্বচ্ছল নোহোৱাৰ বাবে ডাঙৰ পৰিয়ালটোৰ ভৰণ-পোষণ কৰাত দেউতাকৰ যথেষ্ট অসুবিধা হৈছিল। সেয়েহে ১৮২০ চনত হুইটমেনৰ পৰিয়ালটো ব্ৰুকলীনলৈ উঠি আহে। ইয়াতেই ৱাল্টে এখন ৰাজহুৱা বিদ্যালয়ত পঢ়া-শুনা কৰে। কিন্তু পৰিয়ালৰ আৰ্থিক দৈন্যতাৰ বাবেই কৈশোৰ বয়সতেই ছপাশালৰ কাম শিকি কেইবাবছৰো মুদ্ৰণ, সংবাদ সেৱা আৰু বাতৰি কাকত সম্পাদনাৰ দৰে কৰ্মত ব্যস্ত থাকে। নিউইয়ৰ্কৰ পৰা প্ৰকাশিত Aurora, Evening Tatler, Brooklyn Daily Eagle আদি কাকতৰ তেওঁ এজন নিয়মীয়া লিখক আছিল। ১৮৪৬ চনৰ পৰা ১৮৪৮ চনলৈ Brooklyn Daily Eagle কাকতখনৰ সম্পাদনাও কৰিছিল। কিন্তু এই পৰিৱেশ তেওঁৰ অনুকূল নাছিল। সাংবাদিক হিচাপে তেওঁ আছিল স্বাধীনচিতিয়া কিন্তু সময় আছিল অতি জটিল। যিটো সময়ত কেইবা দশকজোৰা এক নতুন জাতীয় আৰু স্বাধীন শিল্প-সাহিত্যৰ ধাৰা প্ৰস্তুতিৰ এটি সন্ধান অব্যাহত আছিল। এই ধাৰা আমেৰিকাৰ জীৱন ধাৰা যিয়ে তাৰ ভৌগলিক অৱস্থিতি আৰু ৰাজনৈতিক গণতন্ত্ৰৰ প্ৰতিনিধিত্ব কৰিব পাৰে। হুইটমেনৰ হৃদয়ত অনুৰণিত হ'ল এই নতুন ধাৰা। তেওঁ অনুভৱ কৰিলে যে এজন কবিয়েহে এটা জাতিক এক নৈতিক নায়কত্ব দান কৰিব পাৰে। অইন কোনো মাধ্যমৰ দ্বাৰা এইটো সম্ভৱ নহয়। ১৮৫৫ চনত তেওঁৰ কবিতাৰ গ্ৰন্থ Leaves of Grass (ঘাঁহৰ পাত) প্ৰকাশ পায়। গ্ৰন্থখনৰ পাতনিতে হুইটমেনে উল্লেখ কৰিছে আমেৰিকাৰ বাবে প্ৰয়োজনীয় কবিৰ চৰিত্ৰ। "নতুন কবিজন হ'ব লাগিব 'জনতাৰ সমকক্ষ।' তেওঁ এনে এটা জীৱন-যাপন কৰিব লাগিব যাতে তেওঁৰ দেহেই এটা মহৎ কবিতা হয়, কাৰণ 'সকলো সৌন্দৰ্য আহে সুন্দৰ ৰক্ত আৰু সুন্দৰ মস্তিষ্কৰ পৰা।' কবিতাৰ ৰূপ হ'ব লাগিব 'জৈৱিক' তাৰ অন্তৰৰ পৰিবৃদ্ধিয়ে ৰূপ দিব বাহিৰৰ অৱয়বৰ।" (হুইটমেনৰ এশ কবিতা— নৰকান্ত বৰুৱা) সেয়েহে কবি হুইটমেনে নিজকে কবিতা কৰি তুলিবৰ প্ৰচেষ্টাৰে গোটেই জীৱনটো অতিবাহিত কৰিলে। বিধাতাৰ সৃষ্টিত তেওঁ যি শিশুসুলভ আনন্দ পায় সেই আনন্দই তেওঁক পৱিত্ৰ

কৰে আৰু পৱিত্ৰতা তেওঁ অনুভৱ কৰে যেন তেওঁ স্পৰ্শ কৰা সকলো বস্তু পৱিত্ৰ হৈ যায়। হুইটমেনৰ মতে দক্ষ কবিৰ সাধনাই হ'ল মানুহক 'নৰক'ৰ বিভ্ৰান্তিৰ পৰা ওভোতাই অনা। সেয়েহে চিটৰেলে কৈছে— "হুইটমেনৰ বাবে কবিতাই ধৰ্ম।' তেওঁৰ কবিতাৰ বিষয়বস্তু আছিল প্ৰগতিশীল। দেখাত অত্যন্ত সাধাৰণ যেন লগা বিষয়বস্তুটোও তেওঁৰ দক্ষ হাতৰ পৰশ লাগি, প্ৰকাশশৈলীৰ অভিনৱত্বৰে মনোগ্ৰাহী হৈ উঠিছিল।

হুইটমেনৰ কবিতাৰ এক অন্যতম দিশ হ'ল আধ্যাত্মিকতাৰ সৰল প্ৰকাশ। তেওঁ আপ্ৰাণ চেষ্টা কৰিছিল পাঠকসকলক আত্মা আৰু বাস্তৱতাৰ মাজত থকা পথৰ সম্ভেদ দিবলৈ। Leaves of Grassত সন্নিৱিষ্ট হোৱা 'Song of Myself' কবিতাটোত কবিৰ কল্পনা প্ৰৱণতা সুন্দৰভাৱে প্ৰকাশ পাইছে। কবিতাটোত 'I' শব্দৰ ব্যৱহাৰে প্ৰাধান্য পাইছে আৰু Leaves of Grassৰ প্ৰথম আভৰণৰ আধাখিনি পৃষ্ঠা দখল কৰা 'Song of Myself'ৰ শেষৰ ফালৰ 'I'টো আভ্যন্তৰীণ শূন্যতাৰ বুকুত উৰি ফুৰে। নিজক সমগ্ৰ মানৱসত্তাৰ লগত একীভূত কৰিছে। তেওঁ নিজকে সাধাৰণ জনগণ কৃষক, বনুৱা, চিকাৰী, দাস-দাসী, পলৰীয়া, নাৱৰীয়া, জেলৰ বন্দী কয়দী, কবৰ খন্দা লোকৰ প্ৰতিনিধি হিচাপে প্ৰক্ষেপ কৰিছে। নিজৰ আধ্যাত্মিক জীৱনৰ আদৰ্শস্বৰূপে তেওঁ গ্ৰহণ কৰিছিল দৈহিক বল আৰু জীৱনী শক্তি। জীৱনৰ অভিজ্ঞতালব্ধ বহু কথাই তেওঁৰ কবিতাত জোকাৰণি তোলে। ঘাঁহ এডাল যেনেকৈ অকলে নগজে আৰু বহু ঘাঁহৰ সমাহাৰতহে ঘাঁহনিৰ সৃষ্টি হয় ঠিক তেনেদৰে মানুহ অকলে নাথাকে, মানুহৰ সমাগমতহে সমাজ সৃষ্টি হয়। আমেৰিকাবাসীক আধ্যাত্মিকতাৰ পোহৰেৰে আলোকিত কৰিবৰ কাৰণে কবিয়ে নিজকে সমগ্ৰ আমেৰিকাবাসী সত্তাৰ লগত বিলীন কৰি দিছে। তেওঁৰ আধ্যাত্মিক জগতখনত গতিশীলতাই স্থান পাইছে। তেওঁৰ মানস দৃষ্টিত বাঙ্ময় ৰূপেৰে অনাগত জন্মক্ষণ আগবঢ়াই নিয়াৰ চেষ্টা কৰিছে। তেওঁৰ দৃষ্টিত জন্ম আৰু মৃত্যু নিত্য-নৈমিত্তিক ঘটনা। জন্ম আছে বাবেই মৃত্যু আছে। কাৰোবাৰ মৃত্যু হ'ল বুলিয়েই পৃথিৱী স্থবিৰ হৈ নাযায়।

"All goes onward and outward
nothing collapses
And to die is different
from what any one supposed... "

প্ৰেচিডেণ্ট আব্ৰাহাম লিংকনৰ মৃত্যুত ৰচনা কৰা When Lilacs Last in the Dooryard Bloom'd কবিতাটোত লিংকনৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে আৰু মৃত্যুক জীৱনৰ অবিচ্ছেদ্য পৰিণতি ৰূপে প্ৰতিফলিত কৰিছে। লাইলাক ফুলৰ পাত মানুহৰ কলিজাৰ আকৃতিৰ। এই প্ৰতীক মানৱ প্ৰেমৰ প্ৰতীক। ৰাষ্ট্ৰপতি লিংকনৰ দেহত ফুল ছটিওৱা অভিব্যক্তি কেৱল শ্ৰদ্ধা নিৱেদন নহয়। ই হ'ল মৃতকৰ পুনঃ জীৱনৰ বাবে প্ৰাৰ্থনাৰ প্ৰতীক। মৃত্যুৰ সংজ্ঞা তেওঁৰ অলপ ব্যতিক্ৰমী। 'The sleeper' কবিতাটোত তেওঁ সুন্দৰভাৱে অনুভৱ কৰিছে যে জীয়াই থকা দিনকেইটাত সামাজিকভাৱে এজন লোকে যিমানেই উচ্চ খাপত অধিষ্ঠিত নহওক লাগিলে মৃত্যুয়ে সকলোকে সমান মৰ্যাদা দিয়ে। মৃত্যুৰ সন্মুখত কোনো মুখ্য বা কোনো গৌণ নহয়। তেওঁৰ দৰ্শন পুনঃ জন্ম সমৰ্থনকাৰী। মৃত্যুৰ পিছত মুক্তিলাভ কৰি বৈকুণ্ঠ ধাম পোৱাৰ পৰিৱৰ্তে তেওঁ পুনৰ পৃথিৱীলৈ আহি ধৰাৰ সৌন্দৰ্য পান কৰাৰহে পক্ষপাতি।

'To think of time' কবিতাটোত কবি হুইটমেনে তিনিওকালৰ প্ৰাসংগিকতা আনিছে যদিও বৰ্তমানৰ প্ৰাসংগিকতাক গুৰুত্ব দিছে। বৰ্তমানৰ মানুহৰ কাৰণে বৰ্তমানৰ সকলো কথাই প্ৰয়োজনীয় যেনেকৈ অতীতৰ কথা অতীতৰ মানুহৰ কাৰণে প্ৰয়োজনীয় আছিল ঠিক তেনেদৰে ভৱিষ্যতৰ কথাও ভৱিষ্যত প্ৰজন্মৰ কাৰণে প্ৰাসংগিক হ'ব।

হুইটমেনৰ ৰচনাত সদায়ে দুটা দিশ স্পষ্টভাৱে

উন্মোচন হোৱা দেখা যায়। এটা হ'ল আধ্যাত্মিকতা আৰু আনটো বাস্তৱতা। 'Song of the open road' কবিতাটোত এই দুয়োটা দিশ সমান্তৰালভাৱে আগুৱাই নি এনে এক মধুৰ ৰসৰ সৃষ্টি কৰিছে যে ইয়াত কবিৰ সূক্ষ্ম মানসিক দৃষ্টিভঙ্গীৰ এক জীৱন্ত চিত্ৰ পৰিলক্ষিত হয়। কবিয়ে গোটেই বিশ্বখনকে এটা ৰাজপথ বুলি দেখুৱাবলৈ যত্ন কৰিছে আৰু এই ৰাজপথ আত্মাৰ যাত্ৰাপথ হিচাপে চিহ্নিত কৰিছে। কবিৰ মানৱ দৰদী আদৰ্শ আৰু গোটেই বিশ্বক আপোন কৰি লোৱাৰ প্ৰৱণতাই বিশ্বজনীন আবেদন প্ৰস্ফুটিত কৰিছে। বিশ্বৰ সকলোৰে তেওঁৰ যাত্ৰাপথত অধিকাৰ আছে। তেওঁৰ মুক্ত পথত ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত, সুস্থ-অসুস্থ আটায়ে নিজৰ মতে যিফালে মন যায় স্বাধীনভাৱে নিব পাৰে। উন্মুক্ত আত্মাৰ বিচৰণভূমি এই বিশ্ব কাৰো কাৰণে সংৰক্ষিত নহয়। আধ্যাত্মিকতাৰ ফালৰ পৰা আত্মাৰ ভেদাভেদ নাই। সেয়েহে তেওঁ যাত্ৰীসকলক আত্মাৰ সমদল (Procession of souls) বুলি উল্লেখ কৰিছে। তেওঁৰ জীৱন পৰীক্ষাগাৰত সিদ্ধ হৈ অহৰহভাৱে ওলাই অহা কবিতা পুঞ্জই এক আধ্যাত্মিক সৌধ প্ৰতিষ্ঠা কৰিছে।

আধ্যাত্মিক মন, উচ্চতৰ মানসিক শক্তি, আত্মা, সূক্ষ্ম অনুভূতি, সংস্কৃত চিন্তা (Refined thought) আদিক সামৰি লয়। সেয়েহে আধ্যাত্মিক জ্ঞান আত্মা, পৰমাত্মা আৰু বিশ্বৰ বাস্তৱ নিয়মৰ অধ্যয়নৰ লগত জড়িত। হুইটমেনৰ কবিতাত স্পষ্টভাৱে দেখা পোৱা যায় এই চিৰপ্ৰৱাহমান সৰ্বব্যাপ্ত সত্তা, যি সত্তাই সৰ্বকালৰ সৰ্বলোকৰ মানুহক ভগৱানৰ সৈতে আত্মিক সংযোগ ঘটাইছে। কবিয়ে তেওঁৰ জীৱনী শক্তিক আধ্যাত্মিক জীৱনৰ আদৰ্শ স্বৰূপে গ্ৰহণ কৰিছে। তেওঁ চেতনাত ভগৱানক বিশ্বৰ মূল হিচাবে স্বীকাৰ কৰিছে। কবিয়ে 'Song of Myself'ত তলত দিয়া ধৰণে প্ৰকাশ কৰিছে।

"And I know that the hand of God is the elder hand of my own,

And I know that the spirit of God is the eldest brother of my own,

And that all men ever born are also my brothers.... and the women my sisters and lovers."

ডাৰউইনৰ জীৱৰ ক্ৰমবিকাশৰ তত্ত্বক স্বীকাৰ কৰিও কবিয়ে ভগৱানক পাহৰা নাই, ভগৱানৰ পৰম সত্তাক স্বীকাৰ কৰিছে। তেওঁ অনুভৱ কৰিছে যে মানৱ আত্মাৰ অনুসন্ধান হৈছে সমস্তকে একাকাৰ কৰা আৰু সৃষ্টিকৰ্তাৰ প্ৰকৃত লক্ষ্যৰ প্ৰতি বোধ জন্মোৱা। আধ্যাত্মিকতাৰ জৰিয়তে কবিয়ে বিশ্ব ভাতৃত্ববোধৰ বীজ ৰোপণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছে। আধ্যাত্মিক দৃষ্টিৰে কবিয়ে অনুভৱ কৰিছে যে সকলো বাধা-বিঘিনি আঁতৰাই সমস্ত পৰিধি ভেদ কৰি মানুহক একলগ কৰিব পাৰি। হুইটমেনৰ চিন্তা আদৰ্শই নিশ্চয় বিশ্বত এখন শান্তিৰ পৃথিৱী সৃষ্টি কৰাত সহায়ক হ'ব।■■

---

**প্ৰসঙ্গ পুথি ঃ**

১. গৰীয়সী ঃ দ্বাদশ সংখ্যা, ২০০৬ চন

২. হুইটমেনৰ এশ কবিতা ঃ নৰকান্ত বৰুৱা, ১৯৭৩ চন।

৩. Walt Whitman Select Poems : Dr. Raghukul Tilak, 2011

# সৰ্বগুণাকৰ মহাপুৰুষ শঙ্কৰদেৱ

**বৰদা শইকীয়া, মঙ্গলদৈ**

ভোগবাদী আৰু বস্তুবাদী প্ৰৱণতাই সৃষ্টি কৰা তাড়নাত অসমীয়া জাতিয়ে নিজক পাহৰি পেলাইছে। স্বাৰ্থসিদ্ধিৰ বাবে নিজৰ অস্তিত্ব বৰ্জন কৰিবলৈও সাজু হৈছে। ফলত আৰম্ভ হৈছে সমাজৰ, দেশৰ তথা জাতিৰ স্খলন। নিজৰ ভাষা, সাহিত্য, সংস্কৃতি এৰি অন্য পথলৈ গতি কৰিছে। পাশ্চাত্যৰ অন্ধ অনুকৰণত স্বকীয় সত্বা বিসৰ্জন দিবলৈ কুণ্ঠাবোধ কৰা নাই। সমাজৰ বয়ঃসন্ধিৰ চাকনৈয়াত পৰি অসমীয়া জাতি আজি ঘোৰ সংকটৰ মুখামুখী হৈছে। সংগঠিত প্ৰক্ৰিয়াৰ পৰিৱৰ্তে বিশৃঙ্খলতাই গা কৰি উঠিছে। জীৱনৰ বয়ঃসন্ধিকালক মনোবিজ্ঞানীসকলে 'Storm and stress of human life' বুলি কৈছে। জীৱনৰ বয়ঃসন্ধিকাল সুচাৰুৰূপে অতিবাহিত কৰিবলৈ প্ৰয়োজন হয় এজন আদৰ্শ নেতাৰ। নেতাজনৰ আদৰ্শৰাজিয়ে যুৱক-যুৱতীৰ জীৱনত প্ৰভাৱ পেলায়। সু-শৃঙ্খলিত জীৱনৰ বাবে আদৰ্শৰ পূজাৰী হ'বলৈ তেওঁলোকে বাঞ্ছা কৰে। "The adolescence called the period of hero worship. The youths some times sacrifice their lives for sake of some ideals" ঠিক সেইদৰে বয়ঃসন্ধি কালত উপনীত হোৱা অসমীয়া জাতিৰ বাবে এখন সুশৃঙ্খলিত সমাজৰ বাবে প্ৰয়োজন হৈছে এগৰাকী আদৰ্শ নেতাৰ। যিগৰাকীৰ আদৰ্শই এটা জাতিক, এখন সমাজক প্ৰকৃত পথৰ সন্ধান দিব পাৰে। প্ৰকৃত নেতা এজনৰ সন্ধান কৰা আৰু সেই নেতাজনৰ আদৰ্শত জাতিটোক পুনৰুদ্ধাৰ কৰাটো প্ৰতিজন অসমীয়াৰ দায়িত্ব আৰু কৰ্তব্য হোৱা উচিত।

আজি অসমীয়া জাতিয়ে পাহৰি যোৱা উচিত নহয় যে সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ, সৰ্বগুণাকৰ মহান আদৰ্শ ব্যক্তি শ্ৰীমন্ত শঙ্কৰদেৱে ৫৬৪ বছৰ আগতে অসমত জন্মগ্ৰহণ কৰি অসমীয়া জাতি গঠন কৰি থৈ গৈছে। এতেকে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক আদৰ্শ নেতা হিচাপে স্বীকাৰ কৰি তেঁওৰ আদৰ্শৰাজি পালন কৰিলে অসমীয়া জাতি নিজেও ধন্য হ'ব আৰু মহাসংকটৰপৰাও মুক্ত পাব।

ভাৰতৰ কিম্বা বিশ্বৰ অন্যান্য ধৰ্মগুৰুসকললৈ যদি আমি লক্ষ্য কৰো তেনেহ'লে এটা কথা স্পষ্ট হয় যে, তেখেতসকলে ধৰ্মগুৰু ৰূপেই খ্যাতি লাভ কৰিছে। কিন্তু অসমৰ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ পৃথিৱীৰ একমাত্ৰ ধৰ্মগুৰু— যিগৰাকী আছিল একেধাৰে বিদগ্ধ পণ্ডিত, শাস্ত্ৰজ্ঞ, কবি, ভাষা সাহিত্যৰ গুৰু, কলা-সংস্কৃতিৰ গুৰু, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, নৰ্তক, অভিনেতা, চিত্ৰশিল্পী। তেখেত আছিল সাম্য-মৈত্ৰীৰ ধ্বজাবাহক, অস্পৃশ্যতা বৰ্জনকাৰী, বিপ্লৱী সমাজ সংস্কাৰক ৰূপে সমাজ গঢ়োতা। ঘোৰ এন্ধাৰ কলীয়া ডাৱৰ গুচাই পোহৰৰ বাট উলিয়াই গঢ়ি তুলিছিল 'অসমীয়া জাতি'।

যেতিয়াই ধৰ্মৰ নামত অধৰ্ম, সংস্কৃতিৰ নামত দুস্কৃতি, পূজাৰ নামত বলি-বিধান আদি নানা ধৰণৰ অশান্তি, অসূয়াই অসমখন ছানি ধৰিছিল, তেতিয়াই মানৱতাৰ মুক্তিৰ বাবে আৱিৰ্ভাৱ হৈছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ। সত্য সনাতন ভগৱান শ্ৰীকৃষ্ণৰ আদৰ্শৰে নিজৰ জীৱন কৰিছিল ধন্য। 'একশৰণ হৰিনাম ধৰ্ম' প্ৰচাৰাৰ্থে তেখেতে বলি-বিধানৰ দৰে আসুৰিক কাৰ্যসমূহৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিল। ধৰ্ম প্ৰচাৰৰ লগে লগে ঐক্য-সংহতি, সাহিত্য-সংস্কৃতিৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লৈছিল।

মহামানৱ মহাত্মা গান্ধীয়ে অস্পৃশ্যতা বৰ্জনৰ বাবে ভাৰতবৰ্ষত যি পন্থা হাতত লৈছিল, মহাপুৰুষ শঙ্কৰদেৱে তেখেততকৈ পাঁচশ বছৰ আগতেই এই পন্থা গ্ৰহণ কৰিছিল। তেখেতৰ আদৰ্শত নাছিল উচ্চ-নীচ, নাছিল জাতি-ভেদ।

"ব্ৰাহ্মণ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি এক তুল।।"

মহাপ্ৰতিভাধৰ মহাপুৰুষ শঙ্কৰদেৱৰ বাবেহে এই বিপ্লৱী মহানুভৱতা সম্ভৱ হ'ব পাৰে।

ভাৰতৰ এগৰাকী বিশিষ্ট পণ্ডিত এইছ. ভি শ্ৰীনিবাস মূৰ্তিয়ে তেখেতৰ এটি প্ৰবন্ধত লিখিছে— “শঙ্কৰদেৱ আছিল এক মহৎ প্ৰতিভা, দ্ৰষ্টা আৰু ভৱিষ্যত বক্তা, যিজনাত গোটেই অসমীয়া সংস্কৃতি সাৰভূত হৈছিল বুলি ক’ব পাৰি।” মহাপুৰুষজনাৰ বিষয়ে মহেশ যোশী নামৰ আন এগৰাকী পণ্ডিতে এক সুন্দৰ আলোকপাতৰ সৃষ্টি কৰিছে— যিটো এতিয়াও অসমীয়াৰ মাজত বোধগম্য হোৱা নাই। তেখেতে কৈ গৈছে— “সমসাময়িক কালত তেৱেঁই আছিল মহৎ দাৰ্শনিক আৰু ৰাজনীতিবিদ। সমকালীন তেওঁৰ সমকক্ষ নহয়।” এয়া একেবাৰে সত্য কথা। বিভিন্ন জাতি-উপজাতিক একগোট কৰি মহাপুৰুষে সৃষ্টি কৰিছিল ‘বৰ অসম’। বৰ্তমানৰ ৰাজনীতিয়ে ‘বৰ অসম’ খণ্ড-বিখণ্ড কৰি নিচিহ্ন কৰি পেলালে। এয়া কেনে পৰিতাপৰ কথা। দুষ্কৃতি নাশি, সংস্কৃতি প্ৰতিষ্ঠা কৰাই আছিল মহাপুৰুষজনাৰ আদৰ্শ তাৰাৰ ভাষা, সাহিত্য, সংস্কৃতিৰ পূৰ্ণকলা স্বৰূপ। যতীন্দ্ৰনাথ দুৱৰাদেৱে গুৰুজনাৰ বিষয়ে লিখিছে—

“বোৱালা ভক্তিৰ সোঁত, দিলা ধৰ্ম, দিলা জ্ঞান।
দিলা ভাষা অসমক কৰিলা জীৱন দান।।
তোমাৰ জীৱনীদেৱ লিখে এনে সাধ্য কাৰ।
গোটেই অসম ভূমি বিস্তৃত জীৱনী যাৰ।।”

ভাৰতবৰ্ষৰ এগৰাকী বিশিষ্ট পণ্ডিত ড° বাসুদেৱ শৰণ আগৰৱালাদেৱে কৈছে— “শঙ্কৰদেৱ আছিল দীপ্তিময় সূৰ্যটোৰ দৰে, যাৰ মানস উত্তাপত অসম সহস্ৰ দল কমলৰ দৰে প্ৰস্ফুটিত হৈছিল। মধ্যযুগৰ অসমত যি সাংস্কৃতিক নৱজাগৰণৰ সূচনা হৈছিল তাত শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰভাৱ কিমান গভীৰ আৰু ব্যাপক আছিল সেইটো কল্পনা কৰাটোও টান।” শঙ্কৰদেৱৰ বিৰাট পাণ্ডিত্য, কবি হিচাপে মহত্ব হৃদয়জুৰি থকা জাতীয় চেতনা আৰু অন্তঃসলিলা আধ্যাত্মিক অন্তৰ্দৃষ্টিৰ প্ৰতি আগৰৱালাদেৱে শ্ৰদ্ধাত মূৰ দোৱাইছে।

এগৰাকী আদৰ্শ নেতা বুলি শঙ্কৰদেৱৰ বিস্তৃত জীৱনী দাঙি ধৰাৰ ধৃষ্টতা নাই। জন্মৰ কৰ্ম, প্ৰতিটো গুণ আনৰ বাবে অনুকৰণীয়। গুৰুজনাৰ একান্ত শিষ্য মাধৱদেৱে গুৰুজনাৰ আদৰ্শ ৰক্ষাৰ্থে নিজৰ জীৱনৰ সৰ্বস্ব ত্যাগ কৰিছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱে কৈ গৈছে— “শঙ্কৰদেৱ অসমৰ সকলো কালৰ সৰ্বশ্ৰেষ্ঠ ব্যক্তি আৰু কেইবাহাজাৰ বছৰতো তেনে এজন সৰ্বগুণাকৰ ব্যক্তি এই অসমভূমিত জন্ম লোৱাৰ প্ৰতিশ্ৰুতি নাই।”

লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভা আদি গুণীৰ গুণ বুজা ব্যক্তিসকলে অসাধাৰণ প্ৰতিভাধৰ শঙ্কৰদেৱক মণিকূটত আৱদ্ধ নাৰাখি বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰি গৈছে। কিন্তু অজ্ঞানী, মূৰুখ,অকৃতজ্ঞ জাতিটোৱে শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰকৃত সত্বা চিনিব নোৱাৰি কক্বকাই থাকিবলগা হৈছে। লক্ষ্মীনাথ বেজবৰুৱাদেৱে লিখি গৈছে—

“গুৰু লাগে মই শিক্ষিত শিষ্য
জগতত জাননী দিলো
জগতৰ গুৰু শঙ্কৰ ঘৰতেই
অন্ধলাই নিচিনিলো।”

জাতিৰ অৱক্ষয়ৰ এই মুহূৰ্তত আমি প্ৰতিগৰাকী অসমীয়াই জাতীয় ঐক্য, জাতীয় সত্বা অক্ষুণ্ণ ৰখা এখন শুদ্ধ, সত্য, সুন্দৰ সমাজ গঢ়িবৰ বাবে স্বাগতম জনাব লাগিব জাতীয় নেতা সশ্ৰদ্ধ কৃতজ্ঞতা জনাইছোঁ—

“কি কহব শঙ্কৰ দেৱৰ মহিমা
জানি জ্ঞানী অন্ত নাপায়।
যাকেৰি চৰণক ৰেণু শিৰে পৰশি
মুকুতি সুখে সুখ পায়।।”■■

**সহায়ক গ্ৰন্থ ঃ**

১. শ্ৰীমন্ত শঙ্কৰদেৱ ঃ কৃতি আৰু কৃতিত্ব— শিৱনাথ বৰ্মন
২. জ্যোতিপ্ৰসাদ ৰচনাৱলী ঃ অসম প্ৰকাশন পৰিষদ
৩. মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ ঃ ৰজনীকান্ত কলিতা
৪. ‘বিশিষ্ট পণ্ডিত মনীষীৰ দৃষ্টিত শ্ৰীমন্ত শঙ্কৰদেৱ” শীৰ্ষক প্ৰবন্ধ— অক্ষয় কুমাৰ মিশ্ৰ

# বিশাখাপট্টনমত সাত দিন

**পুলুমা ভঁৰালী, লখিমপুৰ**

ভ্ৰমণ কৰিলে জ্ঞানৰ পৰিসৰ বৃদ্ধি পায়। অন্তৰৰ সংকীৰ্ণতা, কলুষতা লুপ্ত হৈ বাস্তৱ জ্ঞানৰ গভীৰতা আৰু প্ৰসাৰতা বাঢ়ে। আকাশৰ বিশালতা, সাগৰৰ গভীৰতা যেনেদৰে নিৰ্ণয় কৰিব পৰা নাযায়, ঠিক সেইদৰে ভ্ৰমণৰ জৰিয়তে পোৱা অভিজ্ঞতা তথা জ্ঞানৰ ব্যাপকতা নিৰ্ণয় কৰিব পৰাটো সহজ নহয়। সমাজৰ 'প্ৰাথমিক গোট' পৰিয়াল। এই গোটৰ পৰা সমাজলৈ, সমাজৰ পৰা নিজ জিলালৈ, জিলাৰ পৰা ৰাজ্যলৈ, ৰাজ্যৰ পৰা বহিঃৰাজ্যলৈ যেতিয়া ভ্ৰমণ কৰা হয় তেতিয়া দুখন ৰাজ্যৰ মাজত তুলনামূলকভাৱে পৰ্যবেক্ষণ কৰিলে কিছুমান পাৰ্থক্য দেখা যায়। সপ্তাহজোৰা বিশাখাপট্টনম ভ্ৰমণৰ কিছু অভিজ্ঞতা আমাৰ পাঠক সমাজত প্ৰকাশ কৰাৰ প্ৰবল ইচ্ছা থকা বাবে প্ৰকাশ কৰাৰ প্ৰয়াস কৰিছোঁ।

প্ৰাথমিক বিদ্যালয়ত মুখত আখৈ ফুটাদি আওঁৰাইছিলো— ব্ৰহ্মপুত্ৰ নদী তিব্বতৰ মানস সৰোবৰ হ্ৰদৰ পৰা ওলাই বিভিন্ন ঠাইত বিভিন্ন নাম লৈ অসমৰ মাজেৰে বৈ গৈ বঙ্গোপসাগৰত পৰিছেহি।

বঙ্গোপসাগৰৰ গভীৰ জলধাৰাৰ অপৰূপ দৃশ্য উপভোগ কৰাৰ মানসেৰে অসম মুলুকৰ লখিমপুৰ জিলাৰ পৰা সুদূৰ বিশাখাপট্টনম্‌লৈ ৰে'লেৰে যাত্ৰা কৰিলো। ২০ মাৰ্চ ২০১২ তাৰিখে মই আৰু মোৰ লগৰীয়া হিচাপে মোৰ ছোৱালী আৰু ভতিজি, তিনিও গুৱাহাটীৰ পৰা ছেকেন্দ্ৰবাদ এক্সপ্ৰেছ ৰেলখনৰ শীত-তাপ নিয়ন্ত্ৰিত দ্বিতীয় শ্ৰেণীৰ নিৰ্দিষ্ট আসনত যাত্ৰা আৰম্ভ কৰিলো পুৱা ৬.৩০ বজাত। গুৱাহাটীৰ পৰা বিশাখাপট্টনম্‌লৈ প্ৰায় ১৮৭৭ কি.মি.। এই সুদীৰ্ঘ পথ অতিক্ৰম কৰি বিশাখাপট্টনম্‌ত ৰেল ৰোৱাৰ মুহূৰ্ততে আগৰে পৰা আমাৰ বাবে অপেক্ষা কৰি থকা আমাৰ বোৱাৰীয়ে আমাক আগবঢ়াই নিলে।

এছিয়া মহাদেশৰ সৰ্ববৃহৎ লুণীয়া পানীৰ হ্ৰদ হ'ল চিল্কা হ্ৰদ। উৰিষ্যা ৰাজ্য পাৰ হৈ যাওঁতে এই হ্ৰদৰ মনোৰম দৃশ্য প্ৰত্যক্ষ কৰিছিলো।

মাৰ্চ মাহত বিশাখাপট্টনমৰ তাপমাত্ৰা অসমৰ তুলনাত বহুত বেছি। ৰে'লৰ পৰা নামিয়েই আমি অসহ্য গৰমত চাতিফুটি কৰিছিলো যেন জুইতহে ভৰি দিছো।

আমাৰ আৱাসগৃহ হ'ল এটা ভাড়াঘৰ। আধুনিক পদ্ধতিৰে সজা দুটা আহল-বহল শোৱনি কোঠাৰ লগতে প্ৰতিটো কোঠাতে একোটাকৈ আলমীৰাসহ প্ৰভু ভগৱন্তক সেৱাৰ বাবে অকনমান আসন নিৰ্মাণ কৰা আছে। ৰন্ধনশাল আৰু স্নানাগাৰ, শৌচাগাৰৰ সৈতে এটা আটক ধুনীয়া ঘৰ। ভাড়াঘৰ যেন অনুভৱ নকৰিলো। সুধি চাই গম পালো যে তাৰ ভাৰাঘৰবোৰ এই আৰ্হিতে সাজে।

দিনৰ ৩.৩০ বজাত আমি থকা ঠাই অৰ্থাৎ মালকাপুৰম্‌ৰ আশে-পাশে মানুহবোৰৰ ৰেহ-ৰূপ ওপৰ মহলৰ পৰাই লক্ষ্য কৰিলো। সেই অঞ্চলত সৰহখিনি ফল-মূলৰ দোকান। আঙুৰ, তৰমুজ, পকা অমিতা, পকা মধুৰিআম, ডালিম, কমলা আদি প্ৰচুৰ পৰিমাণে তেতিয়াই বজাৰত সহজ লভ্য। যিবোৰ আমাৰ অসমত তেতিয়া (মাৰ্চত) ফুলিছেহে মাত্ৰ। কেঁচা অমিতা বজাৰৰ ক'তো দেখা নাপালো। তাৰ মানুহবিলাকে মাত্ৰ অমিতা পকাহে খায়। দুটা অমিতা

কিনি আনি খাবৰ মনেৰে কাটিলো, ভিতৰত কিন্তু এটাও গুটি নাই। ভিতৰৰ বৰণ চকলেট ৰঙৰ, চেনিৰ দৰে মিঠা। সৰহসংখ্যক দোকানী মহিলা। মাজে মাজে দুই-এখন মনিহাৰী, বেকাৰী, শাক-পাচলিৰ দোকান। মহিলা দোকানীবোৰৰ গিৰিহঁতে বিভিন্ন উদ্যোগৰ কৰ্মচাৰী আৰু ল'ৰা-ছোৱালীবোৰ বিদ্যালয়ত থাকে। মাকবোৰে সাধাৰণ সাজ-পোছাক পৰিধান কৰি দোকানত বহে। তাৰ মানুহবোৰে ফলমূলত বেছি গুৰুত্ব দিয়ে। অন্যহাতে সিহঁতৰ প্ৰধান আহাৰ হিচাপে ড'ছা আৰু ইড্‌লি আৰু ৰুটিৰ প্ৰচলন বেছি।

তাৰৈ যোৱাৰ প্ৰধান উদ্দেশ্য হ'ল সাগৰৰ দৃশ্য উপভোগ কৰা। সেয়ে ৰাতিৰ টোপনি ভালদৰে নহ'ল যদিও সপোনত বঙ্গোপসাগৰৰ গভীৰ জলধাৰাৰ উন্মুক্ত ঢৌৱে উপকূল অঞ্চল ধোৱাই নিয়া দৃশ্য দেখা পালো। পিছদিনা আবেলি তিনি বজাত প্ৰবল গৰমকো নেওচি R.K. Beach লৈ যাত্ৰা কৰিলো। সাগৰৰ কিযে মনোৰম দৃশ্য, চাই চাই হেঁপাহ নপলায়। তেলেগুসকলৰ বছেৰেকীয়া উৎসৱৰ মেলা বহিছে সেইদিনা। মুখ্যমন্ত্ৰীক আদৰিবলৈ তেওঁলোকৰ বিভিন্ন কৃষ্টি প্ৰদৰ্শন কৰি নৃত্য-গীতেৰে সমদল, ঠায়ে ঠায়ে মুকলি মঞ্চত প্ৰতিষ্ঠিত ব্যক্তিৰ গীত প্ৰদৰ্শন। সাগৰৰ চিক্‌মিকিয়া বালিত বিভিন্ন সাগৰীয় মণি-মুকুটা, শংখ আদিৰে নিৰ্মিত সামগ্ৰীৰ দোকানবোৰে দৃষ্টি আকৰ্ষণ কৰিছে। দুই এটা উটৰ পিঠিত উঠি মানুহবিলাক ইঠাইৰ পৰা সিঠাইলৈ লৈ গৈছে। চেক্‌ বুজি উটটো আমি চুই চালো। সাগৰৰ পাৰৰ পাৰ্কত ফুলনিৰ মাজে মাজে যথেষ্ট কাৰুকাৰ্যৰে শিলত কটা মূৰ্তি, আহল-বহল পকী ৰাস্তা, বহা আসন, পোহৰৰ সুব্যৱস্থা, তিনি কিল'মিটাৰ ব্যাসাৰ্দ্ধৰ দীঘল এই পাৰ্কে পানীৰ সৌন্দৰ্য দুগুনে বঢ়াইছে। চকুৰে মনিব পৰালৈকে দৃষ্টি নিবন্ধ কৰি একে থৰে চাই-মনতে প্ৰয়াত গীতিকাৰ জয়ন্ত হাজৰিকাদেৰৰ গীত গুণগুণাবলৈ মন গ'ল— 'জুৰি বয় নদী লৈ, নদী যায় সাগৰলৈ...."

এইদৰে পানীৰ পৰা দহ মিটাৰ মান দূৰত তন্ময় ভাবত বিভোৰ হৈ থাকোতে কেতিয়ানো সাগৰৰ জোৱাৰে আমাক একাঠুলৈকে পানীৰে ধোৱাই সকলো কাপোৰ-কানি তিয়াই পেলালে আমি টলকিবই নোৱাৰিলো। ঠিকেই কৰিছে, আমি সাগৰৰ পানী স্পৰ্শ কৰি চিনাকি হ'ব লাগিছিল, কিন্তু আমি সৌন্দৰ্য উপভোগ কৰাতহে ব্যস্ত হৈ আছিলো। পিছত দেখিছো আমাৰ আশে-পাশে বহুতো লোকে এবুকুলৈকে পানীত নামি গা ধুইছে, কোনোৱে সৰু সৰু ল'ৰা-ছোৱালীক দুহাতত ধৰি আঠুলৈকে তিয়াইছে, কোনোৱে ঢকঢকিয়া বালিত বহি লগত লৈ যোৱা লঘু আহাৰ গ্ৰহণ কৰিছে, কিযে অপৰূপ দৃশ্য! সাগৰীয় বতাহে আমাক যেন কাণে কাণে কৈ গ'ল— 'পুনৰ আহিবা দেই...।' অ' পাহৰিছোৱেই সাগৰীয় জোৱাৰে আমাৰ ছোৱালীজনীৰ ভৰিৰ চেণ্ডেল এপাট উটুৱাই লৈ গ'ল। যথেষ্ট সময় অপেক্ষা কৰিলো চেণ্ডেলপাট পাবৰ বাবে, তথাপিও নাই। পিছত মোৰ মনত ভাব হ'ল দ্বিতীয়পাত চেণ্ডেলো পানীলৈ পেলাই দিবলৈ। পেলাই দিয়া প্ৰায় তিনি মিনিটমানৰ পিছতে দেখিলো প্ৰথমপাত চেণ্ডেল আহি পাৰৰ বালিত পৰি আছে, তাৰ পিছতে দ্বিতীয়পাত। কিযে আচৰিত! বোৱাৰীয়ে ক'লে— 'সাগৰে কেতিয়াও লৈ নাযায়, দি থৈহে যায়।' সন্ধিয়া বেলি ডুবু-ডুবু, হেঙুলীয়া ৰহণে সাগৰৰ পানীৰ লগতে আমাৰ মনটোও হেঙুলীয়া বৰণে উপচাই পেলালে। তাৰ পৰা অলপ দূৰত থকা Vuda park লৈ গ'লো। তাত Submarine Museum ৰ ভিতৰত সোমাই সকলোবোৰ অংশ তন্ন তন্নকৈ চাই গ'লো।

তৃতীয় দিনা আমি Dockyard লৈ গ'লো। তাত যুঁজাৰু জাহাজ INS Krich (য'ত আমাৰ ল'ৰাৰ কৰ্মস্থান)ত উঠি তিনি খলপীয়া জাহাজখনত মণিপুৰৰ এজন, নগাঁৰৰ এজন আৰু পাঠশালাৰ এজন কৰ্মচাৰীয়ে ভিতৰলৈ নি সকলোবোৰ স্থান

যেনে— এশ পঞ্চাশ জন কৰ্মচাৰীয়ে বাস কৰা শোৱানি কোঠা, ভোজনালয়, ৰন্ধনশাল, স্নানাগাৰ, শৌচাগাৰ, খেল পথাৰ আদি জাহাজতে থকা সকলোবোৰ দেখুৱাই গ'ল। তাত প্ৰায় পঞ্চল্লিছখন জাহাজ আমি প্ৰত্যক্ষ কৰিলো। তাৰ ভিতৰত আটাইতকৈ ডাঙৰ জাহাজখন হ'ল অলপতে আমেৰিকাৰ পৰা ক্ৰয় কৰি অনা 'জলশ্ব' প্ৰায় ২০০ মিটাৰ। মাজে মাজে বুকুখন কঁপি উঠিছিল দেশৰ শান্তিৰ বাবেই যে এই তৰুণ সৈনিকসকলে কঠোৰ বাস্তৱকো নেওচি দিনে ৰাতিয়ে প্ৰহৰী হৈ আছে পানীৰ মাজত, গভীৰ সাগৰৰ মাজত। উস্ ভগৱান, বিজ্ঞানৰ কি যে আৱিস্কাৰ। আৰু এটা আচৰিত কথা কোনো পদপথ নোহোৱাকৈ সাজি থোৱা Visit tourist places of Visakhapattnam ৰ কৈলাশগিৰিৰ Rope Way, Circular trainৰে যাব পাৰি। পোহৰৰ সুব্যৱস্থা থকা ইমান পৰ্বতৰ ওপৰত কিয়ে আটক ধুনীয়াকৈ সুসজ্জিত কৰি ৰাখিছে যেন নন্দন কাননহে। ফুলনিৰ মাজে মাজে পকী ৰাস্তা, দোকান-বজাৰ, ঝিৰঝিৰ নিজৰা বৈ আছে, ভাস্কৰ্যবিদে নিখুঁতকৈ নিৰ্মাণ কৰা 'শিৱ আৰু পাৰ্বতী' মূৰ্তিৰ পদযুগলৰ ওচৰেৰে। বগা ৰঙেৰে নিৰ্মাণ কৰা মূৰ্তি দুটাক বেচ ধুনীয়া কৰিছে পৰ্বতৰ গছ-লতাৰে আবৃত্ত পৰিৱেশত পোহৰৰ সুন্দৰ ব্যৱস্থাৰ বাবে। তাত মূৰ্তি পূজাৰ প্ৰচলন বেছি।

চতুৰ্থ দিনা দেশৰ আগশাৰীৰ শিক্ষানুষ্ঠান অন্ধ্ৰ বিশ্ববিদ্যালয়লৈ যাত্ৰা আৰম্ভ কৰিলো। আমাৰ বোৱাৰী সেই বিশ্ববিদ্যালয়ত ইংৰাজী বিভাগত অধ্যয়ৰণত ছাত্ৰী হেতু সেইকণ সৌভাগ্য মিলিল। প্ৰথমে সেই বিশ্ববিদ্যালয়ৰ দ্বিতীয়জন উপাচাৰ্য ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ আৱক্ষ মূৰ্তি প্ৰত্যক্ষ কৰিলো। আবেলি তেতিয়া চাৰি বাজিছে। শান্ত পৰিৱেশ। পুথিভঁৰালটো যথেষ্ট ডাঙৰ। সন্মুখত এখন ফুলনি, মাজে মাজে পকী ৰাস্তা, ডাঙৰ ডাঙৰ মহানিমৰ গছৰ শাৰী পাতি ৰুই থোৱা আছে। কিন্তু কি আচৰিত, ফুলৰ জোপোহাৰ আঁৰে আঁৰে এজনকৈ ছাত্ৰ-ছাত্ৰীয়ে হাতত কিতাপ লৈ একাগ্ৰচিত্তে অধ্যয়নত মগ্ন। কাৰো শব্দ নাই। আমি ওচৰেৰে পাৰ হৈ যাওঁতে এজনেও মূৰ তুলি চোৱা দেখা নাপালো। পুথিভঁৰালৰ কৰ্মচাৰীসকলো কামত ব্যস্ত। দুই এজনৰ লগত পৰিচয় হৈ আমি আঁতৰি আহিলো। অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰেৰে আহোতে মাত্ৰ বোৱাৰীয়ে কৈ আহিল 'Excuse me'। আমাৰ অসম ৰাজ্যৰ বহুতো যুৱক-যুৱতীয়ে যি সময়ত অধ্যয়নৰত অৱস্থাতে বাট এৰি অবাটে অগ্ৰসৰ হৈছে, পঢ়াৰ নামত নগৰ-মহানগৰৰ ৰেষ্টুৰেণ্টত, ধাবা, জুৱা, হত্যা, ধৰ্ষম, লুণ্ঠন, অপহৰণ আদি কাৰ্যত লিপ্ত হৈ ৰঙাঘৰৰ আলহী হৈ অভিভাৱকসকলক সমাজত মুখ উলিয়াব নোৱাৰা অৱস্থাত পেলাইছে, তেনে সময়ত অন্ধ্ৰপ্ৰদেশৰ যুৱক-যুৱতীসকলৰ এটা বিপৰীতমুখী ছবি দেখা পাই মনত বহুতো আনন্দ লাগিল। সেই সময়তে মনত পৰিল সত্যনাথ বৰাদেৱৰ অমৃতবাণীলৈ— 'পঢ়নৰ পৰা দূৰৈৰ মানিক হাততে পোৱা যায়' কথাষাৰ যেন এওঁলোকৰ ক্ষেত্ৰতহে প্ৰজোয্য হৈছে তেনে ভাব মনলৈ আহিল।

মনত পৰিল চিনেমা জগতখনলৈ। সেয়ে পঞ্চম দিনা Timmapuram Bheemili Beach Roadত থকা Dr. Ramanaidu Film Studio. চাবলৈ গ'লো। সাগৰৰ পাৰৰ নিৰিবিলি পৰিৱেশ, শ্বুটিঙৰ বাবে ফুল, গছ, শিলত কটা মূৰ্তি আটক ধুনীয়াকৈ ৰাখিছে।

"নৌ-সেনা বাগ' সৈনিক জোৱানসকলৰ থকা (Quarter) ঘৰ। passলৈ সোমাব লাগে। প্ৰৱেশ দ্বাৰৰ ভিতৰফালে আহল-বহল পকী ৰাস্তা, দুয়োকাষে শাৰী শাৰী গছ, ডাঙৰ ক'লা জামুৰ গছ। দুখন কেন্দ্ৰীয় বিদ্যালয়, এটা চিনেমা হ'ল, বিভিন্ন খেলৰ সুকীয়াকৈ খেলপথাৰ আৰু এখন কেণ্টিন। সিহঁতৰ পৰিয়ালৰ সকলো সুবিধাই তাত বিদ্যমান, কোনো বেষ্টনীৰ ভিতৰৰ পৰা বাহিৰলৈ ওলাই আহিব

নালাগে। দুই-তিনি মহলাৰ ঘৰৰ বাদেও তিনিটা বিশ মহলাৰ কোৱাৰ্টাৰ পৰিলক্ষিত হ'ল। সেই নৌসেনা বাগৰ ভিতৰৰে এটা পৰিয়াল আছে আমাৰ গৃহ ৰাজ্য যোৰহাটৰ। তাতে আমি সোমালো। পৰিচয় পৰ্বৰ পিছতে লঘু আহাৰ গ্ৰহণ কৰি কথা-বাৰ্তা পাতোতে হঠাতে মহিলা গৰাকীক সুধিলো —আপুনি বাৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সঙ্গী নেকি? তেখেত উত্তৰ দিলে— 'হয়'। মইও ক'লো— 'ময়ো'। কিযে আমাৰ অন্তৰ আত্মাৰ মিলন ঘটাৰ দৰে দুয়ো দুয়োকে সাৱটি ধৰি 'কৃষ্ণ কৃষ্ণ' বুলি সেৱা ধৰিলো। 'বিদেশত আপোন মানুহ' পোৱাৰ দৰে কিযে ভাল লাগিছিল ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। 'এই পাঁচটা দিনে বহুতো ঘূৰিছো যদিও আজিহে যেন মই শান্তি পাইছোঁ'—এই বুলি ব্যক্ত কৰি ৰাতি প্ৰায় আঠ বজালৈকে তেখেতৰ লগত আলাপ কৰিলো। তেখেতে পুতেক আৰু বোৱাৰীয়েকৰ লগত আছিল। অন্য এটা আৱাস গৃহ ডলফিনলৈ যোৱা নহ'ল।

আটাইতকৈ লক্ষণীয় বিষয় এইযে অন্ধ্ৰপ্ৰদেশ চৰকাৰে মুখ্য আলিবাটবোৰৰ বাবে যিমান ধন খৰচ কৰিছে তাক দেখি আমি বিস্ময় মানিলো। আলিবাটৰ দুয়োকাষে ওখ ওখ দেৱাল। দুই শাৰীযুক্ত আলিবাট যথেষ্ট আহল-বহল। তাত সেই কেইদিন ঘূৰি ক'তো ট্ৰেফিক পুলিচ দেখা নাপালো। দিনত অতিপাত গৰমৰ বাবে ৰাতিহে মানুহৰ সমাগম বেছি। ৰাস্তাত অট', কাৰ, বাছ অহৰহ অহা-যোৱা, ক'তো ইমান ভিৰৰ মাজতো পুলিচে নিয়ন্ত্ৰণ কৰা দেখা নাপালো। হাজাৰ-বিজাৰ মটৰ চাইকেল, কাৰ আদি পাৰ্কিঙত থৈ বিভিন্ন ঠাই চাবলৈ যায়, কিন্তু এখনো গাড়ী চুৰি হোৱা গম নাপালো, পুলিচ আদিও নাই। ৰাতি দহ বজালৈকে কিশোৰী, যুৱতী, মহিলা আদি অকলশৰে ফুৰা দেখিলো। চৰকাৰী বাছত কিন্তু মহিলা কণ্ডাক্টৰ নিয়োগ কৰা দেখিলো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ এটা সুবিদা এই যে ২০০ টকা তিনিমাহৰ বাবে এখন পৰিচয় পত্ৰ প্ৰদান কৰে নিৰ্দিষ্ট চৰকাৰী বাছসমূহত উঠি য'লৈকে মন যায় বিনা ভাৰাই অন্ধ্ৰপ্ৰদেশৰ ভিতৰতে ভ্ৰমণ কৰিব পাৰিব। তিনি মাহৰ মূৰে মূৰে পুনৰ নৱীকৰণ কৰিব লাগিব। কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে কেতিয়াও টিউশ্বন নকৰে। গধূলি ৫ বজা পৰ্যন্ত ক্লাছ হয় শিক্ষানুষ্ঠানত। গতিকে শিক্ষা ব্যৱস্থা আমাৰ ৰাজ্যতকৈ যথেষ্ট উন্নত। সপ্তাহজোৰা ভ্ৰমণকালত বাতৰিৰ শিৰোনাম দখল কৰা অপহৰণ, হত্যা, ধৰ্ষণ, লুণ্ঠন, ডকাইতি আদি ঘটনা বিশাখাপট্টনমত দেখা নাপালো।

শেষত সকলোকে অৱগত কৰো যে ভাব বিনিময়ৰ ক্ষেত্ৰত আমাৰ যথেষ্ট ভাষাৰ সমস্যাই অলপ আমনি দিছিল। বিশেষকৈ ইংৰাজী ভাষা ভালকৈ লিখিব জানিলেই নহ'ব, সলসলীয়াকৈ ক'ব নাজানিলে কিছুমান সমস্যাৰ সৃষ্টি হয়। আমি তাত সেই সমস্যাত পৰিলোহেঁতেন যদি আমাৰ লগত বোৱাৰী নাথাকিলেহেঁতেন।

অসমলৈ ওভতি আহোতে দুখন ৰে'ল সলনি কৰি আহিব লগা হৈছিল। শ্বালিমাৰত পুৱা ৬.৩০ বজাত ৰে'লৰ পৰা নামি প্ৰায় আবেলি ২ বজালৈ কটাবলগা হোৱা বাবে ল'ৰাৰ এজন সহকৰ্মী (বাগুইআতী, কলকাতা) এজনে টেক্সিৰে আমাক লৈ গ'লহি। চাৰিজনীয়া তেওঁলোকৰ পৰিয়ালটোৰ লগত মৰম-প্ৰীতিৰে সেইখিনি সময় পাৰ কৰি পুনৰ তেওঁ তেওঁলোকে টেক্সিৰে প্ৰায় ২.৩০ বজাত গুৱাহাটী অভিমুখী ৰে'লগাড়ী (হাওৰা ষ্টেচন)ত থৈ গ'লহি। সেই কেইদিন যদিও নিজৰ গৃহটি তলাবন্ধ কৰি গৈছিলো, প্ৰভু ভগৱন্তক সকলো ভৰসা এৰি কোনো হানি-বিঘিনি নোহোৱাকৈ তাৰাই পুনৰ নিচলা পঁজাটিত দেহাটি জিৰণি দিলেহি। গতিকে মই ক'ব বিচাৰো ঈশ্বৰত বিশ্বাস আৰু তাৰাক অন্তৰত স্থানৰ অবিহনে একোৰেই সিদ্ধি লাভ নহয়।■■

# ভক্তিপন্থৰ কণ্টক

**কিৰণ শইকীয়া বৰা, মঙ্গলদৈ**

জাতি, বিদ্যা, ৰূপ, যৌৱন আৰু ধন— এই পাঁচবিধত যাৰ গৌৰৱ আছে তেওঁ কেতিয়াও ঈশ্বৰত ভকতি কৰিব নোৱাৰে, কৰিলেও সিদ্ধ নহয়। ইয়াৰ বাহিৰেও ভক্তিপন্থৰ কণ্টক হিচাপে কিছুমান বাহিৰৰ কাৰক আৰু কিছুমান ভিতৰৰ কাৰকে ক্ৰিয়া কৰি থাকে। কু-সঙ্গ, কু-দৃশ্য দৰ্শন, কু-বাক্য কথন, কু-গীত বা কথা শ্ৰৱণ, কু-শাস্ত্ৰ পাঠ আৰু স্মৰণ হ'ল বাহিৰৰ কণ্টক। এইবোৰ কণ্টক অলপ চেষ্টা বা যত্ন কৰি বৰ্জন কৰিব পাৰি। সদশাস্ত্ৰ পাঠ, সদসঙ্গৰ লগত আলাপ, সু-চিত্ৰ দৰ্শন, সু-গীত, সুবাক্য শ্ৰৱণ কৰিব পাৰিলে এইবোৰ কণ্টক আঁতৰি যাবলৈ বাধ্য হয়।

কিন্তু দেহৰ ভিতৰত যিবোৰ কণ্টক আছে সেইবোৰ মহাশক্তিমান। এই কণ্টককেইটা হৈছে ছয় ৰিপু— লোভ, মোহ, কাম, ক্ৰোধ, মদ আৰু মাৎসৰ্য। বৰ্তমান সময়ত সৰহভাগ লোকেই এই ৰিপুকেইটাৰ দ্বাৰা বেয়াকৈ আক্ৰান্তিত হৈছে। সেয়ে সকলোবোৰ প্ৰচাৰ মাধ্যম অনীতি-অনাচাৰ, দুৰ্নীতি, সংঘৰ্ষ, হত্যা, লুণ্ঠন, অন্যায়, অবিচাৰ, প্ৰতাৰণা, ভ্ৰষ্টাচাৰ আদিৰ খবৰে সিংহভাগ দখল কৰি আহিছে। প্ৰচাৰিত বাতৰিয়ে এইবোৰ কমোৱাৰ পৰিৱৰ্তে বঢ়োৱাতহে ইন্ধন যোগাইছে। ইয়াৰ বলি হৈছে সৰ্বসাধাৰণ জনতা, দুখীয়া-নিছলা আৰু মাতৃ সমাজ। পাঁচশ বছৰ আগতেই এইসকল নিষ্পেষিত, নিপীড়িত লোক আৰু আইমাতৃসকলৰ মুক্তিৰ বাবে মহাপুৰুষ শঙ্কৰদেৱ গুৰুজনাই নিজৰ ধন-সম্পত্তি, বৈভৱ, সময় অকুণ্ঠিতচিত্তে ত্যাগ কৰি পৰিৱৰ্তনৰ ঢৌ বোৱাই আনিছিল। সেয়া বৰ্তমান সময়ৰ সৰহভাগ লোকে নেওচাৰ ফলত পূৰ্বৰ অৱস্থাতকৈয়ো বেয়ালৈ গতি কৰিছে

> যদি কাম আহে কামৰ লগত সমুখ সমৰত কোন নামিবা, সি কিন্তু অতি বলবান শত্ৰু। ধৈৰ্য আগবাঢ়ি আহি ক'লে— মহাৰাজ চিন্তা নকৰিব। কামৰ লগত মই যুদ্ধ কৰিম। ধৈৰ্য গুণ থকা ব্যক্তিক কামে কোনো অনিষ্ট সাধিব নোৱাৰে। শেষত ৰজাই ক'লে আটাইতকৈ পৰাক্ৰমী শত্ৰু ক্ৰোধ যদি আগবাঢ়ি আহে তাৰ লগত কোনে যুদ্ধ কৰিবা? ক্ৰোধক পৰাভূত কৰিব পাৰিম বুলি ক্ষমা আগবাঢ়ি ক'লে— মহাৰাজ ক্ৰোধৰ লগত মই যুদ্ধ কৰিম। ক্ৰোধাগ্নিক মই ক্ষমাৰূপী পানীৰে এক মুহূৰ্ততে নিৰ্বাপিত কৰিব পাৰিম।

আজিৰ সমাজ জীৱন।

আমাৰ যুৱ সমাজ এইবোৰৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিয়াৰ সময় ইতিমধ্যে আহি পৰিছে। পিছে আনক শুধৰোৱাৰ চেষ্টা কৰিবলৈ যোৱাৰ আগতে নিজে শুদ্ধ হৈ ল'ব লাগিব। 'উপদেশতকৈ আৰ্হি ভাল' বুলি কথা এটা আছেই নহয়। শাস্ত্ৰৰ অপব্যাখ্যা কৰি শাস্ত্ৰৰমতে চলিছো বুলি এচামে বিনাদ্বিধাই বেয়া কাম কৰি থাকে। এনে ঘটনা শঙ্কৰদেৱ গুৰুজনাৰ দিনটো ঘটিছিল। কাঢ়লা বাঢ়ৈ নামৰ ভকত এগৰাকীয়ে শাস্ত্ৰৰ অপব্যাখ্যা কৰি কিছুমান বেয়া কাম কৰি আছিল। কথাখিনি গুৰুজনাৰ কাণত পৰিল। এদিন মাধৱদেৱে, নাৰায়ণ দাস ঠাকুৰ আতা সহিতে অন্যান্য ভকতৰ লগত গুৰুজনাই শাস্ত্ৰৰ তত্ত্ব সম্পৰ্কে আলোচনা কৰি থকা সময়ত কাঢ়লা বাঢ়ৈ আহি সেৱা জনালেহি। বাঢ়ৈক দেখি গুৰুজনাই তেওঁনো কিয় নীতি-সদাচাৰ ত্যাগ কৰি অনাচাৰ-অনীতিত লিপ্ত হৈছে সুধিলে। উত্তৰত কাঢ়লাই ক'লে আপুনি ৰচা পদ শ্ৰীকৃষ্ণৰ মুখেৰে উদ্ধৰক—

"লোভ মোহ কাম ক্ৰোধ বিষয় আক্ৰোশে।
নোচোৱয় মোৰ ভকতক একো দোষে।।"

বুলি যি বাক্য কোৱাইছে তাকে আমি মানি চলিছো। পদৰ গূঢ়াৰ্থ নুবুজাকৈ আচৰণ কৰাত গুৰুজনাই খেদ প্ৰকাশ কৰি ক'লে— "অনেক প্ৰবন্ধকৈ জীৱৰ কুশলৰ অৰ্থে পদ ৰচনা কৰিছো। এনেকৈ বুজিব লাগিলে ফল ওলোটাহে হ'ব বুলি একাদশ স্কন্ধৰ পৰা পদফাকি গুচাব বিচৰাত নাৰায়ণ দাস ঠাকুৰ আতাই বাধা দি ক'লে— "বোলে বাপ পদফাকি কটা নাযাব। সেই ফাকিয়েহে আমাক ৰক্ষা কৰি আছে।" গুৰুজনাই তেতিয়া নাৰায়ণ দাসে পদফাকি কেনেকৈ বুজিছে সুধিলে।

উত্তৰত নাৰায়ণ দাসে ক'লে— বোলে বাপ লোভ, মোহ, কাম, ক্ৰোধ আদি ৰিপু আমাৰ শৰীৰত আছে। লোভে ধৰিলে আনৰ বহুত আছে সেইবোৰলৈ চিন্তা নকৰো নিজৰ ঘৰত শাক শোকোতা যি আছে তাকে ভুঞ্জি লোভ সামৰো। মোহে ধৰিলে আনৰ ধন-বিত, ঐশ্বৰ্য-বিভূতি অনেক আছে, আমাক সেইবোৰ নালাগে নিজৰ তাম-পিতল, গো-মহিষ, সা-সম্পত্তি যি আছে তাতে সন্তোষ লভো। কামে ধৰিলে নিজৰ বিবাহিতা স্ত্ৰী আছে তাতে সাফলো। ক্ৰোধে কৰিলে নিজৰ ভাৰ্যা-পুত্ৰ, দাস-দাসী এইবোৰত খেদো।

ঠাকুৰ আতাৰ ব্যাখ্যা শুনি সমাজত থকা সকলোৰে হয় হয় বুলি শলাগিলে। কিন্তু মাধৱদেৱে মনে মনে থাকিল। কথাটো মন কৰি নাৰায়ণ দাসে ক'লে— "বাপ, আমি কলো সবেও শলাগিলে, পিচে সখী দেখোন মনে মনে থাকিল।" গুৰুজনাই তেতিয়া মাধৱদেৱক সুধিলে— "বৰা পো তুমি দেখোন মাত মতা নাই।' মাধৱদেৱে উত্তৰত ক'লে— "বাপ, আমি সখীৰ লগত একমত হ'ব পৰা নাই। তেওঁ কৈছে তেওঁৰ ভাৰ্যা-পুত্ৰ, দাস-দাসী, কাঁহ-পিতল আদি যি ধন-সম্পদ আছে তাকে ভোগ কৰি সন্তোষ লভিব। পিছে মই কি কৰিম? মোৰ ফটা কঠাখন আৰু লাওটোৰ বাহিৰে কিটো আছে?"

গুৰুজনাই তেতিয়া মাধৱদেৱে পদফাকি কেনেকৈ বুজিছে সুধিলে। মাধৱদেৱে উত্তৰত ক'লে— "আমাৰ সকলোৰে অন্তৰত দুখন ৰাজ্য আছে—এখন ধৰ্ম বা বিবেক। ধৰ্মৰ ৰাণী হ'ল ভক্তিমাতৃ। তেওঁৰ সেনাপতি চাৰিগৰাকী। তুষ্টি, সন্তোষ, ক্ষমা, দয়া। আনখন ৰাজ্য অধৰ্মৰ। অধৰ্মৰ ৰাণী হ'ল মায়া। তেওঁৰো লোভ, মোহ, কাম, ক্ৰোধ নামৰ চাৰিগৰাকী সেনাপতি আছে। একৰ অধৰ্মই ৰাণী মায়া আৰু সেনাপতি চাৰিজনৰ লগত আলচ কৰি ধৰ্মৰ ৰাজ্য আক্ৰমণ কৰিবলৈ মন মেলিলে। কথাটি জানিব পাৰি বিবেকে ভক্তিমাতৃৰ লগত আলোচনা কৰিলে শত্ৰুপক্ষই আমাক আক্ৰমণ কৰিব বিচাৰিছে, আমাৰ সেনাপতিসকলে শত্ৰুপক্ষক ওফৰাব পাৰিবনে? চাৰি সেনাপতিয়ে লগে লগে উত্তৰ দিলে আমি সাজু হৈ আছো, চিন্তা নকৰিব।

তেতিয়া ৰজাই সুধিলে তোমালোক কোনজন সেনাপতি শত্ৰুপক্ষৰ কোনজন সেনাপতিৰ লগত সমুখ সমৰত নামিবা? যদি লোভ আগবাঢ়ি আহে আমাৰ কোনজন যাবা। সেনাপতি তুষ্টি আগবাঢ়ি আহি ক'লে— লোভক মই বলে পাৰিম। নিজে তুষ্ট হৈ থাকিলে লোভ নিজে নিজে আঁতৰি যাবলৈ বাধ্য হ'ব। মোহে ধৰিলে কোন আগবাঢ়িবা? এইবাৰ সন্তোষ আগবাঢ়ি আহি ক'লে মোহক মই পৰাভূত কৰিম। যদি কাম আহে কামৰ লগত সমুখ সমৰত কোন নামিবা, সি কিন্তু অতি বলবান শত্ৰু। ধৈৰ্য আগবাঢ়ি আহি ক'লে— মহাৰাজ চিন্তা নকৰিব। কামৰ লগত মই যুদ্ধ কৰিম। ধৈৰ্য গুণ থকা ব্যক্তিক কামে কোনো অনিষ্ট সাধিব নোৱাৰে। শেষত ৰজাই ক'লে আটাইতকৈ পৰাক্ৰমী শত্ৰু ক্ৰোধ যদি আগবাঢ়ি আহে তাৰ লগত কোনে যুদ্ধ কৰিবা? ক্ৰোধক পৰাভূত কৰিব পাৰিম বুলি ক্ষমা আগবাঢ়ি ক'লে— মহাৰাজ ক্ৰোধৰ লগত মই যুদ্ধ কৰিম। ক্ৰোধাগ্নিক মই ক্ষমাৰূপী পানীৰে এক মুহূৰ্ততে নিৰ্বাপিত কৰিব পাৰিম।

কথাখিনি শেষ কৰি মাধৱদেৱে গুৰুজনাক ক'লে বোলে বাপ পদফাকিৰ অৰ্থ মই এনেদৰে বুজিছো। মাধৱদেৱৰ তত্ত্ব কথা শুনি গুৰুজনা সন্তোষিত হৈ উদাসীন ভকতসকলে বৰা-পোৱে দিয়া ব্যাখ্যামতে আৰু গৃহাশ্ৰমীসকলে নাৰায়ণ দাস ঠাকুৰ আতাই ব্যাখ্যা কৰামতে চলিবলৈ উপদেশ দিলে।

বৰ্তমান সমাজত চলি থকা চকু, কাণ, উশাহ বন্ধ কৰিবলগীয়া হোৱা পৰিস্থিতি নিৰাময়ৰ বাবে আমাৰ যুৱ সমাজে নাৰায়ণ দাস ঠাকুৰ আতা আৰু মাধৱদেৱ গুৰুজনাই আগবঢ়োৱা ব্যাখ্যামতে লোভ, মোহ, কাম, ক্ৰোধ আদি সৰ্বনাশীয়া ৰিপুসমূহ দমন কৰি আগবাঢ়ি অহাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। এইক্ষেত্ৰত মহাপুৰুষ মাধৱদেৱেও এটি ঘোষাৰে সকীয়াই থৈ গৈছে। তাৰাই ছয় ৰিপুৰ ভিতৰত তিনিটা ৰিপুক ভয়ংকৰ ৰূপত চিহ্নিত কৰিছে—

"যতেক অনৰ্থ আছে সংসাৰত
তাতে তিনিবিধ সাৰ।
কাম ক্ৰোধ লোভ আপুন নাশন
জানি কৰা পৰিহাৰ।।"

— নাম-ঘোষা

সচাঁকৈয়ে মানৱ জীৱনৰ মহাশত্ৰু এই তিনি ৰিপুৰ কবলত পৰি মানুহৰ মনুষ্যত্ব গুণ লোপ পাই অহাৰ বাবেই আজি সমাজ জীৱন, ব্যক্তি জীৱন কলুষিত হৈ পৰিছে। শান্তি, সম্প্ৰীতি, শৃঙ্খলা ব্যাহত হৈছে। কেৱল নিজৰ সুখ ভোগ, ক্ষমতা ঐশ্বৰ্য-বিভূতিৰ পিছত মানুহে নিগনি দৌৰ আৰম্ভ কৰিছে। ক্ষন্তেকীয়া সুখ ভোগৰ বাবে নিকৃষ্টতম কামো কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে মানুহে।

এইবোৰ প্ৰতিহত কৰিবলৈ যুৱ সমাজ কপিল, হৰ, শুক, সনকৰ দৰে নিৰ্গুণা ভক্তি; ব্ৰহ্মা, নাৰদ, মনু, যমৰ দৰে কেৱলা ভক্তি বা প্ৰহ্লাদ, বলি, ভীষ্ম, জনকৰ দৰে সপ্ৰেমা ভক্তি অন্তৰত থাপি জীৱৰ কল্যাণৰ বাবে আগুৱাই আহক। এদিন নহয় এদিন বৰ্তমানৰ এই শ্বাসৰুদ্ধকৰ পৰিস্থিতি পৰিৱৰ্তন হ'ব সি ধ্ৰুৱপ।■■

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰু যুৱ সমাজৰ ভূমিকা

**ক্ষীৰদাপ্ৰভা দাস, বৰপেটা**

এখন সুস্থ্য সমাজতহে সুস্থ্য মানৱৰ শুদ্ধ ভাব-চিন্তা ধৰ্ম আধ্যাত্মিক নৈতিক চৰিত্ৰ আদি প্ৰকাশ সম্ভৱ হয়। আনহাতে অস্বাভাৱিক সামাজিক বাতাবৰণে মানুহৰ মন-প্ৰাণ সমাজৰ পৰিৱেশ কলুষিত কৰি নিজৰ লগতে দহৰো বা দেশৰ ক্ষতি সাধন কৰিব, ই অনস্বীকাৰ্য। সেয়েহে বৰ্তমান সময়ৰ যুৱ-প্ৰজন্মই প্ৰকৃত ৰূপত গঢ় ল'বলৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰ কৰি যোৱা একশৰণ হৰিনাম ধৰ্ম আৰু কৃষ্ণ-সংস্কৃতিক মাধ্যম হিচাপে লৈ যুৱক-যুৱতীসকল একো একোজন সৎ চৰিত্ৰৱান আৰু সৌন্দৰ্যশালী ব্যক্তি স্বৰূপে বৰ্তমান সমাজৰ বুকুত থিয় দিব পৰাটো গৌৰৱৰ কথা। সংস্কৃতিয়ে সুস্থ মানৱ গঢ়ে, দুস্কৃতিয়ে সকলো দিশ বিনাশ কৰে। সেয়েহে বৰ্তমান প্ৰেক্ষাপটত মানুহৰ সামাজিক চেতনাবোধ লোপ পাই অহাৰ সময়তে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত থকা যুৱক-যুৱতীসকলে মাৰ বান্ধি সমাজ বিৰোধী কামৰ প্ৰতিবাদ কাৰ্যসূচী পালন কৰি বৰ্তমানৰ যুৱ-উচ্ছৃঙ্খল অৱস্থা নিৰাময়ৰ বাবে যুৱক-যুৱতীসকলে আধ্যাত্মিকভাৱে নাম-ধৰ্ম প্ৰচাৰ কৰাৰ প্ৰয়োজন হৈ পৰিছে, যিহেতু আজিৰ মানৱ সমাজৰ বাবে প্ৰয়োজন হৈছে এটি মূল্যবোধ ভিত্তিক জীৱনাদৰ্শৰ।

ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ দেশ। মানৱ সভ্যতাৰ প্ৰথম পাতনি এই ভাৰতবৰ্ষতেই। পৃথিৱীৰ আটাইতকৈ প্ৰাচীন ধৰ্ম ইয়াতেই প্ৰৱৰ্তন হৈছিল। ঋষি-মুনিসকলে তপ-জপ-যজ্ঞ যোগৰ সাধনাৰে চিন্তা-চৰ্চা কৰি আধ্যাত্মিক ভাৱনাৰে বেদ, উপনিষদ আদি মানৱ কল্যাণৰ বাবে বহুতো অৱদান দি থৈ গৈছে।

গতিকে এখন সুস্থ সবল সমাজ গঠন কৰিবলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ লক্ষ্য আৰু উদ্দেশ্য সাধনৰ বাবে যি সামাজিক দায়িত্বৰ ভাগ বিতৰণৰ জৰিয়তে মৰ্যাদাপূৰ্ণ স্থান দখলেৰে সামাজিক গতি-বিধি নিৰূপিত হৈ আহিছে, সেই ক্ষেত্ৰতো যুৱক-যুৱতীসকলে অধিক সচেতন হোৱা উচিত। কাৰণ সময় বৰ নিষ্ঠুৰ হৈ আহিছে। দেশক বা সমাজখন ৰক্ষা কৰিব লাগিলে আমি গুৰুজনাৰ আদৰ্শ শিৰোগত কৰি তাৰাৰ বাটেৰে বাট-বুলিবই লাগিব। সাম্প্ৰতিক সময়ত যুৱ-উচ্ছৃংখল আজিৰ সমাজৰ বাবে হৈ পৰিছে এক ভয়াবহ প্ৰত্যাহ্বান স্বৰূপ। পৰিশ্ৰমহীনতাই পংগু কৰি তুলিছে যুৱ সমাজৰ জীৱন প্ৰণালী। এয়া এক সামাজিক ব্যাধি। যাৰ ফলত দেশৰ ভৱিষ্যতক লৈও এক আশংকা নামি আহিছে। গতিকে দেশৰ অস্তিত্বক সুৰক্ষা দিবলৈ আমাৰ বাবে সুস্থ-সবল মানসিকতাৰ প্ৰয়োজন অপৰিহাৰ্য হৈ পৰিছে। ভালে-বেয়াই সমাজ পৰিপূৰ্ণ। কিন্তু ইয়াৰ ভাৰসাম্যৰ ওপৰত নিৰ্ভৰ কৰে সমাজৰ উত্থান-পতন। গতিকে এইক্ষেত্ৰত যুৱ-সমাজৰ দায়বদ্ধতা যথেষ্ট আছে।

সেয়েহে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই মহান উদ্দেশ্য আগত ৰাখি যুৱক-যুৱতীসকলক গুৰুজনাৰ আদৰ্শৰে সংগঠিত কৰি তেওঁলোকৰ দৈহিক, মানসিক, নৈতিক, আধ্যাত্মিক বিকাশৰ বাবে আৱশ্যকীয় কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰি সমাজৰ সু-বৃহৎ শক্তি

সেৱাবাহিনী কেন্দ্ৰীয়ভাৱে গঠন কৰে ১৯৯৫ চনত। কেন্দ্ৰীয়ভাৱে গঠন কৰা সেৱাবাহিনী প্ৰতি জিলা শাখা, আঞ্চলিক শাখা, প্ৰাথমিক শাখাতো গঠন কৰা হয়। সমাজ সংস্কাৰ আৰু সংগঠনৰ অৰ্থে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই সেৱাবাহিনীত যুৱক-যুৱতীসকলক আগস্থান দি আহিছে। সেয়েহে অপৰিহাৰ্য কৰ্তব্যৰ তাগিদাত সমাজ তথা দেশৰ দায়িত্ব গ্ৰহণ কৰিবলৈ প্ৰস্তুত যুৱ সমাজেও প্ৰথমে নিজৰ সৰ্বতোপ্ৰকাৰৰ যোগ্যতা স্বচ্ছ তথা পৱিত্ৰ মানসিকতা আৰু অভ্যাস গঢ়ি তুলিব লাগিব। এই প্ৰমূল্যসমূহৰ অভাৱতে স্বচ্ছ নৈতিক শিক্ষাৰ অভাৱতে আজিৰ সমাজে তথা দেশত বিষবাষ্প বিয়পি পৰিছে। সুস্থ সাংস্কৃতিক বাতাবৰণ, গভীৰ ঈশ্বৰ বিশ্বাস অবিহনে এইবোৰ কদাপি সম্ভৱ নহয়। মানৱ জাতিৰ কল্যাণৰ সু-বৃহৎ শক্তি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উদ্দেশ্যসমূহ আত্ম-বিশ্লেষণৰ জৰিয়তে আত্মশুদ্ধি কৰিবলৈ যত্নপৰ হ'ব লাগিব।

আন এটা দিশ হ'ল সমাজৰ অৰ্থৰ প্ৰয়োজনীয়তা এৰাব নোৱাৰা সম্পৰ্ক। অৰ্থ অবিহনে কোনো মানুহ চলিব নোৱাৰে। আমাৰ সমাজখনৰ উত্তৰণত যি অৰ্থ উপাৰ্জন কৰিব লাগিব, সি আমাৰ ব্যক্তি জীৱনৰেই অংশ বিশেষ। সেয়েহে অৰ্থৰ দিশটোত প্ৰত্যেকজন যুৱক-যুৱতী সচেতন হোৱাটো প্ৰয়োজন। যিহেতু অৰ্থৰ অপপ্ৰয়োগে আমাক যিদৰে দৰিদ্ৰ কৰিব পাৰে, ঠিক তেনেদৰে অৰ্থৰ অসৎ উপাৰ্জনে আমাক সৎ উদ্দেশ্য সাধনতো বাধা জন্মাব পাৰে। সেয়েহে কোনো প্ৰকাৰৰ আৱেগ অনুভূতিজনিত কু-প্ৰবৃত্তিৰ বশৱৰ্তী হৈ অন্যায়ভাৱে অৰ্থ উপাৰ্জন কৰা কথা চিন্তা নকৰি, ন্যাস আৰু সৎভাৱে উপাৰ্জন কৰি অৰ্থনৈতিকভাৱে স্বাৱলম্বিতা অৰ্জন কৰা উচিত। সেয়েহে আমি অৰ্থ উপাৰ্জনৰ ক্ষেত্ৰত অৰ্থ-বিনিয়োগ কৰা ভোগবাদী তথা অপসংস্কৃতিৰ দিশবোৰৰ প্ৰতি গুৰুত্ব আৰোপ নকৰি নিজকে একোজন সংস্কৃতিসম্পন্ন ব্যক্তি গঢ়ি তুলিবৰ বাবে সুকৰ্ম সংস্কৃতিৰ প্ৰতি গুৰুত্ব আৰোপ কৰিব পৰাটোও হ'ব এক অন্যতম পদক্ষেপ।

বৰ্তমান যুগৰ যুৱক-যুৱতীসকলে ধৰ্ম বা ঈশ্বৰৰ প্ৰতি বিশ্বাসহীন হৈ পৰিছে। আধ্যাত্মিকতাহীন ধৰ্মীয় অনুষ্ঠানত কোনো আদৰ্শগত শান্তি আনিব নোৱাৰে। এনে এটা সন্ধিক্ষণত মানৱ সমাজত শান্তি-প্ৰগতি আৰু উন্নতিৰ বাবে একমাত্ৰ উপায় হৈছে মহাপুৰুষসকলে দেখুওৱা আধ্যাত্মিকতাৰ প্ৰকৃত আদৰ্শ। মানৱ জাতিৰ সভ্যতা বিনষ্ট নহ'বৰ কাৰণে সময়ে সময়ে মহাপুৰুষসকলৰ আবিৰ্ভাৱ হৈ আধ্যাত্মিক বিকাশৰ বাবে ধৰ্ম প্ৰচাৰ কৰে। ধৰ্মৰ উদ্দেশ্য হৈছে— সকলো মানৱ হৃদয়ত আধ্যাত্মিক বিকাশ ঘটোৱা। যি ধৰ্মই মানৱ হৃদয়ত আধ্যাত্মিক বিকাশ ঘটাব নোৱাৰে, তেনে ধৰ্মৰ আশ্ৰয়লৈ মানৱ সভ্যতা কেতিয়াও আগুৱাই যাব নোৱাৰে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শ চিৰন্তন, চিৰ প্ৰাসংগিক। বৰ্তমানৰ যুৱ-সমাজ এই আদৰ্শৰে অনুপ্ৰাণিত হ'ব লাগিব। সমাজখন এক কৰিব লাগিব একশৰণ হৰিনাম ধৰ্মৰ জৰিয়তে। গুৰুজনাই একশৰণ ধৰ্ম-নীতিৰেই বৃহত্তৰ অসমীয়া জাতি গঠন কৰিবলৈ অশেষ চেষ্টা কৰিছিল, সাহিত্য সংস্কৃতিৰ মাজেৰে। যি জাতিৰ সাহিত্য সংস্কৃতি নাই, তেনে জাতিৰ ইতিহাস জীয়াই নাথাকে। জাতিৰ মুক্তি তথা পোহৰ দেখিবলৈ অসমৰ যুৱক-যুৱতীসকলে বহুত কষ্ট কৰিব লাগিব। অসমীয়া জাতিটোক একগোট কৰি ৰাখিবৰ বাবেই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ জন্ম হয়। সেয়েহে আজিৰ যুৱক-যুৱতীসকলে নিজৰ জাতীয় পৰিচয়কলৈ একগোট হোৱাৰ সময় আহি পৰিছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত ধৰ্মীয় আদৰ্শ আধ্যাত্মিক বিকাশৰ বাবে যুগ-উপযোগী এক উত্তম সমাজ ব্যৱস্থা।■■

# নাৰী ঃ অতীত আৰু বৰ্তমান

**অম্বিকা বৈশ্য ডেকা, মঙ্গলদৈ**

ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ দেশ। এই দেশৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসম এখন নদী মাতৃকা স্বৰ্ণভূমি চুবুৰীয়া ৰাজ্য। এই পুণ্য ভূমি অসম মুলকত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনা আৱিৰ্ভাৱ হৈ কলিযুগৰ মানৱ উদ্ধাৰৰ বাবে 'একশৰণ হৰিনাম ধৰ্ম' প্ৰৱৰ্তন কৰিবলগীয়া হৈছিল। তাৰাই প্ৰৱৰ্তন কৰা ধৰ্ম আছিল সাৰ্বজনীন, গনতান্ত্ৰিক। বিশ্বৰ সকলো মানৱে জাতি-বৰ্ণ-নিৰ্বিশেষে এই 'একশৰণ হৰিনাম ধৰ্ম' গ্ৰহণকৰিবলৈ স্বতন্ত্ৰ অধিকাৰ আছিল। অতীজৰে পৰা নাৰীসকলে দৈনন্দিন গৃহকৰ্মত ব্যস্ত থাকিও ধৰ্ম, কৰ্ম, ৰণক্ষেত্ৰতো এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। সাম্প্ৰতিক সময়ত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতিৰ লগে লগে নাৰীসকলেও পুৰুষৰ সমানে খোজ মিলাবলৈ সক্ষম হৈছে। ৰাজনীতি ক্ষেত্ৰতেই হওক বা ধৰ্ম ক্ষেত্ৰতে হওক। সেয়ে গুৰুজনাই নাৰীসকলৰ বাবে এখন সুকীয়া আসন তাহানিতে ঘোষণা কৰি থৈ গৈছে। নাৰী আৰু পুৰুষৰ সমানে অধিকাৰ থকা একশৰণ হৰিনাম ধৰ্ম ৰক্ষা কৰাৰ বাবে প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত নাৰীসকল আগবাঢ়ি যাবলৈ সামৰ্থবান হৈছে। গুৰুজনাই প্ৰৱৰ্তন কৰা একশৰণ হৰিনাম ধৰ্ম অকল ধৰ্মীয় দিশতেই নহয় সাহিত্য, সংস্কৃতি, গীত, নৃত্য, বাদ্য, নাট, ভাওনা, সঙ্গীত চৰ্চা আদিয়ে গুৰুজনাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ অহোপুৰুষাৰ্থ চেষ্টা চলাই আহিছে। তাৰাৰ প্ৰৱৰ্তিত ধৰ্মত নাৰীৰ ভূমিকা সম্পৰ্কে তাহানিতে নিভাঁজ চিত্ৰ আঁকি থৈ গৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ মাতৃ সত্যসন্ধা আই বুঢ়ী মাক খেৰসুতী আই আৰু ধাই মাক চন্দৰী আইয়ে গুৰুজনাৰ চতুৰ্ভুজ মূৰ্তি দেখিবলৈ পাইছিল। তিনিওগাৰীক আই অতি সদাচাৰী, মিষ্টাভাষী আৰু পৰম ধাৰ্মিক আছিল। তেওঁলোকে গুৰুজনাৰ অলৌকিক ৰূপ, ধাৰণ, মহিমা অলপ হ'লেও জানিব পাৰিছিল। বুঢ়ীমাক খেৰসুতী আই অতি নীতিপৰায়ণা আছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ প্ৰপন্ন শিষ্য মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে কৈছিল যে সদাচাৰী শুদ্ধাচাৰী, মিষ্টভাষী ধৰ্ম পৰায়ণা, নৈতিকতা, বোধগম্য থকা এগৰাকী মাতৃয়েহে সুসন্তান জনম দিব পাৰে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে ঘোষণা কৰি থৈ গৈছিল যে সাহিত্যৰ মৌচাক হৈছে 'কীৰ্ত্তন' গুৰুজনাৰ অমূল্য কীৰ্তিস্তম্ভ। লিখিছে এনেদৰে—

"স্ত্ৰী শূদ্ৰে কৰে যদি আমাত ভকতি।
তাহাত কহিবো জান ইতো মহামতি।।" ১১ম স্কন্ধ

নাৰীসকল সকলো গুণৰ সত্য, শৌচ, ক্ষমা, দয়া আৰু ধৰ্মৰ অধিকাৰিণী হ'ব লাগে বুলি সকলো মানুহে বুজিব পৰাকৈ সুন্দৰভাৱে উদাহৰণৰ সৈতে বুজাই থৈ গৈছে। এই সম্পৰ্কত কেইগৰাকীমান মহীয়সী নাৰীৰ নাম উল্লেখ কৰা হ'ল। তেওঁলোকে নিজ গুণ আৰু সতীত্ব ৰক্ষাৰ ফলত একশৰণ হৰিনাম ধৰ্মৰ কাণ্ডাৰী হ'ব পাৰিছিল। গুৰুজনাই নিজে শৰণ দিয়া আই ক্ৰমে চিলাৰায়ৰ পত্নী পূৰ্ণানন্দ কৈৱৰ্তৰ আই ৰাজমাতা আদি। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই কৈছিল যে 'ধৰ্মবস্তু' নাৰী সমাজতহে জীয়াই থাকিব। নীতিপৰায়ণা কাৰণে পূৰ্ণানন্দ কৈৱৰ্তৰ পত্নী জয়ন্তী আইৰ কাৰণে এটি বৃহৎ অঞ্চল লুইতৰ বানৰ কবলৰ পৰা ৰক্ষা পৰিছিল। কিন্তু প্ৰথমে তেওঁ গুৰুজনাৰ ওচৰলৈ আহোতে গুৰুজনাই সুধিছিল, তুমি কেনেভাৱে গৃহস্থী পালন কৰা? উত্তৰত জয়ন্তী আইয়ে মুক্তভাৱে দৃঢ়তাৰে আত্মবিশ্বাসেৰে কৈ গৈছিল—

"সত্য শৌচ ক্ষমা, দয়া অতিথি সৎকাৰ।
কদাচিতো কাকো নকৰো তিৰস্কাৰ।।

.................................................

স্বামী কুশল বিনে নিচিন্তিহো আন।।

স্বামী যদি মণ্ড কৰ্ম্ম কৰে আচৰণ।

মিষ্ট বাক্য বুলি তাক কৰো নিবাৰণ।।

এইদৰে সৰ্বগুণী আইয়ে টেম্বুৰানী জানত এপ'ল পানী আৰু এপ'ল মাটি দি জান বন্ধ কৰি এনে অসাধ্য কাম কৰি ইতিহাসৰ পাতত জিলিকি আছে। এনেদৰে নাৰীসকলে তেওঁলোকৰ নিজ গুণ আৰু সতীত্বৰ বলত গুৰুজনাই প্ৰৱৰ্তিত ধৰ্মৰক্ষা কৰি ইতিহাসৰ পাতত জিলিকি আছে।

কিন্তু শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনা বৈকুণ্ঠগামী হোৱাৰ পাছত একশৰণ হৰিনাম ধৰ্মত ঘূণে ধৰিলে। সংহতিৰ সৃষ্টি হ'ল। বিভাজন হৈ পৰিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আৰু তাৰাৰ প্ৰপন্ন শিষ্য মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ গুৰুজনাই আলয়-আঠানি, দুখ-কষ্ট আৰু সংঘাতৰ মাজেৰে জীয়াই ৰাখিলে একশৰণ হৰিনাম ধৰ্ম। বৈকুণ্ঠৰ পৰা বোৱাই অনা অমৃতৰ ৰস নাম ধৰ্ম ম্লান হ'বলৈ নিদিলে, কিন্তু জুই ফিৰিঙতিৰ দৰে চিটিকি গ'ল। কালক্ৰমত মধ্যযুগীয়া নৱজাগৰণ আৰু স্বাধীনতা সন্ধিক্ষণত চিন্তাবিদ সমাজ সচেতক মহান ব্যক্তিসকলে এই পবিত্ৰ ধৰ্মৰ এনাজৰী ছিঙি যাব নিদি উঠি-পৰি লাগিবলৈ ধৰিলে। এই চিন্তনে এটি সংস্থাৰ সৃষ্টি কৰিলে। সেইটোৱে হৈছে অসমৰ একমাত্ৰ অৰাজনৈতিক অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ। বৰ্তমান এই অনুষ্ঠানটোৱে সমাজত অগ্ৰণী ভূমিকা বহন কৰি আহিছে। সমাজখনক এটি সুশৃঙ্খল ভক্তি মাধ্যমেৰে আগবঢ়াই নিবলৈ সক্ষম হৈছে।

এইখিনিতে উল্লেখ কৰিব বিচাৰিছোঁ যে অতীজৰ ধৰ্মপৰায়ণা নাৰীসকলৰ নীতি, সদাচাৰ সাৰোগত কৰি শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনাৰ একশৰণ হৰিনাম ধৰ্ম অস্ত্ৰ হিচাপে লৈ বৰ্তমান নাৰীসকলে নিজৰ কৰ্তব্য তথা দায়িত্ব পালন কৰিবলৈ আগবাঢ়ি গৈছে। মধ্যযুগীয়া তান্ত্ৰিকতা কৰাল গ্ৰাসত জাঁহ যাবলৈ ওলোৱা কলিৰ লোকসকলক উদ্ধাৰৰ বাবে আৱিৰ্ভাৱ হ'বলগীয়া হৈছে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনা। তাৰাৰ নিৰ্দেশীত নীতি আদৰ্শৰে আদৰ্শিত বৰ্তমান সময়ত শান্তিৰ জীৱন-নিৰ্বাহ কৰাটো অসম্ভৱ হৈ পৰিছে। গুৰুজনাৰ ধৰ্ম সাহিত্য, সংস্কৃতি সঞ্জীৱনী কৰা এই মহান অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই সাহিত্য, সংস্কৃতি, গীত, নৃত্য, বাদ্য, নাট, ভাওনা, নাম-প্ৰসঙ্গ আদি শুদ্ধ ৰূপত পৰিৱেশন কৰিবৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা চলাই আহিছে। প্ৰতিটো বৰ্ষতে একেটা মঞ্চতে আই-মাতৃ সমাৰোহ, শিশু সমাৰোহ, যুৱ সমাৰোহ পাতি মনৰ কলুষ আঁতৰাই এটা সুন্দৰ পৰিৱেশ সৃষ্টি কৰি গুৰুজনাৰ সৃষ্ট গীত, নৃত্য, বাদ্য, নাম-প্ৰসঙ্গ আদি একত্ৰিকৰণৰ বাবে চেষ্টা চলাই আহিছে। বৰ্তমান একশৰণ হৰিনাম ধৰ্ম গ্ৰহণ কৰা প্ৰতিগৰাকী নাৰীয়ে ঈশ্বৰৰ গুণানুকীৰ্তন, নাম-প্ৰসঙ্গ কৰিবৰ বাবে আগবাঢ়ি আহিছে। আজিৰ নাৰী সমাজে গৃহ কৰ্মতে আৱদ্ধ হৈ নাথাকি মুকলি মঞ্চত থিয় হৈ ধৰ্ম ক্ষেত্ৰতেই হওক বা ৰাজনীতি ক্ষেত্ৰতেই হওক মুক্তভাৱে মনৰ ভাব প্ৰকাশ কৰিব পাৰিছে। এনে ক্ষেত্ৰতে নাৰীসকল পিছ পৰি থকা নাই। এইখিনিতে এটা কথা উল্লেখ নকৰিলে ভুল কৰা যেন অনুভৱ হ'ব। শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ সংস্কৃতি শাখাৰ জৰিয়তে শঙ্কৰী সঙ্গীত কেন্দ্ৰীয় প্ৰশিক্ষণ সত্ৰৰ দ্বাৰা শঙ্কৰী সঙ্গীত আৰু লোক-সংস্কৃতিৰ মাজত সমন্বয়ৰ সৃষ্টি কৰিছে। ইয়াৰ দ্বাৰা নাৰীসকলে বিয়াৰ নাম, থিয়নাম, দিহানাম, নাম-প্ৰসঙ্গ আদি সঁচাকৈয়ে শুদ্ধ ৰূপত পৰিৱেশ কৰিবলৈ সক্ষম হৈছে। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে নাৰীসকলৰ সুৰ বেলেগ হ'লেও তালম্বিতভাৱে একেলগে বহি এই ধাৰা ৰক্ষা কৰিবলৈ সক্ষম হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ বাবে আমি নাৰী সমাজে উচ্চ আসন তথা মুকলি মঞ্চ পাবৰ সক্ষম হৈছোঁ। সেয়ে আমি চিঞৰি চিঞৰি কম, মহাপুৰুষসকল কোনো যুগৰ বাবে সীমাৰ ভিতৰত আৱদ্ধ নহয়। তাৰাসকল সৰ্বকালৰ সৰ্বযুগৰ। প্ৰতিটো মুহূৰ্ততে তাৰাসৱৰ গুণানুকীৰ্তন হৈয়েই আছে, হৈয়েই থাকিব।■■

কবিতাৰ বুলনি

# যুৱ-প্ৰজন্মলৈ উঠা-জাগা

**করুণাকান্ত কলিতা**
*গুৱাহাটী*

যুৱ প্ৰজন্ম
কৰা জীৱন ধন্য
সত্যৰ কৰা সেৱন
অসত্য কৰা বৰ্জন
গঢ়ি তোলা
নৈতিক জীৱন
কৰা সুচৰিত্ৰ গঠন
আধ্যাত্মিক জ্ঞান
কৰি আহৰণ
জীৱন কৰা মহান
নৈতিকতা আধ্যাত্মিকতা
জীৱন গঢ়াৰ
মূল আধান
কৰা বিদ্যা শিক্ষাৰ্জন
শিক্ষাগত অৰ্হতা
অতি প্ৰয়োজন
অৰ্হতা বিনে
শূন্যতাৰে ভৰে
ওৰে জীৱন
আছে অনেক প্ৰতিভা
তোমাতে লুকাই
কৰা বিকাশ সাধন

সাহিত্য-সঙ্গীত
নাট- অভিনয়
কলা-সংস্কৃতিৰ
কৰা চৰ্চানুশীলন
সুন্দৰক কৰা
আৰাধন
সুন্দৰেই কৰিব সুন্দৰ
তোমাৰ জীৱন
হোৱা সংস্কৃতিবান
সাধা কল্যাণ
সমাজ সংস্কাৰতো
দিয়া মন
সমাজৰ প্ৰতি স্তৰতে
ঘটিছে ক'ত যে
অকাম্য অঘটন
জাতিভেদ অস্পৃশ্যতা
আজিও বিদ্যমান
অন্ধবিশ্বাসৰ
উঠিছে উজান
বিচ্ছেদ বিভাজন
সন্দেহ অবিশ্বাসে
জনগোষ্ঠীয়ে গোষ্ঠীয়ে

বলাই তুফান
হিংসা-প্ৰতিহিংসা
সূয়া-অপ্ৰীতি
ঘৃণা-বিদ্বেষে
শান্তি কপৌৰ
ল'ব ধৰিছে প্ৰাণ
তোমাৰ সন্মুখত আজি
শত শত প্ৰত্যাহ্বান
উঠা - জাগা
যোৱা আগবাঢ়ি
আনা নৱজাগৰণ
ঘটোৱা তোমাৰ শক্তিৰ
মহা বিস্ফোৰণ
গুৰু শ্ৰীমন্ত শঙ্কৰৰ
লৈ আদৰ্শ
বৈজ্ঞানিক দৃষ্টি-ভঙ্গীৰে
ধুই নিকা কৰা
সমাজ জীৱন
যুৱ প্ৰজন্ম
নতুন সূৰ্য
সমাজৰ প্ৰত্যাশা
কৰা পূৰণ।■

*(বিঃদ্ৰঃ কবি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন পদাধিকাৰ*

# বেবেৰিবাং

**ভবেন দুৰৰী, গুৱাহাটী**

আধা পাগল লিখকৰ চেৰাবলিয়া কথা।
শুনি বেয়া পালেও নালাগে যেন বেথা।।
আগ নাই গুৰি নাই নহয় নীতি কথা।
স্বাদ নাই ৰাগ নাই নহয় গছত গৰু উঠা।।
টানি লোৱা এক চিলিম ভকতিৰ ভাং।
তেতিয়াহে মজা পাবা শুনি বেবেৰিবাং।।
শুনা তেন্তে বোলো এবে এটি যুগুতি বচন।
ইষ্টদেৱ কৃষ্ণক চিন্তি কৰো পদ আৰম্ভন।।
এটি মাত্ৰ পৰম বস্তু তাৰ বাদে নাই আন।
চিনি যদি ল'ব পাৰা সিহে পৰম জ্ঞান।।
দেহতেসে থাকে বোলে নহয় সিটো দেহ।
সিহে বোলে আচল বস্তু নাই কোনো সন্দেহ।।
তাকে ভজা তাকে পূজা মনে-চিত্তে হৃদয়ত।
তুমিও তাৰেসে অংশ সদায় ৰাখিবা মনত।।
নেদেখিবা নাপাবা গম কালসৰ্পে দংশন্তে।
এতেকে উদ্ধাৰিব তোমাক সেহি ভগৱন্তে।।
কাক কম কোনে পতিয়াব কোনে শুনিব কাণে।
কচুটোতে কুঠাৰ ভাগে লোহাত বিন্ধে ঘূণে।।
হেন জানি-শুনি টেঙৰসৰে তেজি আন কাম।
সবাৰে জনম সফল হৌক বোলা ৰাম ৰাম।।■

# অমৃত সন্তান

**ৰবীন্দ্ৰনাৰায়ণ দিহিঙ্গীয়া**

সৃষ্টিকামী মই....
শান্তিকামী দূত।
অপসংস্কৃতিৰ পৰশত আইৰ
আঁচল উৰোৱাই নিয়াত বাধা দিয়া
সাহস আৰু ত্যাগৰ ওঁহ
ময়ে সুন্দৰৰ সংস্কৃতি প্ৰতীক
সাহিত্যপথিক — ময়ে...।
মোৰ প্ৰতি ৰজনীত
প্ৰেম, কৰুণা, সহানুভূতিপূৰ্ণ—
বিপুল চেতনা উদ্যম উদ্দীপনা
য'ত শঙ্কৰ সূৰ্য পোহৰৰ
ৰং-ৰস-ৰূপ অপৰূপময়
দীপ্তিমান প্ৰাচুৰ্যৰে ভৰা।
বেদে পুৰাণে মোকে কয়
'অমৃত সন্তান'।■

## হৃদয়ৰ অনুভৱৰ তেজৰ এক সুঁতি

**ৰেণুমাই সন্দিকৈ হাজৰিকা,** ধেমাজি

হৃদয়ৰ অনুভৱৰ তেজৰ এক সুঁতি,
বুকুৰ মাজত কঢ়িয়াই ফুৰিছোঁ জীৱন্ত এক ছবি।
খাদ্য বস্ত্ৰ বাসস্থান সকলো জীৱৰ সন্ধান
এই পৰিক্ৰমা অতিক্ৰম মানুহৰ অনুসন্ধান।
তথাপিও ভূপেনদাৰ সেই গান
"মানুহে মানুহৰ বাবে......."
এই গান আৰু কেইশতিকাৰ ৰেকডিঙত বাজিব?
সমাজৰ লুণ্ঠিতসকলে সুৰ শুনি মদৰ নিচাত টোপনি যাব।
সাৰ পাবনে তেওঁলোকৰ সুপ্ত অনুভৱ।
য'ত থাকিব মনুষ্যত্বৰ শ্ৰেষ্ঠ বৈভৱ
মানুহৰ জ্ঞান-বুদ্ধি স্বাক্ষৰ সভ্যতাৰ স্তৰে স্তৰে
কিছু থাকি কিছু গৈছে মানুহৰ বাবে।
জাতি পিতাৰ বাণী গ্ৰাম্য স্বৰাজ
কাগজৰ মোহৰৰে উপহাস
মাটিৰ মানুহ নাপাই নিজৰ প্ৰাপ্য
যুঁজ হয়, সন্ধি হয়, ধনী দালালৰ যোগ্য।
বজাৰত কিনা-বেচা হয়
মানুহৰ হৃদয় আৰু আত্মসন্মান
সত্যানুসন্ধান বিকলাংগ হয় সত্য অন্বেষণত।
বৌদ্ধগণ সংস্কাৰ আঁচনি নতুন ৰূপ, নতুন সাজ-পাৰ
বাক্ৰুদ্ধ কৰি অনৰ্থক প্ৰযত্নক কৰাৰুদ্ধ কৰা
সেই ৰূপত নতুন সাজৰ ভাস্কৰ্যৰ শিল্পীয়ে
পাই বিপ্লৱ গঢ়া
জিজ্ঞাসু! আত্মবোধ উদয়ৰ হেতু হয়তো লাগিব
এক স্বাধীনতা আন্দোলন
যি আন্দোলন হ'ব স্বজাতিৰ বিৰুদ্ধে
হৃদয়ৰ কেঁচা তেজৰ অস্ফালন।■■

## নাম-ঘোষা

**প্ৰদীপ্তি ডেকা,** গুৱাহাটী

উৰি থকা শব্দবোৰৰ ধ্বনি
হেঁপাহে টানি আনে
ক্ষুধা আঁতৰা স্পৰ্শ
মনগহনত সৃষ্টি হয়
ঐশ্বৰ্যমণ্ডিত পোহৰ...

বুকুৰ অনুবাদত সাৰ পাই
সঁচা জীৱনৰ ফচল
বিকশিত আত্মা....

ৰহস্য ভেদি উৰা সুৰত
ৰজনজনাই হৃদয়প্ৰেম
অহৰহ ওলাই আহে
ৰসময়ী উচ্ছ্বাস....

কণ্ঠত লাগি সুৰ
গীতহে টুকুৰা টুকুৰ কৰে
বুকুৰ শিল
আৰ্তনাদিত আৱেগ শুকুলা মেঘ ভাঁহে
প্ৰবাহিত শব্দত জগাই মানৱ

ভালপোৱা ভাষাত সহৃদয় সমাজ

আত্মাৰ মিলন বতাহে আৱৰে
স্বচ্ছ অন্তৰালত চৈতন্য ঔষধিজাত যন্ত্ৰ
ভকত মোৰ সহোদৰ
মুকুতি নিস্পৃহ..... ■■

# খনিকৰ

**চম্পা বৰা, তিতাবৰ**

অমৃতৰ সন্তান পোহৰ প্ৰয়াসী
ধৰণীৰ শ্ৰেষ্ঠ খনিকৰ,
তুমিয়ে গঢ়িছা পল অনুপলে
বিনন্দীয়া সৃষ্টি মনোহৰ।
প্ৰভাতৰ সুকোমল তুমি ৰ'দালি
ধৰাৰ প্ৰস্ফুটিত গোলাপৰ পাহি,
সুখৰ বতৰা বিলোৱা
মৰতৰ মলয়া চাটি,
তুমিয়েই জননীৰ ওঁঠৰ হাঁহি
হিয়াৰ আপোন ছবি।
মেলি দিয়া জীৱন তৰীত
অজেয় শুকুলা ঘোঁৰা,
সাগৰ মথি মথি মাণিক বুটলি
অমৃত উদ্ধাৰ কৰা।
হে অগ্ৰগামী! তোমাৰ উদাহৰ হিয়াৰ
দিগন্ত প্ৰসাৰী আভাই,
পোহৰ কৰা লোহিত্যৰ দুইপাৰ
পাৰ ভাঙি বৈ যাওক
সাম্য মৈত্ৰীৰ গতি দুৰ্বাৰ।
অসূয়া অ-নীতি আৰু ৰক্তবীজৰ দলবোৰৰ
লোমে লোমে প্ৰবাহিত হওক
তোমাৰ মধু ঘ্ৰাণ সঞ্জীৱনী সুধা
বৰ্ণিল সৌন্দৰ্যৰ স্বৰ্ণাভ আভা। ■

# তুমি মাথো তুমি ঈশ্বৰ

**ধনঞ্জয় দাস**

জানানে ঈশ্বৰ কৃষ্ণ তুমি?
তুমিয়ে জগতৰ গতি-মতি, পিতা-মাতা
তুমিয়ে ঈশ্বৰ এক কলিযুগত
হৰিনাম ধৰ্ম প্ৰৱণতা।
তুমিয়ে পশু-পক্ষী, সুৰ-নৰ, তৰু-তৃণ
অজ্ঞানতহে আমি দেখো ভিন্ ভিন্।
তোমাৰে মায়াই মোহিত কৰিছে
এক নাম হৰি ধৰ্ম কৃষ্ণৰ শৰণে,
তুমিয়েটো সত্য-মিছা আৰু অন্যন্যা
তুমিয়ে আত্মা, তুমিয়ে প্ৰকাশ
তুমিয়ে মানৱতা,
কলি যুগে মুক্তি পাবলৈ তুমিয়ে
মুখে মুখে ৰাম ৰাম বোলিছা।
নোখোজো সুখ-ভোগ, নামাগো
সোণ-মুকুতি
কেৱল মুখত হৰি হৰি।
সমস্ত প্ৰাণী ভূতৰ তুমি থকা হৃদয়ত
জানি জ্ঞানীজনে কৰে হৃদয়ত ধ্যান
আৰু মুখে যি কোনো এটি নাম
সেয়া কৃষ্ণ, হৰি, ৰাম।■

গল্প

# বান্ধৱীৰ প্ৰাণ ৰক্ষা

ৰাধিকা দাস, মঙ্গলদৈ

আঞ্জু আৰু ৰাধু নামৰ দুজনী নলে-গলে লগা বান্ধৱী আছিল। দুয়োজনী একেখন বিদ্যালয়তে পঢ়িছিল। আঞ্জু আছিল ঠেলা চলোৱা মিঞাৰ ছোৱালী। ৰাধু এজনী ডাঙৰ চৰকাৰী বিষয়াৰ ছোৱালী। ৰাধু পঢ়াত মধ্যমীয়া, আঞ্জু মেধাবী ছাত্ৰী আছিল। ৰাধুৰ পঢ়াৰ প্ৰতি অকণো চিন্তা নাছিল কাৰণ প্ৰতিটো বিষয়তে টিউচন আছিল। আঞ্জুই দুবেলা দুসাজি পেট পুৰাই খাবলৈ নোপোৱাৰ বাবে পঢ়াৰ প্ৰতি জেদি আছিল। অকস্মাৎ এজনী যদি বিদ্যালয়লৈ নাহে আনজনীৰো সেইদিনাখন পঢ়াত মন নবহিছিল।

এদিন হঠাৎ ৰাধুৰ খুব টান জ্বৰ হ'ল। আঞ্জুই তাইৰ জ্বৰৰ কথা গম পাই শিক্ষকৰ পৰা ছুটীলৈ ৰাধুৰ ঘৰলৈ গ'ল। তাই কলিংবেলটো টিপা মাৰিবলৈ লগ নোপোৱাত দুৱাৰত টুকুৰিয়ালে। কলিংবেল নবজাই দুৱাৰত টক্‌টক্ শব্দ কৰাত ঘৰৰ পৰিয়ালৰ হয়তো খং উঠিছিল। ৰাধুৰ মাকে দুৱাৰ খুলি দেখে যে লেতেৰা ধৰণৰ ইউনিৰ্ফম পিন্ধা ছোৱালী এজনী। মাকে সুধিলে— "তুমি কাক বিচাৰিছা?" তাই উত্তৰ দিলে এইটো ৰাধুৰ ঘৰ নহয় জানো? মাকে ক'লে হয়। মই ৰাধুৰ বান্ধৱী, তাইৰ জ্বৰ বুলি খবৰ পাই দেখা কৰিবলৈ আহিলো। ৰাধুৰ বান্ধৱী শব্দই মাকৰ কাণত বিষ ঢালি দিয়া যেন পালে। ইমান ডাঙৰ বিষয়াৰ ছোৱালী, এনেকুৱা ঠেলাৱালাৰ ছোৱালীৰ লগত বান্ধৱী! খঙতে অন্তৰত দপ্‌দপিয়া জুই একুৰা উঠিবলৈ ধৰিলে। এইকুৰা জুই পানীয়েও নুমাব নোৱাৰিব। আনে বুজালেও হয়তো মনৰ জুইকুৰা মনতে দপ্‌দপাই থাকিব। ৰাধুৰ দেউতাকৰ মনত এই ভাব-অনুভূতিবিলাকৰ উদ্ভাৱনা নহ'বও পাৰে। মাকে আঞ্জুক স্পষ্ট কৰি দিলে যে তুমি কোনোপধ্যেই তাইক লগ কৰিব নোৱাৰা। আঞ্জুই ক'লে— খুৰীদেউ মই তাইক কিয় লগ কৰিব নোৱাৰো, তাইৰ কাৰণে মই স্কুলৰ পৰা ছুটী লৈ আহিছোঁ। তেন্তে আপুনি তাইক ক'ব যে তাইৰ খবৰ ল'বৰ বাবে আঞ্জু অহা বুলি। সেই সময়ত ৰাধুৰ জ্বৰটো উঠা নাছিল। তাই সৰু ভায়েকৰ লগত খেলি আছিল। মাকে ৰাধুৰ মুখেৰে আঞ্জুৰ কথা শুনিয়েই গালি-গালাছ কৰিছিল, লগতে তাইৰ লগ নহ'বলৈও সদায় বুজাইছিল আৰু কৈছিল— মাজনী, সদায় সম পৰ্যায়ৰ ল'ৰা-ছোৱালীৰ লগতহে বন্ধুত্ব পাতিব লাগে। তোমাৰ দেউতাৰা হৈছে এজন বিষয়া। তাইৰ দেউতাক এজন ঠেলাৱালা। এই কথাখিনি শুনি শুনি ৰাধুৰ কাণ পকি গৈছিল। তাই মাকৰ কথাত অতিষ্ঠ হৈ কৈছিল— "মা, স্কুলবিলাকত দেখোন ধনী-দুখীয়া সকলো ল'ৰা-ছোৱালী পঢ়ে। আমাৰ ছাৰ-বাইদেউবিলাকে দেখোন সকলোকে একে সমানে মৰম কৰে। অথচ আঞ্জুই পঢ়া পাৰে কাৰণে তাইক ছাৰ-বাইদেউসকলে বেছি গুৰুত্ব দিয়ে বুলি মোৰ অনুভৱ হয়। ছাৰ-বাইদেউসকলৰ যে ধনী-দুখীয়াৰ অনুভৱ নাই, তোমাৰ বাৰু কিয় আছে? মা, ধনীবিলাকৰ কাৰণে বেলেগ বেলেগ প্ৰাইভেট স্কুল আছে, মোকো দেখোন তাতেই পঢ়ুৱাব পাৰিলা হয়। ভাইটী ল'ৰা কাৰণে তাক প্ৰাইভেট স্কুলত পঢ়ুৱাইছা। মই ছোৱালী কাৰণে এই স্কুলত পঢ়িবলৈ দিছা। তাত

দুখীয়া মানুহৰ ল'ৰা-ছোৱালী টকাৰ অভাৱৰ বাবে পঢ়ুৱাব নোৱাৰে। গতিকে তোমাৰ মনৰ ধনী-দুখীয়াৰ ভাববিলাক এৰি পেলোৱা।

স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ মনত জাত-পাত, ধনী-দুখীয়াৰ কথাবিলাক অনুভৱ হ'ব নোৱাৰে। শিশুৰ মনত সদায় ইজনে সিজনৰ মনৰ ভাব বুজি পোৱাটোহে জানে। আঞ্জুই শ্ৰেণীত অনবৰতে মন মাৰি বহি আছিল। তাই পঢ়িবলৈ বহিলেই ৰাধুৰ মাকলৈ মনত পৰিছিল।

ইফালে ৰাধুও স্কুললৈ অহা নাছিল। এদিন শিক্ষকে তাইৰ অৱস্থাটো দেখি সুধিলে— "আঞ্জু, তোমাৰ গা ভাল নহয় নেকি? নে ৰাধু নহাৰ বাবে তোমাৰ স্কুলত মন নবহে? কোৱাচোন তোমাৰ কি হৈছে। তেতিয়া তাই ক'লে— ছাৰ, ধনী মানুহবিলাকে আমাৰ নিচিনা দুখীয়া দৰিদ্ৰৰ ল'ৰা-ছোৱালীক কিয় ঘৃণ কৰে? শিক্ষকে তেতিয়া তাইৰ মনৰ সকলো ভাব, অনুভৱ বুজি পালে। তাইক ক'লে— "চোৱা, তোমালোক হৈছা সৰু সৰু ল'ৰা-ছোৱালী, কেনেকৈ শিক্ষাৰ দ্বাৰা জীৱন উন্নত কৰিব লাগে তাৰ বাবেহে চিন্তা কৰা। তোমাক যিয়ে ঘৃণা কৰিছে তেওঁৰ কথাখিনি আশীৰ্বাদ হিচাপে লৈ পঢ়ি গ'লেহে তোমাৰ জীৱন সফল হ'ব।

শিক্ষকৰ বুজনিয়ে তাইৰ মনত দকৈ সাঁচ বহুৱাব পাৰিলে। আনফালে আঞ্জুয়ে ৰাধুৰ জ্বৰৰ খবৰ নোলোৱা দেখি মনত দুখ পালে। ৰাধুৰ বেমাৰ দিনক দিনে বেছি হ'বলৈ ধৰিলে। ডাক্তৰে তাইৰ বেমাৰ ঔষধৰ দ্বাৰা ভাল কৰিব নোৱাৰি হস্পিটেলত ভৰ্তি কৰিবলৈ আদেশ দিলে। হস্পিটেলত ডাক্তৰে তেজ আৰু চেলাইন দিব লাগিব বুলি ক'লে। তাইক তেজ দিয়া বুলি গম পাই দুজনী ধনী মানুহৰ বান্ধৱীক লগত লৈ হস্পিটেল পালেগৈ। ৰাধুৰ ওচৰত মাকক দেখা পাই আঞ্জু বাৰাণ্ডাতেই ডাক্তৰক লগ ধৰি তাইৰ পৰা তেজ দিবলৈ ক'লে। ডাক্তৰে পৰীক্ষা কৰি চাই দেখে যে তাইৰ তেজৰ গ্ৰুপ মিলে। আঞ্জুই তেজ দিয়া কথাটো গোপনে ৰাখিবলৈ ডাক্তৰক সেৱা জনালে লগতে সকলো কথা বিৱৰিও ক'লে। ডাক্তৰে তাইৰ সাহস আৰু বান্ধৱীৰ প্ৰতি থকা মৰম দেখি আচৰিত হৈছিল।

কিছুদিনৰ পাছত ৰাধু ভালহৈ স্কুললৈ গ'ল। ৰাধুই খং আৰু অভিমানত আঞ্জুক নমতা হ'ল। সদায় আঞ্জুৰ পৰা আঁতৰি থাকিবলৈ ধৰিলে। মাকে কোৱা কথাবোৰলৈ মনত পৰে ৰাধুৰ। দুয়োজনী বান্দৱীৰ মনোমালিন্য দেখি আন বান্ধৱীবিলাকে ৰাধুক বুজনি দিলে। কিন্তু সেই বুজনিয়ে ৰাধুৰ মন গলাব নোৱাৰিলে। উপায় নাপায় তাইৰ মাকৰ ব্যৱহাৰ, হস্পিটেলত তেজ দি তাইৰ প্ৰাণ ৰক্ষা কৰাকে আদি কৰি সকলো বিৱৰি ক'লে। ৰাধুয়ে সকলো শুনি আঞ্জুৰ ডিঙিত সাৱটি ধৰি কান্দিবলৈ ধৰিলে।

মেট্ৰিক পৰীক্ষাত কেৰাচিন তেলৰ চাকিৰ পোহৰত পঢ়ি আঞ্জুই ষ্টাৰ নম্বৰ পাই পাচ কৰিলে। ইফালে ৰাধুই মেট্ৰিক পাচকে কৰিব নোৱাৰিলে।

ধন-সম্পত্তি থাকিলেও মানুহে সেই সম্পত্তিৰ গৌৰৱৰ প্ৰভাৱ ল'ৰা-ছোৱালীৰ ওপৰত পৰিব দিব নালাগে। ৰাধুৰ মাকে নিজৰ ধন-সম্পত্তিৰ কাৰণে ক্ৰমশঃ অহংকাৰী আৰু অভিমানী হৈ পৰিছিল। এই দুদিনীয়া জীৱনত জাত-পাত, ধনী-দুখীয়াৰ ভাব নাৰাখি ভগৱানৰ নাম লৈ জীৱন অতিবাহিত কৰিব লাগে।

জ্যেষ্ঠসকলে ল'ৰা-ছোৱালী, শিশু আদিৰ মনত ধনী-দুখীয়াৰ ভেদভাব দেখুৱাব নালাগে। তেওঁলোকৰ অন্তৰ হৈছে পৱিত্ৰ। ভগৱানৰ ওচৰত ধনী-দুখীয়া, জাত-পাত আদিৰ কোনো অৰ্থ নাই। সকলো সম্প্ৰদায়ে মিলিজুলি বসবাস কৰি দুদিনীয়া জীৱন অতিবাহিত কৰাটোৱেই লেখিকাৰ কাম্য।■■

গল্প

# সম্প্ৰীতিৰ চাকনৈয়া

**প্ৰতিভা দেৱী, মঙ্গলদৈ**

সীমান্ত লৰালৰিকৈ বাছত উঠিল। তাৰ মনত অপাৰ আনন্দ। ব'হাগ মাহৰ শেষৰ ফালে ঘৰলৈ আহিছে। গাঁৱত চাগে ডেকাহঁতে বিহু পাতিছে। বিহুৰ কেইদিন ঘৰে ঘৰে হুঁচৰি গাইছে। সীমান্তৰ পৰীক্ষাৰ কাৰণে আগতীয়াকৈ ঘৰলৈ আহিব নোৱাৰিলে যদিও ব'হাগৰ কেইদিনমান সি গাঁৱত থাকিব। ঘৰ পায়েই বাবু, ৰমেশ, গিৰিণহঁতে গম নোপোৱাকৈ বিহুতলিত ঢোল আৰু বাঁহী বজাই সি আহিছে বুলি জনাব। সীমান্তৰ বিহু ঢোলৰ মাত শুনি সকলোৱে আনন্দতে তাৰ ওচৰলৈ দৌৰ দিব। আৰু নীতি! নীতিৰ কথা মনলৈ অহাৰ লগে লগে তাৰ মনটো অজান পুলকত ভৰি পৰিল। নীতিয়ে চাগে তাক লৈ বৈ থোৱা বিহুৱানখনি সদায়ে এবাৰ হ'লেও বাচকৰ পৰা উলিয়াই চায়। সি নথকাত তাই চাগে ক'ত কিমান বিহু মৰা সপোন দেখিছে। সিও যোৱা ৰাতি সপোনত আঁহতৰ তলত বিহু মাৰিছে। সীমান্তৰ ঢোলৰ চেৰে চেৰে নীতিয়ে কেনেদৰে নাচিছিল! কথাবোৰ ভাবি ভাবি ক'ব নোৱাৰা কৈয়ে তাৰ হাঁহি উঠিছিল। হঠাৎ কণ্ডাক্তৰজনে কোৱা শুনিলে ভাইটি ক'ত নামিবা, ভাড়াটো দিয়া। কণ্ডাক্তৰৰ মাতত সি বাস্তৱলৈ ঘূৰি আহিল আৰু ততাতৈয়াকৈ ভাড়াটো দি বাছ ৰখাবলৈ কৈ নামি আহিল।

সীমান্তহঁতৰ গাঁওখনত প্ৰকৃতিৰ সমস্ত সম্ভাৰ উপচি আছে। গাঁৱৰ সোঁমাজেৰে বৈ যোৱা নৈখনৰ দুয়োপাৰৰ মানুহ মিলিয়েই সিহঁতৰ গাঁওখন। ভিন ভিন সম্প্ৰদায়ৰ মানুহেৰে অতি আন্তৰিকতাৰে বাস কৰা এখন আদৰ্শ গাঁও। পকি ৰাস্তাৰ পৰা নৈখনৰ পূব পাৰেৰে সোমোব লাগে সিহঁতৰ ঘৰলৈ। সকলোৰে পদুলিত হয় কৃষ্ণচূড়া নহয় ৰাধাচূড়া এজোপা আছেই। নৈ পাৰৰ সোণাৰুকেইজোপাই সোণত সুৰগা চৰাইছে। ব'হাগৰ শেষত ফুলি উঠা ৰাধাচূড়া জোপাই বতাহত হালি-জালি সীমান্তক যেন আদৰণি জনাইছে। মৌসনা আবেলিটোৰ নীলা আকাশখনক যেন ঢুকি পাব খোজে কৃষ্ণচূড়াবোৰে। সুৰুযৰ হেঙুলীয়া আভাত সোণাৰুৰ ডালে ডালে যেন মুকুটাহে লৰিছে। কটা বাঁহনী জোপোহাত বিভিন্ন ৰঙৰ পখীৰ সুললিত মাতে পৰিৱেশটো মুখৰীত কৰি তুলিছে। মুঠতে যিফালে চোৱা সেইফালে বসন্তৰ প্ৰয়োভৰ। বহুদিনৰ মূৰত নিজৰ গাঁওখন দেখি সৰুকালতে প্ৰাথমিক বিদ্যালয়ত তৃতীয় মানৰ 'আমাৰ গাঁও' নাম কবিতাটি লৈ মন পৰিলে—

"শুৱনি আমাৰ গাঁওখন অতি
শুৱনি গছেৰে ভৰা।"

কবিগৰাকীয়ে যেন এইখন গাঁৱৰ কথাকে কৈছে। গাঁৱৰ সিটো মূৰত সিহঁতৰ পঢ়াশালি। সোঁমাজতে সীমান্তহঁতৰ ঘৰ। ঘৰৰ ওচৰতে নামঘৰটো। সৰুৰে পৰা সি দেখি আহিছে নামঘৰত গুৰু দুজনাৰ আৱিৰ্ভাৱ আৰু তিৰোভাৱ তিথিৰ উপৰি জন্মাষ্টমী আদি পালন কৰি আহিছে। গুৰুবাৰত সিহঁতৰ দেউতাকে নামঘৰত পালনীয় দিনত ভাগৱত, কীৰ্ত্তন, নাম-ঘোষা পঢ়িছিল। গাঁৱৰ সকলোবোৰ বয়সীয়া মানুহে নামঘৰলৈ গৈ সমস্বৰে ঘোষা গাইছিল— "মই দুৰাচাৰ/ কেৱল তোমাৰ"। গাঁৱৰ ডেকা-বুঢ়া মিলি খুলীয়া ভাওনাতে ৰামায়ণ,

মহাভাৰতৰ বিভিন্ন উপাখ্যান মনঞ্চস্থ কৰিছিল। এতিয়াও সেইবোৰ সুন্দৰ ভাৱে বৰ্তী আছে। সীমান্তই উপলব্ধি কৰিছে যে এই আটাইবোৰ কথাই তাৰ জীৱনত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। সৰুৰে পৰা তাৰ গাঁওখনৰ চহা মানুহবোৰৰ পৰা মৰম-স্নেহ পাইছিল। তাক লৈ মানুহবোৰে হাঁহি-তামচাৰে উৎফুল্লিত হৈ কিৰিলি পাৰিছিল আৰু আজি সকলোৰে আশীৰ্বাদেৰে এম. এ. ফাইনেল পৰীক্ষা দি ঘৰলৈ আহিছে। পৰীক্ষা বেয়া হোৱা নাই। পিছলৈ গাঁওখনলৈ কিবা এটা কৰা মন আছে সীমান্তৰ। কথাবোৰ ভাবি ভাবি আহি সিহঁতৰ ঘৰ পাইছিল। বৌয়েকে সন্ধিয়াৰ কাম সামৰিছে। হঠাৎ সীমান্তক দেখি ক'লে— 'ভাইটি, খবৰ নকৰাকৈয়ে আহিলা যে।' 'অ' বৌ পৰীক্ষা শেষৰ দিনাই আহিলো। মা ক'ত'। 'গোসাঁই ঘৰত সোমাইছে, তই হাত-মুখ ধুই লোৱা, মা আহিব।' সীমান্তই হাত-মুখ ধুই ককায়েকৰ ল'ৰাটো কোচত তুলি লৈ বহিল। ইফালে গোসাঁই ঘৰত মাকে গোৱা ঘোষা ফাকিকে শুনি তাৰ মনটো ভক্তিত গদ্ গদ্ হৈ পৰিল। কিমান দিনৰ মূৰত মাকৰ মুখত সুৰীয়া ঘোষা শুনিছে সি। এনেতে দুগৰামান প্ৰসাদ দি মাকে ক'লে— 'সৰু বোপা, কেতিয়াবাই আহিলা নেকি?' 'নাই মা তোমাৰ ঘোষাফাকি শুনিছোহে।' ককায়েকক নেদেখি মাকক সুধিলে— 'মা ককাইদেউ?' 'আহিব ৰ'বা, বজাৰলৈ গৈছে।' এনেতে ককায়েক বিনোদ গধুলি বজাৰৰ পৰা আহি চাইকেলখন চোতালত থৈছেই। 'ভাইটি কেতিয়া পালিহি, পৰীক্ষা কেনে হ'ল' বুলি তাৰ ওচৰতে বহিল। বহা ঠাইতে বৌয়েকে চাহ-জলপান দি গ'ল। সীমান্তই বিনোদক ক'লে— "ককাইদেউ, মই অহা কথা কাকো নক'বা। মই সকলোকে ঢোল আৰু বাঁহীৰে জনাম বুলি ভাবিছোঁ আৰু বাবু ঘৰত নাই নেকি? গিৰিণ, ৰমেশ, যাদৱহঁতে খুব বিহু মাৰি ফুৰিছে আহৰিয়ে নাই হবলা?" সীমান্তৰ কথা শুনি বিনোদৰ দীঘল হুমুনীয়া ওলাই আহিল— "তই ভবাৰ দৰে হৈ থকা নাই, ভাইটি। এইবেলি বিধান সভা নিৰ্বাচনত আমাৰ গাঁৱৰ সকলো ঐতিহ্য ভাঙি টান-বান কৰি পেলালে। ইমান দিনৰ সম্প্ৰীতিৰে ভৰা গাঁওখনত ৰাজনীতিৰ কুটিল গ্ৰাসত পৰি আজি ভাই-ভাইৰ শত্ৰু হৈ পৰিছে। এইবেলি গাঁৱত হুঁচৰি, মুকলি বিহু হোৱা নাই। নামঘৰৰ দৌ'ল উৎসৱত গাঁৱৰ খুলীয়া-ভাৰৰীয়া নাই।" সীমান্ত আচৰিত হ'ল। "কথাটো কি ভালদৰে বুজাই কোৱাচোন ককাইদেউ কি হৈছে গাঁৱত।" ককায়েকে সকলো কথা আঁতি-গুৰি মাৰি সীমান্তক ক'লে— 'বিধান সভা নিৰ্বাচনত তিনিটামান দলে প্ৰাৰ্থী থিয় কৰাইছিল যদিও দুজন প্ৰাৰ্থীৰ মাজত প্ৰতিযোগিতা

> কথাবোৰ ভাবি তাৰ কিবা লাগি গ'ল। সীমান্তই দেখি আহিছে আজিকালি ৰাজনীতিত কৰা মানুহে নিজৰ বাহিৰে আন কাৰো কথা নাভাবে। অকল নিজে চৰকাৰী সুবিধা পাব লাগে, চাকৰি ল'ব লাগে নতুবা দুটামান ঠিকা-ঠুকলি কেনেদৰে লৈ ধন এসোপা গিলিব পাৰি তাৰ চিন্তাত থাকে। তেজৰ সম্বন্ধ একো নালাগে। আৰু জন-প্ৰতিনিধিসকলে মাথো চলে-বলে কেনেকৈ নিজৰ গাদী অটুট ৰাখিব পাৰি তাৰ চিন্তাত থাকে।

হয়। গাঁৱৰ মানুহে নিজৰ নিজৰ পচন্দৰ প্ৰাৰ্থীক ভোট দিছে। তাত কাৰো একো ক'বলগীয়া নাই। ভোটাধিকাৰ সকলোৰে ব্যক্তিগত অধিকাৰ। কিন্তু আমাৰ বাবু, গিৰিণ, ৰমেশহঁত যিটো পক্ষত যোগ দিছে সকলোৱে হেনো সিহঁতৰ লগত যোগ দিব লাগে আৰু বিৰোধীৰ পক্ষত থকাসকলক দাবী-ধমকী দি নানা ধৰণে অপদস্থ কৰি ফুৰিছে। ইমানে নহয় নিৰ্বাচনৰ ৰিজাল্ট দিবৰ দিনা আমাৰ বাবুয়ে তাৰ সহকৰ্মীসকলকলৈ বিপৰীত পক্ষৰ ঘৰত ফটকা, শিলগুটি মাৰি ফুৰিছে। মদ-পানী খাই বিভিন্ন অবাইচ মাত মাতি মোকো মাৰিবলৈ খেদি আহিছে।" সীমান্ত আচৰিত হৈ ক'লে— 'কিয়?' 'মইনো বাৰু সিহঁতৰ পক্ষত নাথাকি বিপৰীত পক্ষত কিয় থাকিব লাগে। গাঁৱৰ সিটো মূৰৰ ৰবিনহঁতৰ ঘৰৰ টিং শিলগুটি মাৰি ফুটাই পেলাইছে। মুঠতে গাঁৱৰ জীয়ৰী-বোৱাৰী কাকো বাকী এৰা নাই, সকলো সিহঁতৰ ৰোষত পৰিছে। আজি ইঘৰে-সিঘৰৰ লগত হাই-কাজিয়াৰ সৃষ্টি হৈছে। নামঘৰলৈও মানুহবোৰ নহা হৈছে। কোনোৱে কাৰো শ্ৰী দেখিব নোৱাৰা হৈছে। তই গম পালিয়েই নহয় আজি গুৰুবাৰেও নামঘৰত মানুহ নাই। নামঘৰীয়াই সন্ধিয়াৰ চাকিগছি জ্বলাই দবাটো কোবাই গ'ল। গুৰু দুজনাৰ প্ৰচাৰিত গুৰুধৰ্ম আৰু সম্প্ৰীতি আজি ক্ষন্তেকীয়া উত্তেজনাই ঠান-বান কৰি পেলালে। দেউতা-খুড়াহঁতৰ পৰিশ্ৰমৰ ফচল আজি লোপ পালে।"

গাঁৱৰ পৰিৱেশটোৱে সীমান্তক বৰ দুখ দিছে। আজি তিনি দিন হ'ল ঘৰত থকা। সি অহা বুলি জানিও তাৰ সমনীয়াসকল তাৰ ওচৰলৈ অহা নাই। সিও যাম বুলি যাব পৰা নাই। নীতিয়ে চাগে সি অহা কথাটো গমকে পোৱা নাই আৰু জানিছে যদিও দদায়েক যাদৱৰ ভয়তে তাক লগ কৰিব পৰা নাই? যাদৱ বোলে আৰু এখোপ চৰা। বাবু, সীমান্তৰ খুড়াকৰ ল'ৰা। একে সমনীয়া, সি ওচৰতে পঢ়া-শুনা কৰি বি.এ. পাছ কৰি বহি আছে। বাবুৱে ককায়েকক কিমান যে সন্মান কৰিছিল! কিন্তু আজি অমায়িক ককায়েকক মাৰিবলৈ খেদি আহিছে সি। কথাবোৰ ভাবি তাৰ কিবা লাগি গ'ল। সীমান্তই দেখি আহিছে আজিকালি ৰাজনীতি কৰা মানুহে নিজৰ বাহিৰে আন কাৰো কথা নাভাবে। অকল নিজে চৰকাৰী সুবিধা পাব লাগে, চাকৰি ল'ব লাগে নতুবা দুটামান ঠিকা-ঠুকলি কেনেদৰে লৈ ধন এসোপা গিলিব পাৰি তাৰ চিন্তাত থাকে। তেজৰ সম্বন্ধ একো নালাগে। আৰু জন-প্ৰতিনিধিসকলে মাথো চলে-বলে কেনেকৈ নিজৰ গাদী অটুট ৰাখিব পাৰি তাৰ চিন্তাত থাকে। কেনেবাকৈ গাদী পোৱাৰ পিছত সাতপুৰুষলৈ মাটি-বাৰী, ধন-ধান গোটোৱাত ব্যস্ত হৈ পৰে। স্বাধীনতা আজি তিনিকুৰি বছৰ পাৰ হোৱা পিছতো আমি আমাৰ প্ৰকৃত স্বাধীনতাৰ পৰা বঞ্চিত হৈয়ে থাকিলো। কেইদশকমান আগলৈ জনপ্ৰতিনিধিৰ ইমান অধঃপতন হোৱা নাছিল।

সীমান্তই গভীৰভাৱে চিন্তা কৰিলে— গাঁৱখনৰ মানুহবোৰৰ মনবোৰ শুদ্ধপথলৈ আনিবলৈ কি কৰা যাব। দিনৰে দিনটো সি কোঠাৰ পৰা ওলোৱা নাই। বৌৱেকে কোঠাতে ভাত দিছে, খাবলৈ মন যোৱা নাই। এয়াই নেকি ঐকৈশ শতিকাৰ সভ্যতা, ৰাষ্ট্ৰ উন্নয়নৰ নমুনা। বিশ্বায়নৰ দিনত ৰাজনৈতিক কাৰণত শিক্ষিত ডেকাবোৰে সাতামপুৰুষীয়া ঐতিহ্য ধ্বংস কৰিব পাৰে। বিকৃত মানসিকতাৰে মৰম-স্নেহ, তেজৰ সম্বন্ধ দলিয়াই পেলাবলৈ কুণ্ঠাবোধ নকৰে।

সীমান্তই ঢোল আৰু বাঁহীটো লৈ খেলপথাৰলৈ গ'ল। আগতে বিহুমৰা আঁহতজোপাৰ তলত বহি সি অতীত ৰোমন্থন কৰিবলৈ ধৰিলে। গাঁৱৰ সকলোৱে তাৰ ঢোল আৰু বাঁহীৰ সুৰত বলিয়া হৈছিল। তাৰ ঢোলৰ কোবত ল'ৰা-বুঢ়া সকলোৰে দেহ-মন নাচি উঠিছিল। বাঁহীৰ সুৰে প্ৰাণ পাই উঠিছিল। ঢোলৰ চেৱে চেৱে নীতিয়ে তাৰ কাষে কাষে বিহু নাচি তাৰ মন কেনেদৰে জয় কৰিছিল, সি ভাবি ভাবি উভটি গৈছে সেই অতীতলৈ। নীতিয়ে

বৈ দিয়া লতাফুলৰ গামোচাখন মূৰত বান্ধি বিহুৰ ঢোলত চেও দিছে। গিন্ খিত্ গিন্ খিন্......। দুটা চেও দিয়াৰ পিছত বাঁহীত সুৰ তুলিছে, যি সুৰত চহা অসমীয়াৰ সঁচা জীৱনবোধ লুকাই থাকে। যি সুৰে দাঙি ধৰে মৰম-স্নেহেৰে ভৰা এখন অসমীয়া সমাজৰ প্ৰতিচ্ছবি। সেই সুৰ সীমান্তৰ বাঁহীত বাজিছে। যিটো সুৰে নীতিৰ সৰ্বশৰীৰত কঁপনি তোলে। তাৰ পিছতে বলীয়াৰ দৰে ঢোল কোবাইছে। আজি সি সৌ তাহানিৰ দৰে ঢোলত যাদুৰ সৃষ্টি কৰিছে। আন নাথাকিলেও তাৰ লগত আছে বিহুতলিখন আৰু আছে সোঁৱৰণীৰ সেই বৰগছজোপা। সি যিমান মন যায় সিমানেই ঢোলটোকে বজাব। কোনোৱে বাধা দিব নোৱাৰে তাক।

ইফালে ঢোলৰ মাত শুনি গাঁৱৰ ডেকা-গাভৰু, মুনি-তিৰোতা সকলোৱে কাণ ঠিয় কৰি শুনিছে। কাৰোৱে বুজিবলৈ বাকী নাথাকিল যে সেয়া সীমান্তয়েই হ'ব। তাৰ বাহিৰে আন কোনোৱে এইদৰে বাঁহী বজাব নোৱাৰে। ঢোলৰ চেও মাৰিব নোৱাৰে। ঢোলৰ মাতত বিছনাত পৰি ককায়েকে কান্দোনত ভাগি পৰিছে। সৰু ভায়েকৰ মনৰ কথা বুজি অন্তৰে হাহাকাৰ কৰি উঠিছে। নীতিয়ে ৰান্ধনী ঘৰত সন্ধিয়াৰ চাহ কৰি আছিল। ঢোলৰ আৰু বাঁহীৰ মাতে তাইক স্থিৰে ৰাখিব নোৱাৰিলে। পোনে পোনে তায়ো আঁহতৰ তল পালেগৈ। সীমান্তই মাথো বলিয়াৰ দৰে ঢোল বজাই থকা দেখি নীতি অস্থিৰ ভাবে কান্দিব ধৰিলে। নীতিৰ বুজিবলৈ বাকী নাথাকিল যে গাঁৱৰ এই পৰিৱেশৰ বাবেই সীমান্তৰ এই ৰূপ। নীতিৰ পিছে পিছে গাঁৱৰ ডেকা-গাভৰু, ল'ৰা-বুঢ়া সকলো আহি তাৰ কাষত বৈছে আৰু তাৰ বিহু ঢোলৰ চেৱত নাচি উঠিছে। ই কি ৰমেশ, যদু, মহিম, বাবু সকলোৱেচোন কান্ধত ঢোল হাতত পেপালৈ সেইফালে দৌৰি আহিছে। কাৰো ঘৰত কোনো নাই। যেন বৃন্দাবনত কৃষ্ণৰ বাঁহীৰ সুৰে যোল্লশ গোপিনীৰ মন হৰি নিয়াৰ দৰে, সীমান্তৰ বিহুৰ ঢোলৰ বাদিয়ে সকলোকে পাহৰাই পেলাইছে তেওঁলোকৰ মনৰ মান-অভিমান, হাই কাজিয়া। সকলো আহিছে গাঁৱৰ বিহুতলিলৈ বিহু মাৰিবলৈ। গাঁৱৰ সকলোকে দেখি সীমান্তৰ মন আনন্দৰে ভৰি পৰিছে। সি ক'বলৈ ধৰিছে বাবু আমি প্ৰথমে এটি হুঁচৰিৰে আৰম্ভ কৰোঁহঁক আৰু নীতিহঁতে ৰিহা-মেখেলা পিন্ধি আহাগৈ যোৱা। আজি আকৌ হেঁপাহ পলুৱাই বিহু মাৰিম। দৌৰাদৌৰিকৈ নীতি আইজনীহঁত ঘৰলৈ সাজি-কাচি আহিবলৈ গ'ল। ইফালে ডেকাহঁতে আৰম্ভ কৰিছে—

"জয় ৰাম বোলা, জয় হৰি বোলা হৰি এ..."■■

আইনৰ

# আইন আৰু শিশু শ্ৰমিক

**পাৰুল দেৱী, মঙ্গলদৈ**

বিশ্বৰ ভিতৰতে বাৰতবৰ্ষত সৰ্বাধিক শিশু শ্ৰমিকে কাম কৰে। উন্নত দেশবোৰত উদ্যোগীকৰণৰ হাৰ দ্ৰুত হোৱা সত্ত্বেও শিশু শ্ৰমিকৰ সংখ্যা তেনেই নগণ্য। অথচ ভাৰতত উদ্যোগীকৰণৰ হাৰ সামান্য হোৱা সত্ত্বেও শিশু শ্ৰমিক নিয়োজিত হোৱাৰ হাৰ অধিক। এই শিশু শ্ৰমিকসকল যে কেৱল উদ্যোগ খণ্ডতেই জড়িত হৈ আছে তেনে নহয়, আন আন প্ৰতিষ্ঠানতো আছে। ব্যক্তিগত প্ৰতিষ্ঠানৰ পৰা আৰম্ভ কৰি ৰাজহুৱা খণ্ডলৈ সকলোতে শিশু শ্ৰমিকৰ সংখ্যা বৃদ্ধি পাইছে। অৱশ্যে এই ধাৰা ব্ৰিটিছৰ ৰাজত্ব কালৰে পৰাই প্ৰৱাহিত হৈ আছে। ব্ৰিটিছৰ ৰাজত্বকালত শিশু শ্ৰমিক প্ৰতিৰোধ কৰিবলৈ কিছুমান আইন প্ৰণয়ন কৰা হৈছিল। স্বৰাজোত্তৰ কালত বহুতো আইন প্ৰণয়ন কৰা হ'ল যদিও সেইবোৰে শিশুসকলক নিয়োগ কৰা কাৰ্যত বাধা দিয়াত সম্পূৰ্ণৰূপে বিফল হয়। ক্ৰমাৎ দ্ৰুতগতিত বৃদ্ধি হোৱা শিশু শ্ৰমিকৰ সমস্যাই এক জ্বলন্ত ৰূপ ধাৰণ কৰিলে। সেয়েহে চৰকাৰে এই কাৰ্যত বাধা আৰোপ কৰিবলৈ ১৯৮৬ চনত এখন বিশেষ আইন প্ৰণয়ন কৰে আৰু এই আইনখনৰ নাম দিয়া হয়— The child (Prohibition and Regulation) Act, 1986। এইখন আইনেৰে কিছুমান শিশুক বিশেষ কামত নিয়োগ কৰাৰ সুযোগ প্ৰদান কৰিলেও অন্য ক্ষেত্ৰত কঠোৰ নিয়মৰ কথা উল্লেখ কৰিছে। এই আইনখনৰ অধীনত সেইসকল শিশুক অন্তৰ্ভুক্ত কৰা হৈছে যিসকলৰ বয়স ১৪ বছৰ হোৱা নাই। অৰ্থাৎ ১৪ বছৰৰ তলৰ শিশুসকলকহে অন্তৰ্ভুক্ত কৰা হৈছে। আইনখনত উল্লেখ কৰামতে ১৪ বছৰৰ তলৰ কোনো শিশুকে দোকান, ব্যৱসায়িক প্ৰতিষ্ঠান, গেৰেজ, ফাৰ্ম, হোটেল, ৰেষ্টুৰেণ্ট, আৱাসিক, খাদ্য, প্ৰস্তুতকাৰী ঘৰত, থিয়েটাৰ অথবা যিকোনো ৰাজহুৱা বিনোদন কেন্দ্ৰ আদিত নিয়োগ কৰিব নোৱাৰিব। আনহাতে কোনো বৃত্তিতে এনে শিশুক নিয়োগ কৰিব নোৱাৰিব। যদি কোনো বিশেষ কামত শিশু শ্ৰমিক নিয়োগ কৰা হয়, তেতিয়াহ'লে তেওঁলোকক কামৰ সময়, স্বাস্থ্য, থকা-মেলা, জিৰণিৰ সময় আদি কেনেকুৱা হ'ব সেয়া নিৰ্দ্ধাৰণ কৰিছে আইনখনে। কোনো শ্ৰমিকক অতিৰিক্ত সময় নিয়োগ কৰিব নোৱাৰিব। আনহাতে তিনি ঘণ্টা একেলেঠাৰিয়ে কাম কৰাৰ পিছত জিৰণিৰ সময় নিৰ্দ্ধাৰণ কৰিব লাগিব। কোনো কৰ্মীকে পুৱা ৭ বজাৰ আগত আৰু নিশা ৮ বজাৰ পিছত কাম কৰিবলৈ অনুমতি প্ৰদান কৰা নহ'ব। আনহাতে নিশা অতিৰিক্ত কাম কৰাৰ ক্ষেত্ৰতো বাধা আৰোপ কৰা হৈছে। কোনো শিশু শ্ৰমিককে নিশাৰ ভাগত লোভনীয় পাৰিশ্ৰমিক দি কামত খটুৱাব নোৱাৰে। যদিহে কোনো এটি প্ৰতিষ্ঠানত কাম কৰি আছে আৰু নিৰ্দিষ্ট সময় উকলি যোৱাৰ পিছৰ যদি আন এটি প্ৰতিষ্ঠানত কাম কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে তেতিয়াহ'লে তেওঁক পিছৰ প্ৰতিষ্ঠানটোতে নিয়োজিত হোৱাৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হ'ব। অৰ্থাৎ এদিনত দুটা প্ৰতিষ্ঠানত শিশু শ্ৰমিক নিয়োগ কৰা হয় তেতিয়াহ'লে নিয়োগকৰ্তাই ৩০ দিনৰ ভিতৰত স্থানীয় পৰিদৰ্শকক এই বিষয়ে সবিশেষ জনাব লাগিব। যদি শিশুটিৰ কোনোধৰণৰ প্ৰমাণ পত্ৰ থাকে তেতিয়াহ'লে সেইখনেই হ'ব বয়স

নিৰ্ধাৰণৰ সম্বল। যিগৰাকী নিয়োগকৰ্তা থাকে তেওঁ এটি ৰেজিষ্টাৰ কৰিব লাগিব আৰু তাত কেতিয়া কাম কৰাৰ বাবে অনুমতি প্ৰদান কৰা হৈছে, কামৰ সময়, কামৰ প্ৰকৃতি আদিৰ বিষয়ে স্পষ্টভাৱে ব্যাখ্যা কৰিব লাগিব। যিটো প্ৰতিষ্ঠানত কাম কৰে তাত শিশু শ্ৰমিকে কাম কৰাৰ উপযুক্ত ব্যৱস্থা থাকিব লাগিব। প্ৰতিষ্ঠানটোত লাইটৰ পৰা আৰম্ভ কৰি খোৱাপানীলৈকে সকলোখিনি সুবিধা থকাটো বাঞ্ছনীয়। কাম কৰা কোঠাৰ দুৱাৰ-খিৰিকী উপযুক্তভাৱে থকাৰ লগতে ধূলিময় পৰিৱেশ যাতে নাথাকে তাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিব লাগিব। কোনো যন্ত্ৰ-পাতিৰ ওপৰত কাম কৰিবলগীয়া হ'লে তাক উপযুক্তভাৱে বেৰৰ ব্যৱস্থা থকাটো নিশ্চিত হ'ব লাগিব। যদিহে আইনখনৰ ধাৰা তিনিত উল্লিখিত নিয়ম-কানুন সঠিকভাৱে পালন কৰা নহয় তেতিয়াহ'লে এনে নিয়োগকৰ্তাৰ বিৰুদ্ধে কৰ্তৃপক্ষই বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। এনে আইন ভঙ্গকাৰীয়ে তিনিমাহৰ পৰা এবছৰ পৰ্যন্ত কাৰাবাস খাটিবলগীয়াও হ'ব পাৰে। আনহাতে ১০,০০০ টকাৰ পৰা ২০,০০০ টকা পৰ্যন্ত জৰিমনাও ভৰিবলগীয়া হ'ব।

এনে ধৰণৰ কঠোৰ আইন থকা সত্ত্বেও ভাৰতৰ প্ৰায়ভাগ ব্যৱসায়িক প্ৰতিষ্ঠানতে অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰি আছে লক্ষ লক্ষ শিশু শ্ৰমিকে। আইনক অৱজ্ঞা প্ৰদৰ্শন কৰি বাধাহীনভাৱে শোষণ কৰিছে শিশু শ্ৰমিকক। পেটৰ ভোকৰ তাড়নাতে পুৱাৰ পৰা নিশা দুপৰলৈকে কাম কৰা শিশুসকলৰ ভৱিষ্যতকলৈ খেল খেলা হৈছে। প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে শিশুসকলক। শিক্ষাৰ পৰা আৰম্ভ কৰি খাদ্য স্বাস্থ্যৰ সকলোৰে পৰা পঞ্চিত আজি তেওঁলোক। চৰকাৰে বহুতো আইন প্ৰণয়ন কৰিছে যদিও সেইবোৰ কিতাপৰ পাততে আৱদ্ধ হৈ থকাৰ নিচিনা হৈছে।

সময় আৰু সভ্যতা আগবাঢ়িছে যদিও দলিত, নিপীড়িত, নানা অধিকাৰৰ পৰা বঞ্চিত শিশুৰ আৰ্তনাদ শুনিবলৈ কাৰো আহৰি নাই। শিশুৱে যেতিয়ালৈকে মুক্তমনে খেলিব নোৱাৰিব, কল্পনা কৰিব নোৱাৰিব, শিক্ষাৰ সুবিধা নাপাব, স্বাস্থ্যৰ বাবে চিকিৎসা নাপাব, ঔষধ নাপাব, পুষ্টিকৰ খাদ্য নাপাব তেতিয়ালৈকে দেশৰ ভৱিষ্যত এই শিশুসকলক দেশৰ ভৱিষ্যত বুলি জয়গান গাই থকাৰ বাহিৰে আন একো আশা কৰিব পৰা নাযাব। যেতিয়া শিশুসকলক উপযুক্ত শিক্ষা-দীক্ষাৰে চাৰিওদিশৰ পৰা গঢ় দি আইনৰ প্ৰাপ্য সুবিধাকণ দিলে দেশ বিকশিত হ'ব আৰু তেতিয়াহে আমাৰ দেশখনে সময়ৰ স'তে সমানে খোজ পেলাই আগবাঢ়িব পাৰিব।■■

স্বাস্থ্য

# কঁকালৰ বিষ কিয় হয়

**ডাঃ জীৱন চন্দ্ৰ ডেকা**

কঁকালৰ বিষ নথকা মানুহৰ সংখ্যা বিচাৰিলে হয়তো খুব কমেহে পোৱা যাব। বৰ্তমান সময়ত কৃষকৰপৰা ব্যৱসায়ীলৈ, উদ্যোগীৰপৰা চাকৰিয়াললৈ প্ৰায় ৬০—৮০ শতাংশ লোকেই জীৱনত এবাৰ হ'লেও কঁকালৰ বিষৰ অভিজ্ঞতা নোপোৱাকৈ থকা নাই। কৃষক বা বনুৱাসকলৰ ক্ষেত্ৰত দেখা যায় যে, তেওঁলোক শাৰীৰিকভাৱে স্নায়ুবিক দুৰ্বলতাত ভুগি থকা অৱস্থাত কোনো গধুৰ বস্তু দঙা, কোনো বস্তুৰ ওপৰত শৰীৰৰ সমস্ত বল প্ৰয়োগ কৰা, মূৰত গধুৰ বোজা লৈ খোজকঢ়া অৱস্থাত কঁকালৰ জোৰাৰ স্থানচ্যুতি আদি সংঘটনৰ বাবেই হঠাৎ কঁকালৰ বিষ হৈ লৰচৰ কৰিব নোৱাৰা হয়।

আনহাতে চাকৰিয়ালসকল যিসকলৰ দেহ ক্ষীণ কিন্তু ওখ বেছি আৰু চকীত বহি একেৰাহে কাম কৰিবলগীয়া হয়, তেনে লোকসকলেও কঁকালৰ বিষত ভোগা পৰিলক্ষিত হয়। যিসকল লোকে প্ৰায়ে সন্মুখৰ পিনে হাউলি কাম কৰে নাইবা একেবাৰে শাৰীৰিক পৰিশ্ৰম নকৰাকৈ জীৱন নিৰ্বাহ কৰে। সেইসকলেও কঁকালৰ বিষৰ বলি হ'বলগা হয়।

ইয়াৰ উপৰি ৰাজহাড়ৰ স্পণ্ডিলাইটিছ, ৰাজহাড়ৰ মাজৰ স্নায়ুৰজ্জুৰ সংকোচন, ৰাজহাড়ৰ কশেৰুকাৰ গাঁঠিৰ মাজত মাংসপেশী নাইবা লিগামেণ্টৰ ওপৰত হোৱা কোনো আঘাত ৰাজহাড়ত হোৱা যক্ষ্মা নাইবা কৰ্কট ৰোগৰ ফলত বা হাড়ত কোনো বৰ্দ্ধিত টেমুনাৰ সৃষ্টি হ'লেও কঁকালৰ বিষয় হয়। ইয়াৰ উপৰি বৃক্কত পাথৰ হোৱাৰ বাবে কোনো জীৱাণুৰ সংক্ৰামণ; পিত্তাশয়ৰ ৰোগ বা মহিলাসকলৰ বিশেষ কিছুমান গৰ্ভাশয়ৰ ৰোগৰ কাৰণতো কঁকালৰ বিষ হয়।

ডেকা বয়সৰ লোকৰ ক্ষেত্ৰটো কঁকালৰ বিষ হ'ব পাৰে। ৰাজহাড়ডালৰ মাজত আঙুঠিৰ লেখীয়া যি কশেৰুকা থাকে, এই কশেৰুকাৰ মাজত অৰ্ধজুলীয়া কিছুমান জেলিৰদৰে পদাৰ্থ থাকে। এই জেলিৰ দৰে পদাৰ্থবোৰ কোনো কাৰণত হেঁচাখাই ওলাই আহি কাষৰ স্নায়ুসমূহত চাপ পৰিলে কঁকালৰ বিষ হয়। বিশেষকৈ দুটা কশেৰুকাৰ মাজত থকা ডিস্কসমূহত দেখা দিয়া বিসংগতিয়েই এইবিধ বিষয়ৰ মূল কাৰণ। সেইদৰে হোৱা কঁকালৰ বিষক হাৰ্ণিয়েটেড ডিস্ক বা শ্লিপিং ডিস্ক বোলে। এই ধৰণৰ কঁকালৰ বিষেই আটাইতকৈ বেছি বুলি ধাৰণা কৰা হয়।

> শৰীৰত যেতিয়া হিম'গ্লবিনৰ পৰিমাণ কমি যায় আৰু ইয়াৰ পৰিমাণ কমি গৈ ৮০ শতাংশৰ তললৈ নামে তেতিয়া ৰক্তাল্পতাই দেখা দিয়ে। এনে অৱস্থাত মানুহৰ কঁকালৰ বিষ হয়।

বয়সৰ লগে লগে মানুহৰ দেহত কেলছিয়ামৰ পৰিমাণ কমি যায়, ইয়াৰ ফলত ৰাজহাড়ৰ ঘনত্ব কমি যায় ফলত কঁকালৰ বিষ হয়। এই ধৰণে হোৱা কঁকালৰ বিষক অষ্টিঅ'আৰথৰাইটিছ বোলে। বয়সক চাপ পৰাৰ লগে লগে মানুহৰ শৰীৰত থকা লিগামেণ্টবোৰ ডাঠ হ'বলৈ ধৰে; ৰাজহাড়ৰ ডিস্কবোৰৰ লগতে শৰীৰৰ পৰা নিৰ্গত হোৱা কিছুমান ৰাসায়নিক পদাৰ্থই এই কঁকালৰ বিষ বৃদ্ধি হোৱাত অনুকূল পৰিৱেশ সৃষ্টি কৰে।

বাতবিষ নামৰ এবিধ বিষৰ কথা প্ৰায় মানুহৰ জ্ঞাত। ই সাধাৰণতে গাঁঠিত হয়। এই বাতবিষ মানুহৰ ৰাজহাড়ৰ জোৰাসমূহত আৰম্ভ হৈ কঁকালত গৈ কঁকালৰ বিষৰ সৃষ্টি কৰে বুলিও ধাৰণা কৰে। এই বিধ কঁকালৰ বিষৰ নাম হৈছে একালজিং স্পণ্ডিলাইটিছ।

**কঁকালৰ বিষৰ চিকিৎসা সম্পৰ্কত ঃ** কঁকালৰ বিষ বিভিন্ন কাৰণত হয়। এই বিষ বৰ্তমান প্ৰতি ৫জন লোকৰ মাজত এজনৰ থকা দেখা যায়। এইবোৰৰ ভিতৰত কোনো কোনো লোকৰ এই বিষ যান্ত্ৰিকভাৱে হোৱা, কোনো কোনোৰ আকৌ আভ্যন্তৰীণ কাৰণত, কোনোজনৰ বৃক্কত হোৱা পাথৰ আৰু দুই-চাৰিজনৰ ক্ষয়ৰোগ অথবা কৰ্কট ৰোগৰ ফলতো এই বিষ উৎপত্তি হ'ব পাৰে। দেখা যায় যে মানসিকতাভাৱে দুৰ্বল হোৱা লোকসকলৰো কঁকালৰ বিষ হোৱা পৰিলক্ষিত হয়।

কঁকালৰ বিষৰ প্ৰাৰম্ভিক অৱস্থাত চিকিৎসকসকলৰ পৰা পৰামৰ্শ লোৱাটো প্ৰয়োজন, কাৰণ কোনো কোনো কাৰণত হোৱা কঁকালৰ বিষ প্ৰায় ৪ শতাংশ চিকিৎসা নকৰিলেও এসপ্তাহৰ পিছত ক্ৰমাৎ আৰোগ্য হ'ব ধৰে। কিন্তু বৰ্তমান যুগত কোনো মানুহেই এসপ্তাহ ধৰি কোনো চিকিৎসা নোলোৱাকৈ শুই বহি থাকিব নোৱাৰে। সেইবাবে চিকিৎসা লোৱাটো প্ৰয়োজনীয় হৈ পৰে। যিসকল লোকে কঁকালত আঘাত বা দুখ পায় সেইসকলে চিকিৎসা নকৰাকৈয়ে আৰোগ্য হ'বলৈ প্ৰায় ৭২ দিন সময় লাগে। আকৌ কঁকালৰ পৰা ভৰিলৈকে নামি অহা বিষক ছায়াটিকা বোলা হয়। সেই বিষ নিৰাময় হ'বলৈ প্ৰায় ৬মাহ পৰ্যন্ত সময়ৰ প্ৰয়োজন হয়। অবিৰাম কঁকালৰ বিষ আৰু অধিক জঠৰতা এই ৰোগৰ প্ৰধান লক্ষণ। এনে ক্ষেত্ৰত ৰোগ অনুসৰি চিকিৎসা কৰাটো প্ৰয়োজন।

**কঁকালৰ বিষত পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে ঃ** অন্যান্য ৰোগৰ তুলনাত কঁকালৰ বিষ কিছু সুকীয়া। কাৰণ বেছিভাগ বিষৰ উৎপত্তিয়েই হ'ল যান্ত্ৰিক। প্ৰায় শতকৰা দুই-চাৰিজন লোকৰহে কোনো বিশেষ সংক্ৰমণৰ ফলত যেনে—হাড়ৰ কৰ্কট নাইবা যক্ষ্মাৰোগৰ ফলত কঁকালৰ বিষ উৎপত্তি হয়। সেইবাবে চিকিৎসকসকলে এই ৰোগৰ বুৰঞ্জী ৰোগীক ভালদৰে সোধ-পোছ কৰি ইয়াৰ লক্ষণৰ পৰা চিকিৎসা আৰম্ভ কৰিব পাৰে। প্ৰাথমিক অৱস্থাত কঁকালৰ বিষৰ বাবে বিশেষ খৰছী পৰীক্ষাৰ প্ৰয়োজন নহয়। কিয়নো ইয়াৰ বাবে কৰিবলগীয়া পৰীক্ষাসমূহ ব্যয় বহুল।

**কেতিয়া পৰীক্ষা কৰিব লাগে ঃ** কঁকালৰ বিষ যেতিয়া অবিৰাম হ'ব বিষৰ স'তে জ্বৰ আহিব কঁকাল বা ৰাজহাড়ৰ অংশ ফুলি উঠিব তেনে অৱস্থাত ৰোগীৰ তেজ আৰু প্ৰস্ৰাৱ পৰীক্ষা, এক্সৰে, চি.টি. স্কেন আৰু এম. আৰ. আই. আদি কৰিবলগা হয়।

**তেজ পৰীক্ষা দ্বাৰা ৰোগ নিৰ্ণয় ঃ** মানুহৰ শৰীৰত থকা তেজৰ হিম'গ্লবিন অংশ অতি গুৰুত্বপূৰ্ণ। শৰীৰত যেতিয়া হিম'গ্লবিনৰ পৰিমাণ কমি যায় আৰু ইয়াৰ পৰিমাণ কমি গৈ ৮০ শতাংশৰ তললৈ নামে তেতিয়া ৰক্তাল্পতাই দেখা দিয়ে। এনে অৱস্থাত মানুহৰ কঁকালৰ বিষ হয়।

মানুহৰ দেহত যেতিয়া কৰ্কট ৰোগ হয় তেতিয়া হাড়ৰ মজ্জাত ৰক্ত উৎপাদন কৰিব নোৱাৰা হয় ফলত কঁকালৰ বিষ হয়।

**তেজৰ E.S.R. পৰীক্ষা ঃ** ৰোগ নিৰ্ণয় তেজৰ

E.S.R. পৰীক্ষা এক বিশেষ মন কৰিবলগীয়া। সাধাৰণতে যান্ত্রিকভাৱে হোৱা কঁকালৰ বিষত তেজ পৰীক্ষা কৰিলে E.S.R. ৰ কোনো পৰিৱৰ্তন পোৱা নাযায়। কিন্তু যক্ষ্মাৰোগ, কৰ্কট অথবা হাড়ৰ কোনো সংক্ৰমণ হ'লে মেৰুদণ্ডৰ ভিতৰত পুঁজ জমা হোৱা ৰোগ, বাতজনিত ৰোগ যেনে— এনকায়লজিং স্পণ্ডিলাইটিজ, ৰিউমেটইড আৰথৰাইটিজ আদি ৰোগ হ'লে E.S.R. বাঢ়ি যায়।

**প্ৰস্ৰাৱ পৰীক্ষাৰ প্ৰয়োজনীয়তা ঃ** বৃক্কত পাথৰ হ'লে কঁকালৰ বিষ হয়। আনহাতে মহিলাসকলৰ ক্ষেত্ৰত U.T.I. অৰ্থাৎ প্ৰস্ৰাৱৰ সংক্ৰমণ হ'লে কঁকালৰ বিষ হয়। এই দুয়োটা ৰোগৰ ক্ষেত্ৰত প্ৰস্ৰাৱ পৰীক্ষা কৰিলে ৰোগ নিৰ্ণয়ত সুবিধা হয়।

**এক্সৰেৰ প্ৰয়োজনীয়তা ঃ** বুঢ়া হ'লে মানুহৰ ছাল শোতোৰা পৰাৰ দৰে বয়সৰ লগে লগে মানুহৰ কঁকালৰ হাড় পোন হৈ যোৱা, হাড়ৰ কোনো অংশৰ পৰা চৰাইৰ ঠোঁটৰ দৰে অংশ বাঢ়ি অহা, দুটা কশেৰুকাৰ মাজৰ ঠাই কমি যোৱা আদি লক্ষণবোৰ দেখা যায় আৰু এই লক্ষণবোৰ এক্সৰে কৰিলে সহজতে ধৰা পৰে। কিন্তু বয়স্ক সকলো লোকৰ ক্ষেত্ৰত এনে পৰিৱৰ্তনবোৰক কোনো ৰোগৰ লক্ষণ বুলি ধৰি ল'ব নালাগে। কিয়নো এই লক্ষণ বয়সৰ চাপৰ বাবে হোৱা লক্ষণ মাথো। এক্সৰে হ'ল এক প্ৰকাৰৰ কম খৰচী পৰীক্ষা।

**চি.টি. স্কেন আৰু এম.আৰ.আই. পৰীক্ষা ঃ** চিকিৎসা বিজ্ঞানৰ এক অন্যতম সফলতা হ'ল চি.টি. স্কেন আৰু এম.আ.আই. পৰীক্ষা। যিবোৰ সাধাৰণ বেমাৰ এক্সৰে কৰিলে ধৰা নপৰে, সেইবোৰ ৰোগ নিৰ্ণয় কৰিবলৈ চি.টি. স্কেন আৰু এম.আৰ.আই. কৰা হয়। বহুতো মানুহৰ ধাৰণা যে, চি.টি. স্কেন আৰু এম.আৰ.আই. দ্বাৰা ৰোগ নিৰাময় কৰিব পাৰি। কিন্তু কোনেও ভবা উচিত নহয় কিয়নো এই দুয়োটা পৰীক্ষা কেৱল ৰোগ নিৰ্ণয়ৰ পৰীক্ষাহে।

চি.টি. স্কেন কেৱল হাড়ৰ ৰোগ চিনাক্তকৰণৰ বাবেহে সুবিধাজনক। ই মাংসপেশী আৰু স্নায়ুৰোগ নিৰ্ণয়ত বিশেষ সহায় নকৰে। কিন্তু স্নায়ু আৰু মাংসপেশীৰ ৰোগ নিৰ্ণয়ত চি.টি. স্কেন আৰু এম. আৰ. আই. অতি উপযোগী। চি.টি. স্কেন কৰি অতিশয় সূক্ষ্ম ফাঁট, টিউমাৰ, বীজাণুৰ সংক্ৰমণ, কোনো লোকৰ জন্মগত ৰোগ আদি ধৰা পেলাব পাৰি। এম.আৰ.আই. চি.টি. স্কেনতকৈ আৰু বেছি উপযোগী। কিয়নো ই ৰেডিয়েচন নহয়, যাৰ ফলত গৰ্ভৱতী মহিলাসকলৰ বাবেও ইয়াক ব্যৱহাৰ কৰিলে সন্তানৰ কোনো ক্ষতি নহয়।

**চিকিৎসা ব্যৱস্থা ঃ** কঁকালৰ বিষ যান্ত্রিকভাৱে হ'লে ইন্‌জেক্‌চন Irgapyrin বা Inac এটাকৈ দিনত একেৰাহে ৭ দিন ল'ব লাগে। ৰক্তাল্পতা থাকিলে Optineuron ইনজেক্‌চন এদিনৰ অন্তৰত এটাকৈ I.M.৭টা ল'ব লাগে। বিষ তীব্ৰৰ হ'লে ইনজেক্‌চন Dolonexl (Pyroxicam) 2ml + Betnasol lamp এটাকৈ এদিনত এবাৰকৈ ৭ দিন নাইবা Dolonex 2m + Trinewrosol ইনজেক্‌চন 1M এদিনৰ অন্তৰত ৭টা ল'ব লাগে। নাইবা ইনজেক্‌চন Methycobalamine 500mg দিনত এটাকৈ একেৰাহে দহ দিন। লগত Irgapyrin Tab.এটাকৈ ১০ দিন নাইবা Dolonex-DT এটাকৈ গৰম পানীৰে খোৱাৰ পিছত খাব লাগে। বহি প্ৰয়োগ হিচাপে Arget Spray নাইবা Volini নাইবা Voveren. Oint মালিছ কৰিলে সুফল পোৱা যায়।

**আনুসঙ্গিক ব্যৱস্থা ঃ** কঁকালৰ বিষ হোৱা ৰোগীয়ে গৰম পানীৰে গা ধোৱা, খোৱা আদি ভাল। শাৰীৰিক ব্যায়াম বিশেষ উপযোগী। গধুৰ বস্তু দঙা, চাইকেল চলোৱা নিষিদ্ধ। কোমল বিচনা ব্যৱহাৰ নকৰাই ভাল।■■

*(বিঃ দ্রঃ নিবন্ধটোত উল্লিখিত ঔষধসমূহ স্বেচ্ছাই ব্যৱহাৰ কৰাটো বিপদজনক।)*